# সোণালী

## সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

### ২০০৬ - ০৭ বৰ্ষ



সম্পাদনাত - শ্ৰীহিৰেশ্বৰ দাস

# সোণাৰি মহাবিদ্যালয় আলোচনী

২০০৬-২০০৭ বৰ্ষ

Sunil Dutta
1st clour photograph

প্ৰতি,

সম্পাদক ঃ হিৰেশ্বৰ দাস

# SONARI COLLEGE MAGAZINE

VOLUME XX (2006 - 2007)

# SONALEE

## THE ANNUAL MAGAZINE OF SONARI COLLEGE

Volume XX ( 2006 - 2007)

**সম্পাদনা সমিতি**

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° ৰাজেন তামুলী |
| উপদেষ্টা | ঃ | সুনীল দত্ত<br>পৰানন কোঁৱৰ<br>ৰঘুনাথ কাগ্যুং |
| সম্পাদক | ঃ | হিৰেশ্বৰ দাস |
| সদস্য | ঃ | বিৰাজ প্ৰতীম গগৈ<br>ৰণ্টুৰাজ গগৈ<br>বিদ্যুৎ বৰুৱা<br>অমিৰঞ্জন পাংগিং |
| বেটুপাত অলংকৰণ | ঃ | ইমানী বৰুৱা |
| ভিতৰৰ চিত্ৰাংকন | ঃ | ফুল |
| প্ৰকাশক | ঃ | সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা, ২০০৬ - ২০০৭ বৰ্ষ |
| মুদ্ৰন | ঃ | পূৰ্বাচল অফ্‌চেট প্ৰিণ্টাৰ্চ, সোণাৰি |

# অশ্ৰু অঞ্জলি

*"দূৰণিৰ পখীজাক মিলি যায় দিগন্তত*
*মাতি যায় আকুল সুৰত*
*প্ৰতিধ্বনি বাজে সুদূৰত*
*জীৱন নগৰী মোৰ পিঁজৰাৰ পখীটিও*
*মিলি যাব খোজে অনন্তত*
*অসীমৰ অচিন বাটত........................*

*নলিনীবালা দেৱী*

মৃত্যু যদিও চিৰশ্বাশ্বত তথাপি যি সকল স্বনামধন্য লোকে তেওঁলোকৰ বিৰল প্ৰতিভাৰাজিৰে মৃত্যুক জয় কৰি স্বদেশ তথা স্বজাতিৰ বাবে আদৰ্শৰ উজ্বল নিদৰ্শন হৈ ৰ'ল সেই চিৰ নমস্য শিল্পী, সাহিত্যিক, কবি, নাট্যকাৰ, বিপ্লৱী, সাংবাদিক, শিক্ষক তথা বিভিন্ন দিশত বহুমূলীয়া অৱদান আগবঢ়াই যোৱা সকললৈ অশ্ৰু অঞ্জলি নিবেদিছোঁ।

তেওঁলোকৰ উপৰিও প্ৰাকৃতিক দুৰ্যোগ, সন্ত্ৰাস বাদ আৰু দুৰ্ঘটনাৰ বলি হৈ অকালতে নিয়তিৰ নিষ্ঠুৰ কোলাত মৃত্যুক আঁকোৱালি লোৱা শত - সহস্ৰ বিশ্ব বাসীলৈ 'সোণালী'ৰ পাততেই আমি আমাৰ অশ্ৰু অঞ্জলি যাচিছোঁ।

সম্পাদক

# আমি যি সকলৰ ওচৰত কৃতজ্ঞ

- **শ্ৰীযুত শৰৎ বৰকটকী**
  *বিধায়ক তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি*
- **শ্ৰীযুত তপন কুমাৰ গগৈ**
  *সাধাৰণ সম্পাদক, সদৌ অসম ছাত্ৰ সন্থা*
- **শ্ৰীযুত গোলাপ বৰগোহাঁই, শ্ৰীযুত ৰবীন কোঁৱৰ, শ্ৰীযুত সুৰেশ দাস আৰু স্বৰ্গীয়া কমলাৱতী দাস শইকীয়া**
  *মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ/অধ্যক্ষা*
- **ড° ৰাজেন তামুলী**
  *মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি*
- **শ্ৰীযুক্তা ৰতিপ্ৰভা গগৈ**
  *মহাবিদ্যালয়ৰ উপাধ্যক্ষা*
- **শ্ৰীযুত সুনীল দত্ত, শ্ৰীযুত পৰানন কোঁৱৰ, শ্ৰীযুত ৰঘুনাথ কাগয়ুং**
  *আলোচনী বিভাগৰ উপদেষ্টা*
- মহাবিদ্যালয়ৰ সমূহ অধ্যাপক/অধ্যাপিকা
- মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী বৃন্দ
- মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া
- যি সকলৰ লেখনিৰে আলোচনীখন সমৃদ্ধ কৰিলে
- যি সকল ছাত্ৰ-ছাত্ৰীয়ে আমাক উৎসাহ যোগালে
- সদৌ শেষত পূৰ্বাচল অফ্‌চেট প্ৰিণ্টাৰ্চৰ স্বত্বাধিকাৰী ও সমূহ কৰ্ম্মকৰ্ত্তাৰৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।


**শ্ৰীশৰৎ বৰকটকী**, বিধায়ক
উপাধ্যক্ষ, ৰাজ্যিক পৰিকল্পনা পৰিষদ, অসম
দিশপুৰ, গুৱাহাটী - ৬

ফোন ঃ ০৩৬১ - ২২৩৭২২৪ (কাৰ্য্যালয়)
০৩৬১ - ২২৬১২৬৯ (নিবাস)
০৩৭৭২ - ২৫৬৭৩৭ (সোণাৰি)


সত্যমেৱ জয়তে

তাৰিখ ঃ ০৩/০৩/২০০৭

## শুভেচ্ছা বাণী



শৰৎ বৰকটকী।

চৰাইদেউ মহকুমাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ সোণাৰি মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী সকলৰ সমূহীয়া প্ৰচেষ্টাৰে বাৰ্ষিক মুখপত্ৰ 'সোণালী' আলোচনীখন প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছোঁ। বিজ্ঞান, সাহিত্য, কলা-সংস্কৃতি, খেলা-ধূলা আদি বিভিন্ন দিশত থকা ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভাসমূহ লেখনীৰ মাধ্যমেৰে প্ৰকাশ কৰাৰ লগতে সুস্থ শৈক্ষিক বাতাৱৰণ গঢ়াত আলোচনীখনেই এই অঞ্চলৰ সকলো শিক্ষানুষ্ঠানৰ বাবে পথ প্ৰদৰ্শক হওক।

শেষত মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে সমূহ শিক্ষক - শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী সকললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি সৰ্বাঙ্গ-সুন্দৰ ৰূপত আলোচনীখন প্ৰকাশ পাব বুলি আশা কৰিলোঁ।

( শৰৎ বৰকটকী )

।। জয় আই অসম ।। ।। দেশ বুলিলে আদেশ নালাগে ।।

# সদৌ অসম ছাত্র সন্থা

## ALL ASSAM STUDENTS' UNION

মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী
Head Office : Guwahati University, Guwahati

প্ৰসঙ্গ........................ দিনাংক........................

## শুভেচ্ছা বাণী

সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ "সোণালী" প্ৰকাশ কৰিবলৈ যো-জা কৰা বুলি জানিব পাৰি আনন্দিত হৈছো। 'সোণালী'য়ে মহাবিদ্যালয়খনৰ অতীত আৰু বৰ্তমান গৌৰৱউজ্বল দিনবোৰৰ প্ৰতিটো মুহূৰ্ত্তৰ চানেকী বহন কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰিলো।

আশা ৰাখিছো 'সোণালী' মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ চানেকী হৈ ৰ'ব। সোণালীৰ পাতত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ চিন্তা আৰু চেতনাৰ উন্মেষ ঘটিব। মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী আটাইলৈ আমাৰ শ্ৰদ্ধা আৰু হিয়াভৰা শুভেচ্ছা জনালোঁ।

।। জয় আই অসম ।।

(তপন কুমাৰ গগৈ)
সাধাৰণ সম্পাদক,
সদৌ অসম ছাত্ৰ সন্থা




Dr. Rajen Tamuli, Principal, Sonari College.




Mrs. Rati Prava Gogoi, Vice-Principal, Sonari College.

ড° ৰাজেন তামুলী, সভাপতি



শ্ৰী সুনীল দত্ত, উপদেষ্টা



শ্ৰী পৰানন কোঁৱৰ, উপদেষ্টা



শ্ৰী ৰঘুনাথ কাগ্যুং, উপদেষ্টা



শ্ৰী অমিৰঞ্জন পাংগিং, সদস্য



শ্ৰী ৰুণ্টু গগৈ, সদস্য



শ্ৰী হিৰেশ্বৰ দাস, সম্পাদক



শ্ৰী বিদ্যুৎ বৰুৱা, সদস্য



শ্ৰী বিৰাজ প্ৰতীম গগৈ, সদস্য



## সম্পাদনাৰ আঁৰত




# সূচীপত্ৰ

## সম্পাদকীয়

## প্ৰবন্ধ

দশপুত্ৰ সম কন্যা / ৰতিপ্ৰভা গগৈ / ১
ভাৰতীয় বিশ্ববিদ্যালয় সমূহত বৈজ্ঞানিক গৱেষণা / ড° ৰাণা কোঁৱৰ / ৩
প্ৰজেক্টৰ বুকুত চৰাইদেউৰ মৎস্য সম্পদ ঃ এক তথ্য ভিত্তিক অধ্যয়ন / ড° জ্যোতিমা ফুকন / ৬
ষ্টক একচেঞ্জ আৰু ভাৰতৰ চেয়াৰ বজাৰৰ এটি থুলমূল আভাস / দিলীপ ৰঞ্জন বৰুৱা / ৮
অনুভৱ এক যাত্ৰাত অনুভূত সুখ / বাণী দেৱী / ১৩
থাইলেণ্ড আৰু আহোম ভাষা / মৌচুমী গগৈ / ১৬
জ্যোতিপ্ৰসাদৰ প্ৰগতিবাদী চিন্তা / তচলিমা বৰা / ১৮
কম্পিউটাৰ শিক্ষাৰ প্ৰয়োজনীয়তা / মমী গগৈ / ১৯
বিজ্ঞানৰ নোবেল বঁটাৰ কিছু কথা আৰু ২০০৬ চনৰ বিজ্ঞানৰ নোবেল/ ৰনৌজ কুমাৰ গগৈ / ২০
নৱপ্ৰজন্ম আৰু শিক্ষা ব্যৱস্থা / জয়শ্ৰী বৰা / ২২
যুৱ উচ্ছৃংখলতা ৰোধ কৰাত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা দেৱযানী চেতিয়া / ২৪
চাৰি আৰ্য সত্য / গীতাঞ্জলী শ্যাম / ২৬
সোঁৱৰণী হৈয়ে ৰ'ব কলেজীয়া জীৱনৰ কিছু মিঠা অনুভৱ / প্ৰীতিৰেখা লাহন / ২৭
প্ৰকৃত বন্ধুত্ব / ৰুবী গগৈ / ২৮
নীৰৱতাৰ ভাষা মিচ ক'ল / অৰূপ গগৈ / ২৯

## গল্প

নিসংগতা ঃ অতীতৰ.... বৰ্তমানৰ..... আৰু ভৱিষ্যতৰ / শ্যামন্ত বড়া / ৩০
সেন্দুৰ / পল্লৱী গগৈ / ৩৩
শিল ভঙা মানুহৰ ছোৱালী / মহেন্দ্ৰ বড়া / ৩৫
আনন্দৰ চকুলো / স্মৃতা বৰুৱা / ৩৭
হৃদয়ৰ কৰুণ বিননি / বিদ্যুৎ বৰুৱা / ৩৯
উজাগৰি সপোনৰ পৰিসমাপ্তি / জেউতী বৰগোহাঁই / ৪১
জোৰোণ / মনালিছা ৰাজকোঁৱৰ / ৪৫
আশাৰ সমাধি / জোনমণি গগৈ / ৪৭
হেৰুৱা প্ৰেমৰ সুবাস / বিৰাজ প্ৰতীম গগৈ / ৪৯
মাকৰ মৰম / দেৱজিৎ চেতিয়া ফুকন / ৫২
সংকল্প / ঋতুপৰ্ণ চুতীয়া / ৫৪
দূৰণিত অকলশৰে / পলি গগৈ / ৫৬

## কবিতা

কবিতা / পল্লৱী গগৈ / ৬০ / মা / তুলিকা তাঁতী / ৬১
শীতৰ কবিতা / চিৰঞ্জীৱ কটকী / ৬২

শৰৎ / উত্তম বড়া / ৬৩ / নিসংগতা / অজন্তা গগৈ / ৬৪

## কবিতা

প্ৰতীক্ষা / পৰী গগৈ / ৬৪ / ৰোমন্থন / ৰুণুমা দুৱৰা / ৬৫
শৰতৰ দুটিমান স্তৱক / ৰনৌজ কুমাৰ গগৈ / ৬৬
তুমি / ৰিমঝিম গগৈ / ৬৭ / বিদায় বেলাত একাজলি অশ্ৰু / সুহাস্মিতা বৰুৱা / ৬৮ / তৃষ্ণা ! তুমি সঁচাই ধুনীয়া / পুষ্পাঞ্জলী চেতিয়া / ৬৯ জোনাক / পূৰ্ণিমা চুতীয়া / ৭০
তোমাক দেখাৰ পৰাই / দীপা গগৈ / ৭১/ শীত / চিৰন্তন গগৈ / ৭২ / প্ৰক্ৰিয়া / আঞ্জুম আৰা হক / ৭৩ / নিশাৰ উচুপনি / ময়ুৰী দেৱী / ৭৪
বাৰিষাৰ প্ৰথম জাক বৰষুণত / পৰাগ জ্যোতি মহন্ত / ৭৫ /
মই তোমাক হেৰুৱাব নিবিচাৰো / বিৰাজ প্ৰতীম গগৈ / ৭৬ /
প্ৰথম প্ৰেমৰ শিহৰণ সৰলতা নিভাৰণ / ধন্তী বৰুৱা / ৭৭ /
টিম ইণ্ডিয়া / সানী দাস / / ৭৮

## ENGLISH SECTION

### ARTICLES

Man-Elephant Conflict in Charaidew, Sivasagar District - A case study / **Mr. Rana Konwar** / 79
The Picture of the Universe and the Big Bang Theory / **Rajib Borah** / 82
Reading / **Sunny Bawri** / 84
Ex-Generation and Love / **Khanjan Boruah** / 86
Noise Pollution : A threat to mankind / **Anurag Protim Das** / 87
Friends are Forever / Sonari College for me / **Monmita kar** / 89

### POEM

Unspoken Love / **Poramananda Panging** /90
Success / **Sunny Bawri** /91 / To my Beloved / **Debashis Dey** /92 / Love and Life / **Anurag Pratim Das** / 92
Friendship / **Madhupoli Gogoi** / 93 /
The Sad Soul / **Dimpi Ghosh** / 94 / Let Me Know / **Sanji Tamang** / 94 / Friend / **Rajdeep Deb** / 95
If Tree is God / **Farhana Yesmin** / 95

### বিবিধ

General Knlowledge / **Sonny Bawri** / 96
Some Discoveries / **Ifjalur Rahman Borbhuyan** /96
Colourful Sky Facts / 96

PHOTO ALBUM / 97 - 101

### বিদায় এটি অনুভৱ

বিৰাজ প্ৰতীম গগৈ / সুনিত মহন / ১০২
খঞ্জন বৰুৱা / ৰুবী গগৈ / ১০৩
বিদ্যুৎ বৰুৱা / প্ৰীতিৰেখা লাহন / ১০৪
কবিতা লাহন / অৰূপ জ্যোতি গগৈ / ১০৫-১০৬
দীপা গগৈ / ফাৰহানা য়েচমিন হুছেইন / ১০৭

### ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ বাৰ্ষিক প্ৰতিবেদন ২০০৬-০৭

**গোপীনাথ ৰায়** ঃ উপসভাপতি / ১০৮
**কৌশল কুমাৰ ৰাউট** ঃ সাধাৰণ সম্পাদক / ১০৯-১১১
**দিগন্ত গগৈ** ঃ সহকাৰী সাধাৰণ সম্পাদক / ১১২
**সৌৰভ প্ৰতীম গগৈ** ঃ গুৰু খেল বিভাগৰ সম্পাদক / ১১৩
**ৰূপম চেতিয়া** ঃ লঘু খেল বিভাগৰ সম্পাদক / ১১৪
**সুনিত মহন** ঃ সাংস্কৃতিক বিভাগৰ সম্পাদক / ১১৫
**চাও খুনজু গগৈ** ঃ সমাজসেৱা বিভাগৰ সম্পাদক / ১১৬
**পল্লৱ হাজৰিকা** ঃ সংগীত বিভাগৰ সম্পাদক / ১১৭
**প্ৰণৱ গগৈ** ঃ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক / ১১৮
**প্ৰীতিৰেখা লাহন** ঃ সাহিত্য বিভাগৰ সম্পাদিকা / ১১৯
**কবিতা লাহন** ঃ ছাত্ৰী জিৰণি চ'ৰা সম্পাদিকা / ১২০



## সম্পাদকীয়



## পোহৰৰ সন্ধানত . . .

বিকিৰিত স্ফুলিংগৰ ক্ৰমাগত পৰিবৰ্ত্তনৰ ফলত সৃষ্টি হোৱা এই মহাবিশ্ব। আৰু তাৰেই এটি মাথো বিন্দু সদৃশ সৌৰজগতৰ এটি গ্ৰহ পৃথিৱী।

পিথাকেনথ্ৰ পাছ হমোইৰেক্তাছ নতুবা হমোচেপিয়েঞ্চই হওক মুঠৰ ওপৰত আমি মানৱ জাতি।

পৃথিৱীত সভ্যতা বিকাশৰ লগে লগে আদিম প্ৰয়োজনীয়তাতে মানুহ আবদ্ধ নাথাকি মানৱজাতিয়ে পোহৰৰ সন্ধানত আগুৱাই যোৱাৰ প্ৰমাণ বিশ্ব ইতিহাসৰ পাতে পাতে পোৱা যায়। বিশ্বৰ বিভিন্ন সুসভ্য জাতিবোৰৰ মাজত মানৱীয় চিন্তাধাৰাৰ বিকাশ এদিনতে ঘটা নাছিল। প্ৰকৃতিৰ স'তে অহৰহ কৰা দুঃসাধ্য সংগ্ৰামবোৰ প্ৰাণৰ মমতাত বিকটভাৱে সৃষ্টি হোৱা শব্দবোৰ আৰু প্ৰকৃতিৰ কোলাত লালিত-পালিত হৈ অনুকৰণৰ জৰিয়তে শিকা ভাববোৰেই মানুহৰ আদিম বিবেকক উৎকৰ্ষ সাধনত সহায় কৰিছিল। আৰু এনেদৰেই যুগৰ পিচত যুগ ধৰি ইতিহাসে গৰকিব নোৱাৰা দিনৰ পৰাই মানুহে জ্ঞান পিপাসু হৈ আহিছে নিজৰ আদিম জন্মগত প্ৰকৃতিবোৰৰ প্ৰভাৱত পৰি।

আমাৰ স্বভাৱগত প্ৰবৃত্তিবিলাক উচ্চ বৈজ্ঞানিক চিন্তাধাৰাৰে সংশোধন ঘটাই এনে এখন ধৰণী গঢ়িবলৈ আত্মচেতনাৰে উদ্বোদ্ধ হওঁ আহক- যিখন ধৰাত থাকিব বিশ্বভাতৃত্ববোধ, বন্ধুত্বৰ এনাজৰীৰে আৰু শান্তি সম্প্ৰীতিকে সাৰোগত কৰি এখন সমৃদ্ধিশালী সেউজী বসুন্ধৰা।

আধুনিক প্ৰেক্ষাপতত পাশ্চাত্য জগতৰ শৈক্ষিক ব্যৱস্থাৰ খোজত খোজ মিলাই চিন্তাৰ উন্মেষ ঘটাই, বৈজ্ঞানীক চিন্তাধাৰাৰে এনে এক শৈক্ষিক পৰিবেশ গঢ় দিবলৈ চেষ্টা কৰা হওক য'ত পাশ্চাত্য জগতৰ অৰ্দ্ধনগ্ন সংস্কৃতিৰ পোনপটীয়া প্ৰভাৱৰ পৰিবৰ্তে, ভাৰতীয় আধ্যাত্মবাদৰ আস্থা থাকিব, সৃষ্টিৰ হেতু পুৰুষ-মহিলাৰ সম্বন্ধৰ ভেটি হ'ব ভাৰতীয় আধ্যাত্মিকতাবাদৰ ওপৰত প্ৰতিষ্ঠিত। আনহাতেদি পশ্চিমীয়া সংস্কৃতিৰ সকলো বিলাক গ্ৰহণ কৰাৰ পৰিবৰ্তে আমি সেইবিলাকৰ প্ৰতি আকৰ্ষিত হ'ব লাগিব যিবিলাকে আমাৰ ভাৰতীয় আধ্যাত্মবাদৰ আঘাত নাহানে। পশ্চিমীয়া জগতৰ আধ্যাত্মিক চিন্তাধাৰাৰ মূল ভেটিবোৰেই হ'ল জীৱন চকৰীৰ সানিধ্য যাক আমি বহু পূজ্য জ্ঞান কৰো, সেইয়া যিবিলাকৰ দৃষ্টিত ৰাসবিলাসিনী নতুবা প্ৰেয়সীহে মাথোঁ। পাশ্চাত্যৰ প্ৰতিকুল দৃষ্টি-ভংগীয়ে যাতে ভাৰতীয় আধ্যাত্মিকতাবাদত পোনপটীয়া আঘাত সানিব নোৱাৰে তাৰ বাবে আমি জ্ঞানৰ দ্বাৰা পৰিবেষ্টিত হৈ তেনেবিলাক দৃষ্টি-ভংগীক ভাৰতীয় সংস্কৃতিৰ পৰিপন্থী জ্ঞান কৰাৰ মানসিকতা গঢ়ি তুলিব লাগিব। লগতে আমি আমাৰ জন্মগত প্ৰবৃত্তিবোৰক আবেগৰ পৰিবৰ্ত্তে বিবেকৰ দ্বাৰা পৰিচালিত কৰিবলৈ শিকিব লাগিব।

আজিৰ মানব জাতিয়ে ১৯ শতিকাৰ পূৰণ নোহোৱা দাবীবোৰ বিংশ শতিকালৈ ঠেলি ; একেদৰেই বিংশ শতাব্দীৰ অপূৰণীয় দাবীবোৰক লৈ একবিংশ শতিকাত ব্যস্ত থকাটো কম দুৰ্ভাগ্যজনক কথা নহয়। দখলদাৰী চৰিত্ৰৰ বশবৰ্তী হৈ হত্যা, হিংসা, বিভীষিকা সৃষ্টি কৰা হেতুবিলাক জীৱকোষৰ শ্ৰেষ্ঠ জীৱ মানৱ হিচাবে আমি সমাধা কৰিব লাগিব।

তাৰবাবে লাগিব নিঃস্বাৰ্থ নিষ্কলুষ আন্তঃৰাষ্ট্ৰীয় ভাতৃত্ববোধ। আহক তাৰেই কামনা কৰি আমি আগুৱাও সৃষ্টিৰ ভূমিলৈ বিশ্বৰ প্ৰতিটো প্ৰান্তৰে প্ৰান্তৰে, প্ৰতিটো কোণে কোণে নিজস্বতাক জীয়াই ৰাখি। এয়াই আজি পোহৰৰ সন্ধানী মানৱ জাতি.........

আহক এতিয়া আমাৰ সোণাৰি মহাবিদ্যালয়খনিলৈ। গত ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে কেইজনমান ব্যক্তিৰ অক্লান্ত পৰিশ্ৰমৰ সাক্ষী বহন কৰি সগৌৰৱে চৰাইদেউৰ মাজ মজিয়াত আমাৰ মহাবিদ্যালয়খন সৃষ্টি হৈছিল শ্ৰদ্ধাস্পদ গোলাপ বৰগোহাঁই চাৰৰ অধ্যক্ষতাৰে আৰম্ভ কৰি আৰু সেই অন্তহীন গতি আজিও বিদ্যমান....... ।

এতিয়া আহোঁ মহাবিদ্যালয় বাৰ্ষিক মুখপত্ৰ সোণালীলৈ। মহাবিদ্যালয়ৰ আলোচনী একোখনত প্ৰতিফলিত হয় মহাবিদ্যালয়খনত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান পিপাসু মননবিলাক আৰু সামগ্ৰিকভাৱে এনে মুখপত্ৰ বিলাকেই ডাঙি ধৰে এটি যুগৰ অনন্য সৃষ্টি।

সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা জাগ্ৰত কৰি বৌদ্ধিক বিকাশৰ এক প্ৰচাৰ মাধ্যম মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "সোণালী"ৰ এই বৰ্ষৰ সম্পাদকৰূপে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ সেৱাত আত্মনিয়োগ কৰাৰ সুবিধাকণ প্ৰদান কৰাৰ বাবে সমূহ অগ্ৰজ, অনুজ তথা সতীৰ্থবৃন্দলৈ আৰু বিশেষকৈ যিসকল শিক্ষাগুৰুৱে বিভিন্ন দিশত গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়াই কাৰ্যভাৰ চলাই যোৱাত সহায়ৰ হাত আগবঢ়ালে তেখেতসকললৈ এই আপাততে কৃতজ্ঞতা জ্ঞাপন কৰিছো। লেখনি সমূহৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ পৰা যি আশানুৰূপ সহাৰি পোৱা গ'ল তাৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

যি কি নহওঁক, আলোচনীখনি প্ৰকাশ কৰি উলিওৱাত সম্পাদনা সমিতিৰ সভাপতি ডঃ ৰাজেন তামুলী ছাৰ, উপাধ্যক্ষা শ্ৰীযুতা ৰতিপ্ৰভা গগৈ বাইদেউ, সম্পাদনা সমিতিৰ উপদেষ্টাসকল আৰু সমূহ বিষয়ববীয়াই যি গঠনমূলক দিহা-পৰামৰ্শ প্ৰদান কৰি কাৰ্যভাৰ চলাই যোৱাত সহায়ৰ হাত আগবঢ়ালে তেখেতসকললৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ আৰু লগতে মোৰ বন্ধু বিৰাজ, পল্লৱ, সুনিত, ৰুণ্টু, নিতুল, বাবলু, বিদ্যুৎ, প্ৰমোদ, সৌৰভ, প্ৰীতি, মামনি, ৰূবী, দীপা, হবি, মাইনা, মনিষা, সুহাস্মিতা, জ্যোতি, দিব্য, তিনা, পাপৰি, পূৰবী, মৰমৰ ভণ্টি পাৰ্লী, ৰিপা, পৰিস্মৃতা, দিপ্তী, জোন আৰু মৰমৰ বা জোন, সঞ্জী, আদি সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰত্যয়'ৰ দুটা সংখ্যা প্ৰকাশত মাননীয় শিক্ষাগুৰু তথা চেনেহৰ সতীৰ্থবৃন্দই যি অকুণ্ঠ সহায়-সহযোগিতা আগবঢ়ালে তাৰ বাবে তেখেতসকলৰ ওচৰত চিৰঋণী হৈ ৰ'ম। লগতে এইটোও আশা ৰাখিছো যে অনাগত দিনত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলে বিশেষতঃ আলোচনী বিভাগৰ সম্পাদকে এই পৰম্পৰাটি অটুট ৰাখে যেন। মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাৰ দুটা সংখ্যাই লগতে এই আলোচনীখনে যেনে ধৰণৰ ৰূপ পৰিগ্ৰহণ কৰিলে অনাগত দিনত ইয়াতকৈ অভিনৱ তথা উজ্জ্বল ৰূপত প্ৰকাশ পায় তাৰেই কামনা কৰিলোঁ।

আলোচনী বিভাগৰ সম্পাদকৰ দৰে গধুৰ দায়িত্বটি সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ যাওঁতে ভুল-ত্ৰুটী হৈ যোৱাটো স্বাভাৱিক। সেয়েহে সীমিত জ্ঞান আৰু অভিজ্ঞতাৰে 'আলোচনী বিভাগৰ সম্পাদক' হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি থকা কালচোৱাত অজানিতে হৈ যোৱা ভুল-ত্ৰুটীৰ বাবে আপোনাসৱ সকলোৰে ওচৰত নতশিৰে ক্ষমা প্ৰাৰ্থনা মাগিছোঁ।

জয়তু সোণাৰি মহাবিদ্যালয়

হিৰেশ্বৰ দাস , সম্পাদক
আলোচনী বিভাগ ২০০৬-০৭ বৰ্ষ





# "দশপুত্ৰ সম কন্যা"

✍ **ৰতিপ্ৰভা গগৈ**
উপাধ্যক্ষা

নাৰী সামাজক উদ্বুদ্ধ কৰিব পৰা, সাহস আৰু প্ৰেৰণা যোগাব পৰা "দশপুত্ৰ সম কন্যা" এই আপ্ত বাক্যশাৰীৰ বিশ্লেষণ কৰা হৈছিল 'অসম লেখিকা সংস্থা'ৰ দ্বাদশ দ্বি - বাৰ্ষিক অধিবেশনৰ মুকলি সভাত। যোৱা ইং ২০০৭ চনৰ জানুৱাৰী মাহৰ ৫/৬/৭ তাৰিখে অসম লেখিকা সংস্থাৰ শাখা টিংখাং সন্মিলিত লেখিকা সংস্থাৰ উদ্যোগত টিংখাং মহাবিদ্যালয় প্ৰাঙ্গণত বৰ্ণাঢ্য কাৰ্য্যসূচীৰে সংস্থাৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিবেশনখনি অনুষ্ঠিত হৈ যায়। অধিবেশনৰ মুকলি সভাত মুখ্য অতিথিৰূপে যোগদান কৰে বিশিষ্ট বুদ্ধিজীৱী অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি 'আমাৰ অসম' কাকতৰ সম্পাদক ড° নগেন শইকীয়াদেৱে। বিশিষ্ট অতিথি হিচাপে যোগ দিছিল 'বড়ো উইমেন জাষ্টিচ ফৰাম'ৰ সভানেত্ৰী অঞ্জলি দৈমাৰী আৰু নগাৰাজ্যৰ 'কন্যাক মাদাৰ এছছিয়েচন'ৰ সভানেত্ৰী য়মা কন্যাকে। য়মা কন্যাকৰ সহযোগী আছিল 'কন্যাক মাদাৰ এছছিয়েচনৰ উপ সভানেত্ৰী সম্পাদিকা আৰু ন-গৰাকী সদস্যা। 'অসম লেখিকা সংস্থা'ই প্ৰথমবাৰৰ বাবে উত্তৰ পূবৰ চুবুৰীয়া ৰাজ্যৰ পৰা বিশিষ্ট অতিথি নিমন্ত্ৰণ কৰে। শীতৰ ঠেৰেঙা লগা জাৰকো নেওচি পুৱা ৫ বজাতে নগাৰাজ্যৰ মন টাউনৰ পৰা এখন চুমু আৰু এখন বলেৰোত অহা য়ামাইঁতক আগবঢ়াই দিবলৈ ঘৰৰ গৃহস্থ সকল আহিছিল। য়ামাই কৈছে— "সব Husband য়ে Wife ক গাড়ীত উঠাই গৈছে।" বাৰে ৰহনীয়া সংস্কৃতিৰ ধাৰক-বাহক উত্তৰ পূবৰ ৰাজ্য সমূহৰ অন্যতম নগাৰাজ্যৰ বাসিন্দা সকলৰ অংশগ্ৰহণে অধিবেশনৰ সৌন্দৰ্য্য দুগুণে বৃদ্ধি কৰিছিল।

> তছলিমা নাছৰিনৰ ভাষাৰে ক'ব পাৰি —
> "তেওঁ নিশ্চয় দাবী কৰিব পাৰে শিক্ষা, স্বাস্থ্য, সন্মান, তেওঁ নিশ্চয় দাবী কৰিব পাৰে জৰায়ুৰ স্বাধীনতা"।

বিশিষ্ট অতিথি হিচাবে যোগদান কৰি বিশিষ্ট সমাজকৰ্ম্মী, উদ্যোগী মহিলা শ্ৰীমতী অঞ্জলি দৈমাৰীয়ে এটি সাৰুৱা ভাষণেৰে শ্ৰুতামণ্ডলীৰ মন আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। ভাষণ প্ৰসঙ্গত দৈমাৰীয়ে কৈছিল যে তেওঁৰ প্ৰথম সন্তান কন্যা হোৱাৰ বাবে এজন বিশিষ্ট ব্যক্তিয়ে মন্তব্য কৰিছিল তেওঁ বৰ সৌভাগ্যৱতী কাৰণ 'দশপুত্ৰ সম কন্যা'

সঁচা কথা এগৰাকী কন্যা-সন্তান শিক্ষিত, সংস্কৃতিবান হ'লে গোটেই পৰিয়ালটিয়ে শিক্ষিত আৰু সংস্কৃতিবান হয়। পৰিয়ালৰ পৰা ই সমাজলৈ বিয়পি পৰে। এই কথাষাৰ গভীৰভাৱে উপলব্ধি কৰিব পাৰিছিল নেপোলিয়নে। সেয়ে তেওঁ মাতৃ জাতিক শ্ৰদ্ধা জনাব পৰাকৈ সৰ্ব্বকালৰ বাবে এষাৰি আপ্ত বাক্য কৰি গৈছে — 'Give me a good mother, I will give a good nation.'

এনেবিলাক কথা সময়ৰ সকিয়নী আৰু গুণীজনৰ উৰ্ব্বৰ মগজুৰ চিন্তাশীল উক্তি, যি প্ৰকৃত সত্যটো উপলব্ধি কৰিব পাৰে। কিন্তু পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত এনে গৌৰৱৰ অধিকাৰী হ'বৰ বাবে প্ৰশস্ত পথ ক'ত? নাৰী সৃষ্টিৰ অধিকাৰী। সৃষ্টিৰ আধাৰ জৰায়ুৰ গৰাকী নাৰী হ'লেও এই জৰায়ুৰ নাৰীৰ অধিকাৰ কিমান? ড° অনিমা গুহে 'খবৰ'ৰ নিয়মীয়া শিতানত লিখিছে "মোৰ বোধেৰে মাতৃত্ব

তেতিয়াই সুখৰ হয় যেতিয়া মাকে নিজে এটি সন্তান বিচাৰে। কিন্তু আমাৰ সমাজত কেইজনী মাকৰ এই স্বাধীনতা আছে? আমাৰ মহিলা সকলৰ নিজৰ দেহাৰ ওপৰতো জানো স্বাধীনতা আছে? অধিকাংশ মহিলা ব্যৱহৃত হয় সন্তান জন্ম দিয়াৰ আহিলা হিচাপে। পুত্ৰ সন্তান জন্ম দিব নোৱাৰিলে তেওঁৰ দেহা পাত কৰি হ'লেও সন্তান জন্ম দি থাকিব লাগে।"

এহাতে সমাজত পুত্ৰ সন্তানৰ আকাংক্ষা তীব্ৰতা, আনহাতে "দশ পুত্ৰৰ সম কন্যা" কেনে বৈষম্যমূলক উক্তি। সময়ৰ লগে লগে সমাজৰ পৰিবৰ্ত্তন হৈছে। পৰিবৰ্ত্তিত সমাজত নাৰীয়ে বহু ক্ষেত্ৰত নিজৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিছে। বহুতে পুৰুষতন্ত্ৰক বুঢ়া আঙুলি দেখুৱাই স্বাধীনতা উপভোগ কৰিছে। বহুতে স্বাধীনতাৰ অপপ্ৰয়োগ কৰি সমাজক উশৃংখলতাৰ পথত আগবঢ়াই নিয়াত সহযোগিতা কৰিছে।

নাৰী-পুৰুষ সমাজত এটি চৰাইৰ দুখনি ডেউকা স্বৰূপ। এখন সমাজ সুন্দৰ এটি পৰিয়ালৰ পৰিবেশ সুস্থ হয়, সন্তান - সন্ততি সুন্দৰ ভাৱে পৰিচালিত হয়, যদি পুৰুষ - নাৰী দুয়ো একমত হয়। প্ৰকৃতি - পুৰুষ দুয়ো হৈবা একমতি।

পুনৰ অসম লেখিকা সংস্থাৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিবেশনলৈ ঘূৰি আহিছো। সংস্থাৰ টিংখং অধিবেশনখনি সঁচাই সবাতো সুন্দৰ আছিল। অধিবেশনখনি সৰ্ব্বাঙ্গ সুন্দৰ কৰাত সহযোগী পুৰুষ বন্ধু সকল আছিল টিংখং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ জীৱেশ্বৰ মহন, বৰ্ত্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ গোপাল শইকীয়া, অৰ্থনীতিৰ প্ৰৱক্তা বংশীবদন ৰাজকোঁৱৰ, কবি, সাহিত্যিক, বিধায়ক অনুপ ফুকন আদি। অভ্যৰ্থনা সমিতিৰ সভানেত্ৰী অৰ্চনা গোঁহাই দুৱৰা, সম্পাদিকা ড° জ্যোতিমালা গোহাঁই ফুকন, কুসুম গগৈ। কৰবী বৰুৱা, অৰুণা সন্দিকৈ, অমিয়া গগৈকে আদি কৰি সমস্ত বিষয় ববীয়া সদস্যাৰ সোঁহাত স্বৰূপ আছিল পুৰুষ বন্ধুসকল। টিংখং মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰী, টিংখংবাসী ৰাইজৰ অকুণ্ঠ সহযোগত অধিবেশন খনি সাফল্যমণ্ডিত হৈ উঠিছিল।

কিন্তু এনে সুন্দৰতাৰ বিপৰীতে সমাজত নাৰী নিৰ্য্যাতনৰ কদৰ্য্যৰূপে সমাজখন চাটি ধৰি আছে। পুৰুষ প্ৰাধান্যৰ আঁচিলা লৈ যৌতুকৰ নামত বেবাৰীজনী জীয়াই জীয়াই পুৰিব পাৰে। সন্তান জন্ম দিব নোৱাৰে বুলিয়েই "বাঁজী" নাৰী আখ্যাৰে অত্যাচাৰ কৰি ঘৰৰ পৰা উলিয়াই দিব পাৰে, এনে অলেখ উদাহৰণে সমাজত নাৰীৰ অৱনমিত অৱস্থাৰ কথাই ঘোষণা কৰে। এই বিষয়ে বহলাই আলোচনা নকৰিও থূলমূল এনে আলোচনাৰ পাছত মন্তব্য কৰিব পাৰি নিজৰ প্ৰাপ্য অধিকাৰ লাভ কৰিবৰ বাবে নাৰী নিজে সজাগ হব লাগিব। যেনদৰে হৈছিল নাৰীবাদৰ প্ৰবক্তা মেৰীৱেলষ্টোনক্ৰাষ্ট, চিমন তিবভোৱা মাৰ্গাৰেট মুলাৰ, হেৰিয়েট টেইলৰ, চন্দ্ৰপ্ৰভা শইকীয়ানী আদি। শেষত তছলিমা নাছৰিনৰ ভাষাৰে ক'ব পাৰি — "তেওঁ নিশ্চয় দাবী কৰিব পাৰে শিক্ষা, স্বাস্থ্য, সন্মান, তেওঁ নিশ্চয় দাবী কৰিব পাৰে জৰায়ুৰ স্বাধীনতা"।







# ভাৰতীয় বিশ্ববিদ্যালয় সমূহত বৈজ্ঞানিক গৱেষণা এক অৱনমিত ধাৰা

✍ ড° ৰাণা কোঁৱৰ
মূৰব্বী অধ্যাপক, ৰসায়ন বিজ্ঞান বিভাগ

ব্যক্তিগত কিছু অনুভৱ, কিছু বিজ্ঞজনৰ অভিমত তথা বিভিন্নজনৰ সমালোচনাৰ আধাৰত প্ৰৱন্ধটি যুগুতোৱা হৈছে। বৰ্তমান শিক্ষাবিভাগে মাহাবিদ্যালয়ৰ শিক্ষক সকলক শিক্ষাদানৰ উপৰিও গৱেষণা কাৰ্য্যৰ লগত জড়িত হৈ থকাটোত গুৰুত্ব প্ৰদান কৰিছে। যিহেতু মহাবিদ্যালয় এখনৰ এই ক্ষেত্ৰত বিশ্ববিদ্যালয় এখনৰ সৈতে ওতপ্ৰোত সম্পৰ্ক আছে, সেয়ে উপৰুক্ত শিৰোনামাৰে আলোচিত বিষয়টি মহাবিদ্যালয়ৰ আলোচনী এখনৰ বাবে অপ্ৰাসঙ্গিক নহব যেন বোধ হ'ল।

অসমৰ জনপ্ৰিয় আলোচনী 'প্ৰান্তিক'ত অলপতে (১৬-৩১ ডিচেম্বৰ, ২০০৬) প্ৰকাশ পোৱা প্ৰবন্ধ এটাত লেখক ক্ষীৰধৰ বৰুৱাই ভাৰতৰ এগৰাকী অতি সন্মানিত নিষ্ঠাবান গৱেষক বিজ্ঞানী ড° ছি. এন. আৰ. ৰাওৰ সাম্প্ৰতিক ভাৰতৰ বৈজ্ঞানিক গৱেষণাৰ দুখজনক অৱস্থা তথা মৌলিক বিজ্ঞান চৰ্চাৰ দিশত অৱনতি সম্পৰ্কে কৰা অভিমত ব্যক্ত কৰিছে। তাৰ আলমতে ভাৰতৰ বিশ্ববিদ্যালয় সমূহত বৈজ্ঞানিক গৱেষণাৰ গতিধাৰাক আমাৰ এই আলোচনাৰ জৰিয়তে মূল্যায়ন কৰিবলৈ চেষ্টা কৰা হৈছে।

ভাৰতীয় বিজ্ঞান গৱেষণাৰ ক্ষেত্ৰত অন্তৰায় হিচাপে দেখা দিয়া কাৰণ সমূহৰ বিশ্লেষণ এটা আৱশ্যকীয় অথচ জটিল বিষয়। বিজ্ঞানৰ গৱেষণাৰ দিশত স্বতন্ত্ৰ ভাৰতীয় বিশ্ববিদ্যালয় সমূহৰ ভূমিকা কি? কিয় গৱেষণাৰ বৃহৎ (মেগা) চৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠান সমূহ জনসাধাৰণৰ দ্বাৰা উপলব্ধ নোহোৱাৰ লগতে জনসাধাৰণৰ পৰা ইহঁতৰ ব্যৱধান বাঢ়ি যাব ধৰিছে? ইত্যাদি প্ৰশ্নৰ উত্তৰ বৰ্ত্তমান অৱনমিত গৱেষণা ধাৰাৰ প্ৰেক্ষাপটত অতি গুৰুত্বপূৰ্ণ। ভাৰতৰ বিজ্ঞান প্ৰযুক্তিৰ এই বৃহৎ ক্ষেত্ৰ সমূহলৈ (যেনে Space, Atomic Energy, Defence ইত্যাদি) চৰকাৰী আৰ্থিক অনুদান প্ৰতিবছৰে বাঢ়ি আহিছে। তাৰপাচতে লাভৱান হৈ আহিছে IISc, TIFR, IIT আদি অগ্ৰণী বিজ্ঞান প্ৰতিষ্ঠান সমূহ। আপাত দৃষ্টিৰে চাবলৈ গ'লে ই এক অনুকূল পৰিবেশ যাক লৈ উক্ত অনুষ্ঠান প্ৰতিষ্ঠানসমূহ স্বগৌৰৱান্বিত। কিন্তু প্ৰকৃত ছবিখনে কি সূচায়? সংখ্যাগত ভাৱে সমগ্ৰ পৃথিৱীৰ বৈজ্ঞানিক গৱেষণাৰ পৰিক্ৰমাত ভাৰতৰ স্থান বিভিন্ন সময়ত এনে ধৰণৰ ঃ ৮ম (১৯৮০ চন), ১২তম (১৯৯০) আৰু ২১তম (২০০০চন)। কিন্তু গুণগত দিশৰ পৰা চালে দেখা যায় যে ২০০৪ চনত SCI (Science Citation Index) সাপেক্ষে ভাৰতৰ স্থান অতি হতাশাজনক ভাৱে ১১৯ লৈ অৱনমিত হ'ল। প্ৰশ্ন হয় যে ইমানবোৰ লব্ধ প্ৰতিষ্ঠ, অগ্ৰণী অনুষ্ঠান - প্ৰতিষ্ঠান থকাৰ পিছতো ভাৰতৰ এই অৱস্থা কেনেকৈ হ'ল। Possibly, there was another player in the arena of research in India which was a significant contributor to the research in India and which has now ceased to be so. This player can easily be identified as "Universities". এই বিশ্ববিদ্যালয় সমূহলৈ আজিৰ বিজ্ঞান সমাজে অতি অৱহেলা উদাসীন মনোভাৱ পোষণ কৰিবলৈ লৈছে আৰু এয়ে যদি হ'বলৈ হয় তেন্তে অদূৰ ভৱিষ্যতে আমি এসময়ৰ প্ৰস্ফুটিত ভাৰতীয় বিজ্ঞানৰ সামৰণি অধ্যায়ৰ আৰম্ভণি দেখিবলৈ পাম।

বিশ্ববিদ্যালয় সমূহৰ উদগনিমূলক গৱেষণাবোৰ ফলদায়ক হয়নে নহয় এই সম্পৰ্কে বিভিন্ন জনৰ অভিমত বিভিন্ন। আমাৰ বোধেৰে বিজ্ঞান চৰ্চাৰ প্ৰকৃত পদ্ধতিৰ শিক্ষা বিশ্ববিদ্যালয় সমূহতহে পোৱা সম্ভৱ। দেশ এখনৰ বিজ্ঞান গৱেষণাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় সমূহৰ ভূমিকাৰ গুৰুত্বও এইখিনিতেই। গৱেষণা কেৱল সহজাত বুদ্ধি বা মেধা শক্তিৰ ওপৰতেই নিৰ্ভৰশীল নহয়; ই বিষয়বস্তুৰ সম্পৰ্কে থকা দৃষ্টিভংগী, ৰাপ তথা মানসিক অৱস্থাৰ ওপৰতো নিৰ্ভৰ কৰে। পিছৰ তিনিটা গুণৰ বিকাশৰ সৰ্ব্বোত্তম স্থান হ'ল বিশ্ববিদ্যালয় এৰেকোখন য'ত শিক্ষক-ছাত্ৰৰ সম্পৰ্ক নিয়ম মাফিক হোৱাৰ বিপৰীতে অতি ওচৰ, ঘনিষ্ঠ হৈ পৰে। In a University teacher's

"compassion" may create a "passion" to achieve something new.

বিশ্ববিদ্যালয় এখনৰ লক্ষ্য আৰু গৱেষণালব্ধ ফল মেগা প্ৰতিষ্ঠান (বিজ্ঞান গৱেষণাৰ) এখনৰ লক্ষ্য ও ফলাফলৰ পৰা সম্পূৰ্ণ পৃথক। বিশ্ববিদ্যালয় এখনৰ লক্ষ্য হ'ল উদ্ভাৱনী শক্তিসম্পন্ন ভৱিষ্যতৰ মানৱ সম্পদ গঢ়া। আনহাতে মেগা প্ৰতিস্থান একোটাৰ লক্ষ্য সদায় বিশেষ ভৌতিক গুণসম্পন্ন গৱেষণালব্ধ ফলৰ ওপৰত নিবদ্ধ। বিশ্ববিদ্যালয়ত গৱেষণাৰত ছাত্ৰ - ছাত্ৰীসকলে উদ্ভাৱনী কাৰ্য্যত ব্ৰতী হবৰ বাবে শিক্ষক সকলৰ দ্বাৰা অনুপ্ৰাণিত হয়। এই গৱেষণা নোবেল বঁটা প্ৰাপ্ত অতি উন্নত মানদণ্ডৰ গৱেষণাৰ সমপৰ্য্যায়ৰ নহলেও ই যুৱপ্ৰজন্মৰ আগত এক আদৰ্শ গৱেষণাৰ দিশ উন্মুক্ত কৰে।

সাধাৰণতে মেগা - বিজ্ঞান প্ৰতিষ্ঠান সমূহৰ অভিযোগ হ'ল যে - উক্ত প্ৰতিষ্ঠানবোৰৰ বাবে উপযুক্ত অৰ্হতা সম্পন্ন যুৱ বিজ্ঞানীৰ যোগান ধৰাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় সমূহ কৃতকাৰ্য্য হব পৰা নাই। ইয়াৰ বাবে কেৱল বিশ্ববিদ্যালয় সমূহকে জগৰীয়া কৰিব নোৱাৰি। অনুদান আয়োগ তথা সংশ্লিষ্ট বিভাগবোৰেও বিশ্ববিদ্যালয়সমূহলৈ যথোপযুক্ত আৰ্থিক সাহাৰ্য্য প্ৰদানৰ ক্ষেত্ৰত অনীহা প্ৰকাশ কৰি আহিছে।

বিশ্ববিদ্যালয় এখনৰ প্ৰধান ফচল হ'ল বিজ্ঞানৰ প্ৰকৃত সাধকসকলহে; গৱেষণাপত্ৰ, উৎপাদিত দ্ৰব্য অথবা প্ৰযুক্তি নহয়। পিছৰ তিনিবিধ বিশ্ববিদ্যালয় এখনত কৰা গৱেষণাৰ উপজাত দ্ৰব্যহে। বিশ্ববিদ্যালয়ত গৱেষণা কৰিবলৈ অহা ছাত্ৰসকল সাধাৰণতে এই দিশত অনভিজ্ঞ হৈ থাকে আৰু সেয়ে এওঁলোকে গৱেষণাৰ বিশাল উন্মুক্ত আকাশত বিচৰণ কৰাৰ সুবিধা গ্ৰহণ কৰিব পাৰে। তেওঁলোকৰ তত্বাৱধায়ক শিক্ষাগুৰুৱে প্ৰতিজনকে নতুন আৰম্ভণিৰে প্ৰশিক্ষণ দি এই আকাশত উৰাৰ যোগ্য কৰি তোলে। এনে মুক্ত উৰণৰ ফলস্বৰূপে বিশ্ববিদ্যালয়বোৰৰ পৰা বিভিন্ন বিষয়ৰ গৱেষণা পত্ৰ প্ৰকাশ পায়। কিন্তু লক্ষণীয় কথা হ'ল এই ছাত্ৰ গৱেষকসকলে বিশ্ববিদ্যালয় এৰাৰ পিছতহে তেওঁলোকৰ সৰ্ব্বোচ্চ উৰণ প্ৰদৰ্শন কৰিব পাৰে। এই প্ৰদৰ্শনৰ সময়ত ইয়াৰ সফলতাৰ আঁৰত থকা বিশ্বদ্যিালয়ৰ ভূমিকাক উলাই কৰাটো এক বৌদ্ধিক অপৰাধ বুলিয়েই গণ্য কৰিব পাৰি।

১৯৫০ - ৬০ দশকটোত ভাৰতত আঙুলিৰ মূৰত গণিব পৰা বিশ্ববিদ্যালয়ৰ গৱেষণা কেন্দ্ৰ আছিল আৰু ইয়াত খুউব কম সংখ্যক অতি মেধাবী গৱেষকেহে গৱেষণা কৰিছিল। সেই সময়ত প্ৰকাশ পোৱা অতি উচ্চ মানবিশিষ্ট গৱেষণা পত্ৰসমূহে মৌলিক চিন্তাৰ উন্মেষ ঘটাইছিল। এই বিশ্ববিদ্যালয় সমূহে গৱেষণাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক বাস্তৱৰ লগত মুখামুখি হব পৰাকৈ যোগ্য কৰি তুলিছিল। ফলস্বৰূপে সেই সময়ত জাতীয় তথা ৰাষ্ট্ৰসম্বন্ধীয় বিভিন্ন বিষয়তে বিশ্ববিদ্যালয় সমূহৰ প্ৰয়োজনীয়তা অনুভূত হৈছিল। তাৰোপৰি এই বিশ্ববিদ্যালয় সমূহে মেগা - বিজ্ঞান প্ৰতিষ্ঠান বোৰৰ বাবে যথোপযুক্ত মানৱ সম্পদ গঢ় দিবলৈ সক্ষম হৈছিল। কিন্তু ইয়াৰ পিছৰ দশক (১৯৬০ - ৭০) টোত গৱেষণা তথা শিক্ষাজগতখনৰ এক হতাশজনক ছবিহে দেখিবলৈ পোৱা যায়। এই সময়ছোৱাতে কাঠফুলাৰ দৰে বহুতো বৃহৎ গৱেষণাগাৰ, বিশ্ববিদ্যালয়, মহাবিদ্যালয় আদি দেশৰ বিভিন্ন ঠাইত গঢ়ি উঠিছিল। এইবিলাকৰ সৰহভাগেই ৰাজনৈতিক স্বাৰ্থত স্থাপিত হোৱাৰ হেতু এই শিক্ষানুষ্ঠানবোৰত প্ৰকৃত অৰ্হতাসম্পন্ন ব্যক্তি, শিক্ষক তথা প্ৰয়োজনীয় আন্তঃগাঠনিৰ অভাৱ হৈছিল। সেয়ে অৰ্ধ অৰ্হতাসম্পন্ন ব্যক্তিকে মকৰল কৰিবলগীয়া হোৱাত এই অনুষ্ঠানবোৰ নিম্ন মানদণ্ডৰ আছিল। এনে শৈক্ষিক বাতাৱৰণে পুৰণি শিক্ষানুষ্ঠান, গৱেষণা প্ৰতিষ্ঠান আদিৰ ঐতিহ্যত আঘাত সানিছিল। অৱশ্যে কিছু বিশ্ববিদ্যালয় শিক্ষকে তেওঁলোকৰ আগৰ কৃতি ছাত্ৰসকলক লৈ নিজৰ নিজৰ বিষয়ত গৱেষণাৰ ধাৰা অটুট ৰাখিবলৈ সক্ষম হৈছিল। কিন্তু ১৯৯০ চনৰ পিছৰে পৰা এই ধাৰাৰো বিচ্যুতি ঘটি গৱেষণাৰ উদ্দেশ্য তথা ইয়াৰ মাপকাঠি কেৱল গৱেষণা পত্ৰৰ সংখ্যাৰেহে নিৰ্দ্ধাৰিত হব ধৰিলে।

বিশ্ববিদ্যালয় সমূহৰ এই নিম্নগামী গতিৰ বাবে কেৱল বিশ্ববিদ্যালয় পৰিয়ালটিকে দায়ী কৰিব নোৱাৰি। কাৰণ বিশ্ববিদ্যালয় এখনৰ পৰিচালনা, আঁচনি ৰূপায়ন আদি আভ্যন্তৰীণ বিষয়সমূহৰ ওপৰৰ কতৃত্ব ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ হাতত ন্যস্ত থকাত বিশ্ববিদ্যালয়খনৰ স্বতন্ত্ৰতা প্ৰকৃততে এক প্ৰহসনহে হৈ পৰিছে। ইয়াৰ লগতে ৰাজনৈতিক কাৰণত বহু শিক্ষকৰ আদৰ্শচ্যুতি ঘটিছে আৰু ছাত্ৰসকলৰো কাৰ্য্যকলাপ ডৎপাদনবিমুখী হৈ পৰিছে। এইবোৰ উল্লেখনীয় কাৰক হলেও স্থুলভাৱে মূখ্য কাৰক সমূহ তলত দিয়া ধৰণেৰে বিবেচনা কৰিব পাৰি ঃ

(১) অনিৰ্দ্ধাৰিত গণতন্ত্ৰ বা চৰকাৰ।
(২) জনসাধাৰণৰ মনোভাৱ।
(৩) নিৰ্লিপ্ত তথা অসহযোগী মেগা প্ৰতিষ্ঠানসমূহ।

ভাৰতীয় গণতন্ত্ৰত গৰিষ্ঠ সংখ্যক অৰ্ধশিক্ষিত নাগৰিকৰ হ্ৰস্বকালীন লক্ষ্য আৰু আশা পূৰণত গুৰুত্ব দিয়া হয়। উচ্চ শিক্ষা তথা গৱেষণাত কৰা বিনিয়োগৰ প্ৰাপ্যফল ১০ - ১৫ বছৰৰ পাছতহে আশা কৰিব পৰা যায়। ইয়াৰ বিপৰীতে যিকোনো এখন চৰকাৰৰ কাৰ্য্যকাল ৫ বছৰ। সেয়ে কোনো ৰাজনৈতিক নেতাই





উচ্চ শিক্ষাৰ ক্ষেত্ৰত নতুনকৈ লোৱা প্ৰগতিশীল আঁচনিৰ ফলাফল ভোটদাতা সকলৰ আগত তেওঁৰ কাৰ্য্যকালৰ ভিতৰত প্ৰদৰ্শন কৰাত বিফল হয়। Therefore, democratically elected unimaginative governments of developing countries like India often play passive roles in the development of higher education and research.

চৰকাৰৰ ৰাজনৈতিক অংগৰ লগতে কাৰ্য্যপালিকা বা বুৰ্জোৱা অংশও বিশ্ববিদ্যালয়ৰ গৱেষণাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাপনাৰ প্ৰতি উদাসীন। তেওঁলোকে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বাবে নিয়মিত অনুদান আগবঢ়োৱাৰ পক্ষপাতী নহয়। কেৱল মাজে সময়ে CAS, FID, FIST আদিৰ জৰিয়তে একোটা আংশিক আৰ্থিক সাহাৰ্য্য আগবঢ়ায়েই তেওঁলোকৰ নিজৰ দায়বদ্ধতাৰ পৰা মুক্ত হবলৈ বিচাৰে। আৱশ্যে ব্যক্তিগতভাৱে গৱেষকসকলে DST, ICMR, ICAR, CSIR আদিৰ পৰা অনুদান পোৱাৰ ব্যৱস্থা আছে। কিন্তু এই ক্ষেত্ৰতো গৱেষকসকলে নিজস্ব বিশ্ববিদ্যালয়, পুঁজিৰ যোগান ধৰোতা বিভাগৰ কঠিন নিয়মাৱলী, অডিট আদি বহুতো জটিল প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়িব লগা হয়।

পণ্ডিত নেহেৰুৰ ভাৰতীয় বিজ্ঞান নীতিৰ আধাৰত বৃহৎ বিজ্ঞান গৱেষণা প্ৰতিষ্ঠান, বিভাগ আদি আৰম্ভ কৰা হৈছিল। এই প্ৰতিষ্ঠান সমূহে প্ৰশাসনিক ও গৱেষণা সম্পৰ্কীয় দিশসমূহৰ ক্ষেত্ৰত গুৰুত্ব পূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছিল। These mega establishments were the direct benificiary of the Universities. সেয়ে এই মেগা প্ৰতিষ্ঠানবিলাকে বিশ্ববিদ্যালয়লৈ আৰ্থিক সহযোগিতা আগবঢ়োৱা উচিত আছিল। কিন্তু দুৰ্ভাগ্য বশতঃ এনে দায়বদ্ধতা এই প্ৰতিষ্ঠানসমূহৰ পৰা অদ্যপৰিমিত আশানুৰূপ হোৱা দেখা নগ'ল।

বহু গৱেষণা প্ৰতিষ্ঠানৰ নিয়োগ নীতিয়েও বিশ্ববিদ্যালয়ত গৱেষণা কৰাৰ প্ৰতি বহু ছাত্ৰৰ আগ্ৰহ কমাই আনিছে। কাৰণ এনে বহু প্ৰতিষ্ঠান আছে য'ত স্নাতকোত্তৰ (বিজ্ঞান) ডিগ্ৰীধাৰী ব্যক্তিক Scientist B হিচাবে নিয়োগ কৰে আৰু এওঁলোকৰ বহুতেই Scientist G পৰ্য্যায়লৈকে পদোন্নতি পায়। এনে অৱস্থাত ছাত্ৰসকলে বিশ্ববিদ্যালয়ত Ph D ৰ বাবে পৱেষণা কৰাতো সময়ৰ অপচয় বুলি ভাৱে। ভাৰতৰ আগশাৰীৰ প্ৰতিষ্ঠান "ভাবা পাৰমাণবিক গৱেষণা কেন্দ্ৰ (BARC)" প্ৰশিক্ষণ বিদ্যালয়তো Ph D উপাধি নথকা ব্যক্তিক এক বিশেষ বিষয়ৰ প্ৰশিক্ষণ দি উক্ত প্ৰতিষ্ঠানত নিয়োগ কৰে। এনে ব্যক্তিয়ে এক নিৰ্দিষ্ট গৱেষণাৰ দিশতহে যান্ত্ৰিক পাৰদৰ্শিতা দেখুৱাব পাৰে। বিশ্ববিদ্যালয়ৰ মুক্ত বহল পৰিসৰৰ সৃষ্টিশীল গৱেষণাৰ সুবিধাৰ পৰা বঞ্চিত এনে ব্যক্তিয়ে নিয়োজিত হোৱাৰ তাৰণাতে নিজৰ প্ৰজ্ঞাক বিসৰ্জন দিয়ে।

ওপৰত আলোচিত কাৰকসমূহৰ উপৰিও অন্যান্য বহু কাৰকৰ পৰোক্ষ প্ৰভাৱে ভাৰতৰ বিশ্ববিদ্যালয় পৰ্য্যায়ত বিজ্ঞান গৱেষণাৰ বিকাশত বাধাৰ সৃষ্টি কৰি আহিছে। কাৰক যিয়েই নহওক এই সমস্যাৰ নিৰাময়ৰ ব্যৱস্থা অতি প্ৰয়োজনীয় হৈ পৰিছে। এই ক্ষেত্ৰত ড° ৰাৱে আগবঢ়োৱা পৰামৰ্শ সমূহকে উত্তম হিচাপে লব পৰা যায়। যেনে —

❋ বিশ্ববিদ্যালয়সমূহৰ বিজ্ঞান গৱেষণাৰ বাবে সূকীয়া শিতানত ধনৰ আবন্তন দিব লাগিব। ❋ গৱেষণাক্ষেত্ৰৰ বিষয়, ইয়াৰ গুৰুত্ব, গৱেষকৰ প্ৰতিভা তথা কাৰ্যকুশলতা আদিৰ ওপৰত নিৰ্ভৰ কৰিহে গৱেষণাৰ বাবে আৰ্থিক মঞ্জুৰি প্ৰদান কৰিব। ❋ শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত গুণমানবিশিষ্ট গৱেষণা পত্ৰ আৰু ডক্টৰেট উপাধিক ভিত্তি হিচাপে লব লাগিব। ❋ প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত ঘটা মগজুৰ বৰ্হিগমন (Brain drain) ৰোধ কৰাৰ ব্যৱস্থা কৰিব লাগিব। ❋ বিশ্ববিদ্যালয়, উদ্যোগ আৰু গৱেষণা সংস্থা সমূহৰ পৰিপূৰক সম্পৰ্ক স্থাপন কৰিব লাগিব। ❋ পৃথিৱীৰ যিকোনো অংশতে থকা ভাৰতীয় মূলৰ সূদক্ষ শিক্ষক, বিজ্ঞানী সকলৰ বাবে দেশৰ দুৱাৰ মুকলিকৈ ৰাখিব লাগিব, যাতে তেওঁলোকে গৃহভূমিলৈ আহি গৱেষকৰ দল গঠন কৰাৰ সুবিধা পাব পাৰে। শেষত ৰাওৰ ভাষাৰে — Building a sound base in scientific arena should be considered a national necessity and a national mission.

# প্ৰজেক্টৰ বুকুত চৰাইদেউৰ মৎস্য সম্পদ এক তথ্যভিত্তিক অধ্যয়ন

✍ ড° জ্যোতিমা ফুকন

প্ৰাণীবিজ্ঞানৰ সন্মান বিষয়ৰ শেষান্ত বৰ্ষত প্ৰজেক্ট কৰিব লাগে। ডেইজী কোঁৱৰ আৰু মাইনু গগৈয়ে নাচিৰ, অজয়, কৃষ্ণহঁতৰ আঁৰ লৈ কুটুৰী থাকিল প্ৰজেক্ট মোৰ তত্বাৱধানত কৰিব। সেই বৰ্ষৰ ছাত্ৰ-ছাত্ৰী আটাইকেইজন পঢ়াশুনাৰ লগতে সকলোতে আগৰণুৱা আছিল, আৰু সঁচাকৈ সিহঁতে প্ৰাণীবিজ্ঞান তথা মহাবিদ্যালয়খন পোহৰাই ভাল ৰিজাল্ট কৰি সুনাম কঢ়িয়াবলৈ সমৰ্থ হৈছিল। শিক্ষকলৈ প্ৰতিদান আৰু কি হব পাৰে ! ৰিজাল্ট দিয়া দিনা বিশ্ববিদ্যালয়ৰ পৰা মিষ্টাৰৰ উচ্ছাস ভৰা ফোন — 'তোমালোকৰ ডিপাৰ্টমেণ্টৰ পৰা তিনিজনে প্ৰথম বিভাগ .........।'

পৰিয়ালৰ পৰা দূৰত থাকি শিক্ষাদান কৰিবলগা হৈছে, সেইদিনা ছাত্ৰ-ছাত্ৰীয়ে দিয়া আনন্দকণে মোৰ বিষাদখিনি ধুই নিছিল। বাৰু এইখিনি কথা থাকক এতিয়া। কলেজ আলোচনীলৈ কিবা এটা লিখো বুলি ভাবোতে ভাৱিলো — ডেইজী, মাইনুহঁতৰ প্ৰজেক্টটোৰ অংশবিশেষকে ডিপাৰ্টমেণ্টতে আৱদ্ধ নাৰাখি সকলোলৈকে মেলি নিদিও কিয়। পঠিক-পঠিকা ছাত্ৰ-ছাত্ৰীসকল আমাৰ চৰাইদেউ মহকুমাৰ সা-সম্পত্তিবিলাকৰ বিষয়ে অৱগত হোৱা উচিত বুলি ভাবো। আমাৰ অজ্ঞাতেই ঈশ্বৰ প্ৰদত্ত প্ৰকৃতিয়ে প্ৰতি চেকেণ্ডতে হেৰুৱাইছে জলজ-স্থলজ প্ৰাণীকুল। কোনে জানে এটা সময়ত মানুহে কিজানি মেলানি মাগে এই বিন্দীয়া ধৰণীৰ পৰা। পৰিৱেশৰ প্ৰতি সঠিক আচৰণ নোহোৱাটোৱেই বোধকৰো মানুহ অৱলুপ্তিৰ ক্ৰমশ সম্ভাৱনাৰ কাৰণ। চৰাইদেউ মহকুমাটো শিৱসাগৰ জিলাৰ ভিতৰতে এক বৈচিত্ৰ্যপূৰ্ণ স্পট য'ত জলজ-স্থলজ সম্পত্তিয়ে এটা সময়ত দলদোপ-হোন্দোলদোপ আছিল।

আমাৰ আলোচনাত কেৱল ডেইজী, মাইনুৰ প্ৰজেক্টৰ আধাৰত মৎস্য সম্পদতে চমুকৈ কলম আৱদ্ধ কৰিম। ডেইজীক বিষয়বস্তু দিয়া হৈছিল - **'চৰাইদেউ মহকুমাৰ বিলসমূহৰ আলাংকাৰিক মাছৰ বৰ্ত্তমান অৱস্থা, বিস্তৃতি আৰু বাসস্থানৰ পৰিবেশ।' (Present status, Diversity and Habitat Ecology of Ornamental Fishes of Flood Plain Beels of Charaideo Sub-Division)** এই সম্পৰ্কত কোনো গৱেষণামূলক তথ্যপাতি নাই সেয়ে এটা প্ৰজেক্টৰ মাজেৰে যৎকিঞ্চিত প্ৰয়াস কৰা হৈছিল। প্ৰাকৃতিক পৰিৱেশে সামৰি লোৱা জৈৱবৈচিত্ৰ্যৰ বিজ্ঞানভিত্তিক অধ্যয়নৰ ওপৰতে মানৱজাতিৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। চৰাইদেউ মহকুমাটোক জৈৱবৈচিত্ৰ্যৰ সোণালী পাম বুলি কব পাৰি। অঞ্চলটোৰ বক্ষইদি প্ৰৱাহিত দিচাংনদী আৰু ইয়াৰ বিভিন্ন সুঁতিত, টাওকাক, টিয়ক নৈত অফুৰন্ত সম্পদ আছে। এক পৰিসংখ্যামতে, এই মহকুমাত ১০৮৬ হেক্টৰ মাটি মীনপালনৰ বাবে ব্যৱহাৰ কৰিব পাৰি। বিল মীনপামৰূপে ২৪ টা চৰকাৰী পুখুৰী ৫১ টা আৰু ব্যক্তিগত পুখুৰী ৮০২ টা আছে।



গেদগেদী মাছ।

সোনাৰী পুখুৰীৰ দৰে বৃহৎ আকাৰৰ পুখুৰী, ভলক বিল, তিনিকোণীয়া বিল, মাহমৰা গৰৈমাৰী বিল, দিচাংপানী বিল, ভৰালী পুখুৰী বিল ইত্যাদি চৰকাৰী বা ব্যক্তিগত পৃষ্ঠপোষকতাত প্ৰচুৰ পৰিমাণে মাছৰ বংশবৃদ্ধি কৰিব পাৰি। কিন্তু দুখৰ বিষয় চৰাইদেউৰ সদৰ সোণাৰি বজাৰত চালানী মাছ কেইটাৰেহে বজাৰ সমৃদ্ধ হৈছে। প্ৰকৃততে জনসাধাৰণৰ অসজাগতা, যুৱচামৰ চাকৰীমুখী মনোবৃত্তি, চৰকাৰী বিভাগ সমূহৰ অমনোযোগিতা ইত্যাদিয়ে আমাৰ বহু উচ্চমূল্যৰ অৰ্থনৈতিক গুৰুত্ব থকা মাছৰ বিনাশ ঘটাইছে। ফটোগ্ৰাফীৰ পিছতেই আলাংকাৰিক মাছ পালন বিশ্বৰ দ্বিতীয় জনপ্ৰিয় হবি হোৱা স্বত্বেও আমাৰ এই অঞ্চলসমূহে এই খণ্ডত এতিয়াও মনোযোগ দিয়া নাই। একো একোটা একুৰিয়াম মাছৰ মূল্য খাদ্যমাছতকৈ ১০ গুণে বেছি দামী। আন্তঃৰাষ্ট্ৰীয় বজাৰত এই মাছ সমূহৰ কিছু মূল্য এনেধৰণৰ - এটি দৰিকণা মাছ - ০.৭৫ Dollar বা ৩৬ টকা, পুঠিমাছ - ৪৫-৬০ টকা, চেঙামাছ - ৬০ টকা, বতিয়া ৯.৬০, খালৈভাঙি ৫২.৮০ টকা, ৰঙাচেঙেলী ৪৪৮ টকা, গৰৈ ৩৬ টকা ইত্যাদি। আমি জানোনে ভাৰতৰ এই খণ্ডত ৰপ্তানিৰ ১৫০ কোটি টকা মূল্যৰ বিদেশী মুদ্ৰা আহৰণ হয়, তাৰে উত্তৰ পূৰ্বাঞ্চলৰ পৰা ৮৫ % নিয়ন্ত্ৰিত হয়। দমদম আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ জৰিয়তে আমাৰেই সম্পদসমূহ বিশ্বৰ বজাৰলৈ গৈয়ে আছে। এই জৈৱবৈচিত্ৰ্যৰ উষ্ণ অঞ্চলত বিভিন্ন প্ৰজাতিৰ পুঠি (Puntius spp.), খলিহনা (Colisa spp.), উঁৰিকণা (Danio spp.), বতিয়া (Bitia spp.), তুৰামাছ (Mastacembelus spp), চেঙেলী (Channa spp) চন্দ্ৰা (Chanda spp.), গেদগেদী (Nandus), মোৱা (Amblipharynogodon), এলোং (Bengala), দোলৰমাৰি, ককিলা (Xenetodon spp) ইত্যাদি আলাংকাৰিক মাছ খালৈ ভৰাই তুলি আনিব পৰাকৈ নাই যদিও যৎসামান্য থকালৈ চাই আমাৰ আশাৰ সঞ্চাৰ হয়। খুবেই কম পৰিমাণে বেংমাছ (Chaca), তিনিকোটিয়া শিঙৰা (Hara), চেঙামাছ (Channa barca), পাটীমুতুৰা (Bedis) মাছৰ অৱস্থিতিয়ে আমাক আনন্দ দিছিল এই বুলিয়ে যে এইসমূহ দেশীয় আৰু বিদেশীৰ বজাৰত উচ্চমূল্য থকা একুৰিয়াম মাছ অন্তঃত মানুহৰ লুলুপতাৰ আঁৰত জীয়াই থকাৰ প্ৰয়াস কৰিছে।

আমাৰ ইয়াত মাছৰ জাৰ্মপ্লাজম সংৰক্ষণকেন্দ্ৰ বা আৱদ্ধ প্ৰজনন (Captive breeding) এতিয়াও হোৱা নাই, আনহাতে আলাংকাৰিক মাছ সম্পৰ্কে ব্যৱহাৰিক জ্ঞান বা প্ৰজনন - সংৰক্ষণৰ প্ৰতি সতৰ্কতা নথকা বাবে বহুতো মাছৰ বংশ লুপ্ত হোৱাৰ পথত। ঘন ঘনকৈ গোঠা বিভিন্ন জাল, মিহি চালনী আদিৰে পানীপৰা অৱশিষ্টলৈকে চুচন দিয়া সহজলভ্য দৃশ্য। এই অঞ্চলত মাছৰ আবাসস্থলী সমূহত কাৰ্বণ-ডাই-অক্সাইড বৃদ্ধি আৰু অক্সিজেনৰ মাত্ৰা কমালৈ চাই অদূৰ ভৱিষ্যতে মৎসপ্ৰজাতিৰ জীৱনলৈ সংশয় নামি আহিছে। চাহ বাগানসমৃদ্ধ চৰাইদেউ মহকুমাত অবিজ্ঞান সন্মতভাৱে ব্যৱহৃত Weedicide আৰু Pesticide সমূহে প্ৰদূষিত কৰা পানীত মাছৰ জীৱনকাল সম্পৰ্কে সন্দিহান হৈছো। বিস্তৃতিৰ ভয়ত বহুকথা চমুৱাব লগা হ'ল।

ইয়াতে মাইনুৰ প্ৰজেক্টৰ কিছু কথাও অন্তৰ্ভূক্ত কৰিবলৈ চেষ্টা কৰিম। মাইনুক বিষয়বস্তু দিয়া হৈছিল **"স্বাস্থ্যৰক্ষাত মাছ"** (An Investigation of Fish in Health Management) মাছৰ পৰা সহজতে প্ৰটিন, পয়োজনীয় এমিন' এচিদ, ফেটি এচিদ, খনিজ পদাৰ্থ, ভিটামিন A,B আৰু D পোৱা যায় বাবে মাছৰ গুৰুত্ব সৰ্বতোকাল থাকিব। মাইনুৰ অধ্যয়নৰ মাজৰপৰা পাব পৰা বিভিন্ন ধৰণৰ দৰৱৰ উপৰিও জনজাতিসকলে ব্যৱহাৰ কৰা মাছৰ প্ৰাকৃতিক দৰৱৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। এই অধ্যয়নত আমি দেখিছিলো পাটীমুতুৰা মাছ পুৰি খালে লৰা-ছোৱালীৰ বিচনাত প্ৰসাৱ কৰা অভ্যাস দূৰ হয়। মাগুৰমাছ খৰিচাৰ লগত আঞ্জা কৰি খালে বসন্ত ৰোগৰ ঘাঁ লগা অংশবোৰ জামৰে। শিঙিমাছ আমলখিৰ লগত চুপ কৰি খালে ৰক্তহীনতা দূৰ হয়। এই মাছ জালুকৰ লগত খালে জ্বৰ ভাল হয়। গৰৈ মাছ ভাজি মানিমুনীৰ লগত খালে মাইকীমানুহৰ বগাস্ৰাৱ ৰোগ ভাল হয়। এজমা ৰোগতো এই ঔষধ উপকাৰী। কাৱৈমাছ অমৰাৰ পাত বা গুটিৰ লগত চুৰুহা কৰি খালে প্ৰসৱৰ পিছত যন্ত্ৰণানাশক হিচাবে কাম কৰে। তদুপৰি ৰক্তহীনতাত ই এক মহৌষধ। ককিলামাছ আলচাৰ, খণ্ডু আদিত অস্ত্ৰোপচাৰ অস্ত্ৰ ৰূপে ব্যৱহাৰ কৰে। কুচিয়াৰ তেজত প্ৰচুৰ হিম'গ্লবিন থাকে সেয়ে ৰক্তহীনতাত কুচিয়াৰ চুৰুহা বা কেঁচাৰক্ত খাবপাৰিলে পোনপটীয়াকৈ হিম'গ্লবিন পাবপাৰি। পাইলচ্‌ৰ ৰোগো এই মাছে ভাল কৰে। বৰালীমাছ কচু জালুকৰ লগত খালে প্ৰসৱৰ পিছত বিষ নিৰাময় কৰে। কুৰকুৰীমাছ নাৰিকল তেলৰ লগত পেষ্ট বনাই খালে আৰু পোৱামাছটোৰ গুড়ি খালে মাংসপেক্ষীৰ বিষ নাইকিয়া হয়। মোৱামাছ মধুলংৰ লগত খালে বসন্তৰোগৰ দাগসমূহ আঁতৰে। তদুপৰি নখৰ ভেকুৰজাতীয় বেমাৰত মোৱামাছ পানীত সিজাই নখত লগাব লাগে। শল-চেঙামাছ এনিমিয়া ৰোগৰ পোনপটীয়া ঔষধ। আভোক আঁতৰাবৰ বাবে বা তেজ শুদ্ধিকৰণৰ বাবে গৰৈমাছ শুকুৱাই বা ভাতৰ লগত পুৰি শুকানে খাবলৈ দিব লাগে। গেদগেদীমাছে অন্ধতা দূৰ কৰে। পুঠিমাছেও চকুৰ শক্তি বঢ়ায়। উঁৰিকণা-বতিয়া মাছে তেজ শুদ্ধ কৰি ৰাখে। পেটৰ বিষত মোৱামাছ নৰসিংহৰ লগত খালে বিষ নাইকীয়া হয়। গেঠুমাছে ভিঙিৰ বিষ ভাল কৰে। ইয়াৰ উপৰিও মেলেৰীয়া ৰোগ প্ৰতিৰোধকাৰীৰূপে এই মাছবিলাক প্ৰধানকৈ স্বীকৃত হৈছে — (এই সম্পৰ্কত এখন গৱেষণা পত্ৰ প্ৰকাশ কৰা হৈছে) ওপৰত উল্লেখ কৰা অধিকাংশ মাছেই মেলেৰীয়া ডেংগু বেমাৰ কৰা মহৰ পলুসমূহ প্ৰচুৰ পৰিমাণে খায়। মুঠতে এই মাছসমূহৰ বিস্তৃত অধ্যয়নৰ প্ৰয়োজন আছে। অসমৰ মানুহে এতিয়া অৱশিষ্ট সম্পদসমূহলৈ চকু-কাণ দিয়া উচিত আৰু বিজ্ঞানসন্মত কৰ্ষণ কৰা ভাল, নহ'লে অসমীয়াসকল এটা সম্পদহীন ওপঙা জাতি ৰূপে চিহ্নিত হবলৈ বেছিপৰ নাথাকিব।

XXX

# 'ষ্টক্ একচেঞ্জ' আৰু ভাৰতৰ শ্বেয়াৰ বজাৰৰ এটি থুলমূল আভাস

✍ শ্ৰী দিলীপ ৰঞ্জন বৰুৱা
প্ৰৱক্তা, অৰ্থনীতি বিভাগ

এখন দেশৰ অৰ্থনৈতিক উন্নয়নৰ লগত বিভিন্ন কাৰ্য্য সম্পাদন কৰাৰ বাবে চৰকাৰ তথা বিভিন্ন উদ্যোগিক কোম্পেনী সমূহৰ বাবে পুঁজিৰ আৱশ্যক। এই ক্ষেত্ৰত পুঁজিৰ যোগান ধৰা দুখন বজাৰ থাকে মুদ্ৰা বজাৰ আৰু মূলধন বজাৰ (Money Market and Capital Market) মুদ্ৰা বজাৰ হ'ল সেইখন বজাৰ যি খনে হ্ৰস্বকালিন পুঁজিৰ যোগান ধৰে। ইয়াৰ বিপৰীতে মুলধন বজাৰে দীৰ্ঘকালিন পুঁজিৰ যোগান ধৰে। মূলধন বজাৰে দীৰ্ঘকালিন ঋণ গ্ৰহণ আৰু ঋণদানৰ সকলোবিলাক সা-সুবিধা আৰু আনুষ্ঠানিক ব্যৱস্থাৰ কথা প্ৰকাশ কৰে। মূলধন বজাৰৰ দুটা মূল ভাগ হল চৰকাৰী নিৰাপত্তা পত্ৰ (Securities) ৰ বজাৰ আৰু উদ্যোগিক নিৰাপত্তা পত্ৰৰ বজাৰ। এই উভয় প্ৰকাৰৰ নিৰাপত্তা পত্ৰৰ বজাৰক আকৌ প্ৰাথমিক বজাৰ (Primary Market) আৰু গৌণ বজাৰ (Secondry Market) এই দুই ভাগত সামৰি লোৱা হয়। এই গৌণ বজাৰকে 'ষ্টক্ একচেঞ্জ' নামে জনা যায়।



'ষ্টক্ একচেঞ্জ' হ'ল এটা স্থান য'ত এখন দেশৰ শ্বেয়াৰ বজাৰৰ লেনদেন সমূহ সম্পাদন কৰা হয়। শ্বেয়াৰ বজাৰ সেই বজাৰ ব্যৱস্থা য'ত শ্বেয়াৰ তথা আন নিৰাপত্তা পত্ৰ সমূহৰ ক্ৰয়-বিক্ৰয় হয়। অন্য কথাত, ষ্টক একচেঞ্জ হ'ল পুৰণি শ্বেয়াৰ, ব'ন্ড, ঋণপত্ৰ, দীৰ্ঘকালিন নিৰাপত্তা পত্ৰ বা বিনিয়োগ সমূহৰ ক্ৰয়-বিক্ৰয়ৰ প্ৰতিষ্ঠান।

এখন দেশৰ উৎপাদন প্ৰক্ৰিয়াত জড়িত বিভিন্ন কোম্পেনী তথা চৰকাৰে যন্ত্ৰপাতি, সা-সজুলি, শক্তি প্ৰকল্প, কল-কাৰখানাৰ ঘৰদুৱাৰ নিৰ্মাণ আদি মূলধনিক তথা স্থায়ী সম্পদ ক্ৰয়ৰ বাবে দীৰ্ঘকালীন ভিত্তি পূঁজি সংগ্ৰহ কৰিব বিচাৰে। ভাৰতত এনেধৰণৰ কোম্পেনীয়ে মুঠ পূঁজিৰ ৮ শতাংশ শ্বেয়াৰ বিক্ৰিৰ দ্বাৰা, ২৫ শতাংশ আগৰণুৱা পূঁজি বা সংৰক্ষিত পূঁজি (Promoter's Fund) আৰু ৬৭ শতাংশ ঋণৰ দ্বাৰা সংগ্ৰহ কৰা দেখা যায়। শ্বেয়াৰ বিক্ৰিৰ প্ৰক্ৰিয়াত দুখন বজাৰ থাকে - প্ৰাথমিক বজাৰ (Primary Market) আৰু গৌণ বজাৰ (Secondary Market)

প্ৰাথমিক বজাৰ হ'ল নতুন অংশ বিক্ৰিৰ বজাৰ। ইয়াত কোম্পেনী একোটাৰ অংশৰ প্ৰত্যক্ষ বিক্ৰি হয়। কোম্পেনী এটাই অংশ বা শ্বেয়াৰ বিক্ৰিৰ বাবে একোটা কৰ্তৃত্বশীল গোট বা ব্যৱসায়ী বেঙ্ক (Merchant Bank) নিযুক্ত কৰে। এই বেঙ্কে কোম্পেনীৰ নামত শ্বেয়াৰ বিক্ৰি





কৰে। সাধাৰণতে সৰু সৰু খণ্ডৰ শ্বেয়াৰ একোটা ডাঙৰ খণ্ডত (যেনে, দহ টকা মূল্যৰ এক হাজাৰ শ্বেয়াৰ) বিক্ৰি কৰে। ব্যৱসায়ী বেঙ্কে এটা নিৰ্দিষ্ট হাৰত কমিচন গ্ৰহণ কৰি বাকী সংগৃহিত ধন কোম্পেনীক হস্তগত কৰে। এনে ধৰণৰ বিক্ৰি ব্যৱস্থাই হ'ল প্ৰাথমিক বজাৰ। ধৰা হ'ল, এটা কোম্পেনীয়ে ২০০৪ চনত এনেদৰে ১,০০০ শ্বেয়াৰ বিক্ৰি কৰি মুঠ ১০,০০০ টকা লাভ কৰে (প্ৰতি শ্বেয়াৰৰ মূল্য ১০ টকা হিচাপত) এই ১০,০০০ টকা হ'ল প্ৰাথমিক বজাৰৰ পৰা সংগৃহীত পূঁজি। ইয়াক কোম্পেনীটোৰ মূলধন অংশ (Equity share) বোলা হয়। গতিকে দেখা যায় যে কোম্পেনীয়ে প্ৰত্যক্ষভাৱে বিভিন্ন ব্যক্তিক অংশ বিক্ৰি কৰা ব্যৱস্থাই হ'ল প্ৰাথমিক বজাৰ ব্যৱস্থা। কোম্পেনীয়ে এনে অংশীদাৰক তেওঁলোকৰ অংশৰ ধন ঘূৰাই নিদিয়ে। ইয়াৰ বিপৰীতে কোম্পেনীৰ লাভ হ'লে অংশীদাৰ সকলক লাভাংশ দিয়া হয়।

ধৰা হ'ল, ২০০৬ চনত A অংশীদাৰজনক ধনৰ আৱশ্যক হ'ল আৰু তেওঁৰ হাতত থকা ২,৫০০ টকাৰ অংশ বা সম্পদ বিক্ৰি কৰিব বিচাৰে। ইয়াৰ বাবে তেওঁ ষ্টক একচেঞ্জৰ ওচৰ চাপিব লাগিব য'ত তেওঁৰ হাতত থকা শ্বেয়াৰখিনি বিক্ৰি কৰিব আৰু আন ব্যক্তিয়ে এই চেয়াৰখিনি ষ্টক একচেঞ্জৰ পৰা ক্ৰয় কৰিব। এনেদৰে ষ্টক্ একচেঞ্জৰ জৰিয়তে হোৱা শ্বেয়াৰ ক্ৰয়-বিক্ৰয়ক গৌণ বজাৰ আখ্যা দিয়া হয়। এনে বজাৰৰ দ্বাৰা শ্বেয়াৰৰ মালিকীস্বত্বৰ সালসলনি ঘটে। গতিকে দেখা যায় যে ষ্টক্ একচেঞ্জ এ মূলতঃ দুটা দিশেৰে অৰ্থনীতিত প্ৰভাৱ পেলায়। প্ৰথমতে, ই শ্বেয়াৰ তৰলীকৰণ (Liquidisation)ত সহায় কৰে। যদি ষ্টক্ একচেঞ্জ নাথাকিলহেতেন তেতিয়া বিভিন্ন ব্যক্তিৰ হাতত থকা শ্বেয়াৰ সমূহ স্থায়ীভাৱে আৱদ্ধ হৈ থাকিলেহেতেন। অন্যকথাত, ষ্টক্ একচেঞ্জে প্ৰাথমিক বজাৰৰ লেনদেন উৎসাহিত কৰে। দ্বিতীয়তে, যিসকল ব্যক্তিয়ে প্ৰাথমিক বজাৰত শ্বেয়াৰ ক্ৰয়ৰ সুযোগ গ্ৰহণ কৰিব নোৱাৰিলে, সেই সকলে বিভিন্ন কোম্পেনীৰ শ্বেয়াৰ গৌণ বজাৰ বা ষ্টক্ একচেঞ্জৰ পৰা ক্ৰয় কৰিব পাৰে। তাৰোপৰি ষ্টক্ একচেঞ্জৰ অৱস্থিতিয়ে সাধাৰণ বিনিয়োগকাৰীক লাভজনক বিনিয়োগৰ সুবিধা দিয়ে। এনে ক্ষেত্ৰত কৰা বিনিয়োগৰ ফলত বিনিয়োগকাৰীয়ে লাভাংশ তথা শ্বেয়াৰ মূল্য বৃদ্ধিৰ দ্বাৰা লাভান্বিত হয়।

ষ্টক্ বজাৰৰ ব্যৱসায়িক দিশ লক্ষ্য কৰিলে দেখা যায় যে এনে বজাৰত শ্বেয়াৰ, ব'ণ্ড, ঋণপত্ৰ, ট্ৰেজাৰী বিলৰ ক্ৰয় বিক্ৰয় হয়। কিছুমান ব্যক্তিৰ হাতত থকা এনে পৰিসম্পদ ষ্টক বজাৰৰ মাধ্যমত আন কিছুমান ব্যক্তিক বিক্ৰি কৰে। এনে ক্ষেত্ৰত বিক্ৰি অন্যায়িক ষ্টাম্প কাগজ বা দলিলত কৰা হয়। ধৰাহ'ল A ব্যক্তিৰ হাতত Reliance কোম্পেনীৰ ২,৫০০০ টকাৰ শ্বেয়াৰ আছে। ব্যক্তিজনে E ব্যক্তিক উক্ত শ্বেয়াৰ খিনি ৫,০০০ টকাত বিক্ৰি কৰিব বিচাৰিছে। ধৰাহ'ল কোম্পেনীয়ে ইয়াৰ শ্বেয়াৰ মূল্যৰ ১০ শতাংশ দিয়ে। এনে ক্ষেত্ৰত A ব্যক্তিয়ে পূৰ্বতে ২,৫০০ টকাৰ শ্বেয়াৰৰ ওপৰত ২৫০ টকা লাভাংশ পাইছিল। এতিয়া E ব্যক্তিয়ে একে মূল্যৰ শ্বেয়াৰ ৫,০০০ টকা ক্ৰয় কৰিলেও কোম্পেনীৰ পৰা ২৫০ টকা লাভাংশহে পাব। (যদিহে লাভাংশৰ হাৰ একে থাকে) ফলস্বৰূপে, শ্বেয়াৰৰ দাম বৃদ্ধিৰ ফলত E ব্যক্তিৰ লাভাংশ আপেক্ষিকভাৱে কম হব। গতিকে প্ৰশ্ন হয়, এনে অৱস্থাত বৰ্দ্ধিত মূল্যত E ব্যক্তিয়ে কিয় শ্বেয়াৰ ক্ৰয় কৰিব বিচাৰিছে। ইয়াৰ কাৰণ হ'ল E ব্যক্তিয়ে আশাকৰে যে অদূৰ ভৱিষ্যতে লাভাংশৰ হাৰ বেছি হব আৰু তেওঁ বেছি ধন লাভ কৰিব। কিন্তু এইটো সাধাৰণভাৱে লোৱা এটা ধাৰণাহে; শ্বেয়াৰ ক্ৰয় বিক্ৰয়ৰ প্ৰকৃত সত্যটো সুকীয়া। প্ৰথম কথা হ'ল প্ৰতিজন ব্যক্তিৰ অভিপ্ৰায়, চিন্তাধাৰা একে নহয়। ফলস্বৰূপে লেনদেন সম্পাদিত হয়। এনে ক্ষেত্ৰত বিভিন্ন উপদেষ্টাই ক্ৰেতা আৰু বিক্ৰেতাক নিৰ্দেশনা দিয়ে। ইয়াৰ বিপৰীতে দ্বিতীয় তথা অধিক গুৰুত্বপুৰ্ণ কাৰণটো হ'ল ফটকা বজাৰ (Speculation) য'ত ক্ৰেতা আৰু বিক্ৰেতাই অধিক মূলধনী লাভ পোৱাৰ চিন্তা কৰে। অধিক মূল্যত শ্বেয়াৰ ক্ৰয়ৰ অৰ্থ লাভাংশৰ হাৰ বৃদ্ধিৰ আশা নহয়, এনে শ্বেয়াৰ পুনৰ অধিক মূল্যত বিক্ৰি কৰি অধিক ধন লাভ কৰাৰ চিন্তাহে। এনে ব্যক্তিয়ে তেওঁৰ হাতত থকা শ্বেয়াৰ বিক্ৰি কৰি উচ্চ দৰত আন লাভদায়ক কোম্পেনীৰ শ্বেয়াৰ ক্ৰয় কৰিব বিচাৰে। কেতিয়াবা দেখা যায় কিছুমান নতুন অথবা অপ্ৰখ্যাত কোম্পানীয়ে বাট্টাৰ হাৰত (Discount rate) শ্বেয়াৰ বিক্ৰি কৰে (যেনে ১০ টকা মুল্যৰ শ্বেয়াৰ ৭ টকাত বিক্ৰি)। এনে সুযোগ গ্ৰহণৰ বাবেও কিছুমান ব্যক্তিয়ে তেওঁলোকৰ হাতত থকা আন শ্বেয়াৰ বিক্ৰি কৰিব পাৰে।

গৌণ বজাৰৰ পৰিচালনা ব্ৰ'কাৰ (Brocker) সকলে কৰে। ষ্টক্ একচেঞ্জত কেৱল ব্ৰ'কাৰ সকলেহে ক্ৰয়-বিক্ৰয় কৰিব পাৰে। এই ব্ৰ'কাৰ বিলাকৰ অধীনত কিছুমান উপ-ব্ৰ'কাৰ বা কমিচন এজেন্ট থাকে। সাধাৰণ ক্ৰেতা আৰু বিক্ৰেতাই এই সকলৰ সহায়ত লেন দেন কৰে। অৰ্থাৎ, গৌণ বজাৰত সাধাৰণ বিনিয়োগকাৰীৰ হৈ ব্ৰকাৰ সকলে বিনিয়োগ কৰে। এই ব্ৰ'কাৰ সকলৰ মাজৰ পৰাই ষ্টক একচেঞ্জৰ পৰিচালনমণ্ডলী (Board of Directors) গঠিত হয়। এই খিনিতেই এটা লক্ষণীয় কথা এয়ে যে ব্ৰ'কাৰ সকলে নিজৰ বাবে শ্বেয়াৰৰ ক্ৰয়-বিক্ৰয় কৰিব নালাগে। কিন্তু, ভাৰতত ইয়াৰ ব্যতিক্ৰম হোৱা দেখা যায়। ষ্টক্ একচেঞ্জ সমূহত ভিতৰুৱা

ব্যৱসায় সম্পাদিত হয়। পৰিচালনমণ্ডলীত থকা ব্ৰ'কাৰ সকলে নিজৰ বাবে ব্যৱসায় আৰম্ভ কৰা দেখা যায়।

ষ্টক্ বজাৰত কোনো ব্যক্তিয়ে তাৎক্ষণিকভাৱে ধন পৰিশোধ কৰিব নালাগে। এনে বজাৰত ক্ৰয়-বিক্ৰয় বাকীত (On credit) হয়। এনে বজাৰত লেন দেন কৰা সকলে সপ্তাহৰ শেষত ধন পৰিশোধ কৰিব লাগে আৰু উপৰঞ্চি আয় (Margin) লাভ কৰে। অৱশ্যে, বিভিন্ন ষ্টক একচেঞ্জৰ সদস্যভুক্তি, লেন দেনৰ গ্ৰহণ আৰু নিষ্পতিৰ প্ৰক্ৰিয়া আদিৰ ক্ষেত্ৰত বিভিন্নতা থাকিব পাৰে। ভাৰতৰ ষ্টক্ একচেঞ্জ সমূহত বিনিয়োগ লেনদেন গ্ৰহণ কৰা ব্যৱসায়িক প্ৰক্ৰিয়াৰ এটা চমু ধাৰণা এনেদৰে দিব পাৰি।

সাধাৰণ বিনিয়োগকাৰীয়ে ষ্টক্ বজাৰত অংশ, নিৰাপত্তা পত্ৰ আদি ক্ৰয় কৰিব বিচাৰিলে ব্ৰকাৰ বা তেওঁলোকৰ এজেন্টৰ ওচৰত আবেদন কৰিব লাগিব। এনে ক্ষেত্ৰত বিনিয়োগকৰ্ত্তাই তেওঁৰ বিত্তীয় অৱস্থা, সাধুতা, সম্ভাৱ আদিৰ নথি পত্ৰ দাখিল কৰাৰ উপৰিও ব্ৰ'কাৰৰ ওচৰত এটা হিচাপ খুলিব লাগিব। এই লেন দেনৰ আৱেদন নিৰ্দিষ্ট আৱেদন (Fixed Orders), সীমাবদ্ধ আৱেদন (Limit Orders), তাৎক্ষণিক বা খাৰিজ আৱেদন (Immediate or Cancel Orders) আদি বিভিন্ন ধৰণৰ হব পাৰে। ব্ৰ'কাৰে এজন মক্কেলৰ পৰা এনে আৱেদন পোৱাৰ লগে লগে ষ্টক্ বিনিময় কেন্দ্ৰৰ সেই ভাগটোৰ ওচৰ চাপিব যিটোত উক্ত অংশৰ ব্যৱসায় সম্পাদিত হয়। তেওঁ দৰ তালিকা (Quotation) বিচাৰিব পাৰে বা নিজা দৰ উল্লেখ কৰিব পাৰে। ইয়াৰ পাছত মৌখিক দৰ-দামৰ আধাৰত ক্ৰয় বিক্ৰয় সম্পাদিত হয় আৰু এনে দৰ-দামৰ অন্তত ষ্টক বিনিময় কেন্দ্ৰৰ দৈনিক কাৰ্য্যালয়ৰ নথিত এনে শ্বেয়াৰৰ নম্বৰ আৰু দাম প্ৰকাশ পায়। চুক্তি সম্পাদিত হোৱাৰ পাছত ব্ৰ'কাৰে নিজৰ হিচাপ বহীত ক্ৰয় বিক্ৰয়ৰ সবিশেষ লিপিবদ্ধ কৰে আৰু তেওঁৰ মক্কেলক চুক্তি টোকাৰ (Contract Note) দ্বাৰা এই সম্পৰ্কে জনায়। এই টোকাত ক্ৰয় বা বিক্ৰি কৰা অংশৰ সবিশেষ, অংশৰ দাম, ব্ৰ'কাৰৰ কমিচন, ৰেভিনিউ ষ্টাম্পৰ খৰচ আৰু দেনা- পাওনাৰ নিষ্পত্তিৰ তাৰিখ লিপিবদ্ধ কৰা হয়। দেনা-পাওনাৰ নিষ্পত্তি ক্ৰয়-বিক্ৰয়ৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। নগদ লেন দেনত (Cash transection) নিষ্পত্তি শ্বেয়াৰ হস্তান্তৰৰ লগে লগে হয় বা সাত দিনৰ ভিতৰত কৰা হয়। আনহাতে, অগ্ৰগামী নিষ্পত্তিত (Forward transection) ১৫ দিন, সপ্তাহ আদি নিৰ্দিষ্ট তাৰিখত কৰা হয়। এনে অগ্ৰগামী নিষ্পত্তি হিচাপ-নিকাচৰ গৃহ (Clearing House) ৰ দ্বাৰা কৰা হয়। তাৰোপৰি, দুটা পক্ষ সন্মত হলে পৰৱৰ্ত্তী নিষ্পত্তিৰ তাৰিখলৈকে এনে নিষ্পত্তি পিছুৱাই (Carry forward) দিব পাৰে।

ষ্টক্ একচেঞ্জ সমূহত ফটকা ব্যৱসায় (Speculation) হোৱা দেখা যায়। ফটকা ব্যৱসায় হ'ল এটা সময়ত ক্ৰয় বা বিক্ৰি কৰা অংশ আন এটা সময়ত লাভৰ চিন্তাপ্ৰসূত ভাৱে বিক্ৰি বা ক্ৰয় কৰা কাৰ্য্য। ষ্টক বজাৰত দুই প্ৰকাৰৰ লেনদেন হয় - বিনিয়োগ লেনদেন (Investment transection) আৰু ফটকা ব্যৱসায়ৰ লেনদেন (Speculative transection) । বিনিয়োগ লেনদেনে দীৰ্ঘ কালত অধিক প্ৰাপ্তি আৰু দামৰ আশাত কৰা অংশৰ ক্ৰয়-বিক্ৰয় প্ৰকাশ কৰে। এনে লেনদেনত নিৰাপত্তা পত্ৰৰ প্ৰকৃত যোগান আৰু সম্পূৰ্ণ দাম পৰিশোধ কৰা হয়। প্ৰকৃততে, কোনো ষ্টক একচেঞ্জ এনে লেনদেনত সম্পূৰ্ণৰূপে চলিব নোৱাৰে, কাৰণ এনে লেনদেনত বিনিয়োগকাৰীয়ে ষ্টক বজাৰৰ ব্যৱসায়িক পৰিসৰ আৰু ব্যৱসায়ৰ ধাৰাবাহিকতা ৰক্ষা কৰিব পৰাকৈ বিনিয়োগ কৰিব নোৱাৰে। এনে ক্ষেত্ৰত ফটকা ব্যৱসায়ৰ বিনিয়োগে ষ্টক একচেঞ্জ সমূহক সহায় কৰে। এনে বিনিয়োগত বিনিয়োগকাৰীয়ে পূৰ্বতে ক্ৰয় বা বিক্ৰি কৰা বিভিন্ন কোম্পেনীৰ অংশ ভৱিষ্যতত অধিক লাভ পাবৰ বাবে বিক্ৰি বা ক্ৰয় কৰিব বিচাৰে। ইয়াৰ অৰ্থ হ'ল কম লাভদায়ক কোম্পেনীৰ অংশ বেছি লাভদায়ক কোম্পেনীৰ অংশত পৰিণত কৰা। এনে লেন দেনত অংশ ক্ৰয় বা বিক্ৰয় কৰোতে প্ৰকৃত নিৰাপত্তা পত্ৰৰ যোগান আৰু সম্পূৰ্ণ দাম পৰিশোধ কৰা নহয়। কেৱল পূৰ্বৰ অংশৰ দাম আৰু নতুন অংশৰ দামৰ পাৰ্থক্যহে পৰিশোধ কৰা হয়।

ষ্টক বিনিময় কেন্দ্ৰৰ ব্যৱসায়িক পৰিসৰ আৰু ধাৰাবাহিকতা ৰক্ষা কৰাৰ বাবে ফটকাব্যৱসায়ৰ বিনিয়োগ প্ৰয়োজনীয়। তাৰোপৰি এনে লেন দেনে ষ্টক বজাৰৰ চাহিদা-যোগানৰ ভাৰসমতা তথা দামৰ স্থিৰতা ৰক্ষাত সহায় কৰে। অৱশ্যে, বিনিয়োগকাৰীয়ে অজ্ঞতাৰ বাবে আৰু অন্ধভাৱে এনে বিনিয়োগ কৰিলে যথেষ্ট ক্ষতিৰ সন্মুখীন হব পাৰে। কেতিয়াবা কিছুমান সদস্য ব্ৰ'কাৰেও এনেদৰে প্ৰভাৱিত কৰা দেখা যায়। সেয়েহে সাধাৰণ বিনিয়োগ কৰ্ত্তাই অতি সতৰ্কতাৰে ষ্টক বজাৰত বিনিয়োগ কৰা প্ৰয়োজন।

ষ্টক্ বজাৰত সাধাৰণতে ডাঙৰ বা প্ৰতিষ্ঠিত কোম্পেনীৰ অংশ ক্ৰয় কৰাৰ বাবে বিনিয়োগকাৰীসকলে চেষ্টা কৰে। এনে কোম্পেনী সমূহ চিনাক্ত কৰাৰ বাবে দুটা প্ৰধান মাপকাঠি আছে। এটা হ'ল এনে কোম্পেনীৰ মুঠ মূলধন অংশ (Equity) আৰু আনটো হ'ল কোম্পেনীটোৰ বজাৰ মূলধনীকৰণ (Market capitalisation)। এই দুয়োটা দিশত একোটা কোম্পেনীৰ অৱস্থা দুৰদৰ্শন, বাতৰি কাকত আদিত প্ৰকাশিত ষ্টক বজাৰৰ তথ্যৰ পৰা পাব পাৰি। কোম্পেনীৰ মুঠ মূলধন হ'ল প্ৰাথমিক বজাৰত সৰু





সৰু মূল্যৰ অংশ বিক্ৰি কৰি কোম্পেনীটোৱে সংগ্ৰহ কৰা মুঠ ধনৰ পৰিমাণ। যিবিলাক কোম্পেনীয়ে প্ৰাথমিক বজাৰত এনে অংশ বিক্ৰি কৰি সৰহ মূলধন সংগ্ৰহ কৰিব পাৰে সেই কেম্পেনীটো ডাঙৰ কোম্পেনী হিচাপে চিনাক্ত হয়। আনহাতে, এটা কোম্পেনীৰ বজাৰ মূলধনীকৰণ হ'ল এক পৰিমাণ যিটো কোম্পেনীটোৰ মুঠ মূলধনৰ অংশক এনে অংশৰ বৰ্ত্তমান অংশমূল্যৰে পূৰণ কৰি পোৱা যায়। ধৰাহ'ল, এটা কোম্পেনীয়ে ১০ টকা মূল্যৰ ৫ লাখ অংশ প্ৰাথমিক বজাৰত বিক্ৰি কৰিছে। গতিকে কোম্পেনীটোৰ মুঠ মূলধন অংশ হব ১০×৫ লাখ = ৫০ লাখ টকা। কোম্পানীটোৱে ব্যৱসায়ত লাভ অৰ্জন কৰিলে ইয়াৰ পুঁজিৰ পৰিমাণ বৃদ্ধি হব। ইয়াৰ ফলত অংশীদাৰ সকলৰ অংশমূল্যও বৃদ্ধি হব। আনহাতে আন বজাৰৰ দৰে শ্বেয়াৰ বজাৰতো চাহিদা আৰু যোগানে শ্বেয়াৰ বা অংশমূল্যৰ ওপৰত প্ৰভাৱ পেলায়। এনে চাহিদা যোগানৰ প্ৰভাৱত কিছুমান কোম্পেনীৰ অংশ বৃদ্ধি হয়। এনেদৰে কোম্পেনী এটাৰ মূলধন অংশক এনে অংশৰ বৰ্ত্তমানৰ মূল্যৰে পূৰণ কৰিলে কোম্পেনীটোৰ বজাৰ মূলধনীকৰণ প্ৰকাশ পাই। যিটো কোম্পেনীৰ বজাৰ মূলধনীকৰণৰ পৰিমাণ আন কোম্পেনীতকৈ বেছি সেই কোম্পেনীক ডাঙৰ কোম্পেনী হিচাপে গণ্য কৰা হয়।

ষ্টক্ বজাৰ হ'ল অতিশয় স্পৰ্শকাতৰ বজাৰ। এনে বজাৰত শ্বেয়াৰৰ দামৰ সঘন উঠা নমা ঘটে। এনে উঠা নমা দিনটোৰ ভিতৰত কেইবাবাৰো ঘটিব পাৰে। সাধাৰণতে ডাঙৰ বিনিয়োগকাৰী তথা ব্ৰ'কাৰ সকলে বিভিন্ন কোম্পেনীৰ ক্ষেত্ৰত যেনেধৰণৰ প্ৰত্যাশা অনুভৱ কৰে সেই অনুক্ৰমে শ্বেয়াৰৰ দামৰ উত্থান-পতন ঘটে। তাৰোপৰি, চৰকাৰৰ অৰ্থনৈতিক নীতি, বাজেট ব্যৱস্থা আদিৰ প্ৰভাৱ প্ৰত্যক্ষভাৱে ষ্টক বজাৰত প্ৰতিফলন ঘটে।

**ভাৰতৰ নিৰ্বাচিত ষ্টক বজাৰৰ সূচক**

| বছৰ (মাৰ্চৰ শেষত) | ১৯৬১ | ১৯৭১ | ১৯৮০ | ১৯৯১ | ২০০০ | ২০০৩ |
|---|---|---|---|---|---|---|
| ষ্টক একচেঞ্জৰ সংখ্যা | ১ | ৮ | ৯ | ২২ | ২৩ | ২৩ |
| তালিকাবদ্ধ কোম্পেনীৰ সংখ্যা | ১,২০৩ | ১,৫৯৯ | ২,২৬৫ | ৬,২২৯ | ৯,৮৭১ | ৯,৪১৩ |
| বজাৰ মূলধনীকৰণ (নিযুত টকা) | ১২ | ২৭ | ৬৮ | ১,১০৩ | ১১,৯২৬ | ৬,৩১৯ |

✿ ডিচেম্বৰৰ শেষত কেৱল মোম্বাই ষ্টক একচেঞ্জ

উৎস ঃ Economics Political Weekly, March 19,2005

ভাৰত বৰ্ষৰ সৰ্বপ্ৰথম সংগঠিত ষ্টক একচেঞ্জ হ'ল 'বম্বে ষ্টক একচেঞ্জ'। ইয়াৰ পাছত ক্ৰমে ১৮৯৪ চন আৰু ১৯০৪ চনত 'আহমেদাবাদ ষ্টক একচেঞ্জ' আৰু 'কলিকতা ষ্টক একচেঞ্জ' স্থাপিত হয়। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত দেশখনত লাভৰ চিন্তাপ্ৰসূত কাৰ্য্যকলাপ যথেষ্ট বৃদ্ধি হয়। ফলস্বৰূপে, ১৯৩৯ চনৰ ৭ খনৰ পৰা ১৯৪৫ চনত ভাৰতত ষ্টক একচেঞ্জৰ সংখ্যা ২১ খনলৈ বৃদ্ধি পায়। ১৯৫৬ চনৰ নিৰাপত্তা পত্ৰৰ চুক্তি (নিয়ন্ত্ৰণ) আইন [Securities Contract (Regulation) Act, 1956] ৰ দ্বাৰা চৰকাৰে ১৫ খন ষ্টক একচেঞ্জৰ পুনৰসংগঠন কৰে। তলৰ তালিকাৰ দ্বাৰা ভাৰতৰ ষ্টক একচেঞ্জৰ প্ৰসাৰ লক্ষ্য কৰিব পাৰি —

কেইটামান বছৰ আগলৈকে ভাৰতৰ মূলধন বজাৰত 'বম্বে ষ্টক একচেঞ্জ' এ আধিপত্য বিস্তাৰ কৰিছিল। BSE (Bombay Stock Exchange) ৰ দৈনিক লেনদেন ভাৰতৰ আন ষ্টক একচেঞ্জ সমূহৰ সমুদায় দৈনিক লেনদেনতকৈ বেছি আছিল। কিন্তু ১৯৯২ চনত NSE (National Stock Exchange) স্থাপিত হয় আৰু ১৯৯৪ চনৰ পৰা এই ষ্টক বিনিময় কেন্দ্ৰই ইয়াৰ কাৰ্য্যকলাপ আৰম্ভ কৰে। আন ষ্টক একচেঞ্জ সমূহৰ মালিক ব্ৰ'কাৰ সকল হোৱাৰ বিপৰীতে NSE ৰ মালিক হ'ল IDBI, UTI আৰু আন ৰাজহুৱা প্ৰতিষ্ঠান সমূহ। বৰ্ত্তমান NSE হ'ল ভাৰতৰ সৰ্ববৃহৎ ষ্টক বিনিময় কেন্দ্ৰ। ইয়াৰ পাছতে BSE ৰ স্থান।

১৯৯১ চনত আৰম্ভ কৰা বিত্তীয় উদাৰীকৰণৰ ফলস্বৰূপে ভাৰতৰ ষ্টক বজাৰৰ ব্যাপক পৰিবৰ্ত্তন হোৱা দেখা যায়। এই উদাৰীকৰণ নীতিয়ে ষ্টক বজাৰত বিদেশী ব্যক্তিৰ অংশ ক্ৰয়ত অনুমতি দিয়ে। ১৯৯১ চনৰ পৰা ভাৰতৰ ষ্টক বজাৰৰ যথেষ্ট সম্প্ৰসাৰণ ঘটে। এই সম্প্ৰসাৰণ পৰিমাণ গত আৰু গুণগত উভয় দিশেতে লক্ষ্য কৰিব পাৰি। পৰিণামগত দিশেৰে লক্ষ্য কৰিলে দেখা যায় যে ষ্টকবজাৰৰ গুৰুত্বপূৰ্ণ সূচক যেনে বজাৰ মূলধনীকৰণ (Market Capitalisation), বাৰ্ষিক সুস্থ বিনিয়োগ (Gross annual turnover) তালিকাবদ্ধ কোম্পেনীৰ সংখ্যা (No. of listed

Companies), দৰ-উপাৰ্জন অনুপাত (P/E or Price - Earning Ratio) আদিৰ আশাপ্ৰদ আচৰণ আৰম্ভ হ'ব ধৰিছে। আনহাতে, গুণগত দিশেৰে ভাৰতৰ ষ্টক বজাৰৰ উৎকৰ্ষতা নিৰবিচ্ছিন্ন ব্যৱসায় (Online tradings), ঘূৰণ নিষ্পত্তি (Rolling Settlement) বৈদ্যুতিক অংশ (Electronic shares) আৰু বিদেশী আনুষ্ঠানিক বিনিয়োগ কৰ্ত্তাৰ (FIIs) বৰ্দ্ধিত অংশগ্ৰহণে প্ৰতিফলিত কৰিছে।

ষ্টক বজাৰৰ উন্নয়নৰ দিশেৰে বিচাৰ কৰিলে দেখা যায় যে বজাৰ মূলধনীকৰণ অনুপাত (Market Capitalisation Ratio) বা MR ১৯৯৯ - ২০০০ চনলৈকে ক্ৰমাগত বৃদ্ধি হৈছিল। ইয়াৰ পৰৱৰ্ত্তী কালত সামান্য হ্ৰাস হৈ পুনৰ লাহে লাহে বৃদ্ধি হ'ব ধৰিছে। MR হ'ল তালিকাবদ্ধ দেশীয় অংশসমূহৰ দেশীয় মুদ্ৰাত নিৰ্ণিত মূল্যক দেশখনৰ স্থূল জাতীয় উৎপাদন (GDP) ৰে হৰণ কৰি পোৱা মান। ইয়াৰ বিপৰীতে ষ্টক বজাৰৰ তাৰল্য বিনিয়োগ হাৰ (Stock Market Liquidity Turnover Rate) TR বা যথেষ্ট বৃদ্ধি হৈছে। TR হ'ল দেশীয় বজাৰত ব্যৱসায়ত থকাওৱা দেশীয় মূল্যৰ হৰণ কৰি পোৱা মান। ই দেশীয় মুদ্ৰাত দেশীয় অংশসমূহৰ ব্যৱসায়ৰ পৰিমাণ প্ৰকাশ কৰে। TR হ'ল ষ্টক বজাৰৰ তৰলতাৰ এক সূচক। ভাৰতৰ ষ্টক বজাৰৰ উন্নয়নৰ এই সূচক সমূহে সাধাৰণভাৱে যদিও উন্নত অৱস্থা প্ৰকাশ কৰিছে অথাপি ইয়াক নিশ্চিতভাৱে গ্ৰহণ কৰিব নোৱাৰি। কাৰণ দেশখনত সকলোবিলাক কোম্পেনীৰ অংশৰ ব্যৱসায়িক লেনদেন উন্নত হোৱা নাই। উদাহৰণ স্বৰূপে, Bombay Stock Exchange ত তালিকাবদ্ধ ৫,৬৫০ টা কোম্পেনীৰ কেৱল ৫০০ টা ডাঙৰ কোম্পেনীয়ে এই ষ্টক বিনিময় মুঠ বজাৰ সম্পাদনৰ (Market turnover) ৯৯ শতাংশ সৃষ্টি কৰিছে। একেদৰে প্ৰায় ৭০০০ তালিকাবদ্ধ অংশৰ প্ৰায় ৪০০০ ৰ ব্যৱসায়িক কাৰ্য্য শূন্য বা তৰলতাহীন। ১৯৯৯-২০০০ বৰ্ষত BSE ত অব্যৱসায়কৃত লিপি (Non-traded Scripts) আছিল ৫২.৯৪ শতাংশ। এই পৰিমাণ ২০০৪-০৫ বৰ্ষত ৬৫.৪৬ শতাংশলৈ বৃদ্ধি হয়। গতিকে, দেখা যায় যে মাত্ৰ সীমিত সংখ্যক তৰলতাপূৰ্ণ অংশৰ ক্ষেত্ৰতহে আৱণ্টনমূলক দক্ষতা প্ৰাপ্ত হৈছে। ইয়াৰ বিপৰীতে অধিকাংশ অংশপত্ৰত পুঁজিৰ অপব্যৱহাৰ হৈছে। আনহাতে অংশৰ প্ৰসাৰণৰ (Volatility) দিশেৰে লক্ষ্য কৰিলে এনে বজাৰত বিশেষ পৰিবৰ্ত্তন দেখা পোৱা নাযায়। ইয়াৰ বিপৰীতে বিনিয়োগকৰ্ত্তাৰ বাবে অধিক বিপদসংকুলতা আৰু অস্থিৰতাহে সৃষ্টি হৈছে। শ্বেয়াৰ দৰৰ অতিমাত্ৰা উত্থান-পতনে এই কথাকে প্ৰমাণিত কৰে। বাতৰি কাকত, দূৰদৰ্শন আদিত দৈনিক শ্বেয়াৰ দৰ প্ৰকাশ কৰা হয়। এই ক্ষেত্ৰত Sensex আৰু Nifty উল্লেখযোগ্য। Sensex হ'ল Bombay Stock Exchange ৰ দ্বাৰা দৈনিক প্ৰস্তুত কৰা শ্বেয়াৰ দৰৰ সূচক। আনহাতে Nifty বা S & P CNX Nifty হ'ল National Stock Exchange এ দৈনিক ভিত্তিত যুগুটোৱা আৰু প্ৰকাশ কৰা শ্বেয়াৰ দৰৰ সূচক। এই সূচক সমূহৰ সঘন উঠা নমাই শ্বেয়াৰ দৰৰ উত্থান - পতন প্ৰকাশ কৰে। এনে উত্থান - পতনে খুচুৰা বিনিয়োগকৰ্ত্তাক শ্বেয়াৰ বজাৰত প্ৰৱেশ কৰাত অনুৎসাহিত কৰে। XXX



*হাতত থকা সকলো ধন শ্বেয়াৰ বজাৰত একেবাৰতে খৰচ নকৰিব। হাত ধৰি বিনিয়োগ কৰক। শ্বেয়াৰ কিনক দাম কমিলে। শ্বেয়াৰ বিক্ৰী কৰক দাম বাঢ়ি গলে।*
*- ওৱাৰেন বাফেট*







Butterfly Park, Bangalore

# অনুভৱ ঃ এক যাত্ৰাত অনুভূত সুখ

✍ বাণী দেৱী
গ্ৰন্থাগাৰিকা, সোণাৰি মহাবিদ্যালয়

ভ্ৰমণ মানেই আমোদ প্ৰমোদ নে ? ভ্ৰমণত আনন্দ আছে সঁচা তথাপি কেতিয়াবা ভ্ৰমণত কষ্টৰ সন্মুখীন হ'ব লগাও হয়। কিন্তু ভ্ৰমণৰ যোগেদি নেদেখা বস্তু দেখা, নজনা কথা জনাৰ উপৰিও মানসিক ভাৱে অনাবিল সুখ অনুভৱ কৰা যায়। ভ্ৰমণ মানুহৰ জীৱনৰ এটা অপৰিহাৰ্য্য দিশ। ৰাজ্যৰ বাহিৰলৈ বা দেশৰ বাহিৰলৈ যাব পাৰিলেহে ভ্ৰমণৰ আচল সোৱাদ পোৱা যায় বুলি আমাৰ সৰ্বসাধাৰণ মানুহৰ এটা ধাৰণা নথকা নহয়। কিন্তু ঘৰৰ বাহিৰলৈ ওলাই গৈ ৰাজ্যৰ ভিতৰতে কৰা ভ্ৰমণেও মানুহৰ মনত সুখ বা আনন্দ দিব পাৰে। অৱশ্যে নেদেখা ঠাই, নেদেখা দেশলৈ যাবলৈ পালে নতুন পৰিবেশ, নতুন কথাই মানুহৰ জীৱনটোত প্ৰভাৱ পেলায়।

এইবাৰ শাৰদীয় বতৰত আমি দুয়ো আকৌ এবাৰ বাঙ্গালোৰলৈ যাবলৈ সুবিধা পালো। দুয়োটা ল'ৰা তাত থকাৰ

বাবে এইবাৰ আমাৰ বৰ ল'ৰাই বিমানৰ টিকেট পঠাই দিলে। মনটো সঁচাই ভাল লাগিছিল; বাঙ্গালোৰলৈ যাবলৈ পাম বাবেই নহয়, আচলতে ভাল লাগিছিল ল'ৰা দুটাৰ আগ্রহ দেখিহে। আমি তালৈ যোৱাৰ প্রতি দেখুৱা আগ্রহক আমি আন্তৰিকতাৰে সন্মান জনাই অক্টোবৰ মাহৰ ২৭ তাৰিখে গুৱাহাটীৰ পৰা ১০.৩০ বজাত ইন ডি গ' (Indigo) বিমান সেৱাৰ বিমানেৰে গৈ দিল্লী আন্তৰ্জাতিক বিমান বন্দৰত প্রায় ১.৩০ মিনিট যোৱাত নামিলোগৈ। তাৰ পৰা সন্ধ্যা ৬.০০ বজাত 'ছাহাৰা' বিমান সেৱাৰ বিমানেৰে হায়দৰাবাদ হৈ ৰাতি প্রায় ১০.৩০ বজাত বাঙ্গালোৰ পালোগৈ। ঘৰ পাওঁতে প্রায় ১১.৩০ বাজিছিল, সেইদিনা মোৰ স্বামীৰ জন্মদিন আছিল, গৈ পোৱাৰ পাছত সেই Complex ত থকা অসমৰ কেইবাটাও ল'ৰা আৰু পৰিয়াল আহি আমাৰ ঘৰত গোটখালেহি আৰু অলপ পাছতেই চাৰিওফালে মম জ্বলাই এটা সুন্দৰ কেক্ আনি টেবুল সজায় ক'লে — "খুড়া - খুড়ী আপোনালোক দুয়ো চুৰিখন ধৰি কেকটো কাটিব লাগিব। — কাৰণ ইয়াত একেটা মাহতে হোৱাৰ বাবে 'জন্মদিনৰ' লগতে 'বিবাহ বাৰ্ষিকী'ৰ নামও খুদিত আছে।" আমি দুয়ো কেক কাটিলো - এটা মৃদু হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হ'ল — সঁচাই, আমি আকৌ এবাৰ আনন্দত আপ্লুত হৈ পৰিলো। সেই মুহূৰ্ত্তত সঁচাই বৰ সুখ অনুভৱ কৰিছিলো - ভাব হৈছিল এনেবোৰ মুহূৰ্ত্তৰ মাজতেই যেন সুখৰ সংজ্ঞা লুকাই থাকে।

এইবাৰ যাত্রা পথত পোৱা সুখৰ কথা কব বিচাৰিছো। যেতিয়া আমি ৩১ হাজাৰ ফুট ওখত বিমানেৰে গৈ আছিলো তেতিয়া ভাৱিছিলো আজি ল'ৰাৰ জহতে এনে যাত্রাৰ আমোদ লব পাৰিছো, অৱশ্যে আমি আগতে ভাৰতৰ বিভিন্ন ঠাইলৈ ফুৰিবলৈ গৈছিলো, কিন্তু তেতিয়া বিমানেৰে যাত্রা কৰা কথা ভাৱিব পৰা নাছিলো, কাৰণ তেতিয়া এতিয়াৰ দৰে বিভিন্ন বিমান সেৱা নোহোৱাৰ বাবেই বিমানেৰে যাত্রা কৰাটো সকলোৰে বাবে সহজ নাছিল। যেতিয়া দিল্লীৰ পৰা সন্ধ্যা ৬.০০ বজাত পুনৰ বাৰ উৰা মাৰিছিলো তেতিয়া মই সেই যাত্রা বৰ উপভোগ কৰিছিলো, কাৰণ আগতে মোৰ নিশাৰ ভাগত বিমানেৰে যাত্রা কৰা অভিজ্ঞতা নাছিল। এইবাৰ যেতিয়া হায়দৰাবাদ মহানগৰীৰ ওপৰেৰে আমি গৈছিলো তেতিয়া এনে লাগিছিল ত'ৰা ভৰা আকাশখন যেন পৃথিৱীলৈ নামিহে আহিল, দিনৰ ভাগত বিমানৰ খিৰিকিৰে দেখা কমোৱা তুলাৰ নিছিনা শুকুলা ডাৱৰবোৰৰ সৌন্দৰ্য্যৰ এটা ৰূপ, অন্যহতে চিকিমিকি তৰা ভৰা আকাশ যেন লগা ধৰাখনিৰ সৌন্দৰ্য্য অন্য এটা ৰূপ। মহানগৰীৰ জ্বলি থকা লাইটবোৰ যেন একো একোটা জ্বলি থকা চিকিমিকি ত'ৰালৈহে ৰূপান্তৰিত হ'ল। সঁচাই এই যাত্রাত আমি দুয়ো বৰ সুখ অনুভৱ কৰিছিলো।

ভাৰতবৰ্ষৰ আন আন মহানগৰীৰ তুলনাত বাঙ্গালোৰৰ আয়তন হয়তো কম। এই মাহানগৰখনিৰ বাট পথ সুন্দৰ হোৱাৰ লগতে ইয়াৰ প্রায়বোৰ ৰাষ্টাই এক গতিপথৰ (One way), অন্যহাতে অনবৰতে মৃদু বতাহে আৱৰি থকা এই মহানগৰীখনত এটি সুন্দৰ সুবাস বিয়পি থকা যেন অনুভৱ হয়।

এই সুবাস ফুলৰ সবাস - বগা, হালধীয়া ফুলৰ মালাৰ দম ৰাষ্টাৰ কাষে কাষে দেখাৰ উপৰিও তিৰোতাসকলৰ চুলিত থোপা থোপা ফুলৰ মালাই শোভা পায়। গোন্ধটো যথেষ্ট উগ্র হোৱাৰ বাবেই হয়তো বতাহে গোটেই মহানগৰীখনতে ইয়াৰ সুবাস বিয়পাই দিয়ে। এইবাৰ 'নৱৰাত্রি' - আমি বাঙ্গালোৰত দেখিলো, আমাৰ দূৰ্গা পূজাৰ 'নৱমী' তিথি - সেইদিনা তাত আমাৰ বিশ্বকৰ্মা পূজাৰ দৰে - ৰাষ্টাৰ কাষে কাষে দম দম কলৰ পুলি ১ ফুট ওখৰ পৰা আৰম্ভ কৰি বিভিন্ন জোখৰ যাৰ যিমান ওখ পুলিৰ প্রয়োজন সিমান ওখ পুলি দিব পৰা ব্যৱস্থা দেখিলো। ট্রাক, দুচকীয়া বাহন আৰু অন্যান্য প্রায়বোৰ গাড়ীৰ আগত কলপুলি লগোৱা দেখিছিলো। অসমত মাংগলিক কামত যেনেকৈ কলপুলি ব্যৱহাৰ কৰা হয় তাতো একে ব্যৱস্থাই দেখিলো। অন্য এটা কথাটো আমাৰ পৰম্পৰাৰ লগত মিল থকা যেন লাগিল। অসমৰ শাক্ত সমাজৰ লোকসকলে বা পূজা সেৱা মনা লোকসকলৰ মাজত দূৰ্গা পূজাত, হাঁহ, পাৰ, বলি দিয়া বা উচ্ছৰ্গা কৰাৰ উপৰিও কোমোৰা বলি দিয়া বা উচ্ছৰ্গা কৰাৰ প্রথা আছে, ঠিক তেনেদৰে কৰ্ণাটকতো নৱৰাত্রিৰ দিনা কোমোৰাৰ এটা সৰু অংশ কাটি তাত সেন্দুৰ, হালধী, চাউলৰ গুৰি, ফুল আদি দি সেই কোমোৰাটো গাড়ীৰ ওপৰত, ঘৰৰ সন্মুখত, দোকানৰ আগত থোৱা দেখা পাইছিলো। আৰু ভাৱ হৈছিল আমাৰ পৰম্পৰাৰ লগত তেওঁলোকৰ কিবা কিছু মিল আছে। এইবোৰ দেখি শুনিও এক আনন্দ অনুভৱ কৰিছিলো য'ত বুজিব নোৱাৰা অনাবিল সুখ নিহিত আছিল। সুখৰ সংজ্ঞা কি মই নাজানো, ভগৱানৰ ওপৰত আস্থা স্থাপন কৰি যি সময়ত যিপোৱা যায় তাৰ মাজতে বিছাৰিলে সুখো পোৱা যায় বুলি মই ব্যক্তিগত ভাৱে অনুভৱ কৰো। মানুহে পাবলৈ আশা কৰাটোৱে পায়।

চিন্তা কৰাৰ ধৰণটোৰ দ্বাৰাই আমি নিৰাপত্তাবোধ বা নিৰাপত্তাহীনতাবোধ আমাৰ মনত সৃষ্টি কৰি লোৱাৰ দৰেই সুখ বা দুখৰো সৃষ্টি হয়। আশাবাদী চিন্তাই মানুহক সুখ দিয়ে। তাত থকা দিনকেইটাত মই বৰ সৰু সৰু কথাত সুখ অনুভৱ কৰিছিলো যেতিয়া হাজাৰ বিজাৰ ডেকা গাভৰু, ল'ৰা বুঢ়া, দেশী বিদেশী মানুহৰে পৰিপূৰ্ণ বাঙ্গালোৰৰ "ফোৰাম" নামৰ মাৰ্কেট কমপ্লেক্সটোও স্কেলেটৰৰ দ্বাৰা তল ওপৰ কৰি বিভিন্ন ধৰণৰ বস্তুবোৰ চাই





ফুৰিছিলো তেতিয়া ভালদেখা, ভাললগা, বহুবস্তু কিনাৰ সামৰ্থ নাছিল যদিও দুখ কৰা নাছিলো বৰং সুখ অনুভৱ কৰিছিলো এই ভাবি আমি যিখন সৰু চহৰৰ মানুহ তাৰ পৰা ওলাই এনেবোৰ ঠাই দেখা, ফুৰাৰ সৌভাগ্য হৈছে সেয়াই মোৰ বাবে অতি সুখৰ কথা। মনে মনে ভগৱানক অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। এই ফোৰামত সোমোৱাৰ আগতেই অলপ ভয় খাইছিলো তেতিয়া, যেতিয়া আমাৰ বৰ লৰাই ফোৰামৰ Car Parking Complex লৈ বুলি ফোৰামৰ কাষেৰে গাড়ীখন তললৈ সুমুৱাই নিছিল কিন্তু যেতিয়া আমি তললৈ সোমাই গৈছিলো তেতিয়া মাটিৰ তল মহলাত "Parking Full" দেখি গাড়ীখন পকাই পকাই ওপৰলৈ গৈ আছিল — সেইখন যেন এখন বেলেগ পৃথিৱী, গাইড্ আছে, চিকিউৰিটি আছে, ড্রাইভাৰৰ জিৰণি কোঠা আছে, প্রসাৱগাৰ - পায়খানা আছে — মুঠতে সকলো মহলাত সকলো সুবিধা থকা অন্য এটা কোণ। আমি সেইদিনা কোনো এটা মহলতে ঠাই নাপাই ন মহলাৰ ওপৰৰ টেৰেচত গাড়ী ৰখাব লগা হৈছিল। ওলাই আহোঁতে আকৌ সোমাৱা বাটেৰে ওলাব নোৱাৰি সুন্দৰ ব্যৱস্থাপনা থকা বাবেই ওলাই আহি নিজৰ গন্তব্য স্থানলৈ যোৱাটো সুচল আছিল। — তেনেদৰে মাটিৰ তললৈ গৈ পকাই কপাই ওপৰলৈ উঠি আহোঁতে যাওঁতে বৰ ফুৰ্ত্তি পাইছিলো এয়া যেন অন্য এক সুখৰ অনুভূতি।

এই মহানগৰীত শাক-পাছলি, মাছ-মাংসৰ দাম আমাৰবোৰ ঠাইৰ তুলনাত বহুত কম। বজাৰখনত সোমাই যেতিয়া আমি কম পইচাত শাক-পাছলি কিনিব পাৰিছিলো তেতিয়াও যেন অন্য এক সুখ অনুভৱ কৰিছিলো। মানুহে যেতিয়া মনত কোনো দুখচিন্তা নোলোৱাকৈ কোনো কামত আগবাঢ়ে তেতিয়াই মানুহৰ মনত সুখানুভূতি জাগৃত হয় বুলি মই ব্যক্তিগত ভাৱে ভাবো। সকলো মানুহৰে নিজৰ বেলেগ বেলেগ সমস্যা আছে আৰু থকাটোৱেই স্বাভাৱিক কিন্তু আমি যদি যিকোনো কথাকে সহজ ভাৱে লোৱাৰ দৃষ্টিভংগীটো আয়ত্ব কৰিব পাৰো তেতিয়া আমি নিশ্চয় সমস্যা জৰ্জ্জৰিত অৱস্থাৰ মাজেৰে সহজ ভাৱে পাৰহৈ আনন্দ, সুখ পোৱাৰ পথটোত উপনীত হ'ব পাৰিম। মুঠতে দুঃচিন্তা আতৰোৱাৰ অন্যতম সহজ পথটো হ'ল যিকোনো কথাকে সহজ ভাৱে লোৱাৰ দৃষ্টিভংগীটো। ভগৱানৰ ওপৰত বিশ্বাস ৰাখি তেৰাক একান্ত ভাৱে চিন্তা কৰি, জীৱনটো সহজভাৱে গ্রহণ কৰি আগবাঢ়ি যাব পাৰিলেই জীৱনত সুখ অনুভৱ কৰিব পাৰি বুলি মই এইবাবেই ভাবো যে এইবাৰৰ আমাৰ এই যাত্রা বৰ আকস্মিক তথা সমস্যাবহুল আছিল। কিন্তু সকলো ভগৱানৰ ইচ্ছা বুলি ভাৱি যোৱাৰ সিদ্ধান্ত লৈছিলো প্রায় ২২ দিন তাত থাকি যি সুখ, যি আনন্দ পালো, সেয়া ভগৱানৰ ইচ্ছা তথা কথাবোৰ বেছি চিন্তা নকৰি সহজ ভাৱে লব পৰাৰ বাবেই হয়তো মোৰ সেই দিনকেইটাৰ প্রতিটো মুহূৰ্ত্তৰ সুখানুভূতি সদায় মনৰ কোণত সজীৱ হৈ থাকিব। বিদেশ ভ্রমণ নহলেও এই ভ্রমণটো মই ব্যক্তিগত ভাৱে বৰ আনন্দ আৰু সুখ পালো, ভগবানৰ ইচ্ছা হ'লে এদিন নিশ্চয় বিদেশ ভ্রমণৰো সুযোগ আহিব — এয়া মোৰ 'আশাবাদী চিন্তা'ৰ প্রভাৱ। ■■■

**সুখৰ পথ** ঃ পুৱাই শুই উঠিয়েই বাচি ল'ব লাগে

(১) "আজিৰ দিনটো সুখৰ হ'ব"

(২) কথবোৰ ঠিকেঠাকে চলিছে, জীৱনটো বৰ ভাল, মই সুখী হ'বলৈ বিচাৰো"
— এনে কথাই সুখী কৰে।

# থাইলেণ্ড আৰু আহোম ভাষা

মৌচুমী গগৈ
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

আমাৰ পশ্চিমৰ দেশবোৰৰ যি ভৌগলিক জ্ঞান পূবৰ দেশবোৰৰ সম্পৰ্কে সেই জ্ঞান নাই। বিশেষকৈ ভাৰত তথা অসমৰ মানুহবোৰৰ একেবাৰেই কম জ্ঞান। অসমৰ ভূগোল আৰু বুৰঞ্জীত এই দেশবোৰৰ বিষয়ে পঢ়োৱা নহয় বুলিলেও ভুল নহব।

দক্ষিণ পূব এচিয়াৰ প্ৰধান দেশকেইখন হ'ল — বৰ্মাদেশ, থাইলেণ্ড, মালয়েচিয়া, উত্তৰ ভিয়েতনাম, দক্ষিণ ভিয়েতনাম, লাওচ, কেম্পেচিয়া, ফিলিপিনচ, চিংগাপুৰ। ইয়াৰ ভিতৰত লাওচ আৰু থাইলেণ্ডত তাই মানুহ অধিক। লাওচত ৬০ শতাংশ তাই মানুহ আৰু বাকীখিনি অন্যান্য মংগোলীয় জনগোষ্ঠী। দুই এজন ভাৰতীয় মানুহো চাকৰি কৰি তাত আছেগৈ। থাইলেণ্ডত ৯০ শতাংশ তাই মানুহ। বাকীখিনি মালয়ী, মালীয়ান, চীনদেশী, পাহাৰীয়া জনজাতি, মন আৰু খমেৰ, ভাৰতীয় আদি। ইয়াৰ ওপৰিও উক্ত বাকী কেইখন দেশতো অধিক সাংখ্যক তাই মানুহ আছে।

থাইলেণ্ডৰ তাই লোকসকলে বাহিৰৰপৰা যোৱা আহোমসকলক পিনং বুলি কয়। পিনং মানে গিয়াতি ভাই। খামতি, ফাকে, খাময়াং, আইতন তুৰুং সকলেও আহোমক পিনং বুলি কয়। আহোম সকলক সাধাৰণতে তাই আহোম বুলি জানে যদিও এচামে তাই য়াই বুলিহে জানে। য়াই মানে ডাঙৰ। থাইলেণ্ডৰ স্কুলবোৰত বিশ্বৰ তাইসকলৰ ভৌগলিক বাসস্থান, চমু বুৰঞ্জী আদি পঢ়িবলৈ দিয়া হয় বাবে প্ৰায় সকলোৱে আহোমৰ বিষয়ে জানে। তেওঁলোকৰ মতে আহোমবোৰ বহুদুৰ আঁতৰি গৈ হেৰাই গৈছে। সেয়ে তেওঁলোকে মনত দুখ প্ৰকাশ কৰে। গতিকে বাহিৰৰ পৰা যোৱা কোনো আহোমলোকক যদি তেওঁলোকে লগ পায়, তেওঁলোকে নথৈ আনন্দ পায় আৰু গিয়াতি ভাইৰ দৰে আদৰ - সাদৰ কৰে। তেওঁলোকে যেন মনত এক বিশাল আনন্দ উল্লাহ তথা শান্তিৰ এক উৎস বিচাৰি পাইছে।

**থাই লেণ্ড**

মাটিকালি
৫,১৪,০০০ বৰ্গ কিলোমিটাৰ
জনসংখ্যা (২০০২ চন)
৬,২৩,৫৪,৪০২
সাক্ষৰতাৰ হাৰ
৯৫.৩ শতাংশ
ৰাজধানী
বেংকক
মূখ্য ভাষা
থাই, ইংৰাজী
মুদ্রা
বাট (Baht)
মূখ্য ধৰ্ম
বৌদ্ধ, ইছলাম, খ্ৰীষ্টান

বহুলোকে কয় আহোম এটা পুৰণি ভাষা। এই ভাষাৰ শতকৰা ৯৫ ভাগেই থাইলেণ্ডত একেৰূপে চলি আছে। মাত্ৰ আধুনিক বিজ্ঞান তথা ধৰ্ম আৰু নতুন বিষয়বিলাকৰ শব্দবোৰৰহে পাৰ্থক্য আছে। এইটো হোৱা স্বাভাৱিক। উনৈশ শতিকাৰপৰা বিজ্ঞানৰ অগ্ৰগতি হোৱাৰ সময়ত থাইলেণ্ডত এইবোৰ শব্দৰ সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা থাকিল, অথচ অসমত সেই সময়ত অসমীয়া ভাষা চলাৰ লগে লগে তাই ভাষাত আধুনিক শব্দবোৰৰ সৃষ্টিৰ প্ৰয়োজনীয়তা নোহোৱা হ'ল। কিন্তু পুৰণি প্ৰাকৃতিক যিবোৰ তাই শব্দ আছে সেইবোৰ থাই ভাষাতে আছে। তাৰোপৰি আহোমৰ মাজত থকা বহু তাই শব্দ যদিও থাই ভাষাত ব্যৱহাৰ হোৱা নাই, চীন ভাষাত নতুবা চীনৰ তাই সকলৰ মাজত ব্যৱহাৰ হৈ আছে। উদাহৰণ স্বৰূপে তাই আহোম ভাষাত 'শ' বুজাবলৈ 'পাক' ব্যৱহাৰ কৰা হয়। থাইলেণ্ডত 'ৰয়' বা 'লয়' ব্যৱহাৰ কৰে। 'পাক' শব্দটো চীন ভাষাৰ আৰু চীনৰ তাই সকলে ইয়াক ব্যৱহাৰ কৰে। সংখ্যাবাচক বাকী সকলোবোৰ শব্দ একে। মাত্ৰ 'লেং' (এক) শব্দটো 'নেং' বুলি কোৱা হয়। আহোম ভাষাত 'ভাত খাঁও' টো 'কিন খাও' আৰু থাইতো 'কিন খাও' বুলিয়েই কয়। কিন্তু অসমীয়া ভাষাত যেনেকৈ ভাত খোৱা কথাটোকে প্ৰকাশ কৰিবলৈ আহাৰ গ্ৰহণ কৰো, চাউল মুঠি ধৰো, খাদ্য গ্ৰহণ কৰো কোৱা হয়, থাইলেণ্ডতো পালি ভাষাৰ প্ৰভাৱত খাম আহান্, ৰাপ প্ৰধান আহান আদি কোৱা হয়। হলেও অসমীয়াত ভাত খাঁও বুলি কোৱাৰ দৰে সৰ্বসাধাৰণতে কিন খাও বুলিহে কোৱা হয়। আহোম ভাষাৰ দৰে থাইলেণ্ডতো আইতা, ককাদেউতাক মে থাও, পু থাও বোলে। কিন্তু পালিৰ প্ৰভাৱৰ বাবে ৱিদা মাতা শব্দবোৰ ব্যৱহাৰ হব ধৰিছে। 'ৰ' আৰু 'ল' আখৰ দুটা ৰিভিন্ন তাই মানুহে বেলেগ বেলেগ ধৰণে ব্যৱহাৰ বা উচ্চাৰণ কৰিলেও মূল শব্দ একে। যেনে, 'কল' বুজাবলৈ আহোমে কয় 'ঞ্রিও', থাইলেণ্ডত কয় ক্লঞ্রিও। তেনেদৰে আহোমৰ 'পাত তু' (দুৱাৰ), থাই 'প্ৰাত তু' আহোমৰ পাং (আসন), থাই 'প্ৰাং' আদি 'ৰ' টো কোনোবাই 'ল' কয়, নতুবা দুয়োটাকে উহ্য ৰাখে।

আনকি দেখা গৈছে যে আধুনিক শব্দবোৰ বহু ক্ষেত্ৰত আহোমৰ লগত থকা শব্দৰেই গঠিত হৈছে। 'বিন' শব্দই আহোম আৰু থাই দুয়োটা ভাষাতেই 'এৰোপ্লেন' বুজায়, এনেবোৰ বহু কথা সম্পূৰ্ণ গৱেষণা কৰিলেহে মূল কথাবোৰত যে পাৰ্থক্য নাই বুজিব পাৰি।

থাইলেণ্ডত অৱশ্যে বিভিন্ন অঞ্চলত বেলেগ বেলেগ ধৰণৰ থাই উচ্চাৰণ দেখা যায়। বেংকক মান্য থাই অধিক পালি সংস্কৃত প্ৰভাৱযুক্ত। আহোম, খামতি, ফাকে, খাময়াং, আইতনৰ লগত বেছি মিল অছে উত্তৰ থাইলেণ্ড, লাওচ, বৰ্মাদেশৰ ছান প্ৰদেশ, উত্তৰ ভিয়েতনাম, য়ুন্নানৰ তাইসকলৰ তাই ভাষাবিলাকৰ। অৱশ্যে তাই ভাষাবোৰ ভালদৰে অধ্যয়ন কৰিলে দেখা যায় সকলোৰে মূল ভিত্তি আৰু গাঠনি একেই, ই পৰিৱৰ্ত্তন হোৱা নাই। মূল শব্দ, মূল ব্যকৰণ পদ্ধতি, বানান পদ্ধতি একেই আছে। বিভিন্ন ঠাইত তাই লিপিবোৰ ভিন্ন যেন লাগিলেও মূলতে একেই। সকলোবিলাক লিপিয়েই একে উৎসৰ পৰা অহা। সেয়ে ভৌগলিক দূৰত্বতা আৰু সময়ৰ পৰিৱৰ্তনৰ লগে লগে লিপিয়ে ভিন্ন আকৃতি ধাৰণ কৰিলেও মূল সুত্ৰবোৰ বা মূল আকৃতিবোৰ পৰিৱৰ্তন হোৱা নাই। মূল তাই শব্দবোৰ ব্যৱহাৰ কৰি কথা পাতিলে বিশ্বৰ সকলো তাই মানুহে বুজি পায়। 'কিন খাও' (ভাত খাও), 'কিন মান' (পানী খাও), 'আও ফা মা' (কাপোৰ আনা), 'য়ু তি নাই' (ইয়াত আছে) আদি শব্দৰে কলে সকলোৱে বুজিব পাৰে। অমাৰ অসমত সাধাৰণতে ভবাৰ দৰে আহোম ভাষা এটা বোলেগ ভাষা বুলি ভবাৰ স্থল নাই। পৃথিৱীত তাই ভাষা এটাই। সকলোৰে একেই সূত্ৰ, একেই গঠন। কিন্তু ইয়াৰ কিছু পৰিৱৰ্তন সংযোজন আদিহে ঘটিছে। অৱশ্যে পুথিৰ ভাষাৰ প্ৰাচীন ৰীতি এইখিনি সকলোতেই দেখা যায়। ■■■

## মহৎ লোকৰ বাণী

সংগ্ৰাহক ঃ শ্ৰীপ্ৰণৱ গগৈ

১। মানুহ কেৱল পঢ়ি শুনিয়েই জ্ঞানী হোৱা বুলি নকয়। তুমি জনা কথা যথাযথভাৱে প্ৰয়োগ কৰিব পৰাজনহে ভাল জ্ঞানী হব পাৰে।
— লেনিন।

২। তুমি অবাবতে যি কোনো বস্তু কিনিচা কিনা, কিন্তু পৰাপক্ষত সপ্তাহত বা মাহেকত হ'লেও এখন ভাল কিতাপ কিনিবা।
— যতীন্দ্ৰনাথ দুৱৰা।

৩। মানুহক সাজ-পোচাকে ভদ্ৰ কৰি তুলিব নোৱাৰে। সৎ চিন্তা আৰু সৎ শিক্ষাৰ দ্বাৰাহে এজন প্ৰকৃত ভদ্ৰলোক হব পাৰি।
— মহাত্মা গান্ধী।

# জ্যোতিপ্ৰসাদৰ প্ৰগতিবাদী চিন্তা

✍ তচলিমা বৰা
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ



জ্যোতিপ্ৰসাদৰ জীৱনত শিল্পী আৰু বিপ্লৱৰ ধাৰণাক বেলেগে বেলেগে চাব নোৱাৰি। তেওঁ দিয়া শিল্পৰ সংজ্ঞাত গোটেই পৃথিৱীখিনেই শিল্পীৰ ঘৰ, শিল্পীৰ কাৰখানা আৰু সাংস্কৃতিক সম্পদৰ প্ৰদৰ্শনী।

জ্যোতিপ্ৰসাদে এই সপোন দিঠকত পৰিণত কৰি সুন্দৰ সমাজ গঢ়াৰ সপোন গঢ়িছিল। জ্যোতিপ্ৰসাদে কৈছিল — সংগ্ৰাম শিল্পীৰ নিজস্ব ধৰ্ম নহয়। সেইবুলি শিল্পক তেওঁ সংগ্ৰামৰ পৰা দূৰৈত ৰাখিব বিচৰা নাছিল। জীৱনক কালজয়ী ৰূপ দিবলৈ যাওঁতে দুষ্কৃতিৰ যুঁজ আছেই। তাৰবাবে বীৰত্ব লাগিব, কিন্তু মানুহৰ পূৰ্ণ জীৱন শিল্পীৰ ৰূপতহে ওলাব। তেওঁ শিল্পীক বিচাৰিছে জীৱনৰ ৰণক্ষেত্ৰৰ সোঁমাজত। বাস্তৱ জীৱনৰ সমস্যা আৰু সংগ্ৰামৰ পৰা পলাই ফুৰা শিল্পীক তেওঁ ঘৃণা কৰিছিল।

জ্যোতিপ্ৰসাদ আছিল সঁচা স্বাধীন শিল্পী। তেওঁ নিজকে সুন্দৰৰ পূজাৰী বুলি ভাৱিছিল। তেওঁ ভাৱিছিল সংস্কৃতিয়ে শিল্পীক লালন-পালন কৰে। জীৱনত উম দিয়ে আৰু প্ৰাণত ধাৰণ কৰে কেৱল জনতাই। দুখ-বেদনা সহ্য কৰাৰ পাছতো জনতাই শিল্প-সংস্কৃতি নেৰে। প্ৰকৃত শিল্প সংস্কৃতি শাসক শ্ৰেণীৰ মনোৰঞ্জন নহৈ জনতাৰ প্ৰাণৰ ভাষা হোৱা উচিত। তেওঁ শিল্পৰ ৰাজনৈতিক নিৰপেক্ষতাত বিশ্বাস কৰে। তেওঁৰ বাবে শিল্পী আছিল শাসক শ্ৰেণীৰ ৰাজনৈতিক আৰু ভাৱাদৰ্শগত চক্ৰান্তৰ পৰা জনগণক ৰক্ষা কৰাৰ কবচ। জ্যোতিপ্ৰসাদে ভাৰতৰ স্বাধীনতাৰ হকে কোটি কোটি মেহনতী জনতাৰ মুক্তিৰ হকে সাহিত্য সংস্কৃতিক এক নতুন ঠাঁচত গঢ় দিব বিচাৰিছিল। তেওঁ নিজ দেশৰ বায়ুপানীক ভাল পাইছিল। এইখন আপোন অসম দেশৰ নদ-নদী পাৰ হৈ গিৰি শৃংগ বগাই জ্ঞানৰ মাণিক মুকুতা অঞ্জলি ভৰাই স্বদেশক শ্যামলী কৰি তুলিবৰ বাবেই অহোৰাত্ৰি জাগিছিল আৰু তেওঁৰ কণ্ঠেৰে নিৰ্গত হৈছিল — মই নানা দেশ / সাতো মহাদেশ / সাতবাৰ ঘূৰি ফুৰি জ্ঞানৰ মাণিক - মুকুতা আনিম অঞ্জলি ভৰি ভৰি।

জ্যোতিপ্ৰসাদৰ ৰচনাত আমি যেনেকৈ তেখেতৰ অতুলনীয় দেশ প্ৰেম আৰু জাতি প্ৰেম দেখা পাওঁ ঠিক তেনেকৈ দেখা পাওঁ তেখেতৰ বিশ্বজনীন প্ৰগতিবাদী চিন্তাধাৰা। তেওঁ যুঁজিছিল শোষণহীন এখন সুন্দৰ সমাজ গঢ়িবলৈ, ধ্বংসস্তুপতেই নতুন সমাজৰ অট্টালিকা সাজিব বিচাৰিছিল। প্ৰচণ্ড ধুমুহাৰ মাজেৰেই সমাজ পৰিৱৰ্ত্তন হয়। জ্যোতিপ্ৰসাদে এই ধুমুহাকেই গীতেৰে আহ্বান জনাইছিল —

*অগ্নি বৃষ্টি আহিব লাগিছে*
*গৰজে বৃষ্টি আহিব লাগিছে*
*গৰজে বজ্ৰপাতে*
*শিলা বৃষ্টি ভূমিকম্প হ'ব*
*সহস্ৰ উল্কাপাতে।*

■■■





# কম্পিউটাৰ শিক্ষাৰ প্ৰয়োজনীয়তা

✍ মমী গগৈ
স্নাতক ১ম বৰ্ষ, ৰাজনীতি বিজ্ঞান

যুগৰ আহ্বানক কোনেও উপেক্ষা কৰিব নোৱাৰে। যুগে যুগে হোৱা অগ্ৰগতিয়ে পৃথিৱীখনক সলনি কৰি তুলিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আকাশলংঘা প্ৰগতিৰ ফলত বিশ্ববাসীয়ে অমূল্য অৱদান পাই আহিছে। একৈশ শতিকাৰ তেনে এটি চমকপ্ৰদ অৱদান হৈছে "কম্পিউটাৰ" যি নেকি মানৱ সভ্যতাৰ ৰূপেই সলাই দিলে।

বৰ্ত্তমান যুগটো হৈছে কম্পিউটাৰৰ যুগ। এই হেন যুগটোত কম্পিউটাৰ শব্দটো সকলোৰে পৰিচিত। কম্পিউটাৰৰ লগত সমাজৰ সকলো লোকেই প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে হ'লেও জড়িত হৈ পৰিছে। আধুনিকতাৰ লগত সঙ্গতি ৰাখি কম্পিউটাৰ হৈ পৰিছে সকলোৰে জীৱন যাত্ৰাৰ অপৰিহাৰ্য্য অংগ। কিন্তু অলপ দিনৰ আগতে ই আছিল মানুহৰ জীৱন যাত্ৰাৰ ভাৱনাৰ বাহিৰত।



কম্পিউটাৰ ব্যৱহাৰৰ ক্ষেত্ৰখন চাবলৈ গ'লে ইযে মানৱ জীৱনক অধিক সহজ, আৰামদায়ক আৰু আনন্দময় কৰি তুলিছে তাক নুই কৰিব নোৱাৰি। কম্পিউটাৰে মানুহৰ একো অসাধ্য সাধন কৰিব নোৱাৰে সঁচা কিন্তু ই মানুহৰ মানসিক শ্ৰম লাঘব কৰে। বহুসময় লগা মানুহৰ কামবোৰক অতি কম সময়তে দ্ৰুত গতিৰে ই নিভুৰ্লভাৱে কৰিব পাৰে। স্কুল - কলেজৰ উপৰিও চিকিৎসালয়, বেংক, অফিচ, উদ্যোগ, বিমানবন্দৰ, ডাকঘৰ, ফিল্ম এডিটিং আদিত কম্পিউটাৰৰ ব্যৱহাৰে যুগান্তৰৰ সূচনা কৰিছে। তাৰোপৰি মহাকাশ গৱেষণাতো বৰ্ত্তমান কম্পিউটাৰ ব্যৱহাৰ অপৰিহাৰ্য্য।

বৰ্ত্তমান কম্পিউটাৰে যোগাযোগৰ যি ব্যপক ব্যৱস্থা কৰিছে সেয়া হৈছে ইণ্টাৰনেট ব্যৱস্থা। যি ব্যৱস্থাৰ ফলত বিশ্বৰ মানৱে ঘৰতে বহি ইণ্টাৰনেট বন্ধু-বান্ধৱীৰ লগত কথা বতৰা পতা, চিঠি আদান-প্ৰদান, কোনো ব্যৱসায়ীক তথ্য, আলোচনা, পাঠদানৰ ব্যৱস্থা আদি সংগ্ৰহ কৰিব পাৰে। মুঠতে কম্পিউটাৰ ব্যৱস্থাক এক নিৰ্দিষ্ট সীমাৰ ভিতৰত বান্ধি ৰাখিব নোৱাৰি।

অধিক সংখ্যক লৰা-ছোৱালীয়ে কলেজত পঢ়ি থকা কালত নতুবা পঢ়া সাং কৰি কম্পিউটাৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানত ভিৰ কৰে। উদ্দেশ্য ভৱিষ্যতে নিজৰ উপাৰ্জনৰ পথটো মুকলি কৰা। তাৰোপৰি স্কুল কলেজৰ শিক্ষকতা, অফিচৰ চাকৰি নতুবা ব্যৱসায়িক প্ৰতিষ্ঠানৰ কৰ্মী হিচাপে বৰ্ত্তমান কম্পিউটাৰ শিক্ষা থকাটো অতি প্ৰয়োজন। সেয়ে তেনে উদ্দেশ্য আগত ৰাখিয়েই স্কুল পৰ্য্যায়ৰ পৰা কম্পিউটাৰ শিক্ষাৰ প্ৰৱৰ্ত্তন কৰাৰ ব্যৱস্থা লোৱা হৈছে।

ভৱিষ্যতে কম্পিউটাৰ শিক্ষাৰ প্ৰয়োজনীয়তা ইমানেই বেছি হব যে আমি ইয়াক এৰাই তিলমানো চলিব নোৱাৰিম। গতিকে কম্পিউটাৰ শিক্ষা গ্ৰহণ কৰাটো অতিকে প্ৰয়োজন যাতে আমি প্ৰত্যেকেই "কম্পিউটাৰ সৰ্বস্ব" সময়খিনিৰ বাবে সাজু হৈ থাকিব পাৰো ০০-০০

# বিজ্ঞানৰ নোবেল বঁটাৰ কিছু কথা আৰু ২০০৬ চনৰ বিজ্ঞানৰ নোবেল।



আলফ্রেড নোবেল

ৰনৌজ কুমাৰ গগৈ
২য় বৰ্ষ, বিজ্ঞান শাখা

বিজ্ঞান হ'ল পৰীক্ষাভিত্তিক আৰু প্ৰণালীবদ্ধ বিশ্লেষণ। বৰ্তমান যুগ প্ৰযুক্তি বিদ্যাৰ যুগ। মানুহৰ অনুসন্ধিৎসু মনে সময়ৰ জখলাত নতুনত্ব কঢ়িয়াই অনাত সদাব্যস্ত। প্ৰাণীৰ ভিতৰত কেৱল মানুহে বিশ্বব্ৰহ্মাণ্ডৰ ৰহস্য উদ্‌ঘাটন কৰিছে। পৃথিৱী সদৃশ গ্ৰহত মানুহ বা মানুহতকৈ বুদ্ধিমান প্ৰাণীৰ সন্ধানতো পৃথিৱীৰ বিজ্ঞানীয়ে অনুসন্ধান চলাইছে যদিও এতিয়াও সফল হোৱা নাই। মানুহৰ মনত বিজ্ঞানৰ ন-ন আৱিষ্কাৰৰ কথা দৃঢ় হৈ পৰিছে।

নোবেল বঁটাৰ জন্মদাতা আলফ্রেড বাৰ্ণাড নোবেল। আলফ্রেড নোবেল চুইডেনৰ নাগৰিক, এজন ৰাসায়নবিদ, উদ্যোগপতি আৰু ডিনামাইটৰ আৱিষ্কাৰক। নোবেলে আৱিষ্কাৰ কৰা ডিনামাইট সিংহাত্মক কাৰ্য্য-কলাপত ব্যৱহাৰ হোৱা দেখি ভয় খাইছিল। সেয়ে তেওঁ জনকল্যাণমূলক কামত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা ব্যক্তি তথা প্ৰতিষ্ঠানক সন্মান যঁচাৰ লগতে তেওঁলোকৰ কামত উদ্‌গনি জনোৱাৰ উদ্দেশ্যে জীৱনৰ শেষ ইচ্ছাপত্ৰখনত নোবেল বঁটা প্ৰদানৰ ইচ্ছা প্ৰকাশ কৰে। নোবেলে তেওঁৰ জীৱনকালত কেইবা খনো ইচ্ছাপত্ৰ লিখে। মৃত্যুৰ প্ৰায় এবছৰ পূৰ্বে অৰ্থাৎ ১৮৯৫ চনৰ ২৭ নৱেম্বৰত নোবেলে তেওঁৰ জীৱনৰ শেষ ইচ্ছাপত্ৰ লিখে আৰু একেদিনাই পেৰিচৰ ছুডিছ নৰৱেজিয়ান ক্লাবত ইচ্ছাপত্ৰখনত তেওঁ চহী কৰে। নোবেলে তেওঁৰ সম্পত্তিৰ ৯.৪ শতাংশ এই বঁটাৰ প্ৰচলনৰ বাবে দান কৰে। ১৯০১ চনৰ পৰা নোবেল বঁটা আগবঢ়াই অহা হৈছে।



জৰ্জ এফ. স্মুট

প্ৰতিটো নোবেল বঁটাত এটাকৈ সোণৰ পদক, এখন ডিপ্লমা আৰু প্ৰচুৰ ধন ১.২ নিযুত ডলাৰ (ভাৰতীয় মূল্যত ৬ কোটি টকা) দিয়া হয়। কোনো বিষয়ত এজনতকৈ অধিক বিজয়ী থাকিলে পুৰস্কাৰৰ ধন সমবিতৰণ কৰা হয়। প্ৰতি বছৰে আলফ্রেড নোবেলৰ মৃত্যু দিনত অৰ্থাৎ ১০ ডিচেম্বৰত নোবেল বঁটা প্ৰদান কৰা হয়। সেইদিনা ষ্টকহ'ম কনচাৰ্ট হলত ছুইডেনৰ ৰজাই পদাৰ্থ বিজ্ঞান, ৰসায়নবিজ্ঞান, চিকিৎসা বিজ্ঞান আৰু সাহিত্যৰ নোবেল বঁটা প্ৰদান কৰে। উল্লেখ্য যে ১০ ডিচেম্বৰ দিনাই অচলতে শান্তিৰ নোবেল বঁটাটো নৰৱেৰ ৰজাৰ উপস্থিতিত নৰৱেজিয়ান নোবেল কমিটিৰ অধ্যক্ষই প্ৰদান কৰে। চলিত বছৰৰ নোবেল বঁটা বিজয়ীসকলক ধৰি এতিয়ালৈকে ৭৬৬ জন ব্যক্তি আৰু ১৯ টা অনুষ্ঠানক নোবেল বঁটা দিয়া হৈছে। ইয়াৰ ভিতৰত ৩৩ গৰাকী মহিলাও আছে।



জন ছি. মেথাৰ





নোবেল বঁটা পাঁচটা বিষয়ত প্ৰদান কৰা হয়। সেই কেইটা হৈছে (ক) পদাৰ্থ বিজ্ঞান (খ) ৰাসায়ন বিজ্ঞান (গ) চিকিৎসা বিজ্ঞান (ঘ) সাহিত্য (ঙ) শান্তি।

প্ৰণিধানযোগ্য যে আলফ্রেড নোবেলৰ ইচ্ছাপত্ৰত উল্লেখ নথকা আন এটা বঁটাও ১৯৬৯ চনৰ পৰা প্ৰদান কৰি অহা হৈছে। সেইটো হৈছে — আলফ্রেড নোবেলৰ স্মৃতিত 'বেংক অৱ ছুইডেন' এ আগবঢ়োৱা অৰ্থনীতি বিজ্ঞানৰ বঁটা, যিটোক প্ৰায়ে অৰ্থনীতিৰ নোবেল বঁটা বুলি কোৱা হয়। আলফ্রেড নোবেলৰ ইচ্ছাপত্ৰ অনুসৰি পদাৰ্থ বিজ্ঞান আৰু ৰাসায়ন বিজ্ঞানৰ নোবেল বঁটা বিজয়ীক নিৰ্বাচনৰ বাবে 'ৰয়েল ছুইডিছ একাডেমী অৱ ছায়েন্সক' কতৃত্ব দিয়া হৈছে। ইপিনে ষ্টকহ'মস্থিত ছুইডিছ একাডেমীক সাহিত্যৰ নোবেল বঁটা বিজয়ীক নিৰ্বাচনৰ দায়িত্ব দিয়া হৈছে। চিকিৎসা বিজ্ঞানৰ নোবেল বঁটা বিজয়ীক অ'চলোৰ কেৰ'লিনা ইনষ্টিটিউট আৰু শান্তিৰ নোবেল বঁটা বিজয়ীক নৰৱেজিয়ান নোবেল কমিটিয়ে নিৰ্বাচন কৰে। আনহাতে 'ৰয়েল ছুইডিছ একাডেমী অৱ ছায়েন্সক' অৰ্থনীতিৰ নোবেল বঁটা বিজয়ীক নিৰ্বাচনৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

প্ৰতি বছৰে বিশ্বৰ বিভিন্ন দেশৰ বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক, বিজ্ঞানী, পূৰ্বৰ নোবেল বঁটা বিজয়ী, সংসদ সদস্য আৰু অন্যান্যক নোবেল বঁটাৰ বাবে প্ৰাৰ্থী মনোনীত কৰাৰ বাবে নোবেল কমিটীবোৰে ব্যক্তিগত ভাৱে আমন্ত্ৰণ জনায়। প্ৰতি বছৰৰ অক্টোবৰ মাহত বঁটা বিজয়ীসকলৰ নাম ঘোষণা কৰা হয়।

২০০৬ চনৰ বিজ্ঞানৰ কেউটা নোবেল বঁটা আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিজ্ঞানীয়ে পাবলৈ সক্ষম হৈছিল। পদাৰ্থ বিজ্ঞানৰ নোবেল বঁটা যুটীয়াভাৱে লাভ কৰিছে মেৰিলেণ্ড প্ৰদেশৰ নাছা গাৰ্ডাড উৰণ মহাকাশ কেন্দ্ৰৰ জ্যোতিবিজ্ঞানী জন চি মেথাৰ (John C Mather) আৰু কেৰ্লিফৰ্ণিয়াৰ বাক্‌লেণ্ড কেৰ্লিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ জ্যোতিবিজ্ঞানী জৰ্জ স্মুটে (George Smoot) মহাজাগতিক সূক্ষ্ম তৰংগৰ অৱশিষ্ট কৃষ্ণকায় বিকিৰণ আৰু অসমদৈশী আৱিষ্কাৰৰ বাবে বিজ্ঞানীদ্বয়ে নোবেল বঁটা লাভ কৰিছে। ৰসায়ন বিজ্ঞানত নোবেল বঁটা লাভ কৰিছে ষ্টনফৰ্ড বিশ্ববিদ্যালয়ৰ জীৱবিজ্ঞানী ৰজাৰ ডি্ কৰ্ণবাৰ্গে। ইউকেৰিয়টিক (সংকোষকেন্দ্ৰীয়) জীৱকোষত ঘটা লিপ্যান্তৰ বা transcription ৰ আণৱিক ভেটি আৱিষ্কাৰৰ বাবে বিজ্ঞানীজনে নোবেল বঁটা লাভ কৰিছে। জীৱকোষত জিন বংশগতিৰ বাহক। জিনত থকা DNA এই অনুৰূপ DNA প্ৰস্তুত কৰি বংশগতিৰ ধাৰা অটুট ৰাখে। DNA ৰ পৰা DNA প্ৰস্তুত হোৱা প্ৰক্ৰিয়াৰ প্ৰয়োজন হোৱা এনযাইমক DNA পলিমেৰেজ বোলে, RNA পলিমেৰেজৰ ত্ৰিমাত্ৰিক স্ফটিক গঠন নিৰূপণৰ বাবেই এইবাৰ ৰসায়ন বিজ্ঞানত নোবেল বঁটা দিয়া হৈছে। ৰ'ডাৰ ডি কনবাৰ্গে স্ফটিক গঠন নিৰূপণ কৰি RNA পলিমেৰেজৰ পৰিকলন যন্ত্ৰৰ সহায়ত, নিখুঁত ত্ৰিমাত্ৰিক গঠন আৰু তাত সংযুক্ত হোৱা প্ৰক্ৰিয়া নিৰ্দিষ্ট স্থানত দেখুৱাইছিল।



ৰ'জাৰ ডি. কাৰ্নবাৰ্গ

চিকিৎসা বিজ্ঞানৰ নোবেল বঁটা লাভ কৰিছে ষ্টনফ'ৰ্ড বিশ্ববিদ্যালয় স্কুল অৱ মেডিচিনৰ এণ্ড্ৰ ফায়াৰ (Andro Fire) আৰু মাছাছুছেটছ বিশ্ববিদ্যালয় মেডিকেল স্কুলৰ ক্ৰেইগ মেলক (Crag Maloc)। তেওঁলোকে RNA প্ৰতিৰোধৰ বাবে নোবেল বঁটা লবলৈ সক্ষম হৈছিল। RNA প্ৰতিৰোধৰ ফলত জিনৰ ক্ৰমবিকাশ বাধাপ্ৰাপ্ত হয়। RNA প্ৰতিৰোধৰ সম্পৰ্কত কৰা গৱেষণাই চিকিৎসা বিজ্ঞানত কেন্সাৰ, হৃদযন্ত্ৰৰ বিজুতি আৰু শাৰীৰিক বিজুতিৰ চিকিৎসাত প্ৰভূত বৰঙণি যোগাব। ভাইৰাছবিলাক জীৱৰ সংস্পৰ্শলৈ নাহিলে জড় পদাৰ্থৰ দৰে আচৰণ কৰে। কিন্তু জীৱৰ সংস্পৰ্শত ইহঁত সজীৱ হৈ নিজৰ অনুৰূপ ভাইৰাছৰ সংখ্যা বৃদ্ধি কৰে। এইদৰে ভাইৰাছৰ বৃদ্ধি হোৱাৰ পৰা নানা ভাইৰাছ আক্ৰান্ত ৰোগ হয়। RNA প্ৰতিৰোধ ব্যৱস্থাই ভাইৰাছ আক্ৰান্ত ৰোগ প্ৰতিৰোধ কৰিলে ভাইৰাছ নিৰ্মূল হয়। ■■■

# নৱপ্ৰজন্ম আৰু শিক্ষা ব্যৱস্থা

✍ জয়শ্ৰী বড়া
স্নাতক তৃতীয় বাৰ্ষিক (কলা শাখা)

*"Man knows himself only in as much as he knows the world ; he knows the world only within himself and he is aware of himself only within the world. Each new object truely recognized, opens up a new organ within ourselves"*
– Goethe.

শিক্ষাৰ লক্ষ্য, উদ্দেশ্য আৰু ফলপ্ৰসূ আঁচনি সম্পৰ্কে শিক্ষাবিদ, সমাজ চিন্তাবিদ আৰু ৰাজনীতিজ্ঞৰ অন্তহীন আলোচনা - সমালোচনা আৰু যুক্তি স্বত্তেও আধুনিক উপযুক্ত শিক্ষা ব্যৱস্থা কেনে হ'ব তাৰ শেষ সিদ্ধান্ত হোৱা নাই। ই অত্যন্ত স্বাভাৱিক, কাৰণ দেশ আৰু সমাজৰ পৰিৱৰ্তনৰ লগে লগে শিক্ষা ব্যৱস্থাৰো পৰিৱৰ্তন আৱশ্যম্ভাৱী। সময়ৰ দাবী অনুসৰি শিক্ষা ব্যৱস্থা পৰিৱৰ্তন কৰি ল'ব লগা হয়। তথাপি শিক্ষা বুলি ক'লে আৰু শিক্ষাৰ লক্ষ্য বুলি ক'লে কিছুমান মৌলিক প্ৰশ্নৰ উত্তৰ দিব লগা হয়। বিশেষকৈ বৰ্তমান ভাৰতবৰ্ষৰ উঠি অহা প্ৰজন্মৰ ভৱিষ্যতৰ কথা চিন্তা কৰিলে শিক্ষা সম্পৰ্কত গভীৰ বিশ্লেষণ, অনুসন্ধান আৰু আত্মসমালোচনাৰ প্ৰয়োজন আছে।

বৰ্তমান ভাৰতৰ প্ৰচলিত শিক্ষা ব্যৱস্থালৈ চকু দিলেই এই কথাষাৰ স্পষ্ট হৈ পৰে। এফালে স্বাধীনোত্তৰ কালছোৱাত সকলোৰে বাবে শিক্ষা সুদূৰ প্ৰসাৰী হৈয়ে আছে। আনফালে নৱপ্ৰজন্মক আধুনিক শিক্ষাই দেশ আৰু জাতিৰ আকাংক্ষাক বাস্তৱ ৰূপ দিবলৈ সমৰ্থ হোৱা নাই। প্ৰকৃততে সাংক্ষাগৰিষ্ঠ লোকৰ আশা আকাংক্ষাক প্ৰচলিত শিক্ষাই পূৰণ কৰিবলৈ সমৰ্থ হেৱা নাই। ইয়াৰ মূলতে হ'ল সংখ্যা গৰিষ্ঠ লোক অনাখৰি আৰু পশ্চাৎ চিন্তাই জীৱনৰ প্ৰকৃত স্বৰূপ বুজাত অপাৰগ হৈ আছে। কাৰণ প্ৰচলিত যি ধ্যান - ধাৰণাই সমাজক গ্ৰাস কৰি আছে তেনে চিন্তাধাৰাৰ পৰা শিক্ষা সম্পৰ্কে কাৰ্য্যকৰী আৰু নতুন দিশ উন্মোচন হ'ব নোৱাৰে।

কথাষাৰ স্পষ্টকৈ ক'বলৈ হ'লে সমাজৰ এমুঠিমান লোকে জীৱনৰ লক্ষ্য যি বুলি ভাৱে আৰু যি কৰে তাকে সকলোৰে বাবে গ্ৰহণযোগ্য বুলি চলাই থকা হৈছে। উদাহৰণ স্বৰূপে উচ্চ আৰু মধ্যবিত্ত শ্ৰেণীৰ ধ্যান-ধাৰণাৰ মতে তেওঁলোকৰ সন্তান সন্ততি ভৱিষ্যৎ জীৱনত সফল হোৱাৰ অৰ্থই হ'ল আৰ্থিকভাৱে স্বচ্ছল হোৱা। তাৰবাবে যিকোনো উপায়েৰে ধন ঘটিব পাৰিলেই হ'ল নাইবা উচ্চ পদস্থ চৰকাৰী চাকৰি নাইবা কোনো কোম্পানীত উচ্চ পদস্থ বিষয়া হ'ব পৰাটোৱেই জীৱনৰ আদৰ্শ বুলি ভৱা হয়। এনে দৃষ্টিভংগী ইমান দূৰলৈ গৈছে যে, খেলা-ধূলা, শিল্প-সংস্কৃতি সকলোতে কৃতৃত্ব লাভৰ চূড়ান্ত লক্ষ্য হ'ল পাৰ্থিৱ সম্পদ লাভ। নয়া অৰ্থনীতি প্ৰৱৰ্তনৰ পিছত এনে চিন্তাই সমাজৰ সকলো অংশকে কম বেছি চুই যোৱা দেখা গৈছে। সামাজিক চিন্তাৰ সলনি ব্যক্তিগত উন্নতি, নিৰ্মম প্ৰতিযোগিতা আৰু ব্যক্তিৰ স্বতন্ত্ৰ বিকাশ শিক্ষাৰ মূলমন্ত্ৰ হৈ পৰিছে। ফলত নৱ প্ৰজন্মই তেনে চিন্তাৰে নিজকে প্ৰস্তুত কৰিব লগা হৈছে। কিন্তু যিখন দেশত আৰ্থিকভাৱে শতকৰা ৮০ জনৰে অৱস্থা সূচনীয়, যিখন দেশত সংখ্যালঘু দলিত আৰু অসংখ্য পিছপৰা শ্ৰেণী ঐতিহাসিকভাৱে নিপীড়িত সেইখন দেশত সুস্থ প্ৰতিযোগিতা সম্ভৱ জানো? ফলত এমুঠিমান যুৱক - যুৱতীৰ বাহিৰে সৰহভাগে সমাজত থাকিও সমাজৰ পৰা বিচ্ছিন্ন হৈ গৈছে। পৰাজিত এনে যুৱক - যুৱতীয়ে বিভিন্ন অসামাজিক কামৰ যোগেদি তেওঁলোকৰ শক্তি আৰু সামৰ্থ্য ব্যৱহাৰ কৰিছে। পৰিয়ালত, সমাজত তাৰ ফলত বিভিন্ন সংঘাটে সামাজিক বন্ধন চিঙি পেলাইছে। আচলতে সৰহভাগ নৱপ্ৰজন্মৰে ভৱিষ্যত বুলি একোৱেই নাই। কিন্তু আমাৰ শিক্ষা ব্যৱস্থাই এনে কোনো পথ দেখুৱাব পৰা নাই, যাৰ দ্বাৰা নৱপ্ৰজন্মৰ ভৱিষ্যত সুনিশ্চিত হ'ব পাৰে।

ওপৰৰ আলোচনাই এটা কথা স্পষ্ট কৰি দিয়ে যে শিক্ষা এক সমাজবিচ্ছিন্ন আনুষ্ঠানিক ব্যৱস্থা এটালৈ ৰূপান্তৰিত হৈছে। সুস্থ জীৱন আদৰ্শ আৰু ঐতিহাসিক অভিজ্ঞতাৰ আধাৰত এই শিক্ষা ব্যৱস্থা গঢ়ি উঠা নাই। ৰাজনৈতিক স্বাধীনতাই সমাজক নতুন আদৰ্শেৰে অনুপ্ৰাণিত কৰিব পৰা নাই। পাশ্চাত্যৰ পুঁজিবাদী ধ্যান - ধাৰণাৰে গঢ়ি উঠা শিক্ষা ব্যৱস্থাই প্ৰকৃততে অমাৰ নৱ প্ৰজন্মক ভৱিষ্যতৰ বাবে কোনো উদ্যম আৰু আশাৰ সঞ্চাৰ পৰিব পৰা নাই। সেয়েহে আমি ক'ব পাৰো যে প্ৰচলিত শিক্ষা ব্যৱস্থাত এক খুট ৰৈ গৈছে।

মানুহ যিমানেই ব্যক্তিকেন্দ্ৰীক চৰিত্ৰৰ হওক ই এক সামাজিক প্ৰাণী। তাৰ ব্যক্তিৰ বিকাশ সামাজিক বিকাশৰ লগত ওতপ্ৰোতভাৱে জড়িত। জন্মৰ পৰাই প্ৰতিজন ব্যক্তিয়ে তাৰ চাৰিওফালৰ সামাজিক পৰিবেশৰ পৰা শিক্ষা লাভ কৰে আৰু নিজকে গঢ়ি তুলিবলৈ চেষ্টা কৰে। বিশ্বৰ লগত তাৰ সামাজিক, শাৰীৰিক, আত্মিক আদান প্ৰদানৰ যোগেদি সি তাৰ চাৰিওফালৰ জগতখনক বুজিবলৈ চেষ্টা কৰে। সি যিমানে জগতখনক পৰিবৰ্তন কৰিবলৈ চেষ্টা কৰিব সি সিমানে নিজকে বুজিব পাৰিব আৰু নিজকে উন্নতৰ পৰা উন্নতৰলৈ লৈ যাব পাৰিব। গতিকে প্ৰকৃত শিক্ষা ব্যৱস্থাই এনে এটা মানসিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক পৰিবেশ সৃষ্টি কৰিব পাৰিব লাগিব। কিন্তু যি দেখা গৈছে আমাৰ শিক্ষা ব্যৱস্থাই সেইখিনি কাম কৰাৰ কথা দূৰৈৰ কথা তেনে প্ৰয়োজনীয়তাক স্বীকাৰো কৰিব পৰা নাই। আমাৰ চাৰিওফালৰ প্ৰয়োজনীয় দিশবিলাক পৰ্য্যৱেক্ষণ নকৰাকৈ আৰু বহুল সামাজিক আশা আকাংক্ষাক পূৰণ কৰিব পৰাকৈ শিক্ষা ব্যৱস্থাক গঢ়ি তুলিব পৰা নাই। পুৰণি কিছুমান চিন্তাই কৰালমাৰি ধৰা শিক্ষা সম্পৰ্কৰ চিন্তাই ব্যক্তিৰ সুপ্ত গুণ আৰু উদ্যমক প্ৰকাশ কৰিব পৰাকৈ শিক্ষা ব্যৱস্থা গঢ়ি তুলিব পৰা নাই। আজি শিক্ষা আৰু জীৱন দুটা বেলেগ বস্তুলৈ ৰূপান্তৰিত হৈছে।

শিক্ষা ব্যৱস্থাৰ প্ৰচলিত ধ্যান - ধাৰণাৰ বাবে আমাৰ ইতিহাস খুচৰি চাব লাগিব। বৃটিছে যি আধুনিক শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল সেই শিক্ষা ব্যৱস্থাই প্ৰকৃততে কি ধৰণৰ শিক্ষিত লোকৰ জন্ম দিছিল তাৰ পৰাই ভালেখিনি উত্তৰ পাব পাৰি। এটা কথা প্ৰচলিত যে বৃটিছে প্ৰৱৰ্তন কৰা শিক্ষা ব্যৱস্থাই চাকৰিজীৱী এচাম লোকহে সৃষ্টি কৰিছিল। কোৱা হয় প্ৰশাসনিক সুবিধাৰ কাৰণেই বৃটিছে আধুনিক শিক্ষাৰ প্ৰৱৰ্তনত যোৰ দিছিল। এই কথা কিছুদূৰ সঁচা হ'লেও সম্পূৰ্ণ সত্য নহয়। প্ৰকৃততে ভিক্টোৰিয়ান যুগৰ ইংলেণ্ডৰ এক ধৰণৰ আদৰ্শৰ দ্বাৰা ভাৰতৰ বৃটিছ শিক্ষাবিদ সকলৰ চিন্তা আবদ্ধ আছিল। সমাজৰ এমুঠিমান Elite শ্ৰেণী সমাজৰ মূল চালিকা শক্তি বুলি ভবা গৈছিল। তেওঁলোকৰ উচ্চ চিন্তাই সমাজক আলোকিত কৰিব পাৰিব বুলি ভবা হৈছিল। ভাৰতবৰ্ষত যেতিয়া আধুনিক শিক্ষা প্ৰৱৰ্তন কৰা হ'ল তেতিয়া এনে এক আদৰ্শক সৰোগত কৰিয়েই আধুনিক শিক্ষাৰ ৰূপ দিয়া হৈছিল। ভাৰতত যিসকল লোকে প্ৰথমেই বৃটিছ প্ৰৱৰ্তিত আধুনিক শিক্ষা লাভ কৰিছিল তেওঁলোকে এনে দৃষ্টিভংগীকে সত্য বুলি বিবেচনা কৰিছিল। গোখলে, তিলক, বিবেকানন্দ, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ এই সকলো ১৯ শতিকাৰ পুৰোধা ব্যক্তিৰ চিন্তাধাৰা এনে ধৰণেই আছিল। অৱশ্যে ভাৰতীয় পৰম্পৰা আৰু ধৰ্মীয় পুনৰোত্থানৰ যোগেদি ভাৰতবৰ্ষৰ জনসাধাৰণক মুক্তি সম্ভৱপৰ বুলি ভাৱিলেও আৰু তাৰ বাবে চেষ্টা কৰিলেও তেওঁলোকৰ চিন্তা Elite ৰ ধাৰণাৰ পৰা মুক্ত নাছিল। চৰকাৰী উচ্চ পদস্থ বিষয়া, চৰকাৰী সন্মান, উচ্চ শিক্ষাৰ চাৰ্টিফিকেট, পৰীক্ষাত উজ্বল প্ৰদৰ্শন; এইবিলাক সমাজৰ উন্নতিৰ আধাৰ বুলি ধৰা হৈছিল। আকৌ সমাজৰ উচ্চ বৰ্ণ লোকসকলে বৃটিছ প্ৰৱৰ্তিত শিক্ষা ব্যৱস্থাৰ সুবিধা সমূহ লাভ কৰি পৰম্পৰাগতভাৱে লাভ কৰা সামাজিক স্থান আৰু সুবিধাসমূহ নিশ্চিত কৰিছিল। সমাজৰ পিছপৰা শ্ৰেণী এই ক্ষেত্ৰত বিশেষ লাভৱান নহৈছিল। অৱশ্যে ১৯ শতিকাৰ দ্বিতীয়ভাগলৈকে নতুন শিক্ষা ব্যৱস্থাই শতকৰা ২ ভাগ লোককো চুই যাব পৰা নাছিল। উপনিবেশিক শিক্ষা ব্যৱস্থাত এই ধাৰাবাহিকতা আজিও বিভিন্ন ধৰণে ৰৈ গ'ল। সেই কাৰণে শিক্ষাৰ লক্ষ্য, উদ্দেশ্যৰ আজিও মৌলিক পৰিৱৰ্তন নঘটিল। বৰ্তমান শিক্ষা ব্যৱস্থাইও নৱ প্ৰজন্মক সৰ্বাঙ্গীন উন্নতিৰ কোনো নিশ্চিতি দিব পৰা নাই।

যদি পৰিস্থিতি এনেকুৱাই হয় তেন্তে নৱ প্ৰজন্মই কাৰফালে চাই আশা কৰিব। অথচ তেওঁলোক হ'ল উঠি অহা সূৰ্য্যৰ দৰে। তেওঁলোকৰ উপৰতে নিৰ্ভৰ কৰিছে আমাৰ দেশৰ সোণালী ভৱিষ্যত। তেওঁলোকে যি শিক্ষা ব্যৱস্থাৰ উত্তৰাধিকাৰী সেই শিক্ষাব্যৱস্থাৰ তেওঁলোকে পথ পোহৰাব পাৰিবনে? বোধকৰো নৱপ্ৰজন্মই আজি নিজেই নিজৰ পথ নিৰ্ণয় কৰি ল'ব লাগিব। তাৰ বাহিৰে গত্যন্তৰেই বা ক'ত ?

# যুৱ উচ্ছৃংখলতাৰোধ কৰাত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা।

✍ দেৱযানী চেতিয়া
উঃ মাঃ ১ম বৰ্ষ।



সময়ৰ পৰিৱৰ্তনৰ লগে লগে আজিৰ যুগৰ এচাম যুৱক-যুৱতীৰ মাজলৈও বহু পৰিৱৰ্তন আহিছে। তেওঁলোকে যৌৱন কালত ভৰি পেলোৱাৰ লগে লগে নিজকে এজন পৈণত মানুহ বুলি ভাৱে আৰু গুৰু গোঁসাই নমনা হৈছে। প্ৰতিগৰাকী যুৱক-যুৱতীয়েই শাৰীৰিক আৰু মানসিক, এই স্বাভাৱিক পৰিৱৰ্তন আৰু বিকাশৰ খলপা পাৰ হৈ আহিছে যদিও এচাম যুৱক-যুৱতীহে বেয়াৰ দিশে ঢাল খাইছে আৰু দিন বাঢ়ি যোৱাৰ লগে লগে তেওঁলোক কু-আদৰ্শ আৰু কু-সংস্কৃতিৰ বশৱৰ্তী হৈছে। এই ক্ষেত্ৰত অকল যুৱক-যুৱতীসকলৰ দোষ নাই, আজিৰ সমাজৰ নগ্নতাক তেওঁলোকে নিজ চকুৰে দেখিছে আৰু সেইবোৰৰ পৰা তেওঁলোকে দুষ্কাৰ্য্য কৰাত উদগনি লাভ কৰিছে।

ছাত্ৰ শক্তিয়েই একোখন দেশৰ বা জাতিৰ প্ৰধান যুৱশক্তি। সেয়েহে কোনো দেশৰ সংকটৰ সময়ত এই ছাত্ৰ শক্তিয়ে প্ৰধান ভূমিকা গ্ৰহণ কৰিব পাৰে। কিন্তু ছাত্ৰ-শক্তি সু-সংহত, সু-চিন্তা চালিত আৰু সু-নিয়ন্ত্ৰিত নহলে সমাজৰ অপকাৰো সাধন কৰিব পাৰে। তাৰ বহুতো প্ৰমাণ দেখা গৈছে।

শিক্ষাৰ জগতখন বৰ্তমান কলুষিত হৈ পৰিছে। বৰ্তমানৰ শিক্ষা ব্যৱস্থাত গুৰু আৰু শিষ্যৰ মাজত থকা সম্পৰ্ক অতি দুখলগা। শিষ্যই গুৰুলৈ ভয় সংকোচ নকৰাৰ ফলস্বৰূপে গুৰুক হাত লগাবলৈও কুণ্ঠাবোধ নকৰে। ছাত্ৰজন বিপথে পৰিচালিত হোৱা দেখিলে গুৰুজনে যদি তাৰ বিপক্ষে ঠিয় দিয়ে, তেতিয়া তেনে উচ্ছৃংখল ছাত্ৰই গুৰুকহে অপমান কৰে। ঠিক একেদৰে পিতৃ-মাতৃৰ কথাটো একেই। সেইবাবে এনে যুৱকসকলক পোহৰৰ পথ দেখুৱাবলৈ আন শিক্ষিত ছাত্ৰসকলে চেষ্টাৰ ক্ৰুটি কৰিব নালাগে।

ছাত্ৰ সকলৰ মাজত এনে উচ্ছৃংখলতাৰ সৃষ্টি হোৱা আন এটি কাৰণ হ'ল — পাশ্চাত্যৰ আধুনিকতা অনুকৰণ। যিসকল যুৱক-যুৱতী ইয়াৰ দ্বাৰা পৰিচালিত হয়, তেওঁলোকে স্থান, কাল





নিৰ্বিচাৰে সকলোতে অশ্লীল শব্দ প্ৰয়োগ কৰে। গুৰুজনাৰ, বয়োজ্যেষ্ঠ জনৰ আনকি পিতৃ-মাতৃৰো সকলো সজ উপদেশ উলংঘা কৰি অপৰাধ জগতৰ সৈতে জড়িত হৈ পৰে। যুৱতী সকলে অশ্লীল পোছাক পৰিধান কৰি হোটেল, বাৰ আদিত পাশ্চাত্য সংগীতৰ সৈতে তাল মিলাই নাচে, হাঁহে। ৰাতি দুপৰলৈকে থাকি যুৱক-যুৱতীসকল বিভিন্ন বেয়া কামত লিপ্ত হয়। নিচাযুক্ত দ্ৰব্য ব্যবহাৰ কৰে আৰু যৌৱনৰ সোণালী দিনবোৰ জীৱন গঢ়াত খৰচ নকৰি অশেষ যন্ত্ৰণা ভুগি মৃত্যুৰ পথলৈ আগবাঢ়ি যায়। তেনে যুৱক-যুৱতীসকলে হীনমন্যতাত ভুগে আৰু সকলো হেৰুৱাই আত্মহত্যাৰ পথকে বাচি লয়।

তেনে যুৱক-যুৱতীসকলক আজিৰ যুগৰ সভ্য ছাত্ৰ-ছাত্ৰীসকলেই সহায়ৰ হাত আগবঢ়াব লাগে। সাহস, ধৈৰ্য্য গুণবিলাক বৃদ্ধি কৰাব লাগে আৰু কিছুমান তেনে গ্ৰন্থ পঢ়িবলৈ দি নিজকে পুনৰ গঢ় দিবলৈ চেষ্টা কৰিব লাগে। তেনে যুৱক-যুৱতীক আজিৰ সমাজে প্ৰায়েই গৰিহণা দিয়ে, সেয়েহে তেনেবিলাকক পুনৰ জীৱন দান দিয়াটো বৰ্তমান যুগৰ শিক্ষিত ছাত্ৰ-ছাত্ৰী সকলৰ কৰ্তব্য।

যুৱ উচ্ছৃংখলতাৰ ভিতৰত থকা আন এটা বিষয় বস্তু হ'ল — "ৰেগিং"। এই 'ৰেগিং' শব্দটোৱে প্ৰায়বিলাক ছাত্ৰ-ছাত্ৰীকেই বিৰক্ত কৰে। কিন্তু তাৰে ভিতৰত উচ্ছৃংখল কিছুমান যুৱক-যুৱতীয়ে বিশেষকৈ মহাবিদ্যালয়, বিশ্ববিদ্যালয় পৰ্য্যায়ত এই ধৰণৰ কু-কাৰ্য্য কৰে। এই কাৰ্য্যত মেধাহীনসকলৰ লগতে বহু মেধাৱী ছাত্ৰ-ছাত্ৰীও জড়িত হৈ থাকে। কিছুমান নৱাগত ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ বলি হৈ মানসিক ভাৰসাম্যও হেৰুৱাই পেলায়।

সেয়ে, আজিৰ যুগৰ সভ্য ছাত্ৰসকলে ইয়াক ৰোধ কৰিবলৈ চেষ্টা চলাব লাগে আৰু ৰেগিংৰ নামত শাৰীৰিক বা মানসিক আতিশয্য চলাবলৈ দিব নালাগে। এইক্ষেত্ৰত বৰ্তমান যুগৰ শিক্ষিত ছাত্ৰ-ছাত্ৰীসকলে মুখ্য ভূমিকা হাতত লোৱাটো অতি প্ৰয়োজনীয়।

আজিৰ যুৱসমাজত উচ্ছৃংখলতাত বৰঙণি যোগোৱা প্ৰধান বস্তু কেইপদ হ'ল - বাইক আৰু ম'বাইল ফোন। এই দুপদ সামগ্ৰীৰ প্ৰতি বৰ্তমানৰ যুৱসমাজ বাৰুকৈয়ে আকৰ্ষিত হৈছে। এখন বাইক অভিভাবকে ক্ৰয় কৰি দিয়াৰ পাছত তেওঁলোকে ইয়াক সদ ব্যৱহাৰত খটোৱা নাই। এনে উচ্ছৃংখল যুৱকে নিয়ন্ত্ৰণহীন ভাৱে চলাই বহুলোকক মৃত্যুমুখত পেলাইছে আৰু কেতিয়াবা নিজেও মৃত্যুমুখত পৰিছে। বৰ্তমান বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ যুগত আৱিষ্কাৰ হোৱা আন এবিধ সামগ্ৰী হ'ল ম'বাইল ফোন। ই এবিধ অতি লাগতিয়াল সামগ্ৰী যদিও আজিৰ উচ্ছৃংখল যুৱক-যুৱতীসকলে ইয়াৰ বিয়োগাত্মক দিশবিলাকহে বাচি লৈছে। বিভিন্ন ধৰণৰ অশ্লীল ভাষাৰ এছ, এম, এছ প্ৰেৰণ কৰাৰ ক্ষেত্ৰত যুৱক-যুৱতীসকলে ইয়াক ব্যৱহাৰ কৰে। আন্ধাৰ পথৰ এই যুৱক-যুৱতীসকল পিতৃ-মাতৃৰ শোকৰ বোজাৰ লগতে সমাজৰো কলংক। এই আৱিষ্কৃত বস্তুবিলাকৰ ব্যৱহাৰ যাতে বেয়া দিশত নহয়, তাৰ প্ৰতি ছাত্ৰ-ছাত্ৰী সকল নিজেই সচেতন হোৱা প্ৰয়োজন।

এনে ভুল পথেৰে যোৱা ছাত্ৰ-ছাত্ৰীসকলক আন শিক্ষিত ছাত্ৰ-ছাত্ৰীসকলে সঠিক চিন্তা কৰিবলৈ শিকাব লাগিব। সঠিক চিন্তাৰ বিষয়টো তেওঁলোকে কেৱল মগজুৰে বুজিলে নহ'ব। বুজি উঠিব লাগিব হৃদয়েৰে আৰু তাক বাস্তবায়িত কৰাৰ বাবে তেওঁলোকৰ মনত প্ৰচুৰ পৰিশ্ৰমী মনোভাৱ আৰু কাৰ্য্যসিদ্ধিৰ অফুৰন্ত স্পৃহা জগাই তোলাব লাগিব। সঠিক চিন্তাধাৰাৰ ব্যক্তিয়ে কাহানিও বিয়োগাত্মক ভাবনাক প্ৰশ্ৰয় দিবলৈ ৰাজী নহয়। বৰং তেওঁ বিয়োগক যোগলৈ উত্তৰণ ঘটাবলৈ অহৰহ সাজু হৈ থাকে।

এইদৰে দেখা যায় যে, শান্তি শৃংখলা ভংগ কৰা সাধাৰণ উচ্ছৃংখলতাৰ পৰা আৰম্ভ কৰি জঘন্য অপৰাধলৈকে বিভিন্ন ধৰণৰ দুষ্কৰ্মত আজিৰ সমাজৰ একাংশ যুৱক-যুৱতী লিপ্ত হৈছে। ছাত্ৰসকলে ইয়াক সময়মতে ৰোধ নকৰিলে ইয়াৰ অপশক্তি বাঢ়ি গৈ দিনকদিনে সমগ্ৰ সমাজকে গ্ৰাস কৰি পেলাব। ছাত্ৰসমাজে সেইবাবে নিজেই নিজৰ এই দোষবোৰ আঁতৰ কৰিবৰ বাবে আগবাঢ়ি আহিলে একাংশ যুৱক-যুৱতীৰ ক্ৰমবৰ্ধমান অপকৰ্মৰ প্ৰদুৰ্ভাৱ হ্ৰাস পোৱাত সহায়ক হ'ব। এনে এক জাগৰণ অবিহনে শিক্ষাৰ পৰিবেশৰ লগতে সমগ্ৰ সমাজখনো ধ্বংস হ'ব। সেইবাবে ছাত্ৰ-ছাত্ৰীসকলে যুৱ উচ্ছৃংখলতা ৰোধ কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰিব লাগে। ■



# চাৰি আৰ্য্য সত্য



## (THE FOUR NOBLE TRUTHS)

✍ গীতাঞ্জলী শ্যাম
স্নাতক তৃতীয় বৰ্ষ

মানুহ উপজাৰ দিনৰ পৰা মৃত্যু পৰ্য্যন্ত জৰা, ব্যাধি, দুখ আদিয়ে পিছ নেৰে। মানুহৰ সংসাৰৰ মায়া - মোহ, লোভ, পাপ এই সকলো বিলাক শৰীৰৰ লগত জড়িত হৈ আছে। সেয়েহে দুখৰ পৰিত্ৰাণ পাবৰ বাবে গৌতম বুদ্ধই এটা বহাগী পূৰ্ণিমা ৰাতি সম্যক জ্ঞান লাভ কৰি তাৰ উপায় থৈ গৈছে। আৰু সেয়াই হ'ল চাৰি আৰ্য্য সত্য (The four noble truths)

মানুহৰ দুখৰ ভাগ চাৰিটা ঃ সেইকেইটা হ'ল ১। দুখ আৰ্য্য সত্য ২। দুখৰ কাৰণ ৩। দুখ নিৰোধ আৰ্য্য সত্য ৪। দুখ নিৰোধৰ উপায় আৰ্য্য সত্য।

১। দুখ আৰ্য্য সত্যনো কি? দুখ আৰ্য্য সত্য হ'ল জন্ম দুখ, জৰা বা বৃদ্ধ কালৰ দুখ, ব্যাধি দুখ, মৰণ দুখ, অপ্ৰিয় সংযোগ দুখ, প্ৰিয় বিচ্ছেদ দুখ, মনে বিচৰা বস্তু নোপোৱাৰ দুখ, অনুতাপ, মানসিক অশান্তি আদি সকলোখিনিয়েই দুখ। দুখৰ অন্ত নাই। এই সীমাহীন দুখকেই দুখ আৰ্য্য সত্য বুলি কোৱা হয়। বুদ্ধই মানৱ জীৱনৰ দুখৰ কথা বৰ্ণনা কৰি এই বুলি কৈছিল যে — "লাভ, ক্ষতি, আশা আৰু নিৰাশাৰ মাজেৰে অতিবাহিত হোৱা গতিশীল মানৱ জীৱনেই হৈছে দুখ।"

বুদ্ধৰ দৰ্শনত এই কথা স্পষ্ট যে আমাৰ ৰূপ অৰ্থাৎ মাটি, পানী, জুই আৰু বায়ুৰে গঠিত আমাৰ দেহা, বেদনা অৰ্থাৎ আমাৰ অনুভৱ শক্তি, সংজ্ঞা অৰ্থাৎ আমাৰ অভিলাষী মনোবৃত্তি, সংস্কাৰ অৰ্থাৎ আমাৰ কৰ্ম আৰু বিজ্ঞান অৰ্থাৎ আমাৰ বিবেচনা শক্তি, এই পঞ্চ উপাদান স্কন্ধই দুখৰ মূল উৎস।

২। দুখ সমোদয় আৰ্য্যসত্য বা দুখৰ কাৰণ ঃ- মানুহ জন্মিলেই দুখ ভূগিব লাগে যেতিয়া এই দুখৰ কাৰণ থকাতো নিশ্চিত। কাৰণ অবিহনে দুখৰ আবিৰ্ভাৱ হব নোৱাৰে। উদাহৰণ স্বৰূপে আমাৰ শৰীৰত যি কোনো অংশত যেনেকৈ বিনা কাৰণত বিষৰ উৎপত্তি বা উত্তাপ বৃদ্ধি হব নোৱাৰে। দুখৰ মূল কাৰণ ব্যাখ্যা কৰি ভগৱান বুদ্ধই কৈছিল যে তৃষ্ণাৰ পৰা উৎপন্ন হোৱা লোভ, দ্বেষ আৰু মোহেই মানুহৰ দুখৰ কাৰণ। ভগৱান বুদ্ধই মানুহৰ এই তৃষ্ণা ভাৱকে এক প্ৰকাৰৰ মানসিক ৰোগ বুলি অভিহিত কৰিছে। লোভ, দ্বেষ আৰু মোহ মানসিক ৰোগৰ উপসৰ্গ। এতেকে তৃষ্ণা জয় নহলে লোভ, দ্বেষ আৰু মোহৰ অৱসান নঘটিলে দুখ অন্ত হব নোৱাৰে। ইয়াকেই বুদ্ধৰ দৰ্শনত দুখ সমোদয় আৰ্য্য সত্য বা দুখৰ কাৰণ বুলি কোৱা হৈছে।

৩। দুখ নিৰোধ আৰ্য্য সত্য ঃ- দুখ নিৰোধ আৰ্য্য সত্য হ'ল দুখ নিবাৰণ কৰা বা দুখৰ পৰা মুক্তি পোৱাৰ উপায় কৰা। বুদ্ধৰ দৰ্শনৰ মতে দুখ উৎপত্তিৰ কাৰণ সমূহ নিমূল হ'লে দুখ নিৰ্ব্বাপিত হোৱাতে স্বাভাৱিক আৰু ই চিৰ সত্য। যেনেকৈ কোনো ৰোগৰ কাৰণ অৱগত হ'লে অতি সহজে ৰোগ নিৰাময় কৰিব পাৰি। এতিয়া দেখা গ'ল যে, দুখৰ কাৰণবোৰ নিৰ্ণিত হ'লে দুখ নিৰ্মূল কৰিব পৰা যায়। দুখ সমোদয় আৰ্য্য সত্যত বৰ্ণিত দুখ উৎপত্তিৰ কাৰণ সমূহ যেনে — লোভ, দ্বেষ আৰু মোহ এই তিনিবিধ তৃষ্ণাৰ আৱেগ সমূহ দমন কৰি দুখৰ অৱসান ঘটোৱাকে দুখ নিৰোধ আৰ্য্য সত্য বুলি কোৱা হৈছে।

৪। দুখ নিৰোধৰ উপায় আৰ্য্য সত্য হ'ল চতুৰ্থ আৰ্য্য সত্য। আৰ্য্য অষ্টাঙ্গিক মাৰ্গ অৰ্থাৎ আঠবিধ মুক্তি মাৰ্গ বা মাধ্যম পথ।

দুখ আৰ্য্য সত্যতে বৰ্ণিত মানৱ জীৱনৰ বিভিন্ন প্ৰকাৰৰ দুখবোৰ যেনে ঃ- জন্ম, জৰা, ব্যাধি, মৰণ আদি নিৰাময় কৰি চিৰ শান্তি মহাসুখ লাভৰ বাবে তৃষ্ণা ক্ষয় কৰিবলৈ দুখৰ কাৰণ লোভ, দ্বেষ, মোহ দমনৰ উপায়কে আঠোটা আৰ্য্য পথ বা আৰ্য্য অষ্টাঙ্গিক মাৰ্গ বোলে। বুদ্ধৰ দৰ্শনৰ মতানুসাৰে এই আঠোটা মুক্তি পথ অনুসৰণ কৰি চলিলে দুখৰ কাৰণ সমূহ নিৰ্মূল হব আৰু দুখ নিৰোধ হ'লেই তৃষ্ণা ক্ষয় হব। তৃষ্ণা ক্ষয় হ'লেই তৃষ্ণা বিহীন মানৱে চিৰ কাম্য সুখ নিৰ্ব্বান দৰ্শন বা মহাসুখ কৰিবলৈ সক্ষম হব। ■





# সোঁৱৰণী হৈয়েই ৰ'ব কলেজীয়া জীৱনৰ কিছু মিঠা অনুভৱ

✍ প্ৰীতিৰেখা লাহন
স্নাতক তৃতীয় বৰ্ষ (কলা)

শৈশৱ! কি যে এক মিঠা অনুভূতি। শৈশৱ হৈছে জীৱনৰ এক আপুৰুগীয়া সম্পদ। মোৰ শৈশৱৰ লগৰীয়াবোৰ যাৰ সৈতে কিমান যে খেলিছিলো, লুকা-ভাকু, কাবাডী, ৰজাৰাণীৰ সেই এণ্ডি - চেঙি বাই ৰজা ৰাণী আহিছে ........ৰ পৰা আৰম্ভ কৰি কত যে খেল, কিমান যে ধেমালি। কি যে সুন্দৰ আছিল সেই মধুৰ ক্ষণবোৰ। ক'ত হেৰাই গ'ল এই দিনবোৰ, মোৰ মৰমৰ লগৰীয়াবোৰ। কোন গৈ ক'ত আছেগৈ, কোনে গৈ শুৱনি কৰিছেগৈ কাৰোবাৰ বৰঘৰ।

কলেজীয়া জীৱনৰ মিঠা সপোন দেখিবলৈ প্ৰথম খোজ পেলাইছিলো সোণাৰি মহাবিদ্যালয়ত। লাজ সংকোচেৰে সোমাই পৰিছিলো এই কলেজৰ বন্ধু-বান্ধৱী সকলৰ মাজত। নতুন ল'ৰা-ছোৱালীৰে ভৰা এক অচিনাকী পৰিবেশৰ লগত নিজকে অকলশৰীয়া অনুভৱ কৰিছিলো। ভাৱিছিলো স্কুলীয়া দিনকেইটাই ভাল আছিল। লাহে লাহে লগৰ বন্ধু-বান্ধৱীৰ ব্যক্তিত্ব, সহানুভূতিবোৰৰ সম্পৰ্কে জানিব পাৰি বৰ ভাল লাগিল। সকলোৱে উচ্চমানৰ ক্লাচবোৰ নিয়াৰিকৈ কৰিবলৈ ললো। বিভাগীয় নতুন চাৰ - বাইদেউক লগ পাই সঁচাই বৰ ভাল লাগিল। বসন্ত আহিলে গছে নতুন সলোৱাৰ দৰে বছৰে বছৰে আমাৰ বন্ধু - বান্ধৱীৰ সম্পৰ্ক আৰু বেছি ক্ষীপ্ৰ হৈ উঠিল। আমি আমাৰ বন্ধু-বান্ধৱী সকলোৱে একগোট হৈ সদায় গছৰ তলত বহি, ক্লাচত বহি, কেণ্টিনত বহি আমি আমাৰ আড্ডা উপভোগ কৰিছিলো। কেতিয়াবা ধেমালিতে হ'লেও বন্ধু - বান্ধৱীৰ সৈতে কাজিয়া কৰিছিলো। ঠিক সেইদৰে আমি বিভাগৰ বন্ধু - বান্ধৱীৰ সৈতে একগোট হৈ শ্বিলং ভ্ৰমণ কৰিবলৈ ঢাপলি মেলিলো। বহু আনন্দৰ শেষত উক্ত দিনটো আহি পৰিল। আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ পৰা সঁহাৰি পাই আমি বাইশটা ল'ৰা ছোৱালীৰ সৈতে দুজন চাৰ প্ৰমুখ্যে অক্টোবৰ মাহৰ ২৭ তাৰিখ শুক্ৰবাৰে আমি শ্বিলং চোৱাৰ হেপাহ পূৰ্ণ কৰি আমাৰ যাত্ৰা আৰম্ভ কৰিলো। মনটো বৰ ভাল লাগিছিল নেদেখা ঠাই চাবলৈ পোৱোৰ আশাত। অৱশেষত আমি ২৮ তাৰিখ শনিবাৰে মেঘালয়ৰ ৰাজধানী শ্বিলং পালোগৈ। শ্বিলঙৰ Youth Hostel ত থাকি আমি সকলো ল'ৰা ছোৱালী ফ্ৰেছ হৈ দুপৰীয়া শ্বিলঙত অৱস্থিত বাৰ্ডলেক, লেডী হাইডৰী পাৰ্ক, বটানিকেলগাৰ্ডেন আদি ঠাই সমূহ চালো। শ্বিলঙৰ সেউজীয়া প্ৰাকৃতিক সৌন্দৰ্য্যই মোক আকৰ্ষিত কৰিছিল। ৰাজ্যখনৰ মাজেৰে কেইবাখনো খৰস্ৰোত নৈ বৈ গৈছে। তাৰ ভিতৰত মন্দা, ৰিংগি, দিমছাং, উমিয়াম, মিতনাং আদি প্ৰধান। ৰাজ্যখনৰ খাচী, জয়ন্তীয়া, গাৰো এই তিনি প্ৰাচীন আদিবাসীৰ বাসস্থান। ইয়াৰ প্ৰধান ভাষা হৈছে — খাচী, জয়ন্তীয়া, গাৰো। প্ৰধান ধৰ্ম খ্ৰীষ্টান। মই কোনোদিনে Hostel ত থাকি পোৱা নাছিলো। শ্বিলঙৰ Youth Hostel ত থাকি এদিনীয়া Hostel জীৱনৰ অনুভূতি অনুভৱ কৰিছিলো। সঁচায়েই বৰ মোহনীয় আছিল সেই ৰাতিটো। আমি সকলো বন্ধু - বান্ধৱীয়ে এণ্টাক্ষৰী খেলিলো। এনেদৰে লগৰ এজনৰ খন্তেকীয়া পেচলগা মুহূৰ্ত্তৰে হাঁহি ধেমালিৰে আমি ৰাতিটো কটালো। পিছদিনা আমি শ্বিলঙৰ পৰা এখন বাছ লৈ শ্বিলং টাউনৰ পৰা ৫৪ কিঃ মিঃ দূৰত্বত অৱস্থিত চেৰাপুঞ্জি চাবলৈ গলো। তাত কেইবাটাও চাবলগীয়া দ্ৰুত প্ৰবাহী ৱাটাৰ ফলছ Nohsngithiong Falls বা Mawasmai Falls, Dainehlem Falls, Nohkailikai Falls দেখিবলৈ পালো। তাৰ পৰা আমি চেৰাপুঞ্জিত থকা গুহাটো চালো। গুহাটোৰ ভিতৰত সোমাই বৰ ভাল লাগিল। মই ভবাই নাছিলো ইমান ডাঙৰ গুহাটোৰ ভিতৰত সোমাম বুলি। আনন্দত মাতাল হৈ ইফালে সিফালে, ভাল বেয়া নেচোৱাকৈ ফটো উঠাইছিলো। শ্বিলঙত আটাইতকৈ মোৰ প্ৰিয় আছিল ধুনীয়া আৰু আৱৰ্জনাহীন একাবেঁকা ৰাষ্টাবোৰ। এনে লাগিছিল যেন কোনোবাই পাৰিথোৱা দলিচা। প্ৰত্যেকদিনাই আমাৰ গাড়ীত আধুনিক গীতৰ আৰু বিহুগীতৰ কেছেট বাজিছিল। কোনোবাই গাড়ীৰ ভিতৰতে সুৰ তুলিছিল, নাচিছিল। বহুত ভাল লাগিছিল শ্বিলঙৰ অনুভূতি। পাৰ্যমানে চাইছিলো খাচীয়া পাহাৰৰ সৌন্দৰ্য্যৰ লগত স্কটলেণ্ডৰ 'হাইলেণ্ড'ৰ সৌন্দৰ্যৰ সাদৃশ্য লক্ষ্য কৰি বিদেশী পৰ্যটক সকলে শ্বিলঙক 'প্ৰাচ্যৰ স্কটলেণ্ড' আখ্যা দিছিল। আহিবৰ সময়ত শ্বিলংখনক বিদায় দিছিলো। গোটেই পথছোৱা শ্বিলঙৰ বৰ্ণনা দি আহিছিলো। ৩০ তাৰিখ দেওবাৰে আমি আমাৰ স্থান পালোহি। সকলোকে কৈছিলো শ্বিলং বৰ সুন্দৰ ঠাই।

সঁচাকৈয়ে সোঁৱৰণী হৈ ৰব কলেজীয়া জীৱনৰ মিঠা অনুভূতি সমূহ। পাৰ হৈ অহা দিনবোৰৰ স্বপ্ন, স্মৃতি, বিষাদ, অনুভৱ, অভিজ্ঞতা সমূহ চিৰদিন সেউজ হৈ ৰব আমাৰ মানস পটত। এৰি অহা দিনবোৰৰ সুমধুৰ সোঁৱৰণিয়ে বুকুৰ মাজত নিৰলে বাহ সাজিব। বাস্তৱ যিমানেই মোহনীয় নহওঁক স্মৃতিৰ মাজেৰে অনুভৱ নকৰাকৈ ইয়াৰ মোহনীয়তাক অনুভৱ কৰিব নোৱাৰি। ভাৱ হয় কলেজীয়া জীৱন জানো দুনাই ঘূৰি আহিব। য'ত থাকে জীৱনৰ মধুৰ ৰঙীণ সপোনবোৰ। ■

# প্ৰকৃত বন্ধুত্ব

✍ ৰুবী গগৈ
স্নাতক ৩য় বৰ্ষ

কাৰো বাবে বৈ নাথাকে সময়। ই চিৰ প্ৰৱাহিত। সময়ৰ সোঁতত আমিবোৰ উটি যাওঁ দূৰলৈ বহু দূৰলৈ। অথচ কতজনে যে চেষ্টা কৰা নাই সময়ক হাতৰ মুঠিত ধৰি ৰাখিবলৈ। সময় যাযাবৰী, অঘৰী, সময়ৰ আছে অজস্ৰ কাম, আছে দুখনি পাখি, উৰি যায় দিগন্তলৈ।

ঠিক সেইদৰে আমি বৰ্তমান অৱস্থাত উপনীত হোৱালৈকে শিক্ষাজীৱনতেই হওঁক বা অন্যান্য বহু ক্ষেত্ৰতে হওঁক বহুতে বহুতক লগ পালো ; কিন্তু সকলোকে কেতিয়াও মনত ৰখা সম্ভৱ নহয়। সেই একেদৰে আমি বন্ধুত্ব পালো বহুবাৰ কিন্তু তাৰে ভিতৰত প্ৰকৃত বন্ধু পোৱা সহজ কথা নহয়। বন্ধু অথবা বন্ধুত্ব হ'ল দুজনৰ মাজৰ মনৰ মিল যেনে — একে ভাৱধাৰা সুখ অনুভূতি নিঃস্বাৰ্থ ভাৱে পৰস্পৰ ভালপোৱা তথা বিশ্বাস কৰা, পৰস্পৰে পৰস্পৰৰ সুখ-দুখৰ সমভাগী হোৱা ইত্যাদি। বন্ধু ভগৱানৰ অৱদান, বন্ধু এজন পাওঁ বুলি পাব নোৱাৰি। অৱশ্যে এনেয়ে বন্ধুৰ অভাৱ নাই কিন্তু অভাৱ প্ৰকৃত বন্ধুৰহে। সেয়েহে কথাত কোৱা হয় বিপদৰ বন্ধুহে প্ৰকৃত বন্ধু। প্ৰকৃত বন্ধু হ'বলৈ কিছু পৰিমাণে ত্যাগো স্বীকাৰ কৰিব লাগিব। বন্ধু এনে এটা শব্দ যিটো শুনিলে আমি মনত এটা মিঠা আমেজ পাওঁ। "Friendship improves happiness / And abates misery. / Be doubling our joy / And diving our grief."

আমি প্ৰত্যেকেই জীৱনত বন্ধু বিচাৰো নিজৰ সুখ - দুখৰ বা মনৰ কথা প্ৰকাশ কৰিবলৈ। কেনেও অকলশৰীয়া জীৱন আশা নকৰে। বয়স ভেদে বন্ধু হব পাৰে। বন্ধুজন বা বান্ধৱী, প্ৰেমিক - প্ৰেমিকা, খুড়া - খুৰী, পিতৃ - মাতৃ, বাই - ভনী, ককাই - ভাই আনকি শিক্ষাগুৰুও হব পাৰে। বন্ধুৱে বয়সৰ বাধা নামানে, এজন ডেকা লৰাৰো বুঢ়া বন্ধু এজন থাকিব পাৰে। প্ৰকৃত বন্ধু ধনী দুখীয়াৰ ওপৰত ভিত্তি কৰি গঢ়ি নুঠে। প্ৰকৃত বন্ধুত্ব গঢ় লৈ উঠে পৰস্পৰৰ মাজত মন মিলনৰ ফলত। উদাহৰণ স্বৰূপে — আমি শ্ৰীকৃষ্ণ আৰু [illegible]শা নিঃকিন দামোদৰ বিপ্ৰৰ কথাকে কব পাৰো। বিপ্ৰ দামোদৰ দুখী[illegible] [illegible]ছিল বাবে তেওঁৰ দুখ সহিব নোৱাৰি বন্ধু শ্ৰীকৃষ্ণই সকলো দুখীয়া আ[illegible] [illegible]দিলে। বন্ধুত্বৰ মুখ্য উপকাৰিতা হ'ল দুজনৰ মাজৰ দুখ দূৰ কৰি [illegible] আবেগ অনুভূতিৰ [illegible]ৰ্হি প্ৰকাশ ঘটোৱা।

যিজন মানুহৰ [illegible]কানো বন্ধু নাই তেওঁ মানসিক অন্তৰ্দ্বন্দত ভোগে। যদি কোনো ব্যক্তি এজনে কথা গোপনে ৰাখিবলগীয়া হয় তেনেহ'লে তেওঁ মানসিক চাপৰ বলি হয়; কিন্তু বিশ্বাসী বন্ধু এজন থাকিলে ইয়াৰ ফল নিশ্চয় অনুমান কৰিব পাৰি। "Those who have no friends will eat into their own heart" — Francis Bacon. বন্ধুত্ব অকল মানসিক স্বাস্থ্য বিকাশৰ কাৰণে নহয়। বন্ধুত্বই কিছুমান দুখ গুণো আঙুলিয়াই দিয়ে। বন্ধুত্বৰ জৰিয়তে বিষয় এটা বুজি পোৱাত সহায় হয়। প্ৰকৃত বন্ধু দাপোণৰ দৰে। এজন মানুহ কৰ্মত নিপুণ হ'লে, তেওঁ সাহসী হ'লে, শক্তিবান হ'লেও যদি তেওঁৰ বন্ধু নাথাকে সকলো বৃথা। আনৰ পৰা লাভকৰা উপদেশতকৈ প্ৰকৃত বন্ধুৰ পৰা লাভ কৰা উপদেশ বেছি বিশ্বাসযোগ্য। দুজন ব্যক্তিৰ মাজত প্ৰথম অৱস্থাত সাধাৰণ ভাৱে বন্ধুত্ব গঢ় লৈ উঠে। পিছলৈ বন্ধুত্ব গভীৰ হয়। ক্ষণস্থায়ী বন্ধুৰ অভাৱ নাই কিন্তু অভাৱ হয় প্ৰকৃত বন্ধুৰহে। এজন বন্ধুৰ অনুপস্থিতিত আনজন বন্ধুৱে তেওঁৰ আধৰুৱা কাৰ্য্য সমাধা কৰিব পাৰে। Friendship often ends in love.

বন্ধুত্বৰ শেষ পৰিণতিয়ে প্ৰেম। অৱশ্যে বহুতে প্ৰেম আৰু বন্ধুত্বৰ মাজৰ পাৰ্থক্যখিনি বুজি নাপায়। প্ৰেমত প্ৰয়োজন হয় বিশ্বাসৰ; কিন্তু বন্ধুত্বৰ ক্ষেত্ৰত পয়োজন হয় বুজাবুজিৰ। বন্ধুত্বৰ শেষ পৰিণতি প্ৰেম হব পাৰে কিন্তু প্ৰেমৰ শেষ পৰিণতি কেতিয়াও বন্ধুত্ব হব নোৱাৰে। বন্ধত্ব স্থাপন কৰোতে সদায় সাৱধান হব লাগে।

"Be slow in choosing a friend; slower in changing." সমগ্ৰ বিশ্বতে ছয় আগষ্টৰ দিনটোক বন্ধুত্বৰ দিন হিচাপে পালন কৰা হয়। সেই দিনটোত এজন বন্ধুৱে আনজন বন্ধুলৈ শুভেচ্ছাপত্ৰ উপহাৰ আদি পঠিয়াই বন্ধুত্বৰ এনাজৰিডাল অটুট কৰি ৰাখে। বন্ধুত্ব বজায় ৰাখিবলৈ অনবৰতে উপদেশ দি থাকিব নালাগে। অনবৰতে উপদেশ শুনাৰ ফলত বিৰক্তিৰ সৃষ্টি হয়। "The only way to have a friend is to be one." বন্ধুত্বৰ অবিহনে জীৱনটো অসম্পূৰ্ণ। গতিকে আমাৰ প্ৰকৃত বন্ধুৰ সংখ্যা কমেই হওক; কিন্তু স্থায়ী প্ৰকৃত বন্ধুৰ প্ৰয়োজন।

True friends are like
Diamonds precious and rare...
False friends like autumn
Leaves found every where." ■





# নীৰৱতাৰ ভাষা মিছ ক'ল

✍ অৰূপ জ্যোতি গগৈ
স্নাতক তৃতীয় বৰ্ষ



মবাইল ফোন বৰ্তমান জনজীৱনৰ অত্যাৱশ্যকীয় সামগ্ৰী বুলি অভিহিত কৰিব লাগিব। সাম্প্ৰতিক বিশ্ব মানুহে মবাইল ফোনক পণ্য সামগ্ৰী ৰূপত ব্যৱহাৰ কৰা পৰিলক্ষিত হৈছে। কিন্তু এই মবাইল ফোনৰ পৰা উৎপত্তি হোৱা মিছ ক'ল নামৰ শব্দটোৱে কেতিয়াবা আনন্দ মুখৰ আৰু কেতিয়াবা আমনিদায়ক উৎস হৈ পৰে।

আচলতে মিছ ক'ল মানে মনত পৰা। পাহৰি থকা কাৰোবাক এটা মিছ ক'লে মনত পেলাই নিদিয়েনে? দিওঁতাজনৰো আৰু পাওঁতাজনৰো সোঁৱৰণ হয় পৰস্পৰক। অৰ্থাৎ মিছ ক'ল দিলে Recall হোৱা বুলি কোৱা হয়। আকৌ ধৰক কথাপাতিবলৈ গুৰুত্বপূৰ্ণ একো নাই, কিন্তু মনত পৰিছে গতিকে এটা মিছ ক'ল। কেতিয়াবা ই ইংগিতধৰ্মী অৰ্থও বহন কৰে। যেনে — তুমি মিছ কল এটা দি দিলেই গম পাই যাম। পৰীক্ষামূলক মিছ ক'ল হ'ল — ৰাতি দুই বজাত হোষ্টেলত থকা ভন্তীজনীলৈ মিছ ক'ল দিলো। লগে লগে তায়ো দিলে। তাৰ মানে প্ৰমাণ হ'ল যে, তাই শোৱা নাই।

ইয়াতে এটা কথা মনকৰিবলগীয়া যে মিছ ক'ল দিয়াৰ আগতে ভাবিব তেওঁ এতিয়া কিহত ব্যস্ত। অফিচ টাইমত নে স্কুল - কলেজৰ ক্লাছৰ সময়ত কেতিয়াও মিছ ক'ল নিদিব। খং উঠিব পাৰে। মুঠতে অৱসৰমূলক সময়বোৰ অনুমান কৰি লওঁক আৰু মিছ ক'ল দিয়ক। তেতিয়া দেখিব দুয়োজনৰে আনন্দৰ উৎস হৈ পৰিব সেই মিছ ক'ল।

মিছ ক'ল সাধাৰণতে অচিনাকি মানুহক নিদিব। অচিনাকি নম্বৰৰ মিছ ক'ল আমনিদায়ক হব পাৰে। এনে আমনিয়ে আপোনাক ঘূৰাই অশান্তি দিব পাৰে। আৰু অচিনাকি নম্বৰটোৰ পৰা অসন্তোষজনক মেছেজ পাব পাৰে। আধুনিক বিশ্বৰ কম্পিউটাৰ যুগত মবাইল ফোনৰ ব্যৱহাৰে পৃথিৱীখনক ইমূৰৰ লগত সিমূৰৰ সংযোগ সম্ভৱ হৈছে। অভিমানত মুখ উফন্দাই ঠেহ লাগি থকা, মাত - বোল নাইকিয়া হোৱা সময়ত গুৰুত্ব কমি নাযায় মিছ ক'লৰ। তদুপৰি মিছ ক'লে ইংগিত দিয়ে নীৰৱতা। সেয়ে কোৱা হয় মিছ ক'ল নীৰৱতাৰ ভাষা। ■



# নিসংগতা ঃ

## অতীতৰ ....
## বৰ্ত্তমানৰ ...........
## আৰু ভৱিষ্যতৰ ......

✍ শ্যামন্ত বড়া
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

পশ্চিম আকাশত অস্ত যাবলৈ ধৰা স্তিমিত বেলিটোৰ হেঙুল আভাৰে সপোনৰ চিন্তাক্লিষ্ট মুখখন উজলি উঠিছে। সদায় আবেলি সি এই পাৰ্কখনত বহি থাকে হাতত চিৰসংগী ডায়েৰীখন লৈ। সন্মুখত সাগৰ...........। এই নিৰিবিলি মুহূৰ্তটো সি কেতিয়াও হেৰুৱাব নোখোজে। সৰুতে সি 'সাগৰ দেখিছা' নামৰ কবিতা এটা পঢ়িছিল। সাগৰৰ নীলা জলৰাশি, ৰূপোৱালী বালিচাঁহী আৰু সুৰুযৰ প্ৰথম কিৰণত এসময়ত তাৰ যৌৱন ওথলি উঠিছিল। সি হয়তো আশা কৰিছিল এটা ৰঙীণ জীৱনৰ আগমন তেনে এটা নৈসৰ্গিক পৰিবেশত। কিন্তু.........

বহু কষ্ট কৰি সি আজি উচ্চ শিক্ষা লাভ কৰিছে। কি নাই আজি তাৰ - বিলাসী বাসভৱন, গাড়ী, মাক-দেউতাক, বান্ধৱী সদৃশ বিয়া দিয়া এজনী বায়েক-সকলো আছে। কিন্তু বুকুৰ কোনোবা এটা অংশ তাৰ যেন খালী হৈ আছে মাথো স্মৃতিৰ অনুভৱেৰে। নিজৰ নিসংগতাখিনিক পাহৰি থকাৰ উদ্দেশ্যেৰে সি প্ৰায় গধূলি পাৰ্কত ফুৰিবলৈ যায়। আজিও ব্যতিক্ৰম হোৱা নাই। তাৰ আজি অতীতলৈ খুওব মনত পৰিছে, সেয়ে সি আজি তাৰ হাতত মেলি লৈছে তাৰ স্মৃতিৰ ডায়েৰীখন য'ত আবদ্ধ হৈ আছে তাৰ সমস্ত জীৱন গাথা। বুকুৰ কোনোবাখিনিত খুওব কষ্ট অনুভৱ কৰে সি যেতিয়া পঢ়ে ডায়েৰীখনৰ প্ৰথম পৃষ্ঠাত লিখি থোৱা এটা শব্দ ......... এটা নাম ........ 'নিশা"..........।

....... ....... .......

সেই সময় আছিল সিহঁতৰ কলেজৰ আটাইতকৈ ব্যস্ততাৰ সময়, ফিল্ড ৰিপৰ্টৰ প্ৰস্তুতিৰ সময়। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিজৰ ৰিপ'ৰ্ট বনোৱাত ব্যস্ত। সপোনে অকলে ক্লাচৰূম এটাত বহি লিখি সম্পূৰ্ণ কৰা ৰিপৰ্টটোকে আকৌ এবাৰ পৰীক্ষা কৰি আছিল।

— "এক্সকিউজ্ মি" — ছোৱালী এজনী আগবাঢ়ি আহিল সপোনৰ ওচৰলৈ।

— "এই ফ'টোকপি চোৱাচোন, ফিল্ড ৰিপ'ৰ্টৰ কামত আহিবনে?"

সপোনে তাইৰ হাতলৈ চালে। এজাপ ফ'টো, হয়তো ফিল্ড ৰিপ'ৰ্টৰ।

— "তুমি নিশ্চয় আমাৰ গ্ৰুপৰ, এম আই ৰাইট ?" - হাঁহি এটা মাৰি ছোৱালীজনীয়ে সুধিলে। সপোনে মাথো মুৰ ঘূৰিয়ালে।

— 'বাই দা ৱে, মই নিশা, মিছ নিশাদ্ৰিতা শৰ্মা। মই ফিল্ড ৰিপ'ৰ্টটো বনাওতে অলপ কষ্ট হৈছে। যিহেতু আমি একে গ্ৰুপৰ, যদি তুমি বেয়া নোপোৱা, মোক অলপ সহায় কৰিব ? পিছে তোমাৰ নামটো —"

— "সপোন"— সি লাহেকৈ ক'লে।

এয়ে আছিল নিশা আৰু সপোনৰ প্ৰথম চিনাকি। সেয়া মাথো চিনাকি আছিল নে এক সম্পৰ্কৰ আৰম্ভণি, হয়তো সিহঁতে নিজেও গম নাপালে। দিন বাগৰি গ'ল, সিহঁতৰ বন্ধুত্বই এনে এক গাঢ় ৰূপ ললে যে দুয়ো দুয়োকে নেদেখাকৈ এদিনো থাকিব নোৱাৰা হ'ল। ক্লাচত, বাহিৰত, কেণ্টিনত সকলোতে দুয়োকে দেখা গ'ল। দুয়োৰে মাজত প্ৰবল আকৰ্ষণ, কিন্তু সেই আকৰ্ষণ কিহৰ আছিল? লগৰ বিলাকৰ মাজত সন্দেহৰ সৃষ্টি হ'ল আৰু সেই অনুক্ৰমে এদিন তাৰ বাল্য বন্ধু মানসে সপোনক কৈছিল —

— "সপোন, তহঁতৰ মাজৰ এই সম্পৰ্কটোক এটা নাম নিদিয়া কিয়?" - সিদিনা মানসৰ কথাটোত সি ইমান গুৰুত্ব নিদিলে





কিন্তু পিছত তাৰ অনুভৱ হ'ল। অজানিতে সপোনে বহুত কল্পনা কৰি পেলাইছিল। হৃদয়ৰ কোনোবা এটা কোণত স্থাপিত হৈছিল তাৰ ভাল লগা ছোৱালীজনীৰ প্ৰতিমা। কিন্তু সি কাৰো আগত প্ৰকাশ কৰিব পৰা নাছিল তাৰ অনুভূতি ......... তাৰ অভিব্যক্তি......। তথাপি সি উন্মাদ হোৱা নাছিল আন দহজনৰ দৰে। বাহ্যিক পৃথিৱীখন সি ভালদৰে অনুধাৱন কৰিব পাৰিছিল।

লাহে লাহে সেই অপ্ৰস্ফুটিত প্ৰেম তাৰ হৃদয়তে গোট মাৰিছিল। এনেকৈ তিনিটা বছৰ কেতিয়া পাৰ হৈ গ'ল সপোনে গমেই নাপালে। ডিগ্ৰীৰ ক্লাচ শেষ হৈ গ'ল। তাৰ পাছত সপোন গ'ল নিজ বাটে আৰু নিশা গ'ল নিজ বাটে......... এক সম্পূৰ্ণ বিচ্ছেদ,.............।

....... ....... .......

দিনৰ পাছত মাহ আৰু মাহৰ পাছত বছৰ পাৰ হ'ল। সপোন আগতকৈ পৰিৱৰ্তন হ'ল। কলেজত যেনেকৈ হাঁহি ধেমালি আৰু উৎপাত কৰিছিল এতিয়া যেন সকলো সি পাহৰি গ'ল। এতিয়া সি এম. এচ. চি. ফাইনেল দিব গুৱাহাটী ইউনিভাৰচিটিত। মাহে ৮০০ টকা ভাড়া হিচাপে মেচ এটাত থাকে।

সিদিনা আছিল সোমবাৰ। ৯-৩০ বজাৰ ক্লাচটো শেষ কৰি ছাদলৈ সি এনেয়ে উঠি গ'ল। তাৰপৰা ইউনিভাৰচিটিৰ কাষৰ ধাবাখন স্পষ্টকৈ দেখি। পাৰ্থ, সমৰহঁতে তাতে চাহ খাই আছিল। হঠাৎ তাৰ চকু পৰিল ধাবাখনৰ সন্মুখত বাছৰ বাবে ৰৈ থকা দুজনী ছোৱালীৰ ওপৰত। এগৰাকী সি চিনি পালে — মৃদুস্মৃতা, তাৰ ক্লাচমেট। কিন্তু আনগৰাকীৰ মুখখনো তাৰ চিনাকী যেন লাগিল। হঠাৎ তাৰ মুখৰ পৰা এটা নাম উচ্চাৰিত হ'ল 'নিশা'। সি দৌৰি ছাদৰ পৰা নামি ধাবাখনৰ পিনে আগুৱাই গ'ল।

— "আৰে, সপোন দেখোন, কি খবৰ ?" সপোনক আহি থকা দেখি মৃদুস্মৃতাই মাত লগালে —" ক'ত আছিলানো, ৰাতিপুৱাৰে পৰা তোমাক বিচাৰি হাবাথুৰি খাইছো। অৱশ্যে বিচৰাগৰাকী মই নহয়, নিশাহে......।"

— "ক্লাচ এটা আছিল" - সপোনে উত্তৰ দিলে - "পিছে নিশা, তুমি গুৱাহাটীত যে, কেতিয়া আহিলা, ভালে আছানে?"

— "যোৱা দেওবাৰে আহিলো। গুৱাহাটীত.............."

কথাখিনি আৰম্ভ কৰিবলৈ লওঁতেই হঠাৎ চিটিবাছখন আহি ৰ'লহি।

— "নিশা, তুমি যোৱা, মই পিছৰ বাছখনত গৈ আছো" হাঁহি এটা মাৰি মৃদুস্মৃতাই ক'লে। নিশাইও বাই বুলি কৈ বাচত উঠিল।

— "সপোন, যোৱাকালিৰ পৰা আমি তোমাক বিচাৰি ফুৰিছো, ক'ৰবালৈ গৈছিলা নিকি? বাচখনৰ ফালে ৰ লাগি চাই

থকা সপোনক মৃদুস্মৃতাই সুধিলে।"

— "যোৱাকালি কমতে সোমাই থাকিলো, পিছে তুমি নিশাক কেনেকৈ লগ পালা ?"

— "নিশা মোৰ বাল্যকালৰ বান্ধৱী, যোৱা দেওবাৰে তাই মোৰ ওচৰলৈ আহিছিল, বিয়ালৈ মাতিবলৈ।

— "বিয়া" ঈঙ্গ

— "হয়তো তোমাক লগ কৰাটোও তাইৰ উদ্দেশ্য আছিল। তাই মোক তোমাৰ বিষয়ে সকলো কৈছে। তাই এজনী নিৰ্বোধ ছোৱালী, কথাবোৰ খুলি কব নোৱাৰে। সেয়ে হয়তো তোমাৰ প্ৰতি থকা ভালপোৱাখিনিক তাই প্ৰকাশ কৰিব আজিলৈকে নোৱাৰিলে। তোমাৰ প্ৰতি তাইৰ ভীষণ দুৰ্বলতা আছে। কিন্তু......."

কিবা এটা কব খুজিও যেন মৃদুস্মৃতাই কব নোৱাৰিলে। কি কব খুজিছিল তাই। ৰাতি তাৰ টোপনি নাহিল। মাথো নিশাৰ কথা ভাবি থাকিল আৰু কলেজীয়া দিনবোৰৰ কথা। জীৱনত প্ৰথমবাৰৰ বাবে সন্মুখীন হৈছিল সি এনে এটা পৰিস্থিতিৰ। তাৰ মূৰটো আচন্দ্ৰাই কৰি গ'ল।

...... ...... ......

তাৰ দুদিনৰ পাছত মৃদুস্মৃতাক সি আকৌ লগ পালে। — "সপোন, নিশা গ'লগৈ তোমালৈ এই চিঠিখন দি থৈ গৈছে।"

সপোনৰ মনটো দুখেৰে ভৰি পৰিল। নিশাৰ লগত সি ভালকৈ কথা এষাৰো পাতিব নোৱাৰিলে। ঘৰলৈ আহি সি চিঠিখন মেলি ললে - এখন অসংযত চিঠি ............।

মৰমৰ সপোন....

বহু কষ্টেৰে লিখিলো। মই তোমাৰ সপোনবোৰ জন্মলগ্নতেই নষ্ট কৰিলো। তুমি মোক..........। তুমি জানা মই ঘৰৰ সৰু তথা মৰমৰ ছোৱালী। সেই মৰমখিনিকে নেওচা দিব নোৱাৰি মই বাধ্য হৈ গ'লো.........। তুমি পাৰিলে মোক ক্ষমা কৰি দিবা। তোমাৰ সান্নিধ্যলৈ আহি বহু ৰঙীণ সপোন দেখিছিলো মানসপটত, কিন্তু.........। মোৰ আত্মা সদাই তোমাৰ লগত থাকিব। লোক চক্ষুত মই দুদিনমানৰ পিছতে আনৰ পত্নী হম। পাৰিলে তুমি মোৰ জগতখনৰ পৰা আতৰি যাবা বহু দূৰলৈ য'ত ভালপোৱা আৰু নিস্বাৰ্থ মৰমৰ মূল্য আছে। মই নোৱাৰিলো ...........।

অহা ১২ তাৰিখে মোৰ বিয়া। মই জানো বহুত কষ্ট হব তোমাৰ এইয়া সহ্য কৰাত তথাপি জনালো।

ইতি

দুৰ্ভগীয়া নিশা....

......লুণীয়া সোৱাদ এটা পোৱাৰ পিছতহে সি গম পালে যে সি কান্দিছে। এয়া তাৰ প্ৰথম নিৰ্বাক চকুলো। সি অনুধাৱন কৰিব ধৰিলে নিশা আজি কাৰোবাৰ সুখী পত্নী। হয়তো কিছু সময়ৰ বাবে তাইক সিহঁতৰ অতীতটোৱে আমনি দিব। হয়তো কেইবছৰ মানৰ পাছত তাই সকলো পাহৰি যাবলৈ বাধ্য হব। সন্তান - স্বামীৰে পূৰ্ণ এখন সংসাৰ হব তাইৰ। কিন্তু সপোনৰ প্ৰেম ইমান দুৰ্বল নাছিল। কিয় বাৰু এনে হবলৈ পালে .......? এনে ধৰণৰ অবাঞ্চিত ফল ভগবানে তাক কিয় দিলে?

...... ...... ......

— "মামা, তুমি ইয়াত অকলে বহি কি কৰি আছা?" ভাগিনীয়েক মুনমীৰ মৰমসনা মাতষাৰত হঠাৎ যেন সপোনে সাৰ পালে। এটা দীঘল হুমুনিয়াহ কাঢ়ি সি ডায়েৰীখন একাষে থৈ ভাগিনীয়েকৰ মুখলৈ চালে।

— "মামা, নিশা মামী বাৰু এতিয়া ক'ত থাকে, তুমি বাৰু জানানে ?" — লাহেকৈ সুধিলে মুনমীয়ে। তাই নিশাক দেখা নাই যদিও মাকৰ কথাবোৰৰ পৰাই বুজিছিল সপোন আৰু নিশাৰ সমস্ত জীৱন গাঁথা।

— "চোৱা মাজনী, নিশাক মই ভাল পাইছিলো। আজিও তাই মোৰ হৃদয়ৰ গৰাকী। যাৰ ফলত আজি মই এনেধৰণৰ এক অবিবাহিত জীৱনক আঁকোৱালি লৈছো। মোৰ কোনো আক্ষেপ নাই তাইৰ প্ৰতি ........।"

হঠাৎ সপোনৰ মাত বন্ধ হৈ গ'ল। মুনমীয়ে দেখিলে মামাকৰ চকুলোৱে কাষত থকা ডায়েৰীখন ভিজাই পেলাইছে। সি বোবা মানুহৰ দৰে কেৱল সাগৰৰ দিগন্তলৈকে চাই আছে। চকুহালে যেন কিবা এটা হেৰুৱা বস্তুৰ সন্ধান কৰি আছে ..........।

মুনমীয়ে আৰু মোমায়েকক একো নুসুধিলে। মাথো মোমায়েকৰ কাষত থকা ডায়েৰীখন জপাই দিলে। কিন্তু জপোৱাৰ আগমুহূৰ্তত সেই অৰ্ধ লিখিত ডায়েৰীখনৰ শিৰোনামাটো পঢ়িছিল। তাত লিখা আছিল —

"নিসংগতাঃ অতীতৰ....... বৰ্তমানৰ.......... আৰু ভৱিষ্যতৰ............।"

■ ■ ■





# সেন্দুৰ

✍ মিছ পল্লৱী গগৈ
স্নাতক ১ ম বৰ্ষ

শীতকালৰ পুৱাৰ কোমল ৰ'দচেৰেঙাৰ আমেজ লৈ বহি থকা নিৰ্মলা বৰুৱা এইবাৰ উঠি আহিল। তিতি থকা চুলিতাৰি গামোচাখনেৰে মচি মচি তেওঁ আইনাখনৰ ওচৰত থিয় হ'লহি। আইনাত তেওঁ নিজকে খুটিয়াই খুটিয়াই চাবলৈ ধৰিলে। কপালৰ আগত নগা বং ধৰা তেওঁৰ চুলি কেইডালমানে বাৰ্দ্ধক্যৰ ৰূপটো অলপ দাঙি ধৰিছে। সোঁহাতৰ অনামিকা আঙুলিত সেন্দুৰ অলপ সানি অভ্যাসবশতঃ কপাললৈ তুলি নিয়া তেওঁৰ হাতখন আধাতে ৰৈ গ'ল। একমুহূৰ্ত্তৰ বাবে তেওঁ নিজৰ বুকুৰ ধপধপনি নিজেই শুনি পালে। কপাললৈ তুলি নিয়া হাতখন অৱশেষত তেওঁ লাহে লাহে নমাই আনিলে।



নিৰ্মলা বৰুৱা। এগৰাকী আদৰ্শবান শিক্ষয়িত্ৰী হিচাপে সমাজত তেওঁৰ বিশেষ স্থান আছে। সদা গম্ভীৰ মানুহগৰাকীক সকলোৱে শ্ৰদ্ধা ভক্তি আৰু সমীহ কৰি চলে। তেওঁক যিদৰে সকলোৱে সন্মান কৰে, ঠিক সেইদৰে নিৰ্মলা বৰুৱায়ো সকলোৰে বিপদ-আপদ, সুখ-দুখত সমভাগী হৈ বয়। অনেক গুণমুগ্ধৰ মাজত থাকিও তেওঁ কিন্তু অনবৰতে অনুভৱ কৰে এক বিৰাট শূন্যতা। যি শূন্যতাই তেওঁৰ ভিতৰৰ মানুহজনীক প্ৰতিমুহূৰ্ত্ততে খুলি খুলি খাইছে। তেওঁৰ এই শূন্যতাৰ একমাত্ৰ কাৰণটো হ'ল পাৰ হৈ যোৱা অতীতটো। তেওঁৰ অতীতটোৱে তেওঁক বৰ বেয়াকৈ প্ৰতাৰণা কৰি গ'ল। অতীতৰ স্মৃতিবোৰে সুৰুঙা পালেই তেওঁৰ বুকুৰ মাজলৈ কুৰুকি কুৰুকি সোমাই আহে। যাৰ ফলত এই স্মৃতিবোৰ হৈ পৰিছে তেওঁৰ বাবে কব নোৱাৰা এক বোজা।

অন্য বাকীবোৰ ছোৱালীৰ দৰেই শিৰত দগমগীয়া সেন্দুৰৰ ৰেখ টানি নিৰ্মলাই বৰুৱাৰ চোতালত ভৰি থৈছিলহি। সেইদিনাৰ পৰা নিৰ্মলা গগৈৰ ঠাইত নিৰ্মলা বৰুৱা হৈছিল। পাৰ ভাঙি যোৱা কোনোবা এটা জোনাক নিশাত তেওঁ অমূল্য বৰুৱাৰ সতে যুগ্ম জীৱনৰ পাতনি মেলে। অমূল্য বৰুৱাৰ মৰমবোৰৰ মাজত তেওঁ নিজকে হেৰাই যোৱাৰ উপক্ৰম হ'ল। তেওঁ ধন্য মানিছিল অমূল্য বৰুৱাক পতিৰূপত পায়। কিন্তু এই সুখবোৰ আছিল খুওৱ খন্তেকীয়া। তেওঁ নাজানিছিল যে তেওঁৰ স্বামীৰ মৰমবোৰ আছিল কচুপাতৰ পানীৰ দৰে। স্বামীৰ মৰমবোৰক নিৰ্মলা বৰুৱাই ইজেলৰ বগা কেনভাছত ধৰি ৰাখিব নোৱাৰিলে। যাৰ ফলত অদৃশ্য নিয়তিয়ে স্বামীৰ মৰমবোৰক তেওঁৰ কাষৰপৰা লৈ গ'ল দূৰ দিগন্তলৈ। প্ৰথম অৱস্থাত নিৰ্মলা বৰুৱাই কথাটো ধৰিব পৰা নাছিল। কিন্তু যেতিয়াই তেওঁ প্ৰতি মুহূৰ্ত্ততে অমূল্য বৰুৱাৰ পৰা মৰমৰ মাত এষাৰৰ পৰিৱৰ্তে অনবৰত ঠাট্টা-মস্কৰাপূৰ্ণ কথা শুনিবলৈ পালে তেতিয়াহে তেওঁ অনুভৱ কৰিব পাৰিলে যে তেওঁৰ স্বামীৰ মৰমবোৰ ক্ৰমান্বয়ে কমি আহিছে আৰু তাৰ ঠাইত বাহ লৈছেহি এসোপা বিতৃষ্ণাই। নিৰ্মলা বৰুৱাই অনুভৱ কৰিছিল অমূল্য বৰুৱাই যেন অনবৰতে বেলেগ এখন জগতত বিচৰণ কৰি ফুৰিছিল, যিখন জগত তেওঁৰ বাবে আছিল একেবাৰে অচিনাকী। জোন সৰকা ৰাতিবোৰত বিচনাত বাগৰ দিওঁতে নিৰ্মলা বৰুৱাৰ কষ্ট হৈছিল। হোমৰ জুইক সাক্ষী কৰি গঢ় লোৱা সম্পৰ্কটো হেৰাই যোৱাৰ ভয়ত তেওঁ শেষ নিশা মনে মনে চকুপানী নিগৰাইছিল। আনহাতে তাৰ বিপৰীতে অমূল্য বৰুৱা আছিল একেই, তেওঁৰ প্ৰতি উদাসীন।

শীতৰ সেমেকা এটা নিশাত অমূল্য বৰুৱাই নিৰ্মলা বৰুৱাক অতি আচৰিত কৰি এক অদ্ভুত কাম কৰি পেলাইছিল। অন্যদিনৰ দৰেই গধূলি সময়ত গোঁসাইৰ থাপনাত চাকিখন জ্বলাই নিৰ্মলা বৰুৱাই হৈ যোৱা পৰীক্ষাৰ বহী এজাপ চাই আছিল। ঠিক সেই সময়তে বাহিৰৰপৰা অমূল্য বৰুৱাই মাত দিছিল।

ঃ নিৰ্মলা, দুৱাৰখন খোলাচোন।

তেওঁ গৈ দুৱাৰখন খুলি দিছিল। অমূল্য বৰুৱা বাৰান্দাখনত ৰৈ দুৱাৰখন খোলালৈ অপেক্ষা কৰি আছিল আৰু তেওঁৰ কাষতে ৰৈ আছিল এজনী ছোৱালী।

ঃইমান দেৰী কৰিলে যে; আৰু এওঁ কোন হয়? — নিৰ্মলা বৰুৱাই এই সন্ধ্যা সময়ত এজনী অচিনাকী ছোৱালী সন্মুখত দেখি সুধিলে। কিন্তু পাছমুহূৰ্ত্তে যেন তেওঁৰ পঞ্চ ইন্দ্ৰিয় সজাগ হৈ উঠিল। খং আৰু আশ্চৰ্য্যত নিৰ্মলা বৰুৱা ফাটি পৰিল।

ঃ আপুনি এনে কাম কিয় কৰিলে........ কিয় নিজ পত্নী থাকোতে আকৌ অন্য নাৰীক আপোনাৰ প্ৰয়োজন হ'ল......... আপুনি এনে নিকৃষ্ট মন লৈ জীয়াই আছিল নে ...... বিশ্বাসঘাটক ........ আপুনি মোৰ আশা-আকাংক্ষাবোৰক জ্বলাই দিলে। — নিৰ্মলা বৰুৱাই কান্দি কান্দি কথাবোৰ কৈছিল।

ঃ নিৰ্মলা, এতিয়া কন্দাকটাখন নকৰিবাচোন। ওচৰৰ মানুহে শুনিলে কি বুলি কব।

ঃ শুনক, সকলোৱে শুনক। এনে ঘৃণনীয় কাম কৰিবলৈ যেতিয়া আপোনাৰ লাজ নালাগিল এতিয়া মানুহে শুনিলেও কোনো কথা নাই। মই ..... মই আপোনাক কি দিব পৰা নাছিলো হাঁ, আপুনি যে এইদৰে .........

অমূল্য বৰুৱা অলপ সময় মনে মনে আছিল তাৰপাছত তেওঁ লাহে লাহে কৈছিল —

ঃ তুমি মোক কি দিব পৰা নাছিলা সেয়া সুধিছা নিৰ্মলা। যিয়ে মোক জীৱনত একোৱেই দিব নোৱাৰিলে তেওঁ আকৌ ওলোটাই মোকহে সুধে তেওঁ কি দিব নোৱাৰিলে। শুনা নিৰ্মলা তুমি মোক কি দিব পৰা নাছিলা। তুমি মোক পিতৃত্বৰ সোৱাদ দিব পৰা নাছিলা। বঞ্চিত কৰিছিলা তুমি মোক সেই গৌৰৱৰ পৰা। নোৱাৰিলা তুমি মোক সেই সুখ দিব।

স্তব্ধ হৈ গৈছিল নিৰ্মলা বৰুৱা। স্বামীৰ কথাই তেওঁক বোবা কৰি পেলাইছিল। অমূল্য বৰুৱাই আৰু কি কি কৈছিল তেওঁৰ কাণত সুমুৱা নাছিল। সেই সময়ত এযাৰি বাক্যই মাথোন নিৰ্মলা বৰুৱাৰ কাণত ঘূৰি ঘূৰি বাজিবলৈ ধৰিলে "তুমি মোক পিতৃত্বৰ সোৱাদ দিব পৰা নাছিলা"। কোনো দিনে হাৰ নমনা নিৰ্মলা স্বামীৰ ওচৰত ভীষণভাৱে হাৰি গ'ল। চকুপানীৰে গাৰু তিয়াই সেই নিশা তেওঁ এটাই সিদ্ধান্ত লৈছিল। নাথাকে তেওঁ এই ঘৰত, আতৰি যাব দুয়োৰে জীৱনৰ পৰা। ককায়েক, ভায়েকহঁতে ঠিক কৰি মেলি দিয়া ডিভোৰ্চ পেপাৰত কিন্তু নিৰ্মলা বৰুৱাই চহী কৰা নাছিল। বহুলোকৰ উপস্থিতিত হোমৰ জুইক সাক্ষী কৰি উচ্চাৰণ কৰা মন্ত্ৰবোৰক এটা মাথোন চহীতে শেষ কৰি দিব নিবিচাৰিলে। আয়তীৰ উৰুলীৰে সৈতে শিৰত আঁকি দিয়া সেন্দুৰকণক তেওঁ মচি দিব নুখুজিলে। অমূল্য বৰুৱাৰ কাষৰ পৰা আঁতৰি আহি তেওঁ এটা অকলশৰীয়া জীৱন বাছি ললে। সেই তেতিয়াৰপৰা নিৰ্মলা বৰুৱাই প্ৰতিটো দিনেই শৃংখলাবদ্ধভাৱেই চলায় আহিছে। কিন্তু কালিৰ খবৰটোৱে হঠাৎ তেওঁৰ জীৱনত খেলি মেলিৰ সৃষ্টি কৰিলে।

অন্যদিনৰ দৰেই ন বজাত স্কুললৈ বুলি নিৰ্মলা বৰুৱা ওলাই গৈছিল। স্কুলৰ সন্মুখতে চকীদাৰ জীতেনে তেওঁক লাহেকৈ সুধিলে,

ঃ বাইদেউ খবৰটো পাইছেনে ?

ঃ কি খবৰনো ?

ঃ নেজানে নেকি বাইদেউঙ্গ মানে কালি ছাৰে হাৰ্ট ফেইল কৰিলে নহয়।

জিতেনৰ কথা শুনি নিৰ্মলা বৰুৱা ঠাইতে থৰ লাগিল। তেওঁ হাঁহিব নে কান্দিব একো তৎ ধৰিব পৰা নাছিল। কিন্তু পিছ মুহূৰ্ত্ততে তেওঁ নিজক সংযত কৰি লৈছিল। তেওঁ এতিয়া বহু কথাতে নিজক নিয়ন্ত্ৰণ কৰিব পৰা হৈছে।

পিছে লেঠাটো লাগিল এইখিনিতে। আইনাৰ সন্মুখত উকা শিৰত সেন্দুৰ লবলৈ গৈ তেওঁ ৰৈ যাব লগা হ'ল। ইমানদিনে যিজন মানুহক ঘিণ কৰি আহিছিল, সেইজন হেৰাই যোৱাৰ লগে লগে তেওঁৰ শিৰৰ সেন্দুৰো হেৰাই গ'ল। ইমানদিনে তাৰমানে নিজে নজনাকৈয়ে তেওঁ অমূল্য বৰুৱাক ক্ষমা কৰি আছিল। পুৱাৰ কোমল ৰ'দচেৰেঙা তেতিয়ালৈ তীব্ৰ হৈ উঠিছিল। সেই তীব্ৰ ৰ'দৰ পোহৰ খিৰিকিৰে আহি আইনাত পৰাত তেওঁৰ চকু ছাট মাৰি ধৰিলে। সেই তীব্ৰ পোহৰ সহ্য কৰিব নোৱাৰি নিৰ্মলা বৰুৱা লাহে লাহে উঠি আহিল আৰু পিন্ধি থকা ৰঙা ৰঙৰ শৰীখন খুলি এযোৰ বগা কাপোৰ উলিয়াই ললে।

■■■





# শিল ভঙা মানুহৰ ছোৱালী

মহেন্দ্ৰ বড়া
স্নাতক ২ য় বৰ্ষ, (কলা)

ভিতৰৰ বিচনাত বহি মণিষাই নিৰৱে চকুলো টুকি আছে। এই মুহূৰ্ত্তত তাইৰ জানকীৰ মাকলৈ খুব মনত পৰিছে। কেনেকুৱা আছিল বাৰু জানকীৰ মাকজনী? ঠিক জানকীৰ দৰেই আছিল হবলা। তাইৰ বাৰু মাকলৈ মনত পৰেনে নপৰে? অৱশ্যে নপৰিবও পাৰে। সৰু ছোৱালীৰ কথা। এঘাৰ কি বাৰ বছৰ হৈছেহে। আজি তাইৰ তোলনীয়া বিয়া। আজিৰ পৰা তাই গাভৰু জীৱনত ভৰি দিছে। বয়স হৈ অহাৰ লগে লগে নিশ্চয় মনত পৰিব আৰু উপলব্ধি কৰিব। "হেৰা তুমি ৰভাঘৰত আলহী অতিথিক বহুৱাই ভিতৰত কি কৰি আছাহি? — মণিষাৰ গিৰীয়েক বিজন বৰুৱাই মাত লগালেহি। গিৰীয়েকৰ মাতত তাইৰ চেতনা বাস্তৱলৈ ঘূৰি আহিল। চকুৰ পানী মচি মচি বহাৰ পৰা উঠিল। মণিষাৰ চকুত চকুপানী দেখি বিজনে আকৌ কলে — "অ' ছোৱালী জীয়ৰী হৈছেহে, তোমাৰ দেখোন চকুপানী উলালেই। মানুহবোৰে বাহিৰত তোমাক বিচাৰি আছে।"

ঃ নহয় অ', ক'ৰ ছোৱালী ক'ত আহি গাভৰু হ'লহি, এইটো সময়ত যদি তাইৰ মাকজনী থকা হ'লে ...........

ঃ হব হব। বাদ দিয়া তোমাৰ অযথা কথাবোৰ। বাহিৰত আলহী অতিথিক তামোল-ছালি দি মাত এষাৰ লগাবগৈ লাগে। হ'লা হ'লা। — বিজনে মণিষাৰ মুখৰ কথা কাঢ়ি খৰ-ধৰ লগালে।

জানকী মণিষাহঁতৰ তুলনীয়া জী। এই কথা মণিষাই উপলব্ধি কৰিবলৈ আহৰিয়ে পোৱা নাছিল। বিহু সংক্ৰান্তি আহিলে বজাৰত জানকীৰ কাপোৰ কিনোতে লগৰ চন্দন বৈশ্যই কাৰ ছোৱালীৰ বাবে কাপোৰ কিনিছা বুলি কওঁতে বিজনেতো কৈয়ে দিছিল — "মোৰ সৰু ছোৱালী এজনী আছে নহয়।" তেতিয়া চন্দন বৈশ্যই কৈছিল — "তুমি কি আঁউসীত কাঁচিজোন ওলোৱাৰ কথা কৈছা। তোমাৰ এজনীয়েই ছোৱালী আছিল। তাকো বিয়া দি আজৰিয়ে হ'লা।"

মণিষা আৰু বিজনৰ এটা ল'ৰা আৰু এজনী ছোৱালী। একমাত্ৰ ল'ৰা দীপুৰঞ্জন যোৰহাটত ইঞ্জিনিয়াৰ কৰি আছে। জানকী অহা তিনিবছৰ পিছতেই জীয়েক মনালিচাক বিয়া দিয়ে। নিজৰ জীয়েকক এঘৰলৈ ওলিয়াই দিয়াৰ পাছৰ পৰা এতিয়া জানকীয়ে সেই ঠাই অধিকাৰ কৰি আহিছে। অৱশ্যে মণিষাই নিজৰ জীয়েকতকৈয়ো জানকীক বেছি মৰম কৰি আহিছে। ঘৰৰ সকলো বয় বস্তু ক'ত থাকে জানকীৰ বাহিৰে তাই একোকে নেজানে। এই কেইদিন তাই বস্তুবোৰ বিচাৰি ফুৰিব লগীয়া হৈছে। কাৰণ জানকীয়ে যে চুকত সোমাই আছে। চাৰিদিনীয়া গা-ধুওৱাৰ দিনা তাই শৰাইখন, কলচিটো ক'ত আছে বিচাৰিকে নাপায়। জানকীয়ে তপৰাই মাত লগাই 'মা কলচিটোৱে শৰাইখনে আলমাৰীৰ তলৰ খাপত আছে' বুলি কলতহে বিচাৰি পায়গৈ।

এদিন আগফালৰ বাৰান্দাত বহি মণিষাই জানকীৰ মূৰৰ ওকণী কাঢ়ি থাকোতে ওচৰৰে ৰহিবাই আহি কৈছিল — "তই জানকীক খুব মৰম কৰ ন? তাই যদি কেনেবাকৈ এদিন কোনোবা ল'ৰাৰ লগত পলায় যায়গৈ।" তেতিয়া মণিষাই জানকীক কৈছিল — "তই কেতিয়াও পলাই নেযাবি। তই পলায় গ'লে মই মৰি থাকিম। তোক মই অসমীয়া ল'ৰালৈ বিয়া দিম।" তেতিয়া ৰহিবাইয়ে কৈছিল - "মাক বাপেকৰ পৰিচয় নথকা এজাতি ছোৱালী এজনীক কোন অসমীয়া ডেকাই বিয়া কৰাব?"

ঃ কিয় নকৰাব। আজিৰ দিনত এই পৃথিৱীত নুবুজা নপঢ়া ল'ৰা নাই। এতিয়া সেই জাত-পাত বিচাৰ কৰা আগৰ দিনো নাই। অসমীয়াই বঙালী আনিলে, কছাৰী আনিলে, বিহাৰী, নগা আনিলে; বিহাৰী বঙালীয়ে অসমীয়া নিলে, হিন্দুৱে মুছলমান আনিলে, মুছলমানে খ্ৰীষ্টিয়ান আনিলে। পৃথিৱীত এতিয়া এটাই মানুহ জাতি আছে। মই এইক যিদৰে নিজৰ ছোৱালীৰ দৰে মৰম কৰি ডাঙৰ দীঘল কৰিছো। পৃথিৱীত আজিৰ দিনত এনেকুৱা মানুহ নাই।

সেই দিনা তাইৰ মুখত ইমানবোৰ কথা ক'ৰপৰা ওলালে, তাই নিজেই তবধ মানিলে। হয়তু জানকীৰ বাবেই তাইৰ মুখৰ পৰা ইমানবোৰ কথা নিৰ্গত হ'ল। জানকীৰ প্ৰতি তাইৰ মৰম আৰু দুগুণে চৰা হ'ল। সেই বাবে জানকীৰ অনুপস্থিতি তাইৰ বাবে অসহনীয় হৈ পৰে।

জানকী যিদিনা প্ৰথম ঋতুমতী হয় সেইদিনা মণিষা বিমোৰত পৰাৰ দৰে হ'ল। তাই কি কৰিব এতিয়া। জানকী যে এদিন গাভৰু হব সেই কথা ভবাই নাছিলে। জ্ঞাতি-কুটুমে আহি যেতিয়া ক'লে — "তোৰ ঘৰত আছে যেতিয়া তোৰে ছোৱালী। তোৰ ঘৰত, আমাৰ সমাজখনত থাকি তাই ডাঙৰ দীঘল হৈছে।

তাইৰ মাকজনীহে শিলভঙা এজাতি আছিলে। এতিয়া আমাৰ অসমীয়া নীতি নিয়মেৰে তাইৰ বিয়াখন ধুম-ধামেৰে তোল।

আজিৰ পৰা প্ৰায় সাত বছৰৰ আগৰ কথা। বিজনৰ দুপুৰামান চাহ বাগান আছিল। বাগানত স্থায়ীভাৱে কাম কৰিবলৈ বিজনে মানুহ এজন বিছাৰি আছিল। বিজনে একে অফিচতে কাম কৰা দয়ানন্দ দাসক মানুহ এজন বিচাৰি দিবলৈ কৈছিল। এদিন দয়ানন্দই অফিচৰপৰা আহি শিৱসাগৰৰ এখন লাইন হোটেলত চাহ খাই আছিল। তাতে তেওঁ ডিমাপুৰৰ পৰা তিনিচুকীয়া অভিমুখে আহি থকা দুজনী সৰু ছোৱালীৰ সৈতে এহাল মানুহক লগ পাইছিল। মানুহ হালে কাম বিচাৰি আহিছে বুলি দয়ানন্দই জানিব পাৰিলে। তেনে সময়তে বিজনেও চাহ খাবলৈ বুলি হোটেলখনত সোমাইছিলহি। বিজন, দয়ানন্দইঁতে সেইখন হোটেলতে সদায় দুপৰীয়া আৰু অফিচ ছুটি কৰি চাহ খায়হি। "হেৰি বৰুৱা, আপুনি বাগানত কাম কৰা মানুহ বিচাৰিছিল নহয়, পালেনে নাই?" — দয়ানন্দই বিজনক দেখি কলে।

ঃ নাই, নাই পোৱা। আপুনি কৰবাত পাইছে নেকি?

ঃ পাইছে মানে ? এয়া নহয় আপোনাৰ সন্মুখতে।

তাৰ পাছত বিজনে মানুহ হালক নিজৰ ঘৰলৈ লৈ আহিল আৰু ঘৰৰ কাষতে থকা দুকোঠীয়া বাঁহৰ ঘৰটোত থাকিবলৈ দিলে।

শিলভঙা কাম কৰা মানুহ। বাগানৰ পাত চিঙা, চাফা কৰা, সাৰ দিয়া কামবোৰ কৰি কষ্ট অনুভৱ কৰিলে। দিনৰ দিনটো বহি বহি শিলভঙা কাম কৰিহে সিহঁতে ভাল পায়।

কামবোৰ অসজুৱা, কষ্ট অনুভৱ কৰি পোন্ধৰ দিনমান থাকি যাবলৈ ওলালে। দুদিন মানৰ পিছতে পুনৰ ঘূৰি অহাৰ মিছা প্ৰতিশ্ৰুতি দি টকা পোন্ধৰশ বিজনক খুজিলে। বিজনে সিহঁত হালৰ মতলব বুজি পাই দুটা চৰ্তত পোন্ধৰশ টকা দিম বুলি কোৱাত প্ৰথমে ইতস্ততঃ কৰিছিল। পিছত উপায় বিহীন হৈ চৰ্ত দুটা মানি ললে। চৰ্ত দুটা হ'ল, প্ৰথম ডাঙৰ ছোৱালীজনী সিহঁতৰ ঘৰত থৈ যাব লাগিব আৰু দ্বিতীয় চৰ্তটো হ'ল - গাওঁবুঢ়া আৰু গাওঁৰক্ষী বাহিনীৰ সাক্ষাতে এখন চুক্তিপত্ৰ কৰি থৈ যাব লাগিব। তাৰ পাছত সিহঁতহাল গ'ল যে গ'ল আৰু ঘূৰি নাহিল।

মণিষাই প্ৰথম দুদিনতে অনুমান কৰিছিল যে ছোৱালীজনী মানুহগৰাকীৰ নিজৰ জীয়েক নহয়। নহলে কেতিয়াও অত্যাধিক মাৰপিত নকৰিলেহেঁতেন। সিহঁতহাল যোৱাৰ পাছত মণিষাই জানিব পাৰিলে যে, মানুহগৰাকী ছোৱালীজনীৰ মাহীয়েকহে আছিল। তাইৰ মাকেও ডিমাপুৰত শিলভঙা কাম কৰিছিল। তাইৰ তিনিবছৰমান হওঁতেই মাকৰ বেমাৰত মৃত্যু হৈছিল। তাইৰ ভনীয়েক এজনীও আছিল। মাহীয়েকে তাৰেই নগা এজনক বিক্ৰী কৰিলে কিমানত বিক্ৰী কৰিলে তাই নাজানে। মাহীয়েকে মহায়েকক এৰি তাইক লগত লৈ তিনিচুকীয়ালৈ বুলি পলাই আহিছিল। তাই জনামতে মাহীয়েকৰ ছোৱালীজনী লৈ ফুৰিবলৈ বুলিহে আনিছিল। ডাঙৰ হোৱাৰ পাছত তাইকো কৰবাত বিক্ৰী কৰিলহেঁতেন হয়। আহোঁতে মাহীয়েকে তাইক সাৱধান কৰি আনিছিল যে মানুহে সুধিলে নিজৰ মাক-বাপেক বুলি পৰিচয় দিবলৈ। নহলে হত্যা কৰাৰ ভাবুকি দিছিল।

তেতিয়াৰ পৰাই জানকী বিজনৰ ঘৰতে থাকি গ'ল। বিজনে বুজি পাইছিল যে সিহঁতহাল আৰু কেতিয়াও ঘূৰি নাহে। তাইক স্কুলত নাম লগাই দিলে। নিজৰ ছোৱালীৰ দৰে মৰম কৰিবলৈ ললে। মণিষা আৰু বিজনক মা-দেউতা বুলি কবলৈ শিকালে। আজি তাই সপ্তম শ্ৰেণীত পঢ়ি আছে। মনালিচাক বিয়া দিয়াৰ পাছত তাইৰ সমস্ত কাপোৰ- কানিবোৰ জানকীক চমজাই থৈ গ'ল। ডাঙৰ হ'লে তাই পিন্ধিব। বিজনৰ ভনীয়েকৰ ছোৱালী কেইজনীয়ে কেইবাৰ আহি জানকীৰ পৰা চুৰিদাৰ এযোৰ সৰকাব নোৱাৰিলে। তাই বহুত চালাক হ'ল। মনালিচাই বিয়াৰ আগতে তাইক কৈ গৈছিল — "তই মোৰ কাপোৰ-কানিবোৰ কাকো নিদিবি। ডাঙৰ হ'লে তই নিজে পিন্ধিবি।" সেইদিন ধৰি জানকীয়ে কাকো একো এটা দিয়া নাই।

বিজনৰ ঘৰতেই জানকী যৌৱনৰ দুৱাৰ দলিত ভৰি দিলে। আজি তাইৰ বিয়া। তুলনী বিয়া। বেইত গা-ধুৱাই জানকীক ৰভাঘৰৰ মাজত বহুৱাই আয়তী সকলে বিয়ানাম জুৰিছে। একমাত্ৰ ককায়েক দীপুৰঞ্জন আৰু সম্বন্ধীয় ককায়েক ভায়েকসকলক বিয়ানামৰ সুৰেৰে শৰাই জুৰিছে। আনন্দমুখৰ পৰিবেশ সৃষ্টি কৰিছে। কিন্তু তাইৰ মন বিষন্নতাৰে আৱৰা। কাৰণ তাইৰ বায়েক মনালিচা এতিয়াও আহি নাপালে। মনালীছাক তাই খুব ভাল পায়। মনালিচাইয়ো তাইক খুব মৰম কৰে। বায়েক নহাত তাইৰ চকু সেমেকা হৈ উঠিছে। কান্দো কান্দো অৱস্থা। তাইৰ অৱস্থা দেখি দেউতাকে সুধিলেহে — 'তুমি কিয় কান্দিছা।'

ঃ বাইদেউ এতিয়াও আহি নাপালেহি কিয় দেউতা?

ঃ বাইদেউৱে মোলৈ ফোন কৰি জনালে যে তাই বিশেষ অসুবিধা হোৱাৰ বাবে আজি আহিব নোৱাৰে। সেইবাবে তাই তোমাক কালিলৈ দেখা কৰিবহি আৰু উপহাৰটো দিবহি।

তথাপিও তাই আজিৰ দিনটোতহে বায়েকক বিচাৰে। কালিলৈটো বিয়া ভাঙিব। তেনে বিষন্নতাৰ মাজতো তাইৰ মনে এটা কথা উপলব্ধি কৰিছে যেন তাই নৰকৰ পৰা উদ্ধাৰ পাই স্বৰ্গত স্থান পাইছে।

■■■





# আনন্দৰ চকুলো

✍ স্মৃতা বৰুৱা
স্নাতক প্ৰথম বৰ্ষ (কলা)

*"প্ৰেমৰ কথাতো আনক ক'ব নোৱাৰি*
*নিশ্বাসৰ দৰে নিঃশব্দে ই যেন বিচাৰি ফুৰে*
*শব্দ, বৰ্ণ আৰু পোহৰৰ উৎস।"*

*—হীৰেণ ভট্টাচাৰ্য*

সুপ্ৰীতিয়েও আজিলৈকে কাকো তাইৰ প্ৰেমৰ কথা ক'ব নোৱাৰিলে। আনকি তাই গোপনে ভালপোৱা স্বপ্নীলকো ক'ব নোৱাৰিলে তাই তাক ভালপোৱাৰ কথা। এনেকৈয়ে থাকি গ'ল তাইৰ মনৰ কথা মনতে। তাইৰ মনটোও এসময়ত শৰতৰ স্নিগ্ধ শেৱালিৰ পাহিটিৰ দৰেই আছিল; কিন্তু আজি তাইৰ মন আকাশ আৱৰিছে বিষাদে। কাৰণ তাইক চাবলৈ কাইলৈ ল'ৰাঘৰৰ মানুহ আহিব। বিষাদভৰা মনেৰে আগফালৰ বাৰান্দাত বহি সুপ্ৰীতিয়ে দূৰৈৰ বিস্তীৰ্ণ নীলা পাহাৰলৈ দৃষ্টি নিক্ষেপ কৰি ভাবিছে তাইৰ মৰমৰ স্বপ্নীলৰ কথা। স্বপ্নীলৰ কথা ভাবি তাই ঘূৰি গ'ল অতীতৰ সেই মৌসনা দিনবোৰলৈ আৰু স্মৃতিৰ মণিকোঠাত দেখিবলৈ পালে বহুতো ৰঙৰ সোণালী সম্ভাৰ..........

পংকজ দুৱৰা আৰু সুলেখা দুৱৰাৰ একমাত্ৰ কন্যা সুপ্ৰীতি। সৰুৰে পৰা তাইৰ অভাৱৰ লগত কোনো পৰিচয় নাছিল। কাৰণ তাইৰ দেউতাক আছিল এজন সফল প্ৰতিষ্ঠিত ব্যৱসায়ী। আৰু একমাত্ৰ কন্যা হিচাপে তাই যি বস্তুৱেই দাবী কৰিছিল সেই সকলোবোৰেই পাইছিল। এদিন দুদিনকৈ তাই কৈশোৰ, শৈশৱ পাৰ হৈ যৌৱনত ভৰি দিলে। নৱবৰ্ষৰ নতুন দিনৰ সোণোৱালী অনুভৱবোৰৰ দৰে যৌৱনৰ আগমনো মানৱ জীৱনৰ এক [illegible] অভিজ্ঞতা। যৌৱন আহে সংগোপনে, যাৰ ৰূপালী সংস্পৰ্শত অজানিতে হৃদয়ৰ গভীৰতাত প্ৰেমৰ দীপ্তিময় বন্তি জ্বলে আৰু যৌৱনৰ স্নিগ্ধ-ৰঙীণ আলোকে কঢ়িয়াই আনে প্ৰেমৰ [illegible]।

সুপ্ৰীতিও ইয়াৰ ব্যতিক্ৰম নহ'ল। যৌৱনৰ দুৱাৰডলিত তাই লগ পালে স্বপ্নীলক। প্ৰথমতে বন্ধুত্বৰ এনাজৰীৰেই তাই স্বপ্নীলৰ সৈতে বান্ধ খাই আছিল। কলেজত তাৰ বাদে আন কাৰো সৈতে তাই কথা পতা নাছিল। সেই বাবে কলেজৰ বহুতে তাইক অহংকাৰী বুলিয়েই ধৰি লৈছিল। লাহে লাহে সুপ্ৰীতিয়ে অনুভৱ কৰিবলৈ ধৰিলে তাই যেন স্বপ্নীলৰ প্ৰেমত পৰিছে। কিন্তু কোনোদিন তাই এই কথা স্বপ্নীলৰ আগত ব্যক্ত কৰিব নোৱাৰিলে। এনেদৰে কলেজীয়া শিক্ষা সাং কৰি আন বহুতৰ দৰে সিহঁতেও ইটোৱে সিটোৰ পৰা বিদায় লৈ ঘৰলৈ আহিল। আহিবৰ পৰত তাই দেখিছিল স্বপ্নীলৰ চকুৰ কোণত চকুপানী। আবেগত তাই একো ক'ব পৰা নাছিল। মাথো তাই এইযাৰ কথাই কৈছিল — "মাজে সময়ে মোলৈ ফোন কৰিবা।" স্বপ্নীলেও ফোন কৰাৰ প্ৰতিশ্ৰুতিৰে তাইৰ পৰা বিদায় ললে। ঘৰলৈ আহি তাইৰ মনটো অস্থিৰ হৈ পৰিল। একোতে মন বহাব পৰা নাই। কিবা এটা কৰিবলৈ ল'লেও স্বপ্নীলৰ মৰমলগা মুখখনিহে তাইৰ চকুৰ আগত ভাঁহি উঠে।

এনেদৰে এটাৰ পিছত আন এট দিন অতিক্ৰম কৰি গৈ থাকোতে এদিন সিহঁতৰ ৰিজাল্ট দিলে। দুয়োটাই প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। ইয়াৰ পিছত স্বপ্নীল বিদেশলৈ গুচি গ'ল পঢ়িবৰ বাবে আৰু তাই গুৱাহাটীত আইন পঢ়িবলৈ ল'লে। লাহে লাহে স্বপ্নীলৰ সৈতে তাইৰ যোগাযোগ হেৰাই গ'ল। স্বপ্নীলৰ ফোন এটাৰ বাবে তাৰ মুখৰ এটা কথা শুনিবৰ বাবে তাই বৰ আগ্ৰহেৰে

ৰৈ থাকে; কিন্তু এদিনো ফোন নাহে। তাইৰ আনমনা লক্ষণ মাক সুলেখাইও লক্ষ্য কৰিছে। সেয়ে মাকে সুপ্ৰীতিক সুধিয়েই পেলালে। নুসুধিলেও নহয় কাৰণ কাইলৈ তাইক চাবলৈ ল'ৰাঘৰৰ মানুহ আহিব। ল'ৰাজন ইঞ্জিনীয়াৰ। মাকৰ কথা শুনি সুপ্ৰীতিয়ে স্বপ্নীলক লগ পোৱাৰ পৰা আদি কৰি সকলো কথা মাকৰ আগত ব্যক্ত কৰিলে। তাইৰ কথা শুনি মাকে এটি মিচিকীয়া হাঁহি মাৰি একো নকৈ তাৰ পৰা আঁতৰি গ'ল। মাকে তেনেকৈ হাঁহি আঁতৰি যোৱাত তাইৰ বেছি দুখ লাগিল। তাইৰ দুচকুৰে তপত অশ্ৰু বাগৰি আহিবলৈ ধৰিলে। ক্ৰমে সূৰ্য্য অস্ত যোৱাৰ লগে লগে পৃথিৱী আন্ধাৰে গ্ৰাস কৰিলে আৰু তাইও একো নাখাই বিছনালৈ গৈ হ'বলগা ঘৰখনৰ বিষয়ে ভাবিবলৈ ধৰিলে। লাহেকৈ টোপনিয়ে তাইৰ চকুৰ পতা জপাই আনিলে। যিমানে তাই মনৰ মানুহজনৰ অৱয়বটো কল্পনা কৰে, সিমানে তাইৰ চকুত ভাঁহি উঠে স্বপ্নীলৰ মুখখনি। তাৰ পিছত তাই এফালে স্বপ্নীল আৰু আনফালে হ'বলগা স্বামীৰ কথা ভাবি টোপনি গ'ল।

পিছদিনা চৰাইৰ কাকলিত তাই সাৰ পালে। সাৰ পাই সুপ্ৰীতিয়ে বিষাদগ্ৰস্ত মনেৰে বাথৰুমৰ ফালে আগবাঢ়ি গ'ল।

পুৱাৰে পৰা ঘৰখনত এটি হুলস্থুলীয়া পৰিবেশ বিৰাজ কৰিবলৈ ধৰিলে। দহবজাত ল'ৰাঘৰৰ মানুহ পোৱাহি কথা। সময় যিমানে আগবাঢ়ি গৈছে সুপ্ৰীতিৰ হৃদয়খনো সিমানে শোকে খুন্দা মাৰি ধৰিছে। বাৰে বাৰে তাইৰ মনটো উৰি গৈছে স্বপ্নীলৰ কাষলৈ।

এইদৰে ভাবি থাকোতে তাই চাহ-জলপানৰ ট্ৰেখন লৈ আলহী বহি থকা ঠাইলৈ আগবাঢ়ি গ'ল। ল'ৰাৰ মাকে তাইক বহুকথা সুধিলে। তাইও অতি নিৰ্জুভাৱে উত্তৰ দি গ'ল। শেষত ল'ৰাৰ মাকে তাইক বিয়াত সন্মতি আছেনে নাই সুধিলে। তাই অতি দুখেৰে সন্মতি দিলে। যোৱাৰ পৰত ল'ৰাৰ বৌৱেকে তাইৰ লগতে ঘৰৰ আন মানুহখিনিকো ল'ৰা দেওবাৰে অহাৰ কথা কৈ গ'ল।

এইদৰে এদিন দুদিনকৈ দেওবাৰ দিনটো পালেহি। সেইদিনা তাই সোনকালে উঠি ড্ৰয়িং ৰুমটো সাৰি মেলি কেইপাহমান ৰজনীগন্ধাফুল আনি টেবুলৰ ওপৰত থকা ফুলৰ টাবটোত থ'লে। ফুলকেইপাহ সযতনে থৈ তাই গা-ধুবলৈ গ'ল। গা-ধুই আহি সুপ্ৰীতিয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই আকাশী ৰঙৰ পাটৰ কাপোৰযোৰ পিন্ধিলে। কপালত সৰু ফোঁট এটি লৈ চুলিটাৰি ফণিয়াই ৰুমৰ পৰা ওলায়েই তাই এখন গাড়ী ৰোৱাৰ শব্দ শুনিবলৈ পালে। গাড়ীৰ শব্দ শুনি সুপ্ৰীতিয়ে পদূলিৰ ফাললৈ চাই আচৰিত হৈ গ'ল। এয়াচোন তাইৰ মৰমৰ স্বপ্নীল। দুহাতে এটা বেগ লৈ সিহঁতৰ ঘৰলৈকে সোমাই আহিছে। তাৰমানে ........ সিদিনা তাইক চাবলৈ অহা মানুহখিনি স্বপ্নীলৰ ঘৰৰহে মানুহ আছিল। স্বপ্নীলৰ কথা মাকক কওঁতে মাকে মিচিকীয়া হাঁহি মাৰি কিয় আঁতৰি গৈছিল তাই এতিয়াহে বুজিলে। এক নুবুজা আনন্দত তাই দুচকুৰেদি দুধাৰী অশ্ৰু বৈ আহিল। সেই অশ্ৰু আছিল হেৰাই যোৱা জনক পুনৰ কাষতে পোৱাৰ আনন্দৰ চকুলো। ■







# হৃদয়ৰ কৰুণ বিননি

✍ বিদ্যুৎ বৰুৱা
স্নাতক তৃতীয় বৰ্ষ (কলা)

সময় তেতিয়া প্ৰায় পাঁচ বাজিছিল। ঠিক সেই সময়তে হোষ্টেলৰ কৰিড'ৰৰ খটখটিত অৰূপে বৰ চিন্তাক্লিষ্ট ভাৱে বহি থাকেতেই কেতিয়ানো "আন্ধাৰ" নামৰ পোহৰ বিনাশী দৈত্যটোৰ পৃথিৱীলৈ আগমন ঘটিল ক'বই নোৱাৰিলে। তাৰ ৰুমমেট প্ৰমোদৰ চিএওৰত ভাৱসাগৰৰ মাজতে জাহাজ খন বৈ গ'ল। লাহে লাহে সিটো মূৰৰ ৰুমৰ পৰা কিছুমান দুখৰ অস্পষ্ট সুৰ আৰু গিটাৰৰ টুং টুাং শব্দ ভাঁহি আহিছে।

সি মনত পেলালে "বিজন' নামৰ ল'ৰাটোৰ কথা। চাওঁতে চাওঁতে হোষ্টেলৰ সকলোকেইটা ল'ৰা বাহিৰলৈ চাহ খাবলৈ নতুবা আন কিবা কাৰণত ওলাই গ'ল। হোষ্টেলৰ আন আবাসীসকলৰ দৰে বিজনেও কাকো একো নোকোৱাকৈ নিঃশব্দে বাহিৰলৈ ওলাই গৈছে, হয়তো তাৰ চিগাৰেট শেষ হৈছে। কিন্তু অৰূপে আজি তাৰ ৰুমমেট সহপাঠী বিজনৰ নামত মনোৰম সন্ধিয়াটো নিৰৱে পাৰ কৰিবলৈ মন গ'ল। সি এইবাৰ ৰুমলৈ আহি বিছনাত পৰি আকৌ ভাবিব ধৰিলে "বিজন" নামৰ ল'ৰাটোৰ অতীতৰ কিছুমান ব্যথাভৰা স্মৃতি। সি দেখাৰ পৰা চোন ল'ৰাটো ভালেই আছিল। কিন্তু কিছুদিনৰ পৰা অলপ সলনি হ'ব ধৰিছে। "বিজন" নামৰূপৰ কোনোৱা এখন ভিতৰুৱা গাঁৱৰ পৰা সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ এই কলেজত নামভৰ্ত্তি কৰি হোষ্টেলৰ আবাসী হৈ পৰিছিল।

কলেজৰ সিপাৰৰ গাৰ্লচ হোষ্টেলত চাহ খোৱাৰ বেল বাজিছে। তথাপিও সি তাৰ মৰমৰ বন্ধুৰ সাম্প্ৰতিক জীৱনৰ কথা ভাবি সময় অতিবাহিত কৰিছে। প্ৰথমতে সি তেনেকুৱা নাছিল। সকলোৰে লগত হাঁহি - ধেমালি, খেলা-ধূলা কৰা আড্ডাবাজ ল'ৰাটো হঠাতে কিয় এনেকুৱা পৰিৱৰ্ত্তন হ'ল ভাবি নাপালে। অৰূপে আকৌ দুদিনমান আগৰ তথা এইবছৰৰ বিজনৰ এটা ঘটনালৈ মনত পেলালে। বিজন আৰু তাৰ লগৰ বান্ধৱী কাব্যশ্ৰীৰ ভনীয়েক "কাজৰী" নামৰ এজনী ছোৱালী কলেজলৈ আহি হোষ্টেলত থাকিবলৈ লৈছিল। প্ৰথমতে তাইক চিনিপোৱা নাছিল সি। সেয়ে সদায় স্ফূৰ্তিত থকা বিজনে লগৰবোৰৰ আগত বা কাজৰীৰ লগৰকেইটাৰ আগত ধেমালিতে তাইৰ কথা উলিয়াইছিল। ঠিক কেইদিনমানৰ পিছত কলেজৰ কোনোৱা এটা অনুষ্ঠানত গতানুগতিকভাৱে তাইৰ লগত প্ৰথম দেখা হৈছিল। তেনেকৈ এদিন ঘৰলৈ তাই হঠাৎ যাবলৈ ওলাওঁতে তাৰ জুনিয়ৰ এটাৰ সহায়ত প্ৰথম চিনাকী ঘটিছিল। কি জানো ভাল লাগিছিল বিজনৰ প্ৰথম চিনাকীতেই "কাজৰী" নামৰ ছোৱালীজনীক।

ওচৰৰ মছজিদৰ পৰা মাইকত আজান দিয়াৰ শব্দ ভাঁহি আহিছে। চকু মেলি সি দেখিলে বিজনে হাতত চিগাৰেট লৈ অৰ্থনীতিৰ তত্ত্ব পঢ়াত ব্যস্ত। সকলোৰ দৰে বিজনৰো হাঁহি হাঁহি গতানুগতিকভাৱে দিনবোৰ পাৰ হৈছিল। লাহে লাহে তাৰ কাজৰীৰ লগত বেছি ঘনিষ্ঠতা বাঢ়ি আহিব ধৰিলে। নিজৰ ক্লাছকেইটা ফাঁকি দি হ'লেও তাইৰ লগত কথা পাতিব ধৰিলে আমাৰ অজ্ঞাতে। এনেদৰেই এদিন সি তাইৰ আগত প্ৰেমৰ প্ৰস্তাৱ দাঙি ধৰিলে এখন চিঠিৰ জৰিয়তে। কিন্তু, বিজনে যি আশা কৰিছিল, সেয়া যেন নিৰাশাৰ বৰযুণ তাইৰ ওঁঠৰ ফাঁকেৰে বাগৰি আহিছে। কাজৰীৰ মুখৰ পৰা নেতিবাচক কথাবোৰ শুনাৰ লগে লগে কাণ মূৰ গৰম হৈ কিদৰে বিছনাত পৰিছিলহি সেয়া একমাত্ৰ সি আৰু আমাৰ ৰুমৰ কেইটাইহে জানিছিলো।

ৰান্ধনীঘৰত ভাত খোৱাৰ বেল বাজিছে। আজি দেখুন অৰূপৰ ভাত খাবলৈও মন যোৱা নাই। সি আকৌ ভাবিব ধৰিলে তাৰ বন্ধুৰ জীৱনৰ প্ৰেমৰ কৰুণ পৰিণতিৰ কথা। যিদিনাৰ পৰা সি বঞ্চিত হ'ল সঁচা প্ৰেমৰ পৰা সিদিনাৰ পৰা সি নিজকে বহুত সলনি কৰি দিলে। লগৰবোৰ তথা হোষ্টেলৰ ল'ৰাকেইটাৰ সৈতে সামান্য কথাতে তৰ্কাতৰ্কি আৰু বিশেষকৈ ৰাগিয়াল বস্তুৰ প্ৰতি তাৰ

আসক্তি দিনে দিনে বাঢ়ি আহিব ধৰিলে। কিন্তু বিজনৰ এটা কথা সি বুজিব নোৱাৰিলে কিয় সি নেতিবাচক প্ৰত্যুত্তৰ দিয়া ছোৱালীজনীক নেদেখিলে থাকিব নোৱাৰে। লগৰবোৰৰ লগত কথা নাপাতিলেও তাইৰ লগত হাঁহি হাঁহি কথা পাতিব পাৰে। ভাৱি ভাৱি আঁত বিচাৰি নাপালে অৰূপে। তাৰ এনে লাগিল ছোৱালীবোৰ যে কি? বিজনৰ কি নাছিল, পঢ়া-শুনা নে, কথা-বতৰা বেয়া আছিল। সিটো ঘৰৰ একমাত্ৰ সন্তান আছিল। নাথাকিব পাৰে তাৰ বেংকত মোটা অংকৰ ধন, নাইবা দামী ম'বাইল চেট, কিন্তু তাৰো আনৰ দৰে আছে অকৃত্ৰিম মৰম ভালপোৱা তথা এমুঠি বিশ্বাস জন্মাব পৰা এখন হৃদয়। সি তাইৰ পৰা বিশেষ একো বিচৰা নাছিল। মাথো তাইৰ পৰা তাইক আৰু অলপ সঁচা মৰম আৰু এমুঠি বিশ্বাস।

টং টং। ৰাতি দুই বজাৰ সংকেট ধ্বনি কলেজৰ নৈশ চকীদাৰ বসন্তদাৰ কোবাল হাতৰ পৰশত বাজি উঠিছে। লাহে লাহে হোষ্টেলৰ ল'ৰাবোৰ নিদ্ৰাদেৱীৰ কোলাত বাগৰি পৰিছে। কিন্তু বিজন এই ঠেটুৱা ধৰা জাৰতো সাৰ পাই আছে এহাতে জলন্ত চিগাৰেট লৈ কিতাপত চকু থৈ ভাৱ সাগৰৰ অতল গহ্বৰত। অৰূপৰো লাহে লাহে টোপনিয়ে আগুৰি ধৰিছে। তাৰ কথাবোৰ ভাৱি মনটো অৱশ অৱশ লাগিল। সি আশা কৰিলে "বিজন" নামৰ ল'ৰাটো ভাল হোৱাৰ লগতে ভৱিষ্যতৰ কণ্টকময় পথত সোণালী খোজ দিয়ক। তাৰ সপোনৰ পৰী "কাজৰী"য়ে তাৰ প্ৰেমৰ করুণ বিননি উপলব্ধি কৰাৰ লগতে তাৰ জীৱনলৈ উভতি আহক। এনেবোৰ অজস্ৰ কামনা তাৰ প্ৰিয় বন্ধুৰ বাবে দান কৰিবলৈ শেষ নিশা ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই টোপনি যাবলৈ চেষ্টা কৰিলে।

■ ■ ■

## অলপ হাঁহো আহা

প্ৰণৱ গগৈ

১। এদিন দেউতাকে পুতেকলৈ চোলা আনিবলৈ বজাৰলৈ গৈ খালী হাতেৰে ঘূৰি অহা দেখি পুতেকে সুধিলে - দেউতা চোলা নানিলা যে? দেউতাক — নাই সোণটো, আজি বজাৰত মানুহ তেনেই কম, সেয়ে আনিবলৈ সুবিধাই নাপালো।

২। প্ৰেমিক আৰু প্ৰেমিকা দুয়ো কথাবাৰ্তাত প্ৰেমিকাই কলে — স্বকলো পুৰুষ পশুৰ দৰে।
প্ৰেমিক - তেতিয়া হ'লে মহিলাসকল কি হব বাৰু ?
প্ৰেমিক - অ' ...... মহিলাসকল পশুপ্ৰেমী হব আক।

৩। এজন গৰখীয়াই এজন লৰাক সুধিলে, ঐ লৰা এই গৰুজনী কাৰ জাননে?
লৰা - নাজানো। কিন্তু পোৱালিটো কাৰ সেইটো জানো।
গৰখীয়া - কাৰ।
লৰা - এই গৰুজনীৰ।

৪। এজন শিক্ষকে যদুক সুধিলে ঐ যদু তই ক'চোন আকবৰ কিমান চনত সিংহাসনত বহিছিল।
যদু - নাজানো চাৰ।
শিক্ষক - নাজান। সেইটো দেখোন আকবৰৰ নামটোৰ লগতে চনটো লিখা আছে।
যদু - অ' দেখিছো চাৰ, সেইটো আক মই আকবৰৰ ফোন নম্বৰ বুলিহে ভাবিছিলো।

৫। এজন পুলিচে এটা চোৰক জেৰা কৰি আছে।
পুলিচ - তই একেখন দোকানৰ পৰাই দুবাৰকৈ চুৰ কৰিছিলি কিয়?
চোৰ - দোকানৰ সন্মুখত কি লিখা আছে চাই আহকগৈ।
পুলিচ - মই চালো যেনিবা, তই কচোন কি লিখা আছিল।
চোৰ - তাত লিখা আছিল - ধন্যবাদ আকৌ আহিব।







# উজাগৰি সপোনৰ পৰিসমাপ্তি

জেউতী বৰগোহাঁই
স্নাতক, বুৰঞ্জী বিভাগ

আবেলিৰ সময়ত ল'ৰা - ছোৱালী কেইটামানক টিউচন শেষ কৰি সোণপাহীয়ে হাতত "অসীমত যাৰ হেৰাল সীমা" নামৰ উপন্যাস খন লৈ বাৰান্দাৰ এচুকত পঢ়ো বুলি পাত লুটিয়াইছিলহে তেনেতে লোহাৰ গেটখনৰ শব্দ শুনি মূৰ তুলি চালে। চায়েই আচৰিত হ'ল দেউতাকটো এইমাত্ৰ বজাৰ কৰিবলৈ ওলাই গৈছিল অথচ বজাৰ নকৰি ইমান সোনকালে ......... তাকো লগত অচিনাকী যুৱক এজন.......। কথাকেইষাৰ ভাৱি থাকোতেই দেউতাকহঁতনো কেতিয়া ইমান ওচৰ পালেহি তাই ততেই ধৰিব নোৱাৰিলে। দেউতাকৰ মাতত হে সম্বিৎ ঘূৰি আহিল।

ঃ পাহী এওঁক চিনি পোৱা নাই নেকি? পাহৰিলা; কিয় আজাৰ সেই ৰমনপুৰ গাঁৱৰ মহেশ্বৰ দাইটিৰ পুতেক ৰঞ্জন বাপু নহয় নেকি? যোৱা বহিবলৈ দিয়াগৈ, মই আক বজাৰলৈ যাওঁতে বাট দোকানৰ আগত মোৰ নাম কৈ মোকেই সুধিলে নহয়। সোধপোছ কৰাত হে জানিব পাৰিলো, পিছে মই পুনৰ বজাৰলৈ যাওঁ দেই, ৰঞ্জনলৈ চাই ঃ বোপা তুমি বহা গৈ যোৱা, আহিহে কথা হম। কৈয়ে বালেক আতৰি গ'ল। পাহীয়ে দেউতাকৰ কথাকেইটা শুনিয়েই ৰঞ্জনৰ মুখলৈ একেথৰে চাই ৰ'ল। এৰা অতীতৰ ৰঞ্জনটোৰ এতিয়াৰ ৰঞ্জনৰ লগত একোৱে মিল নাই। বগা, ওখ, শকত আৰু মুখমণ্ডলত ডাঙৰ অলপ ওলোৱা দাড়িয়ে ৰঞ্জনৰ সুঠাম দেহ বাৰুকৈয়ে শুৱনি কৰিছিল। সেয়ে তাই তাক চিনাত অসুবিধা হৈছিল। অতীতৰ এল. পি. স্কুলত লগপোৱা আৰু খেলা-ধুলা কৰা লগৰীক ইমান দিনৰ মূৰত ইমান ওচৰত পাই তাইৰ আনন্দৰ সীমা নোহোৱা হৈছিল। তাইতো কাহানিও ভৰা নাছিল তাই তাক লগ পাব, তথাপি পুৱাৰ শৰতৰ শেৱালি বুটলি ভগৱানৰ ওচৰত সদায় প্ৰাৰ্থনা কৰিছিল, শেষ ইচ্ছা কৰিছিল তাক এবাৰ চাবলৈ। তাইৰ উপলব্ধি হ'ল তাইৰ প্ৰতি ভগৱানৰ যেন আজিহে দয়া হ'ল।

ঃ পাহী, এনেদৰে ৰাখিবা নেকি? ভিতৰলৈ নামাতা? তাৰ মাততহে তাইৰ চেতনা আহিল। লাজতে থত্ মত্ মাতেৰে কলে - অ......... আ............ আহক। ড্ৰয়িং ৰুমত বহিবলৈ কৈয়ে তাই ভিতৰলৈ সোমাই গ'ল। ৰঞ্জনে ৰুমত বহিয়ে চাৰিওফালে ভালকৈ চকু ফুৰালে। এটা পৰিপাটি কোঠা য'ত পাহীৰ স্পৰ্শ পোৱা সকলোবিলাক বস্তুৱেই সুন্দৰকৈ সজায় থোৱা আছে। কান্ধত লৈ অহা বেগটো লাহেকৈ বিচনাত ৰাখিলে। কিবা এটা মনত পৰাৰ দৰে বেগৰ চেইনডাল খুলিবলৈ লওঁতে পাহী অহাত পুনৰ বন্ধ কৰি তাইলৈ চালে। পাহীজনী সঁচায় কিমান যে ডাঙৰ হ'ল। এতিয়া হয়তো অলপ গহীন হ'ল যিহেতু ডাঙৰ হৈছে। আগতে কিমান যে চঞ্চল আছিল গোটেইজনী শালিকী জনীৰ দৰে ওৰে দিনটো মোৰ লগতেই মাৰ্বল, কচুগুটি, চোৰা-চুৰি খেলি জপিয়াই ফুৰে। কথাষাৰ ভাৱিবলৈ পালেহে তাই চফৰ টেমাটো টেবুলত থৈ তাৰ ওচৰতে বহি তালৈ ঘোপাকৈ চাই কলে যেন বহুদিনৰ আখেজ পূৰাবলৈ আছে।

ঃ কি হ'ল? ভাল মনত পৰিল আহিবলৈ। ক'ত গৈছিলা ইমান দিন, অন্তত খবৰ এটাটো লব পাৰা। গাঁৱৰ পৰা আহিলো যি আহিলো যি একেবাৰে অন্তৰৰ পৰাই উলিয়াই পঠালা। ইমানদিন পদুলিলৈ চাই চকু বিষাল। মই খবৰ কৰিলেও তোমাৰ কোনো সন্ধানেই নাপাও। মই তো ভাৱিছিলো তুমিতো মোক পাহৰিলাই.....। ভাবিছিলো তোমাক যদি কৰবাত লগ পাওঁ,

তোমাক খুওব .......... ঘুচিয়াম.......... কিন্তু ইমানদিনৰ অভিমানৰ কথাখিনি কৈ পাইয়ে তললৈ মূৰ কৰি চকুক বাধা দিব নোৱাৰি হুক হুকাই কান্দি উঠিল। পাহীৰ কাণ্ড দেখিতো সি আচৰিত ........ তাৰমানে পাহীৰো তাৰ দৰে অৱস্থা। সি ভবাই নাছিল পাহীয়ে যে তাৰ বাবে এতিয়াও অপেক্ষা কৰি আছে। তাৰমানে তাৰ অতীতৰ পাহী তাৰেই হৈ আছে। কথাষাৰ ভাবি তাৰ আনন্দও লাগিল কিন্তু দুখো লাগিল। তাইৰ কান্ধত তাৰ হাত এখন থৈ কালে —

ঃ পাহী ..... এই পাহী ...... চাওঁ এইফালে। ইমান ডাঙৰ ছোৱালীয়ে কান্দে নেকি? মই তো ভাবিছিলো .... কবলৈ নৌপাওঁতে তাই খঙেৰে কলে।

ঃ কি ভাবিছিলা ...... এইয়াইটো যে মই বহু আগতেই কাৰোবাৰ হৈ গলো। সেয়েহে তুমি হয়তো মোৰ খবৰ লোৱাৰ প্ৰয়োজন বোধেই নকৰিলা। পাহীৰ কথা শুনি তাৰ হাঁহি উঠি গল। সচাঁয় ছোৱালীবোৰৰ অভিমান থাকিল বুলিয়ে সকলো উজাৰি দিব পাৰে কিন্তু ল'ৰাবোৰ ............. সিহঁতৰ জানো অভিমানবোৰ কোনোবাই বুজিবলৈ চেষ্টা কৰে। তথাপিও তাৰ পাহীজনীলৈ বেয়া লাগিল। সৰু ছোৱালীৰ দৰে কেনেকৈ ফেকুৰিছে।

ঃ পাহী, এতিয়া মই আহিলো নহয় কি কৰা কৰা, মাৰা, ঘুচিউৱা, তোমাৰ ইচ্ছা আৰু এটা কথা - তোমাক কিন্তু কান্দিলে বৰ বেয়া দেখি। (কথা শুনি তাই হাঁহি তালৈ চালে) বাৰু এতিয়া অভিমান এৰা, তোমাৰ খবৰ কোৱা। কান্দি থকা কোনোবাই দেখিলে কি বুলি ভাবিব। তোমাৰ দেখিছো অতীতৰ ভেতকান্দুৰি স্বভাৱটো নগল। চকু পানী মোহাৰি মোহাৰি সি কলে।

ঃ ইচ...... এতিয়া মৰম চেলাবলৈ আহিছা, ইমান বছৰ খবৰেই নাই।

ঃ আৰে তুমিও যে, ইমান বছৰ খবৰ নাই বাবেহে কাষতে পাই মৰম চেলাইছা। আচ্ছা আচ্ছা খুড়ীদেউ নাই নেকি?

ঃ আছে - তোমালৈ চাহৰ দিহা কৰিছে।

ঃ খুড়ীও যে মানুহক নমতাকৈ চাহৰ দিহা।

ঃ একেবাৰেই মাতিব আক' চাহ - দিওঁতে —।

ঃ চাহ........ ছেঃ মইতো একেবাৰে ভাত খাম বুলিহে ভাবিছিলো।

ঃ কি তুমি ভাত খাবা?

ঃ ভাত খোৱা কি আক' থাকিয়ে যাম। কথাষাৰ কৈয়ে ৰঞ্জনে হো- হোৱাই হাঁহি দিলে। তাৰ কথা কোৱা ধৰ দেখি পাহীয়েও অলপ জোৰকৈয়ে হাঁহি পালে। মাক ওলাই অহাতহে সিহঁতৰ হাঁহি বন্ধ হ'ল।

ঃ হেৰৌ তহঁতৰ আৰু অতীতৰ ধেমালী নুগুচিল। তহঁত মানে এতিয়াও একে আছ। আমাৰ এইজনীটো ....... ৰঞ্জন তোমাৰ ভালনে আৰু ঘৰৰ সকলোৰে ভালনে ?

ঃ ভাল ভাল, সকলোৰে কুশলে আছে। পিছে খুড়ী আপোনাৰ?

ঃ মোৰনো আৰু কি, আছো আৰু, এনেদৰে। হেৰি নহয় এ তুমি দেখোন বৰ চাহাবটিৰ দৰে হ'লা। কিবা চাকৰি বাকৰি কৰা যেন পাওঁ।

ঃ নাই নাই খুড়ী, আজিৰ যুগত চাকৰি পোৱাতো অসম্ভৱ। পৃথিৱী চাৰিওটা কোণতে ঠগ, প্ৰবঞ্চক, সুবিধাবাদী আদিৰ জনসংখ্যাই ভৰপূৰ। সকলোতে ভেজাল। গতিকে চাকৰি আৰু ক'ত। তথাপিও বেকাৰ হৈ বহি থকাতকৈ চেষ্টা চলাই আছো আৰু।

ঃ অ......... ভালেই কৰিছা দিয়া। আজিকালি আক' সময়ৰ লগত খাপ খোৱাব পৰাটোৰে আচল কথা। কিন্তু পৃথিৱীখন যিটো দ্ৰুত গতিত সলনি হৈছে খাপ খোৱাবলৈকে কঠিন দেখোন !

ঃ খুড়ীদেউ, আপুনি যিটো ভাবিছে সেইটো মোৰ বোধেৰে সম্ভৱ হব নোৱাৰে। কাৰণ পৃথিৱীখন সলনি হোৱা নাই। সেই অতীতৰ যুগ, অতীতৰ পৃথিৱীখনেই আছে। মাথো সলনি হৈছে মানুহ নামৰ জাতিটো, ধ্যান-ধাৰণা, চিন্তা-চৰ্চা বিলাক ক্ৰমান্বয়ে, উচ্চ খাপলৈ আহিছে। আৰু সেই অনুপাতে সহজ-সৰল জীৱন-যাপনো লুপ্ত হৈ আহিছে। কঠিন জীৱন-যাপনত আমি এচাম মানুহে আগুৱাই যাব পৰা নাই, যিহেতু আমাৰ অৰ্থনৈতিক অৱস্থাটো টনকিয়াল নহয়। আজিৰ যুগ ধনতন্ত্ৰ। ইয়াত দুখীয়াৰ স্থান পোৱা অসম্ভৱ হৈ আহিছে। যিখিনিৰ ওপৰত আমাৰ অধিকাৰ আছে নতুবা যি খিনি আমাৰ প্ৰাপ্য, সেইখিনিৰ পৰাও আমি লাহে লাহে বঞ্চিত হৈ আহিছো। আজি আমাৰ নিজৰ জন্মভূমিতেই পৰাধীন। আৰু স্বাধীন বিচাৰি গলেই আৰম্ভ হয় সংগ্ৰাম, বিপ্লৱ, হেৰুবাব লগা হয় বহুতো আপোন মানুহ। চৰকাৰৰ চকুত হবলগীয়া হয় জগৰীয়া। ইয়াৰ মূল কাৰণ কোন? হয়তো ৰাষ্ট্ৰ প্ৰশাসন। যিহেতু প্ৰশাসনে জনসাধাৰণক নিয়ন্ত্ৰণ কৰি ৰাখিব পৰা নাই। (পাহীয়ে কথাৰ মাজতে মাকৰ ইংগিতত চাহ কৰিবলৈ উঠি গ'ল)। সেই কাৰণেহে দেশখনত বিভীষিকাৰ প্ৰকোপ, বৃদ্ধি হৈ আহিছে।

এতিয়া চাওকচোন খুড়ীদেউ, এটা সংগঠন যিটো আমি জাতীয় মুক্তি বাহিনী বুলি জানো। সেই সংগঠনৰ মানুহখিনিয়ে নিজৰ জীৱন বিপন্ন কৰি হ'লেও অসমৰ জাতীয় জনগণৰ স্বাধিকাৰ বিচৰা সংগ্ৰামত অৱতীৰ্ণ হৈছে। কিন্তু এই সকলোবিলাক কাৰ্য্য





কেতিয়া আগবাঢ়িব? যেতিয়া ৰাজনৈতিক সংঘাট সমাধানৰ পথত আমাৰ বুদ্ধিজীৱী সকলে আগভাগ লবলৈ আগবাঢ়িব তেতিয়াহে

ঃ যিখিনি তুমি কৈছা সেইয়াতো সত্য। পিছে তুমি আৰু মই চিন্তা কৰি ইয়াৰ সমাধান বিচাৰি পাম জানো ?

ঃ দুখ এইখিনিতেই খুড়ীদেউ। তুমি, আমি বুলিকৈ যদি কোনেও ইয়াৰ বিষয়ে চিন্তা নকৰো, তেন্তে কৰিব কোনে? এটোপ এটোপ পানী পৰিটো এটা নিজৰা কি এখন সাগৰো সৃষ্টি হব। তেওঁলোকৰ কথাৰ মাজতে পাহীয়ে চাহৰ ট্ৰেখন টেবুলত থৈ কৈ উঠিল।

ঃ হব, হব তোমালোকৰ ভাষণ এতিয়া বন্ধ কৰা। আন্ধাৰেই হবৰ হ'ল। চাহকণ খাই লোৱা ৰঞ্জন। থাকি যোৱা কথা বিলাক বাতিকৈ পাতিবা। নহলে আক............. পাহীক কথাষাৰ সম্পূৰ্ণ কৰিবলৈ নিদি ৰঞ্জনে কৈ উঠিল —

ঃ এইয়া মই ভাষণ দিয়া নাই পাহী। মোক তুমি স্পীকাৰ বুলি শ শ জনতাৰ সন্মুখত নিৰ্ব্বাচনৰ সময়ত কেইটামান সমৰ্থন লবৰ বাবেই মিঠা মিঠা চলাহি কথাৰে জনসাধাৰণৰ মন ভূলোৱা লোক বুলি ভাবিছা নেকি।

ঃ নাঃ তুমি দেখোন বৰ ধুনীয়া ধুনীয়া কথা কোৱা। বেয়া পালা? ধেমালীহে কৰিছিলো। তোমাৰ দৰে বক্তব্য আগবঢ়াবলৈ মোৰো মন যায় পিছে লাজ লাগে নহয়।

ঃ লাজ, তুমি লাজ কৰা। তুমিটো আজিৰ আধুনিক যুগৰ যুৱতী। উচ্চমানৰ চিন্তা কৰাৰ মানসিকতা তোমাৰো আছে। তেন্তে লাজ কিহৰ। আজি আমি লাজক স্বীকৃতি দিছো হয়। এতিয়া আমাৰ দেশত যিটো পৰিস্থিতি হৈছে হয়তো আমি লাজক সেই ঠাইৰ পৰা বঞ্চিত কৰিব লাগিব। এতিয়া চোৱা তোমলোকৰ এই ঘৰটো। এই ঘৰটো যদি আনে দখল কৰি লবলৈ চেষ্টা কৰে আৰু তোমালোকে যদি একো প্ৰতিবাদ নকৰা তেন্তে নিশ্চয় এদিন কাঢ়ি লব। আৰু তেতিয়া তোমালোকে ভিক্ষা মাগিব লাগিব। এমুঠি অন্নৰ বাবে হাঁহাকাৰ কৰিব লাগিব। তেতিয়া আমাৰ লাজ ক'ত যাব? এতিয়া লাজ কৰাৰ সময় নহয়। গতিকে আমি উঠি অহা চামেই চিন্তা কৰা উচিত যাতে বিপৰ্য্যয় আহি বৰ্ত্তমানত উপস্থিত নহয়। কথাষাৰ শুনি পাহীৰ দুখ লাগিল তাই ৰঞ্জন আৰু মাকৰ কথাবিলাক ধেমেলীয়া ভাবেৰেই লৈ গৈছিল, ৰঞ্জনৰ কথাবিলাক উপলব্ধি কৰি তাই কলে-

ঃ কিন্তু আমিতো তেনে এটা সুযোগ পাব লাগিব।

ঃ সুবিধা বা সুযোগ ..... । নিজে নিজে সন্মুখত আহি নপৰেহি পাহী। ইয়াক আমি নিজেই বিচাৰি লব লাগিব। হব হব খুড়ী আৰু তোমাৰ ভাগে মোৰ কথা শুনি খঙেই উঠিছে। অ..... খুড়াও আহি পাবৰে হ'ল কিজানি। পাহী, গামোছা এখন দিবাচোন গাটো ধুয়ে লওঁ। নহলে আক ঠাণ্ডাই লাগিব।

ঃ হব বাৰু।

গধুলি হোৱাৰ লগে লগে পাহীৰ দেউতাকো আহি পালেহি সকলো জুইশালতে বহি বহুতো কথা পাতিলে। এইবিলাকৰ মাজতে ৰঞ্জনে এই কথাও জানিব পাৰিলে যে পাহীক চাবলৈ বহুতো দৰা আহি গ'ল। কিন্তু পাহীয়েহে কিয় নাকচ কৰি গ'ল দেউতাকহঁতে গম নাপালে। ৰঞ্জনে বাৰুকৈয়ে জানিছিল যে তাই এনে কিয় কৰিলে। ৰঞ্জনেতো শেষবাৰৰ বাবেহে তাইক চাই যাবলৈ আহিছিল। তাৰতো এতিয়া বহুত কঠিন ইন্টাৰভিউ এটা আছে। ইয়াত সফল হব নে নহয় একমাত্ৰ ভগৱানেহে জানে। যি ঠাইত তাৰ ইন্টাৰভিউ আছে সেই ঠাই পাহীহঁতৰ ঘৰৰ পৰা কিছুদূৰ নিলগত। এই পৰীক্ষা সি দিয়াৰ কথা নাছিল বেলেগ এজননেহে দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু যেতিয়া ৰঞ্জনে পাহীহঁতৰ ঘৰৰ ওচৰত এই পৰীক্ষা হব জানি সিয়ে আগবাঢ়ি আহিল। তাৰ দুটা কাম হব এটা পাহীক চোৱা আৰু আনটো........... । অৱশেষত পাহীয়ে শুবৰ বাবে যো-যা কৰি দিলে। শুৱাৰ আগতেই সি তাইক কলে—

ঃ পাহী কালিলৈ মই ইয়াৰ পৰা পোহৰ হোৱাৰ আগে আগে যাম। ইন্টাৰভিউ এটা আছে সোণাপুৰত। গতিকে উঠাই দিবা, পাহীৰ লগত কথাপতাৰ প্ৰবল ইচ্ছা আছিল যদিও সেই ইচ্ছাক আওকাণ কৰি সি বিচনাত বাগৰ দিলে। তাৰ কথাষাৰ শুনিয়ে ক'বপৰা জানো পাহীৰ চকুলৈ পানী আহিল কোনো ৰকমহে তাৰ কথাৰ সলাগ লৈ তাইৰ কমলৈ গ'ল। তাইৰ খুউব দুখ লাগিল। ভাবিছিল সি কেইদিনমান থকাকৈ আহিছে। তাই যে তাক বুকুৰ নিভৃত কোণত সাঁচি ৰখা কিমান যে কথা কবলৈ আছে। সি বাৰু কিয় একো নুশুনাকৈ গুচি যাব খুজিছে? আকৌ কেতিয়াবা আহে। কিন্তু.......... উপায়তো নাই আনৰ ইচ্ছাক কোনে বাধা দি ৰাখিব পাৰে। তেনেকৈ ভাৰিয়ে আলসুৱা মনটোক কোনোৰকম বান্ধি ৰাখিলে। বিচনাত পৰিল যদিও পাহীৰ টোপনি অহা নাছিল। গতিকে তিনিমান বজাতেই উঠি তাৰ বাবে খোৱাৰ দিহা কৰিলে। খুটুং - খাটাং শব্দ শুনি ৰঞ্জন নিজে উঠিল। হাত-মুখ ধুই চাহ-জলপান খাই সি যাবলৈ সাজো হ'ল। আন্ধাৰ হৈ থকাৰ মাজেৰেই যাবলৈ ওলোৱা দেখি পাহীৰ মাকে কালে —

ঃ ৰঞ্জন, ইমান আন্ধাৰ হৈ আছে কেনেকৈ যাবা, পোহৰ হ'লে যাবাচোন।

ঃ ক'তনো আন্ধাৰ হৈ আছে। জোনটোৱে দেখোন জলজল ফটফটীয়াকৈ পোহৰেই বিলাই আছে। আৰু খুড়ীদেউ,

এইটোৱে মোৰ শেষ ইণ্টাৰভিউ গতিকে সময় মতেই পাব লাগিব। সেইকাৰণেহে মই এখোজ আগবাঢ়ি আপোনালোকৰ ইয়াত আছোহি। গতিকে আশীৰ্বাদ কৰক যাতে ইণ্টাৰভিউ সফল হয় আৰু মোৰ কষ্টৰ সাৰ্থক হয়।

ঃ কষ্টৰ ফল কেতিয়াবা মিঠা হয় আৰু দুৰ্ভাগ্যবশত কেতিয়াবা মিঠা নহবও পাৰে। গতিকে তোমাক বাধা দিয়া উচিত নহব। আমাৰতো আশীৰ্বাদ সদায় তোমাৰ ওচৰত থাকিব। অ - চাকৰি পালে আক পাহৰি নাথাকিবা আহিবা মাজে সময়ে।

ঃ আহিম আহিম কিয় নাহিম। তেনেহলে মই এতিয়া গৈ থাকো খুড়াক নজগাওঁ আৰু (পাহীলৈ চাই) পাহী মই আহিলো......। পাহীয়ে তাক যাবৰ পৰত এখনি গামোছাৰে বিদায় দিছিল আৰু কৈছিল -

ঃ মাজে সময়ে আহি থাকিবা। তোমালৈ মই সদায় বাট চাই থাকিম শেষৰ বাক্যশাৰী মনতে আওৰাই তালৈ আকুলভৰা চাৱনিৰে চালে। ৰঞ্জনেও তাইৰ চকুৰ ভাষা বুজিব পাৰি এটি ম্লান পৰা হাঁহিৰে মুখটো দুপিয়াই জোনৰ পোহৰত বিলীন হৈ গ'ল। সি নেদেখা হৈ যোৱালৈকে পাহীয়ে চাইয়ে থাকিল। সেই সময়ত সাৰপোৱা দুটামান পক্ষীৰ চিঞৰেও ঠাইডোখৰ আৰু বিষাদময় কৰি তুলিছিল।

পিছদিনা ৰাতিপুৱা পাহীয়ে শেৱালি ফুলখিনি বুটলি গা-পা-ধুই থাপনাৰ ঘৰত সোমাই বন্তি গছি জ্বলাই প্ৰাৰ্থনা কৰি ওলাই আহিবলৈ লওঁতে ক'ৰ জানো আপদীয়া বতাহ জাকে বন্তি গছি নুমুৱাই পেলালেহি। পাহীয়ে পুনৰ চাকিখন জ্বলাই সেৱা এটা কৰি বাহিৰলৈ ওলাই আহিল। ওলাই আহি পুৱাতেই দিপকে দি থৈ যোৱা পেপাৰখন হাতত লৈ বাৰান্দাৰ আৰামী চকীখনত বহিয়ে হেডলাইন কেইটাত চকু দিলে। চকু দিয়েই পাহীৰ চকু থৰ হৈ ৰ'ল। লগে লগে দুচকুৰে চকুলো নিগৰি আহি পেপাৰখনৰ একাংশ তিতি গ'ল। চকুৰ আগত কেৱল দুটা মান ডাঙৰ ডাঙৰ আখৰে জিলিকি থাকিল।

"দুৰ্ধৰ্ষ আলফা ৰঞ্জন গগৈ ওৰফে ৰাণা বিশ্বাসৰ কালি দোক মোকালিৰ পুৱাতেই সোণাপুৰত আৰক্ষীৰ সংঘৰ্ষত আৰক্ষীৰ গুলি লাগি ঠিতাতে নিহত হয়। জনোৱা মতে সোণাপুৰ থানাত গ্ৰেণেড দিবলৈ আঁহোতে এই সংঘৰ্ষ হয় ..............."।।

১। প্ৰকৃত ছাত্ৰই কেতিয়াও ক্ষমতা নাইবা আমোদ নিবিচাৰে, তেওঁ বিচাৰে মাথো জ্ঞান আৰু সত্য।

— *চাৰ জগদীশ বসু।*

২। সেইবোৰ হ'ল মহৎ কিতাপ, যিবোৰ কিতাপ পঢ়াতো উচিত বুলি সকলোৱে কয়, কিন্তু কোনেও পঢ়িবলৈ নিবিচাৰে

— *মাৰ্ক টোৱেইন।*

৩। পৃথিৱীৰ আটাইতকৈ বেয়া কাম আনৰ সু-নাম নষ্ট কৰা।

— *ৰামকৃষ্ণ পৰমহংস।*

৪। আনক ঘিণা নকৰিবা, নিজেই ঘিণা খাবা।

— *মহাত্মা গান্ধী।*

৫। কিতাপেই মানুহক মহৎ কৰে। কিন্তু কিতাপেই মানুহক ধ্বংস কৰে।

— *বিষ্ণুৰাভা।*





# জোৰোণ

✍ মনালিছা ৰাজকোঁৱৰ
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)

জোনবা আপোনাক কোনোবাই বিচাৰিছে।" নিতুৰ মাতত জোনে কিতাপৰ পৰা মূৰ নোতোলাকৈয়ে ক'লে, 'কোনে বিচাৰিছেনো?' "মই হ'লে চিনি নাপাও, এইটো জোনমণি নকলাৰ ঘৰ হয়নে বুলি সুধিছে আৰু মই হয় বুলি কোৱাত বাহিৰতে ৰহিল আৰু আপোনাক মাতি দিবলৈ কলে।" জোনৰ মাহীয়েকৰ ছোৱালী নিতুৱে নাটকৰ সংলাপৰ সুৰত কথা কেইষাৰ কলে। এহ্ সময়তো কোনো নাই এই অসময়তনো কোন ওলাইহি, পৰীক্ষালৈকো বেছি দিন নাই, সাধাৰণতে তাইক বিচাৰি কোনো আহিবলগীয়া মানুহ নাই - তাই ভাবিলে আৰু তাই ক'লে, 'ঐ নিতু যা শুই আছে বুলি কবি।' নিতু ওলাই গ'ল কিন্তু ঘূৰি আহি পুনৰ কলেহি, 'জোনবা আপোনাৰ কোনোবা চিনাকী ছোৱালী, যেনেতেনে লগ কৰিব লাগে বোলে।" জোন আৰু বৈ নাথাকিল খৰধৰকৈ বাহিৰলৈ ওলাই আহিল।

দুৱাৰৰ পৰ্দাখন ঠেলি একপ্ৰকাৰ জাঁপ মাৰিয়েই উঠিল জোন, 'আৰে স্বাগতা তই? হঠাৎ ওলালিহি যে, ক'ৰ পৰা আহিলি? বহ বহ আৰু উৎকণ্ঠাত ভাগৰি অহাৰ দৰে লাগিছে দেখোন কি হ'ল। ক' কহিলৈ দেখোন তোৰ বিয়াৰ দিন আছিল?' একেবাৰতে কইই বহু প্ৰশ্ন কৰি পেলালে। স্বাগতাই চকীৰ পৰা উঠি কলে, "আগেয়ে জিৰাবলৈ মাত না।" জোনে তাইক একপ্ৰকাৰৰ টানি আনি আনি ড্ৰয়িংৰুমৰ ছোফাত বহুৱালে আৰু নিতুক পানী এগিলাচ আনিবলৈ কলে। নিতুৰ পৰা পানী গিলাচ লৈ স্বাগতাই কেইঢোককৈ দি দীঘলকৈ উশাহ সলাই ওপৰলৈ চাই থাকিল। তাইক প্ৰকৃতিস্থ হ'বলৈ দি জোনে নিতুৰ সতে পাকঘৰত লৰালৰিকৈ চাহ যুগাৰ কৰিবলৈ ললে।

স্বাগতা, স্বাগতা দুৱৰা আৰু জোন H.S. 1st. Yr. ৰ পৰা একেলগে একেটা মেচত থাকি কলেজত পঢ়া। বৰ্তমান দুয়োজনী T.D.C. 2nd Yr ৰ, স্বাগতাৰ সন্মানীয় বিষয় অৰ্থনীতি আৰু জোনৰ ৰসায়ন বিজ্ঞান। ফাৰ্ষ্ট ক্লাচ পাবলগা ছোৱালী আছিল স্বাগতা। কিন্তু তাইৰ গোড়া, গুৰু গোসাঁই নমনা বিধৰ দেউতাকৰ বাবেই তাই পঢ়া আধাতেই সামৰিবলৈ বাধ্য হোৱাৰ দৰে হ'ল। টকাৰ বাবে সকলো কাম কৰিব পাৰে সুযোগ বুজি। যাৰ বাবে নিজৰ সন্তানৰ পৰা পাব লগা মান-সন্মান, তেওঁৰ প্ৰতি থকা ভয়ৰ বাবেহে পায়, কিন্তু প্ৰকৃততে তেওঁক শ্ৰদ্ধা নকৰে। স্বাগতাই সিহঁতৰ ঘৰুৱা কথাবোৰ জোনৰ বাদে আন কাৰোৱে আগত কোৱা নাছিল। তাইৰ অলেখ সপোন আছিল। বিশেষকৈ তাই মাকক খুউব ভাল পায়, মাকৰ অনুপ্ৰেৰণাই তাইক ইমান দিনলৈ সফল কৰি তুলিছিল। মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডৰী দুয়োটাতে 1st Div. পাই তাই ভাবিছিল M.A. কৰি I.A.S. নতুবা I.P.S. পৰীক্ষা দি এগৰাকী সুদক্ষ বিষয়া হ'ব। কিন্তু দেউতাকৰ টকাৰ প্ৰতি থকা তীব্ৰ লালসাই তাইৰ সপোন থানবান কৰি দিলে। কোনোবা কোটিপতি ব্যৱসায়ীৰ লগত লেন দেন কৰিব বিচাৰি তেওঁৰ লগত সম্পৰ্ক ঘটাই ক'লা ব্যৱসায়ত ইন্ধন যোগাব খুজি স্বাগতাক সেই ব্যৱসায়ীজনৰ পুত্ৰৰ সতে বিয়া ঠিক কৰি পেলালে। মাকে বাধা দিছিল যদিও দেউতাক মান্তি নহ'ল। এবুকু তীব্ৰ ক্ষোভৰ সৈতে মানি ললে দেউতাকৰ এই সৰ্বনাশী সিদ্ধান্তক। এই স্বাগতাই আজি জোনমণিৰ ঘৰ ওলাইছেহি বিয়াৰ আগদিনা কিয়? মনে মনে কথাখিনি পাগুলি তাই চাহ দুকাপ লৈ ড্ৰয়িংৰুম পালেহি, একাপ স্বাগতাক দি জোনে কলে, "চাহ খা স্বাগতা, কি হ'ল কচোন।"

চাহ কাপত শোহা মাৰি দীঘল হুমুনিয়াহ এটা কাঢ়ি তাই কলে, "বুজিছ জোন কাৰ কেতিয়া কি হ'বলৈ থাকে তাক কোনেও টলকিব নোৱাৰে। জীৱনৰ সূতাডালত বহুত পাক আছে; এৰুৱাবলৈ গলে ঢাপে ঢাপে উজুটি খোৱা হয়। নিজকে শেষ কৰি দিবৰ মন যায়, কিন্তু শেষ হৈ যোৱাৰ পাছত কি হয়, কাৰ কি প্ৰতিক্ৰিয়া হয় সেয়া চাবলৈ যে একো উপায় নোহোৱা হয় তাক ভাৱিলে বৰ দুখ

লাগে জান। সেয়ে মই মৰিবলৈ ওলাই আহিও মাৰিব পৰা নাই।" জোন অবাক হ'ল কি কথাবোৰ কয় স্বাগতাই? জোনে কিবা কবলৈ মুখ মেলোতেই একো কবলৈ সুবিধা নিদি স্বাগতাই পুনৰ কলে, "কুকুৰক বিশ্বাস কৰিলেও মানুহক বিশ্বাস নকৰিবি বুজিছ? এই বিশ্বাস নামৰ শব্দটোৰ বাবেই মই আজি থকা-সৰকা হৈছো। মই বৰ বেয়াকৈ সাৰি গলো জোন........................।" তাই পুনৰ কান্দিবলৈ ধৰিলে। জোনৰ অলপ খঙেই উঠিছিল আচল কথাটো সোনকালে নোকোৱাৰ বাবে। কিন্তু মনে মনে থাকিল জোন। কাৰণ তাই স্বাগতাক ভালদৰেই জানে। অত্যন্ত দুখ নাপালে তাই সহজে ভাগি নপৰে, হতাশ নহয়। অসীম ধৈৰ্য্যৰ গৰাকী এই স্বাগতাজনী। সৰুৰে পৰা তাই দুখৰ সহচৰী হৈ আহিছে আৰু সেয়ে ধৈৰ্য্যশক্তিও বাঢ়িছে। কিন্তু স্বাগতাক এইদৰে এনে ৰূপত দেখি তাই আচৰিতো হৈছে ভয়ো খাইছে। জোনে স্বাগতাক বাহুত ধৰি জোকাৰি ক'লে, 'কচোন কথাবোৰ ভালদৰে।' উচুপিবলৈ এৰি তাই কলে, "জোন এই নাম্বাৰটো ল আৰু আমাৰ ঘৰলৈ ফোন এটা কৰচোন। মই ঘৰৰ পৰা কোনেও গম নোপোৱাকৈ অকলে অকলে গুচি আহিছো Phone ত মাক লগ কৰি কবি মই তহঁতৰ ঘৰত আছো, আন কাকো নকবি।" তাই টেবুলত থকা পেপাৰখনৰ চুক এটা ফালি নাম্বাৰ এটা লিখি আগবঢ়াই দিলে।

জোনে তৎক্ষণাত সিহঁতৰ ঘৰলৈ Phone কৰিলে, মামাকে ধৰিলে। তাই স্বাগতাৰ মাকক বিচাৰিলে, মাক কান্দি কান্দি কব নোৱাৰা হৈ আছে, প্ৰলাপ বকি পাইছে মুখেৰে। গম পালে তাই ঘৰখনত বিৰাট হুলস্থুল হৈ আছে। তাই দোধোৰ-মোধোৰত পৰিল কি হৈছে একো ধৰিব পৰা নাই। তাই স্বাগতা সিহঁতৰ ঘৰত আছেহি বুলি কোৱাত মাকে কিছু আশ্বস্ত হৈ কন্দা বন্ধ কৰি কলে, "তাইক তুমি ঘৰলৈ লৈ আনা জোন, তাইৰ বিয়াখন ভাগি থাকিল।" স্বাগতাই জোনহঁতৰ ঘৰত আছেহি বুলি আন কাকো কবলৈ মানা কৰাৰ কথা কৈ তাই ফোনটো থৈ দিলে। জোন চিঞৰি উঠিল, 'কি তাৰমানে তোৰ বিয়া ভাগিল কেনেকৈ? কোনোবাই তোৰ কিবা বদনাম উলিয়ালে নে কি? নে কিবা দুৰ্ঘটনা.......?" স্বাগতাই কৈ গ'ল, "বিয়ালৈ বুলি আলহী - দুলহী, মিতিৰ-কুটুম, সকলো মতা হৈ গ'ল। বিয়া বুলি সকলো আনন্দেৰে ব্যস্ত স্বাগতাৰ বাদে। সকলো যা-যোগাৰ কৰি জোৰোণ অহাৰ বাবে বাট চাই আছিল সকলোৱে যোৱাকালি। কিন্তু পুৱা গুছি দুপৰীয়া হ'ল, বেলিও পৰিল, জোৰোণ হ'লে নাহিল। গধূলি এটা Phone Call আহিল, এটা মাত্ৰ বাক্যত কোনোবাই কলে, "বিয়াখন নহ'ব, ল'ৰাটোৱে অন্য এজনী ছোৱালী পলুৱাই আনিলে।" Phone থৈ দিলে।

জোন উচপ খাই উঠিল "আৰে এইটো কেনেকুৱা কথা হ'ব পাৰে স্বাগতা? ল'ৰাটোতো তহঁতৰ ঘৰলৈ কেইবাবাৰো আহিছিল তই কি কথা পতা নাছিলি?" "পাতিছিলো সেয়ে কৈছো কুকুৰক বিশ্বাস কৰিলেও মানুহক নকৰিবি।" কিন্তু সি বা কি পৰিস্থিতিত পৰি বেলেগ ছোৱালী এজনী পলুৱাই আনিলে ঠিক হোৱাৰ পাছতো। নহয় জোন সিহঁতৰ বোলে "Love marriage" হে ভগবান এনেকুৱানো হ'ব লাগেনে? "মই এতিয়া কি কৰো ক জোন, পঢ়াও আধাতে সামৰিলো, দুগৰাকীমানেতো কলেই এতিয়া মই জিয়ৰীও নহয় বোৱাৰীও নহয়, জীয়াই থাকি একো লাভ নাই। এটা কথা কি জান দেউতাই সকলো জানিছিল সম্ভৱ কিন্তু মোক কোৱাহে নাছিল। ইমান অপমান কিদৰে সহ্য কৰিব পাৰি বাৰু? মই নাযাওঁ ঘৰলৈ ঘূৰি, যি ভাবিছো মই তাকে কৰিম।"

জোনে কি কব স্বাগতাক। পিছফালৰ বাৰান্দাত বহি নিতুৱে ৰেডিঅ' শুনি আছে ঘৰ - জেউতিত বাজিছে -

"মাৰাৰ অলংকাৰ থোৱা কাতি কৰি
ঐ ৰাম দেউতাৰৰ অলংকাৰ থোৱাহে
ৰামে দি পঠাইছে বিচিত্ৰ অলংকাৰ
ঐ ৰাম এইবোৰ পিন্ধাহে............।"







# আশাৰ সমাধি

✍ জোনমণি গগৈ
স্নাতক প্ৰথম বৰ্ষ (কলা)

অসীমাৰ চিঞৰত ৰুমমেট জয়শ্ৰী উচপ্ খাই উঠিল। খেপিয়াই খেপিয়াই লাইটৰ চুইছটো অন্ কৰি তাই দেখিলে অসীমাই বিচনাখনত বহি নিজৰ দুই আঁঠুৰ ভিতৰত মূৰটো গুজি থক্ থক্ কৈ কঁপি আছে। তৎক্ষণাত তাই অসীমাৰ বাউসীত ধৰি জোকাৰি সুধিলে — কি হ'ল অসীমা? কিবা বেয়া সপোন দেখিলা নেকি? এই ৰাতি আঢ়ৈটা বজাত জানটো বুলি তুমি কাক মাতিছা? জয়শ্ৰীৰ এনে এশ এবুৰি প্ৰশ্নৰ উত্তৰ নিদি অসীমাই হুক্ হুকাই কান্দি পেলালে। জয়শ্ৰী কিংকৰ্ত্তব্য হৈ বিমোৰত পৰিল আৰু ভাবিলে যোৱা তিনিদিন ধৰি একেলগে থকা এই সুন্দৰ, মৰমীয়াল মুখৰ গৰাকী অসীমাই বাৰু কি এনে বেজাৰ মনত পুহি ৰাখিছে, যিটো আজি তাইৰপৰা লুকুৱাব বিচাৰিছে। জয়শ্ৰীৰ কৌতুহলী মনে কথাবোৰ জানিবলৈ উদগ্ৰীৱ হৈ বাৰে বাৰে সুধাৰ পিছত অসীমাই চকু দুটা মোহাৰি জয়শ্ৰীক প্ৰশ্ন কৰিলে - তোমাৰ ভাইটি আছেনে?

অসীমাৰ প্ৰশ্নত জয়শ্ৰীয়ে প্ৰায় অপ্ৰস্তুতভাৱে মূৰটো জোকাৰি সন্মতি জানাই কলে 'আছে'। অসীমাই কান্দি কান্দিয়েই কৈ গ'ল — মোৰো এটা সহোদৰ ভাই আছিল নাম অংশুমান। যোৱা আগষ্ট মাহৰ ৪ তাৰিখে তাৰ মৃতদেহ পোৱা গৈছিল চাকৰি সূত্ৰে গুৱাহাটীত থকা মোৰ খুৰা এজনৰ ঘৰৰ গেটৰ সন্মুখত। জয়শ্ৰীয়ে কথাবোৰ শুনি অসীমাৰ মুখলৈ থৰ দৃষ্টিৰে মাথোন চাই ৰ'ল, কিন্তু অসীমাই দৃঢ়ভাৱে কথাবোৰ পুনৰ আৰম্ভ কৰিলে - ঘৰখনৰ সৰু হোৱাৰ বাবে ভাইটি আছিল সকলোৰে মৰমৰ, আলাসৰ লাৰু। মোৰ লগত প্ৰতিটো কথাতে সি কাজিয়া কৰিছিল। সৰু [illegible] পাতিছিল আৰু ময়ো তাৰ দুষ্টামি সহ্য কৰি ভাল পাইছিলো। যোৱা বছৰ সি মেট্ৰিক পাছ কৰিছিল চাৰিটা বিষয়ত লেটাৰ সহ। ভাইটিৰ ইচ্ছাৰ বাবেই বিজ্ঞান শাখাত পঢ়ুৱাতো সিদ্ধান্ত হৈছিল। দুখীয়াৰ দুখ নুগুচাৰ দৰেই আমাৰ মাজত টকাৰ নাটনিয়ে সৃষ্টি কৰিলে এক সমস্যাৰ। দেউতাই ৰাজমিস্ত্ৰী কৰি পোৱা টকাৰে পৰিয়াল পোহপাল দিয়াৰ লগতে আমাৰ দুয়োটাৰে পঢ়াৰ খৰছ বহন কৰিব নোৱাৰিব বুলি ভাবিয়েই মই নিজৰ পঢ়াৰ কথা সমুলি বাদ দিছিলোঁ যদিও দেউতাই আশা কৰিছিল মই ডিগ্ৰীটো লৈ যেনে তেনে গাঁৱৰে স্কুলত মূৰটো গুজিব পাৰোঁ। কিন্তু অৰ্থৰ নাটনিয়ে তেওঁক বিবুদ্ধিত পেলাইছিল। ঠিক সেই সময়তে ভগৱানৰ দৰে গুৱাহাটীত থকা আমাৰ খুৰাজন আহি ওলালহি ভাইটিৰ ৰিজাল্টত সুখী হৈ তাক সম্ভাষণ জনাবলৈ। খুৰাই ভাইটিক নিজৰ তত্বাবধানত ৰাখি পঢ়ুৱাব বুলি দেউতাৰ আগত প্ৰস্তাৱ দিলে আৰু দেউতাই না নকৰাত তেওঁ ভাইটিক নি গুৱাহাটীৰ কোনোবা এখন কলেজত এডমিছন দিয়ালে। ভাইটিয়ে এডমিছন লোৱা কলেজখনত বোলে 'ৰেগিং' নামৰ এটা অপদ্ৰব্যই ক্ৰিয়া কৰিছিল আৰু নবাগত আদৰণিৰ লৈকে এই 'ৰেগিং' বৰ্তাই ৰখাটো ছিনিয়ৰবোৰে এটা নিত্য নৈমিত্তিক কৰ্মৰ দৰে গণ্য কৰিছিল। সেই ভয়াবহ দিনটো আছিল চাৰি আগষ্ট; কলেজত ভাইটিৰ তৃতীয়দিন। এই কেইদিনতে ভাইটিয়ে কেইজনমান বন্ধুৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল। কিন্তু কিছুমান অবিবেচক, বৰ্বৰ অসভ্য ল'ৰাৰ দৃষ্টিৰে পৰা ভাইটিও হাৰি যাব পৰা নাছিল অৰ্থাৎ মোৰ ভাইটিও এই ৰেগিং নামৰ কুদ্ৰব্যটোৰ বলি হ'ব লগা হ'ল। ভাইটিৰ বন্ধু এজনে কোৱা মতে - কেইটামান চিনিয়ৰ ল'ৰাই ভাইটিক মাতি আনি এটুকুৰা কাগজত কিছুমান অশ্লীল বাক্য লিখি দিবলৈ দিছিল ছায়াক; ছায়া হ'ল মন্ত্ৰীৰ ছোৱালী; ভাইটিৰ সহপাঠী। কলেজখনত ছিনিয়ৰৰ আদেশ

শিৰোধাৰ্য্য আৰু মোৰ ভাইটিও ইয়াৰ অবাধ্য নহৈ কাগজটুকুৰা ছায়াক দিলে। কাগজটুকুৰা পঢ়ি ছায়াই ভাইটিৰ গালত সোধালে দুটা পূৰ্ণহতীয়া চৰ। ভাইটিয়ে একো ওৱাদিহ নাপাই অবাক হৈ তলমূৰ কৰিলে আৰু ছিনিয়ৰ কেইটাই কিৰিলি পাৰি হাঁহিলে। এয়াই হ'ল ৰেগিং নামৰ এক কু-প্ৰথা আৰু তাতেই ছিনিয়ৰৰ ফূৰ্তি; কিন্তু ভাইটিৰ বেদনাৰ শেষ ইয়াতেই হোৱা নাছিল, সি ক্লাচ শেষ কৰি গেটৰ পৰা প্ৰায় তিনি/চাৰি খোজমান গৈছিলহে মাত্ৰ। এনেতে দুটা ল'ৰাই বাইকত আহি হঠাতে তাক ধৰি ক'ৰবালৈ লৈ গুচি গ'ল আৰু লগৰ কেইটাই টলকিবই নোৱাৰিলে। ইফালে খুড়াৰ চিন্তাৰ অন্ত নাই, নানা ভাবে তেওঁক জুমুৰি দি ধৰিলে। ৰাতি ন মান বজাত পোহনীয়া কুকুৰটোৰ ভুক-ভুকনি শুনি খুড়াই ওলাই গৈ দেখে, ভাইটিৰ ৰক্তাক্ত দেহ কোনোবা অচিনাকী লোকে মাটিত পেলাই গৈছে। খুড়াৰ অৱস্থাটো বিনামেঘে বজ্ৰপাত পৰাৰ দৰে হ'ল। বস্তুতকে সোধপোছ কৰাত পিছত গম পোৱা গ'ল - ভাইটিক বাইকত উঠাই নিয়া ল'ৰাটো আছিল ছায়াৰ ককায়েক। ভনীয়েকে কলেজত পোৱা অকণমাণি গ্লানিৰ বাবেই মোৰ ভাইটিক এনে অৱস্থা কৰিলে। ভাইটিয়ে প্ৰাণ দিলে ৰেগিং নামৰ বিষদ্ৰব্যৰ হাতত।

অসীমাৰ কথাবোৰ জয়শ্ৰীয়ে মৌন ভাৱে শুনি আছিল। অসীমাই যে বুকুত এনে এটা আগ্নেয়গিৰি লৈ ফুৰিছে জয়শ্ৰীয়ে আগতে কল্পনাই কৰা নাছিল। এক মুহূৰ্ত্তৰ বাবে জয়শ্ৰীয়ে অসীমাৰ বুকুত প্ৰতিশোধৰ জুই দপ্-দপ্‌কৈ জ্বলি উঠা দেখা পালে।

জয়শ্ৰীয়ে এটাও শব্দ উচ্চাৰণ নকৰি অসীমালৈ চাই ৰ'ল; অসীমাই কাষৰ খিৰিকিখন খুলি বাহিৰলৈ চাই কিবা ভাবিবলৈ ধৰিলে। শুক্লপক্ষৰ জোনাকত আকাশৰ কপাহ সদৃশ ডাৱৰবোৰৰ মাজত জোনটো এবাৰ লুকাইছে আকৌ ওলাইছে। পুৱতি নিশা পক্ষীৰ কোলাহল আৰু শীতল বতাহে যেন অসীমাক অলপ সতেজ কৰি তুলিলে। অসীমাই মনত অলপ সাহস গোটাই আকৌ কবলৈ আৰম্ভ কৰিলে — ভাইটিৰ মৃত্যুৱে ঘৰখনলৈ কঢ়িয়াই আনিছিল মৰিশালীৰ নিৰ্জনতা। মা পাগলীৰ দৰে হৈ পৰিছিল আৰু সদায় হাঁহি ধেমালিৰে থকা দেউতাও জলকা লাগিছিল। গাঁৱৰ মানুহবোৰেও ভাইটিৰ মৃত্যুক সহজভাৱে ল'ব পৰা নাছিল। সৌ-সিদিনা গাঁৱৰ ৰাইজে সম্বৰ্দ্ধনা অনুষ্ঠান পাতি ভাইটিক আদৰাৰ পিছত পুনৰ সেই ভাইটিৰেই মৃতদেহ কেনেকৈ সহ্য কৰিব। অৱশ্যে দিন বাগৰাৰ লগে লগে গাঁৱৰ মানুহবোৰে সকলোবোৰ পাহৰি যাব কিন্তু আমাৰ পৰিয়ালৰ বুকুৰ ঘাঁ জানো শুকাব ! মই আজি ভাইটিক সপোনত দেখিছো। সি এনেকৈয়ে মোৰ ওচৰলৈ আহে সপোনত। মই গাঁৱৰ ঘৰত এহাল শোকস্তব্ধ মা-দেউতাক অকলে এৰি গুচি আহিছো মা-দেউতাৰ স্বপ্নক দিঠকত ৰূপ দিম বুলি পঢ়িবলৈ। ভাইটিক লৈ মা-দেউতাই কৰা আশাবোৰক মই সমাধিত পৰিণত হ'বলৈ দিব নোৱাৰো।

আমাক এনেদৰে বিপাঙত পেলাই সকলো আশা চূৰমাৰ কৰি কোনোবা অজান দেশলৈ, শান্তিৰ ধামলৈ গুচি গ'ল মোৰ মৰমৰ ভাইটি জা.....ন....টো।

০০০

*এগৰাকী নাৰীয়ে নিজৰ চিন্তা বুদ্ধিৰ উত্তৰণ ঘটাব নোৱাৰিলে, নিজৰ ব্যক্তিত্বক গঢ় দিব নোৱৰিলে আৰু নিজকে আৰ্থিক দিশত স্বাধীন কৰিব নোৱাৰিলে মুঠতে সৃষ্টিৰ দৃষ্টিৰ পৰা নাৰীয়ে নিজৰ জীৱনৰ কিছু মূল্য নিৰূপন কৰিলব নোৱাৰিলে মুক্তি শব্দটোৰ অৰ্থ নোহোৱা হৈ পৰিব।*

— অমৃতা প্ৰীতম

*পৃথিৱীৰ সকলোবোৰ মহৎ কামৰ মূলতে আছে এগৰাকী নাৰী।*

— লেমাৰষ্টীন





# হেৰুৱা প্ৰেমৰ সুবাস

✍ বিৰাজ প্ৰতিম গগৈ
স্নাতক, অসমীয়া বিভাগ

গোমা বতৰটোৰ দৰেই মনদ্বীপৰ মনটোও আজি কিবা গোমা গোমা যেন দেখা গৈছে। নিশ্চয় তাক আজি অতীতে আমনি কৰিছে। কাৰণ অতীতত ঘটা কিছুমান ঘটনা মনদ্বীপৰ মনত আজি কেইদিনমানৰ পৰা পুনৰাবৃত্তি ঘটিব ধৰিছে। তাৰ কাৰণটো সি জানে। — তাৰ কাষৰ পৰা তাৰ বৰ্তমানৰ প্ৰেয়সী আঁতৰি গৈছে... অতীতৰ বুকুলৈ... ছবিৰ প্ৰথম প্ৰেমৰ কাষলৈ।

— তাৰ প্ৰেয়সী 'পৰীমণি'। যাক আজি তিনি বছৰ ধৰি সি ভাল পাই আহিছিল। আজিৰ পৰা তিনি বছৰমানৰ আগতেই সিহঁতৰ চিনাকী হৈছিল আৰু সেই চিনাকীৰেই পৰীয়ে মনদ্বীপক ছবিৰ প্ৰেমৰ যাদুৱে মুহি পেলাইছিল। — কিন্তু এজনী ছোৱালীয়ে প্ৰথম চিনাকীতে কাৰোবাক প্ৰেম নিবেদন....? নিশ্চয় তাৰ আগতে সিহঁতৰ ক'ৰবাত পৰিচয় হৈছে। কিন্তু বাৰে বাৰে চেষ্টা কৰিও সি মনত পেলাব পৰা নাই। অৱশেষত সি ভাৱিব ধৰিলে — সি জানো সঁচাকৈয়ে 'পৰীমণিক' ভাল পাইছিল নে?

(খ)

কৃষ্ণ : মনদ্বীপ, কলেজলৈ নোযোৱা নেকি? 'মনদ্বীপে' মন মাৰি থকা দেখি কৃষ্ণই এনেয়ে সুধিলে।

মনদ্বীপ : যাম যাম, আৰু নো কেইটা দিন বিদায় ল'বলৈ, তাৰ পাছত এই লগৰবোৰৰ সৈতে কৰা আনন্দবোৰ আকৌনো ক'ত পাম ? কোন কেনি যায় কি ঠিক !

কৃষ্ণ : তাকেই ভাবি আজি কেইদিনমানৰ পৰা মোৰো বৰ বেয়া লাগিছে জান। তথাপি কি কৰিম? আমি হ'লো সময়ৰ দাস। গতিকে সময়ৰ সতে খোজ মিলাই যাবই লাগিব। সদায়নো ক'ত এনেকৈ থাকিব পাম। — দ্বীপ, কৃষ্ণ, জান্তু, শ্যাম, কাকু, দ্বীপ্তি, জোন ইহঁত হ'ল একে ক্লাচৰ একে গ্ৰুপৰ। কলেজ আৰম্ভণি হোৱাৰ পৰাই ইহঁত সাঁতটাক একেলগে দেখি আহিছো। আনদিনৰ দৰে আজিও সিহঁতে ক্লাচ নথকাত ফিল্ডৰ মাজত বহি কথা পতাত ব্যস্ত।

জান্তু : কিয়, আমনি লাগিলেইনে?

শ্যাম : ক'তনো মন যাব। আজি তাৰ 'X'ৰ জন্মদিন নহয়? কি ঐ শুভেচ্ছা দিলি নে নাই ?

জোন : ঐ তহঁতৰ আৰু কথা নাই হাঁ। চান্স পালেই সেই কেঁচাইখাতীজনীৰ কথাকে শুনাই থাক যে। তহঁতে জান নে নাজান মই যে এতিয়া ................. ।

শ্যাম : জানো, জানো। সৌৱা চা নাম ল'বলৈকে নাপালি 'কাকু' আহিলেই। তাই যদি তোৰ অতীত প্ৰেয়সীৰ কথা শুনে তেন্তে তায়ো তোক এৰি যায় বুলিয়েই ভয়। — শ্যামৰ কথাত গোটেইমখাই আকৌ হাঁহে।

কৃষ্ণ : কি হ'ল দ্বীপ, তই দেখোন বৰ মনে মনে বহি আছ। আজিৰ পুৱাৰ পৰাই মই লক্ষ্য কৰিছো তই যেন কিবা এটা হেৰুৱাবলৈহে ওলাইছ। কথাটোনো কি? আমাকটো ক'ব পাৰ। তই মনমাৰি থাকিবি আমাৰ কি বেয়া নালাগে।

জান্তু : চা দ্বীপ, আজি তিনিবছৰ ধৰি আমি একেলগে আছো আৰু তইতো জানই যেতিয়া আমাৰ মাজৰ কাৰোবাৰ কিবা Problem হয় তেতিয়া আমি সকলোৱে মিলি তাক Solve কৰো, তেনেক্ষেত্ৰত তই যদি আমাৰ পৰা কথা লুকুৱাব বিচাৰ তেন্তে তোৰ বন্ধু হোৱাৰ যোগ্যতা আমাৰ থাকিলে ক'ত ? তই কথাবোৰ ভাৰি ছা।

অৱশেষত সকলোৱে কথাত পৰি দ্বীপে ক'বলৈ বাধ্য হ'ল।

দ্বীপ ঃ ত'হ'তে যদি ইমান আগ্ৰহ প্ৰকাশ কৰিছ তেন্তে শুন। কিন্তু মই জানো তহঁতে মোক কোনো সহায় কৰিব নোৱাৰ। আৰু কৰাতোও নিবিচাৰো। — তাৰ পাছত দ্বীপে ক'বলৈ ধৰিলে — আজি তিনিবছৰৰ আগতেই আমি উচ্চ শিক্ষা লাভ কৰিবলৈ প্ৰত্যেকেই এক সপোন বুকুতলৈ এই মহাবিদ্যালয়ত প্ৰৱেশ কৰিছিলো আৰু তেতিয়াৰ পৰাই ইয়াৰ সৰু ডাঙৰ প্ৰতিটো বস্তুকেই আমি ভাল পাবলৈ ধৰিলো। ইয়াৰ প্ৰতিটো কোঠা, কোঠাবোৰক সংলগ্ন কৰি ৰখা দীঘল কৰিড'ৰবোৰ, ইয়াৰ প্ৰতিখন বেঞ্চ - ডেস্ক, প্ৰতিজন ল'ৰা, প্ৰতিজনী ছোৱালী লগতে প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত এক নিবিড় আন্তৰিকতা গঢ় লৈ উঠিছিল। কিন্তু অতি পৰিতাপৰ কথা কি জান? যাক আমি তিনি বছৰে খোলা অন্তৰে ভালপাই আছিলো, যাৰ সতে সুখ-দুখৰ কথা পাতিছিলো তাক আৰু কেইটামান দিনৰ পাছতেই চিৰজীৱনৰ বাবে হেৰুৱাব লাগিব। দুখ লাগিছে আজি মই যাক হেৰুৱাবলৈ ওলাইছো, যাক মই আজি তিনিবছৰে বুকুৰ মাজত লৈ ফুৰিছিলো..... যি কথা মোৰ হৃদয়ৰ বাদে তহঁতৰ কাকোৱেই কোৱা নহ'ল......।

— কি কথা ? সকলোৱে প্ৰশ্নবোধক দৃষ্টিৰে তালৈ চাই ৰয়।

— তহঁতে জানো বিশ্বাস কৰিবি? মই আজি মোৰ ভালপোৱাক হেৰুৱাব লৈছো।

— কি ! সকলোৱে আচৰিত হয় তাৰ কথাত।

— আচৰিত হৈছে নহয় ! হোৱাটোৱেই স্বাভাৱিক। জান, কলেজত ভৰি দিয়াৰ লগে লগেই মোৰ দেহত এচাটি যৌৱনৰ মলয়াই চুই গৈছিল। সি মোৰ যৌৱনৰ আগজাননীয়েই আছিল নে আন কিবা, তাক মই ক'ব নোৱাৰো। কিন্তু তেতিয়াৰ পৰাই মই এজনী ছোৱালীৰ প্ৰেমত পৰিলো। তাই আমাতকৈ প্ৰায় দুবছৰ মানৰ সৰু, পঢ়াতো বেচ চোকা, তাতোকৈ মোৰ ভাল লাগিছিল তাইৰ মৰমলগা মুখখন। মাজে মাজে তাইক মই লুকাই চাইছিলো। আৰু অৱশেষত এনেকৈয়ে এদিন মই তাইৰ প্ৰেমত পৰিলো। কিন্তু ক'বলৈ সাহস নহল কাৰণ তাই আছিল বয়সত সৰু, মোৰ কথা যদি তাইৰ পঢ়াত ব্যাঘাত জন্মাই, যদি মোৰ মৰমক তাই গ্ৰহণ নকৰে? এনে কিছুমান কথাৰ বাবেই মই তাইৰ কাষৰ পৰা আঁতৰি আহিছিলো। কিন্তু তাইৰ প্ৰতি থকা মোৰ মৰম............। আৰু এতিয়া কলেজখনৰ প্ৰতিটো ভাল লগা বস্তুৰ দৰে তাই মোৰ বাবে অতি মৰমৰ যাক আৰু কেইদিন মানৰ ভিতৰতে হেৰুৱাম কিজানি চিৰদিনৰ বাবে।

— কোন সেইজনী ছোৱালী? নামটো ক? আমি সহায় কৰিব পাৰো নেকি চাওঁ।

— নাই নালাগে। মোৰ কথাৰে তাইৰ মানসিকতাত মই আঘাত হানিব বিচৰা নাই। মোৰ প্ৰেম যদি প্ৰকৃত হয় এদিন তাইক নিশ্চয় পাম, লাগিলে তাইৰ বাবে অপেক্ষা কৰিম ভৱিষ্যতলৈ।

জান্তু ঃ তোৰ যদি তেনে ইচ্ছাই তেন্তে তোক আমি জোৰ নকৰো। তথাপি যোৱাৰ আগতে তোক এজনী লগ লগাই দিব পাৰিলে আমাৰ ভাল লাগিলহেঁতেন দেচোন, নে কি কোৱা 'জোন'?

— ঐ আজি বহুত সময় হ'ল। আজিৰ আড্ডা ইমানতে সামৰো নে কি? কালিলৈ পুনৰ লগ হম। কোনোৱে নহাকৈ নাথাকিবি পাছে — ইয়াৰ পাছত Bye, See you again আদি শব্দৰে সকলোৱে নিজ নিজ বাসস্থানলৈ খোজ লয়।

(গ)

কাকু, দ্বীপ্তি, জোন — তিনিওজনী একেলগে এটা মেচত থাকে। আজি সিহঁতৰ তালৈ আৰু এজনী আহিব। নামটো পৰীমণি। তাই এইবাৰ হায়াৰ ছেকেণ্ডেৰী ফাইনেল দিব। ঘৰৰ পৰা পৰীক্ষা কেন্দ্ৰলৈ দূৰ হোৱাৰ বাবে কাকুহঁতৰ লগতে থকাতো সিদ্ধান্ত কৰিছে। পৰী কাকুহঁতৰ আগৰ চিনাকী যদিও মিলামিছা কম হয়। আজিৰ পৰা সিহঁত চাৰিজনী থাকিব।

কাকু ঃ ঐ পৰী, তই এইখিনিতে পঢ়িবি, কিবা অসুবিধা হ'ব নেকি?

পৰী ঃ নাই নহয়। তেনেকুৱাতে দ্বীপ্তিৰ টেবুলৰ ওপৰত পৰি থকা এটা এলবাম পৰীমণিৰ চকুত পৰে।

পৰী ঃ এইটো কাৰ এলবাম? চাওঁ দেই — পৰীয়ে ফটোবিলাক এফালৰ পৰা চাই যাবলৈ ধৰে। এনেকুৱাতে এখন ফটো দেখি তাই বৈ দিলে।

— কাকু বা এইখন কাৰ ফটো? এই চকুযোৰিৰ গৰাকীক আগতে ক'ৰবাত যেন মই দেখিছো।

কাকু ঃ অ' এখেত, ই আমাৰ লগৰ। মনদ্বীপ ইয়াৰ নাম। বেচ ভাল ল'ৰা জান'।

পৰী ঃ মই এদিন এওঁক বাচত লগ পাইছিলো জান। প্ৰথম চিনাকিতে মোৰ কিবা এটা ভাল লাগিছিল। কিন্তু তাৰ পাছত দেখোন লগ নোপোৱাই হ'লো। সঁচাকৈ লৰাজন বৰ মৰমলগা।

জোন ঃ ঐ কাকু পৰীয়ে যে দ্বীপৰ কথা বৰকৈ সুধি আছে। ঐ পৰী ভাল লাগিছে নেকি? যদি লাগিছে ক' আমি সকলো ঠিক কৰি দিম, নে কি কাকু?

কাকু ঃ অ' তো তাৰো লগ এজনী হ'ব। সুখৰ দুখৰ কথা পাতিব পাৰিব।

দীপ্তি ঃ লিছে সি জানো ৰাজি হ'ব। অৱশ্যে চেষ্টা এটা কৰি চোৱা বেয়া নহয়।

পিছদিনা ফিল্ডৰ মাজৰ কথাৰ আড্ডাতে কাকুৱে কথাটো লাহেকৈ উলিয়ালে। কথাটো শুনি কৃষ্ণ, জান্তু, শ্যাম, দ্বীপ্তি, জোনহঁতে তাক জোকাব ধৰিলে। অৱশেষত আমাৰ দ্বীপৰ মাজলৈ এটি নিজৰা নিগৰি আহিল। এতিয়া ইহঁত ক'ত কেনেকৈ লগ হ'ব তাৰ প্ৰোগ্ৰাম বনোৱাত ব্যস্ত কৃষ্ণহঁত। আনহাতে দ্বীপৰ সিমান আগ্ৰহ নাই যদিও সিহঁতৰ কথা আৰু পেলাব নোৱাৰিলে। পিছদিনা কাকুহঁতৰ লগত পৰীমণিও আহিল কলেজৰ ফিল্ডলৈ। আজি সিহঁতে ক্লাছ কৰা নাই। মনে মনে বৈ থকা পৰীমণিক চিনাকি কৰাই দিলে কাকুৱে। সকলোৱে নিজৰ পৰিচয় দি নমস্কাৰ জনালে আনকি মনদ্বীপেও। তেনেতে মনদ্বীপে লক্ষ্য কৰিলে এইয়াচোন আজি তিনিবছৰ আগতে লগপোৱা সেই ছোৱালীজনী। তাৰ স্পষ্টকৈ মনত পৰিল এবাৰ সি গুৱাহাটীৰ পৰা আহোতে তাৰ একেটা চিট্‌তে বহিছিল এই ছোৱালীজনী। অৱশ্যে তাইৰ নামটো সি পাহৰিছিল, কিন্তু তাই সেই আগৰ দৰেই ধুনীয়া, স্মাৰ্ট। মনদ্বীপে একেথৰে চাইছিল চাই কথাবোৰ ভাৰি আছিল। তেনেতে কাৰোবাৰ মাতত তাৰ ঘূচ আহিল।

কাকু ঃ কি হ'ল দ্বীপ তাইকে চাই থাকিবি নে কিবা কবি। দ্বীপে লাজ লাজকৈ হাঁহিলে আৰু পৰী ..... তায়ো তল মূৰ কৰি থাকিলে মনে মনে......। এইয়াই মনদ্বীপ আৰু পৰীমণিৰ প্ৰেমৰ আৰম্ভণী। (এইবোৰ আজি তিনি বছৰ আগৰ কথা।)

(ঘ)

এফালে ঘড়ীটোৰ কাটাডালৰ চক চক শব্দ আৰু আনফালে ষ্টিল ফিল্টাৰটোত টোপ টোপ কৈ পৰি থকা পানীৰ শব্দই সন্ধিয়াৰ হোষ্টেলৰ নিৰ্জনতাক বাধা দিয়াৰ এক যুটীয়া চেষ্টা চলাইছে। সেই মুহূৰ্তত এন্ধাৰে মুন্ধাৰে অকলশৰে চাৰি নং ৰুমত নিজৰ বিচনাত পৰি থকা মনদ্বীপৰ মনত এশ এবুৰি চিন্তাই হেতা-ওপৰা লগাইছে। বিশেষকৈ আজি University ত ঘটি যোৱা ঘটনাবোৰক। আজি তিনিবছৰে ভাল পাই অহা পৰীমণি হঠাতে তাৰ জীৱনৰ পৰা আঁতৰি গৈছে। কাৰণ তাইৰ জীৱনলৈ তাইৰ অতীত ঘূৰি আহিছে — তাইৰ প্ৰথম ভালপোৱা। কিন্তু পৰীমণিৰ এই অতীতে আজি দ্বীপৰো অতীতক পুনৰ মনত পেলাই দিছে। যাক অতবছৰে পাহৰিবলৈ চেষ্টা কৰি আহিছিল। কিন্তু সি আজি ভাবিবলৈ বাধ্য হৈছে - যদি পৰীমণিৰ দৰে তাৰ জীৱনলৈ অতীত ঘূৰি আহে। তাৰ অতীতে যদি তাৰ কাণত কয়হি — "ইমান দিনে কিয় কোৱা নাছিলা দ্বীপ, ময়ো যে তোমাক ভাল পাই আহিছিলো। তোমাৰ এই কথাষাৰ শুনিবৰ বাবে আজি তিনিবছৰে অপেক্ষা কৰিবলগা হ'ল। তুমি জানো জানা মোৰ জীৱনলৈও কিমান পুৰুষ আহিছিল তথাপি বৈ আছিলো তোমাৰ বাবে; আৰু অপেক্ষাৰ প্ৰয়োজন নাই যাক মই বিছাৰিছিলো তেওঁ মোৰ কাষত বৈ আছে; আজি মই আটাইতকৈ সুখী।" — আৰু তেতিয়া নিশ্চয় সি আনন্দতে তাইক নিজৰ বাহুৰে বুকুৰ মাজত আকোৱালি লৈ তাৰ তপত ওঠৰ চুমাৰে তাইক যেন উপচাই পেলাব আৰু ক'ব — "জানো 'পৰী' মইয়ো তোমাক বহুত হেৰুৱালো আৰু নেহৰুৱাও। আজিৰপৰা তুমি কেৱল মোৰ হৈ থাকিবা, সোমাই থাকিবা আজিৰ দৰেই মোৰ বুকুৰ মাজত।"

এনেতে ওচৰৰ মছজিদত সন্ধিয়াৰ আজান দিয়াৰ মাতত 'মনদ্বীপ'ৰ সেই সোণালী কল্পনাৰ অৱসান ঘটিল। তেতিয়াহে তাৰ সম্বিত ঘূৰিল যে সময় বহু হ'ল। গেটৰ সন্মুখত বজাৰলৈ ওলাই যোৱা ল'ৰাবোৰ সোমাই অহা গুণগুণনি শুনা গ'ল। 'দ্বীপে লাহেকৈ বিচনাৰপৰা নামি টিউব লাইটটোৰ চুইচ অন কৰি দিলে। লগে লগে ৰুমটোত এখিনি নীলা পোহৰে আগুৰি ধৰিলে আৰু সেই পোহৰতেই সি বিচাৰি পালে তাৰ "হেৰুৱা প্ৰেমৰ সুবাস"।।■






সোণাৰি মহাবিদ্যালয় আলোচনী

# মাকৰ মৰম

দেৱজিৎ চেতিয়া ফুকন
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)

আহঁতগুৰি এখন মধ্যম শ্ৰেণীৰ গাঁও। বহুত দিনৰ আগতে সেইঠাইত এজোপা ডাঙৰ আঁহত গছ আছিল গতিকে সেই ঠাইৰ নাম আঁহতগুৰি। ছিঙা-ভঙা বোকাপানীৰে ভৰা সৰু গাঁৱলীয়া আলিটোৱেই গাঁওখনৰ মেৰুদণ্ড। ওলাবলৈ সোমাবলৈ ভাল ৰাস্তা পদুলি নাই। কোনো এখন চৰকাৰেই এই গাঁওখনৰ উন্নয়নৰ কামত গুৰুত্ব দিয়া নাই। বৰ্তমান এনে একোখন গাঁও আমাৰ দেশত নাই যেনেই লাগে। কিন্তু আছে।

মুহিৰাম বৰবায়নৰ ঘৰ তাতে। বৰবায়নৰ ঘৰৰ অৱস্থা মজলীয়া। গাঁৱৰ মানুহে বৰবায়নক বৰ মান-সন্মান কৰে। পূজা-পাৰ্বণত বৰবায়নক লাগেই। বৰবায়নেই জ্ঞাতিটোৰ প্ৰধান ভকত, মেধি, সাতোলা সকলো। স্বভাৱত কিন্তু বৰবায়ন একেবাৰেই হোজা, সৰল, মৰা সাপক দেই নোযোৱা বিধৰ। জীৱনটোত কাৰো লগতে হাই - কাজিয়া কৰি নাপালে বৰবায়নে।

কিন্তু ব্যতিক্ৰম হ'ল বৰবায়নৰ পৰিবাৰ। বায়ননী হ'ল - হাই- কাজিয়া, লোকৰ ধ্বংস হোৱা, আনক কেতেৰা-জেঙেৰা দি ভালপোৱা স্বভাৱৰ। তাৰ বাদেও হাত খনিও লৰ। ইফালে-সিফালে যাওঁতে কোনোবা এঘৰৰ শুকান জেওৰা কেইচটামান লৈ অহা, লোকৰ বাৰীৰ বাঁহ গাজ এটা মনে মনে আনি খাৰ শাক বনোৱা ইত্যাদি কাম তেওঁৰ বৰ প্ৰিয়। বৰবায়নৰ মুখলৈ চাইহে গাঁৱৰ মানুহে মানুহগৰাকীক বিশেষ একো নকৰে।

বৰবায়নৰ ল'ৰা দুটা-ছোৱালী এজনী। ছোৱালীজনী মাজু। বৰবায়নৰ নিজ স্বভাৱৰ প্ৰভাৱতে ডাঙৰ ল'ৰাটো আৰু ছোৱালীজনী সৰল, ডাঙৰক ঈশ্বৰ হেন দেখা বিধৰ ল'ৰা-ছোৱালী হ'ল। মাকক তেওঁৰ কুট স্বভাৱৰ বাবে সিহঁতে মনে মনে ভাল নেপায়। অথচ, মাক যিহেতু - গতিকে সন্মুখত ভক্তি কৰে। ভক্তি ভাৱ থাকিলে মানুহ সৎকামত আগবাঢ়িব পাৰে। গতিকে ডাঙৰ হাল পঢ়া-শুনাত পুৰা মাত্ৰাই ভাল। কিন্তু সৰু ল'ৰাটো স্বভাৱ ঢাল খালে মাকৰ ফালে। ঘৰৰ ভিতৰতকৈ বাহিৰতহে তাৰ কাম বেছি। মাছ মৰা, শাক অনা, গধুলিলৈকে ক'ৰবাত গৈ টেঙাবল খেলা ইত্যাদি কাম সমূহ তাৰ নিত্য কৰ্ম। নাম তাৰ পিতাম্বৰ কিন্তু সকলোৱে তাক সৰুৰেপৰা পেটুৱা বুলি মাতে। গতিকে তাৰ নাম পেটুৱাই হ'ল।

কঁঠালৰ দিন। সন্ধ্যা সময়ত গৰু ঘৰলৈ লৈ আঁহোতে পেটুৱাই এদিন ডাঙৰ চাই কঁঠাল এটা লৈ আহিছে। ককায়েক-বায়েকে দেখে বুলি ঘৰৰ পাছ দুৱাৰেদি ভিতৰলৈ নি চাং তলত সুমুৱাই লওতে মাকে দেখিলে। মাক চঞ্চল হৈ গ'ল।

পেটুৱাই মাকক মনে মনে কলে, "কঁঠালটো কপৌচৰাই বাৰীৰ পৰা মনে মনে লৈ আহিলো আৰু কেইবাটাও আছে।" মাকে চুৰি কঁঠাল বুলি জানি তাক কঁঠালটো ঘৰৰ পৰা নি.খেৰৰ তলত লুকাই ৰাখিবলৈ কলে। কঠালটো পকিলে ভিতৰত গোন্ধ ওলাব তেতিয়া ককায়েক, বায়েক আৰু বাপেকে গম পাব। তাক কথাটো বুজাই কলে। পেটুৱাইও কঠালটো সেইমতে লুকুৱাই থ'লে। পাছত পকিলত মাকে পুতেকে খায় পেলালে। তাৰ পাছত এইদৰে কেইবাটাও কঠাল আনি মাকে পুতেকে গোপনে ভোজ পাতিলে।

কঠাল কেইটা আনিয়েই পেটুৱাই গম পালে মাকে তাক অন্য বস্তু আনিলেও বেয়া নাপায় বৰং সহায়হে কৰে। এদিন লোকৰ এঘৰৰ থোহা, চেপা চাই মাছ এগাল আনিলে। মাকে আথে-বেথে মাছখিনি বাচি-কুচি ৰান্ধিলে। আৰু থোহা-চেপা চাই [illegible] মাছ আনিব লাগে ভালদৰে শিকাই দিলে। পেটুৱাই এইদৰে মাছ আনিয়েই থাকে। ল'ৰাৰ বাপেক, ককায়েক, বাইয়েকৰ খবৰেই নাই - ক'ৰ মাছ ক'লৈ আহে।

পেটুৱা স্কুললৈ গৈ থাকে। এৰা নাই। কিন্তু কিতাপ [illegible], কলম-পেঞ্চিলবোৰ তাৰ উপঢৌকনহে। গধুলি কিতাপ পঢ়িবলৈ লয়, কিন্তু চুৰ কৰি অনা মাছকেইটা মাকে কি দি ৰান্ধিছে [illegible] চাই আছেগৈ। ককায়েকহঁতে কিতাপ নপঢ় কিয় বুলি [illegible] চৰ এটা মাৰিলে মাকে সিহঁতক গালি পাৰে। "সি নপঢ়ে নপঢ়ক তহঁতি মাৰিছ কিয়? নেলাগে পঢ়িব তহঁতিয়ে ফালগৈ।" পেটুৱাক মাছ কেইটামান বেছিকৈ দি খুৱাই-বুৱাই শুৱাই থয়গৈ।

অৱশেষত পেটুৱাই স্কুল এৰি দিলে। ককায়েকহঁতে বহু চেষ্টা কৰিও তাক পুনৰ স্কুললৈ পঠাব নোৱাৰিলে। সদায় গা-পা ধুই স্কুললৈ যোৱা, গধুলি কিতাপ পঢ়া, মাজে মাজে পৰীক্ষা দিয়া [illegible] দায়িত্বৰ পৰা হাত সাৰিল সি। লাহে লাহে পেটুৱা [illegible] পৰা এজোপা হ'ল। মানুহ চাই ফেৰ পাতিব পৰা হ'ল। [illegible] তাৰ মনঃপুত কামবোৰ কৰাত সিদ্ধহস্ত হৈ কৃতকাৰ্য্য [illegible]। গতিকে মাকৰ মনত আনন্দ। সিহে তেওঁৰ প্ৰকৃত পুত্ৰৰ দৰে [illegible]। ডাঙৰ দুটা পঢ়ি শুনি ডাঙৰ বিদ্যালয়ত সোমালগৈ। মাকে [illegible], "[illegible] পঢ়িলে কি হ'ব বাপেকটোৰ দৰে হোজা, নিবোকা [illegible] কি আমাক খুৱাব পিন্ধাব পাৰিব? পঢ়িছে পঢ়ক আৰু।"

পেটুৱাৰ চাইকেল নাই। বাপেকৰ চাইকেলখন সি প্ৰায়েই [illegible]। গতিকে সি নিজৰ বিদ্যাৰ বলেৰে চাইকেল এখন [illegible] কৰিলে। এদিন সি সিহঁতৰ আহঁতগুৰি গাঁওৰ পৰা [illegible] দূৰত বহা দেওবৰীয়া বজাৰখনলৈ গ'ল। লক্ষ্য [illegible] অনা। সি গৈ বজাৰলৈ সোমোৱা বাটৰ কাষৰ চাহ [illegible] চাহ খোৱাৰ চলেৰে বহি থাকিল। চাই আছে কোনে ক'ত চাইকেল থয়। ভাগ্যভাল অৱশেষত বুঢ়া শিক্ষক এজনে বাটৰ কাষতে বাঁহৰ খুটি এটাত আওঁজাই নিজৰ চাইকেলখন থলে। পলম নকৰি পেটুৱাই বহাৰ পৰা উঠি বজাৰখনত এপাক মাৰি মালিকজন ক'ত আছে এপাক চাই চাইকেলখনৰ ওচৰত ৰ'ল। সুৰুঙা যেন পাই নিজৰ চাইকেলৰ দৰে লৈ আলিৰ ফালে আগবাঢ়িল। কিন্তু শিক্ষকজনে প্ৰতিমুহূৰ্ত্ততে চাইকেলখনৰ ফালে মন কৰি আছিল। লৰাটোক চাইকেলখন নিয়া দেখি তেওঁ চিঞৰ বাখৰ লগাই দিলে। চুৰ ওলালে খেদি যাবলৈ মানুহে বৰ ভাল পায়। পেটুৱা পলাব নোৱাৰিলে। যেইয়ে যিদৰে পাৰে চৰ, ঘোচা, গোৰ সোধাবলৈ ধৰিলে। পেটুৱা ঢলি পৰিল। নাকে-মুখে তেজ ওলাবলৈ ধৰিলে। তললৈ মূৰ কৰি পেটুৱা পৰি গ'ল। আৰু সি চিৰকাললৈ উঠিব নোৱাৰিলে। সি তাতে চকু মুদিলে।

হাটখোৱাই ঘটনাটো থানাত জনালে। থানাৰ পুলিচ আহি ঘটনাস্থলীত উপস্থিত হ'ল। ইতিমধ্যে বজাৰৰ মানুহবোৰ ঘৰা-ঘৰি গ'ল। কোনে তাৰ জান মাৰিলে একো ঠিক নাইকিয়া হ'ল।

খবৰ পাই পেটুৱাৰ মাক আউলী-বাউলী হৈ আহি কান্দি কান্দি পেটুৱাৰ মৃতদেহৰ ওচৰতে পৰি দিলেহি। পেটুৱাক কোঁচত লৈ হিয়াধুনি কান্দি কান্দি কবলৈ ধৰিলে —

"মইয়ে ইয়াক মাৰিলো, মইয়ে ইয়াৰ তেজ খালো, মোকো মাৰি পেলাওঁক।" থানাৰ অ. চি. জনে অবাক হৈ তাইলৈ চাই ৰ'ল।

কিছুসময়ৰ পিছত পেটুৱাৰ মৃতদেহৰ হৈতে মাককো থানালৈ গাড়ীত তুলি নিয়া হ'ল।

■■■

(বিঃ দ্ৰঃ - দেউতাই সৰুতে কোৱা সাধুবোৰৰ ইও এটা, গতিকে গল্পটো স্বনামধন্য শ্ৰদ্ধেয় মোৰ পিতৃৰ নামত আগবঢ়ালো)





## কুইজ ???

| | |
|---|---|
| (১) প্ৰথম অসমীয়া পদ্মশ্ৰী সন্মান পোৱা মহিলা কবি কোন ? | উত্তৰ ঃ নলিনী বালা দেৱী। |
| (২) প্ৰথম অসমীয়া মহিলা এ. চি. এচ কোন ? | উত্তৰ ঃ শুচিব্ৰতা ৰায়চৌধুৰী। |
| (৩) ভাৰতৰ প্ৰথম মহিলা জ্ঞানপীঠ বঁটা বিজয়ী কোন ? | উত্তৰ ঃ আশাপূৰ্ণা দেৱী। |
| (৪) প্ৰথম অসমীয়া চলচ্চিত্ৰ নিৰ্মাতা কোন ? | উত্তৰ ঃ জ্যোতি প্ৰসাদ আগৰৱালা। |
| (৫) ন'বেল বঁটা বিজয়ী প্ৰথম ভাৰতীয় কোন ? | উত্তৰ ঃ ৰবীন্দ্ৰনাথ ঠাকুৰ। |

# সংকল্প

ঋতুপৰ্ণ চুতীয়া
স্নাতক প্ৰথম বৰ্ষ (কলা)

মানুহে যদি কাৰোবাক ভাল পায়, কাৰোবাৰ সৈতে যদি আপোনত্ব গঢ় লৈ উঠে, তেনেহলে জানিব লাগিব যে সেই ভালপোৱা সেই আপোনত্বৰ মাজত কব নোৱাৰাকৈয়ে কিবা নহয় কিবা স্বাৰ্থ জড়িত হৈ আছে। ন'হলেনো সামান্য আঘাট পালেই কাৰোবাৰ প্ৰতি থকা ভালপোৱা হঠাৎ নাইকীয়া হৈ যাব পাৰেনে।

ঠিক অভিজিৎৰ ক্ষেত্ৰতো আজি কিছুদিনৰ পৰা এনে এটা পৰিস্থিতিয়ে দেখা দিছে। কিন্তু এই আঘাত কোনো ব্যক্তিগত প্ৰেমজনিত নহয়, বা কোনো ক্ষন্তেকীয়া বেদনাৰ লগত জড়িত নহয়। এই আঘাত অভিজিতৰ অন্তৰ মহলত আজি জীৱনৰ বত্ৰিশটা বছৰে কুৰুকি কুৰুকি ঘূণপোকে কাঠ খোৱাৰ দৰে অভিজিৎ নামৰ মানুহটোৰ ভিতৰখন শেষ কৰি পেলাইছে। যাৰ ফলস্বৰূপে মাথো নিজৰ বাহ্যিক অবয়বটোৰ বাহিৰে ভিতৰৰ অভিজিৎ নামৰ মানুহটোৰ মৃত্যু ঘটিছে। অন্ততঃ অভিজিতে তেনেকৈ ভাবে। আৰু যাৰ শেষ পৰিণতি স্বৰূপে তাৰ এই পৃথিৱীখনৰ প্ৰতিয়ে বিতৃষ্ণা উপজিছে। বিশেষকৈ পৃথিৱীৰ মানুহৰূপী এচাম পশুলৈ ঘৃণাত নাক কোঁচ খাই আহিব খোজে তাৰ, সঁচাই বাৰু কুৰি শতিকাৰ মানৱৰ এইয়া সভ্য সামাজ নে? সি নিজকে প্ৰশ্ন কৰিছে বহুবাৰ, কিন্তু উত্তৰটো হ'লে আজি পৰ্য্যন্ত নাইপোৱা।

অভিজিৎৰ আঘাতটো কোনো তৎকালীন কাৰণৰ পৰা উদ্ভৱ হোৱা নাই। আৰু হ'লেও সি ইমান দুৰ্বল নহয় যে সামান্য এটা আঘাততে সি কাৰোবাৰ প্ৰতি থকা তাৰ দুৰ্বাৰ প্ৰেম, নিমিষতে নিঃশেষ কৰি সি নিজৰে বিচাৰ বিবেচনা নিজ মনটোৰ ওচৰতে বশ্যতা স্বীকাৰ কৰিব। অন্ততঃ সিমানকণ ধৈৰ্য্য আৰু সাহসৰ তাৰ অভাৱ নাছিল। কিন্তু আজি জীৱনৰ বত্ৰিশটা বছৰে সি যিমান তিক্ত অভিজ্ঞতাৰে পৰিপুষ্ট তাৰ তুলনাত মিঠা অনুভৱৰ সংখ্যা তেনেই নগণ্য। যেনেকৈ পাল্লা এখনৰ এফালে এক কেজিৰ বিপৰীতে পঁচিশ গ্ৰামৰ এটা দগা বহালে তাৰ মাজৰ পাৰ্থক্যটো যেনেকুৱা হয় ঠিক তেনেকুৱাই। সেয়েহে আজি পৃথিৱীখনৰ প্ৰতি থকা তাৰ মানুহৰ প্ৰতি থকা ভালপোৱা সকলোবোৰ সি হেৰুৱাই পেলাইছে। আজি সি ভালপাওঁ বুলিও ভাল পাব নোৱাৰে কাকো।

বুজিব পৰা হোৱাৰে পৰা আকাশখন, জোনবাই, সন্ধ্যাতৰা সকলোৰে প্ৰতি প্ৰেমাকৃষ্ট হোৱা সি এবাৰো ভৱা নাছিল এদিন এইবিলাকৰ প্ৰতিয়ে তাৰ মোহভংগ হব। অভিজিৎ বৰুৱা ৰংপুৰ গাঁৱৰ নৰেণ বৰুৱাৰ প্ৰথম পুত্ৰ। আৰ্থিক ভাৱে অতি দুৰ্বল পৰিয়ালটোৰ জিৎৰ বাহিৰে বাকী তিনিটা ভাই-ভনী শাৰীৰিক তথা মানসিক ভাবেও বিকাৰগ্ৰস্ত। বিকাৰগ্ৰস্ত ভাই-ভনী কেইটা আৰু আৰ্থিভাৱে জুৰুলা হোৱা ঘৰখনলৈ চাই কোনো মুহূৰ্ত্তত দুৰ্বল হৈ পৰিলেও মনৰ নিভৃতকোণত সদায় এটা আশা পোহি ৰাখিছিল এদিন হয়তু তাৰ আন্ধাৰ জীৱনৰ ৰাতি পুৱাব। ৰাতিৰ পাছত দিন অহাৰ দৰে তাৰো জীৱনলৈ পোহৰ আহিব আৰু তাৰ মধুৰ কল্পনাবিলাক বাস্তৱৰ ডেউকাত উঠি উৰি যাব তালৈ য'ত তাৰ প্ৰাপ্তিয়ে তাৰ বাবে অপেক্ষা কৰি আছে।

সকৰে পৰা পঢ়া-শুনাত অত্যন্ত মেধাৱী অভিজিৎ বিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী তথা গাঁৱৰো প্ৰতিজন মানুহৰে প্ৰিয় ভাজন আছিল। গাওঁৰ ঘৰে ঘৰে হাজিৰা কৰি কোনোমতে ছয়জনীয়া পৰিয়ালটোক পোহপাল দি থকা নিৰক্ষৰ দেউতাকে পঢ়া - শুনানো কি বস্তু তাক ওপলব্ধি কৰাত অসমৰ্থ হ'লেও ঘৰৰ ডাঙৰ ল'ৰা হিচাবে দেউতাকে ঘৰৰ একমাত্ৰ ৰোৱা মাটি দুবিঘাকে মহেশ্বৰ মাষ্টৰক জমা দি অভিজিতক পঢ়া-শুনা কৰিবলৈ সুবিধা কৰি দিবলৈ ক'লে। সেই মাষ্টৰৰ অনুগ্ৰহতেই সি এঢাপ এঢাপ কৈ আগুৱাই গৈছিল। এনেদৰে হাইস্কুলৰ দেউনা পাৰ হৈ মাষ্টৰৰ একান্ত অনুগ্ৰহতে সি ক্ৰমে বি. এৰ পৰা এম. এ পৰ্য্যন্ত পঢ়িবলৈ সমৰ্থ হয়। সকলো পৰীক্ষাতে তাৰ ফাৰ্ষ্ট ডিভিজন আছিল ; মাৰ্কচো সেই অনুপাতে ভাল হোৱাৰ বাবে তাৰ মনৰ অজানিতে সি হয়তু এটা আশা, এটা সপোন পোহি ৰাখিছিল। শিক্ষা সমাপ্ত হোৱাৰ পাছতে এটা কৰ্মসংস্থাপন যিটোৱে তাৰ জীৱনৰ গতিপথেই সলনি কৰি দিব। সি সপোন দেখিছিল - সি তাৰ মাক দেউতাকৰ সকলো দুখ দূৰ কৰিবলৈ সমৰ্থ হব। গাঁওৰ ঘৰে ঘৰে কাম কৰি ফুৰা বেমাৰী মাকজনীৰ চিকিৎসা কৰাইছে, যিজনী মাকৰ গাত টকা পইচাৰ অভাৱত বছৰৰ পাছত বছৰ কিমান বেমাৰ লীন হৈ গৈছে তাৰ সিতু নাজেই হয়তু মাকে নিজেও ৰখা নাই। কাম কৰি কৰি বুকুৰ হাঁড় ওলোৱা, জীৱনৰ ভাৰ বৈ বৈ কুঁজা হৈ পৰা দেউতাকক দেখিলে তাৰ কেতিয়াবা অজানিতে খংটো উঠি আহে কিহৰ বাবে বাৰু টিটিটিকৈ সন্তান জন্ম দিব লাগে অন্তঃত নিজৰ সামৰ্থ্যটোৰ কথা এবাৰ ভাবি চাব লাগিছিল। কিন্তু পৃথিৱীৰ কোনো জটিলতা বুজি নোপোৱা দেউতাকৰ মুখখন দেখিলে তাৰ খঙৰ পৰিৱৰ্তে দুখ এটাহে বুকুৰ মাজৰ পৰা বগুৱা বাই উঠি আহে। বুকুৰ মাজত কিবা এক তেনা উত্তেজনাৰ অনুভৱ হয়। প্ৰকৃততে সি নিজেও নাজানে প্ৰকৃততে সেয়া কি তাৰ খং নে দুখ নে আন কিবা।

সেইদিনটো আজিও তাৰ ভালদৰে মনত আছে যিদিনা সি এম. এ পাছ কৰি ঘৰলৈ উভটিছিল। মাক দেউতাকৰ লগতে বুজা নুবুজাকৈ ভাই-ভনী কেইটাৰো শেতা পৰা মুখকেইখন উজ্বল হৈ পৰিছিল। নিৰক্ষৰ অজ্ঞ হ'লেও হয়তু মাক দেউতাকে এইটো কথা জানিছিল যে শিক্ষাৰ সমাপ্তিয়েই চাকৰিৰ প্ৰাপ্তি। মেট্ৰিকৰ পৰা বি. এ. পৰ্য্যন্ত মাষ্টৰৰ অনুগ্ৰহতে পাৰ কৰি সি তাৰ টিউচনৰ টকা আৰু ৰাতি কোনো বেচৰকাৰী অফিচৰ নাইট চকীদাৰ দিউটি কৰি এম. এ. টো পাছ কৰিলে। এনেদৰে তাৰ উশাহ ল'বলৈ সময় নোহোৱা প্ৰচেষ্টাৰে অৰ্জন কৰা বিদ্যাও যে এদিন ইমান মূল্যহীন হৈ পৰিব সেই কথা তেতিয়া সি ভবাৰো অৱকাশ পোৱা নাছিল।

এম. এ. পাছ কৰাৰ পাছত চাৰিটা বছৰ নানা চৰকাৰী বেচৰকাৰী প্ৰতিষ্ঠানত চাকৰীৰ বাবে দৰ্খাস্ত আৰু ইণ্টাৰভিউ দিওঁতে পাৰ হ'ল। জীৱনৰ সাতাইশটা বছৰে বুজি নোপোৱা বহুতো কথা সি এই চাৰিটা বছৰতে বুজি উঠিছে। চাকৰীৰ বাবে যে শিক্ষাগত অৰ্হতাই যথেষ্ট নহয় তাক সি মৰ্মে মৰ্মে উপলব্ধি কৰিছে। ইফালে দেউতাকৰ মৃত্যু আৰু তাৰ পাছৰ একেটা বছৰতে মাক আৰু ভায়েকৰ মৃত্যুৱে তাৰ জীৱনৰ অন্ধকাৰ দিশটোত আৰু অলপ আন্ধাৰ সিঁচি দিলে। আন্ধাৰৰ মেটমৰা বোজা বব নোৱাৰি সি মুক্ হৈ পৰিল। তাৰ মন আৰু শৰীৰ সকলো ভাৰাক্ৰান্ত কৰি তাৰ মনৰ আশা, আকাংক্ষা আৰু সপোনবিলাক চুৰ্ণকৃত হ'ব ধৰিলে এটাৰ পাছত এটাকৈ। আৰু তাৰ জীৱনৰ আটাইতকৈ হৃদয় বিদাৰক ঘটনাটো ঘটিল সেইদিনা, যিদিনা তাৰ অনুপস্থিতিৰ সুযোগ লৈ গাঁৱৰ মানুহৰূপী দুটামান নৰপশুৱে তাৰ দুৰ্ভগীয়া ভনীয়েক দুজনীৰ কুমাৰীত্ব চিৰদিনৰ বাবে শেষ কৰি দিলে। কিন্তু সিদিনা সি মাক-দেউতাক ভায়েকৰ মৃত্যুত কন্দাৰ দৰে কান্দিব পৰা নাছিল, তাৰ মনত সমস্ত পৃথিৱীখনৰ প্ৰতিয়ে এক প্ৰৱল ঘৃণাৰ ভাৱহে তীব্ৰতৰ হৈ উঠিছিল। ঘিণ লাগিছিল তাৰ এইখন পৃথিৱীত জীয়াই থাকিবলৈ য'ত মানুহে মানুহক চিনি নাপায়। য'ত মৰাক মাৰি খোৱাৰ কি এক বিৰল প্ৰতিযোগিতা।

ভনীয়েক দুজনীয়েও এই ঘটনাৰ দুদিন পাছতে কুঁৱাত পৰি শেষবাৰৰ বাবে তাক আজৰি কৰি দিলে তাৰ একমাত্ৰ বন্ধনটোৰ পৰা। নাই সি আৰু অমানুহ হিচাপে জীয়াই নাথাকে। সিও এই সমাজত নিজকে খাপ খোৱাবলৈ যত্ন কৰিলে।

অৱশেষত অভিজিতে এটা নিষিদ্ধ ঘোষিত সংগঠনত যোগ দিলে। সি কিন্তু নতুন প্ৰজন্মৰ বাকীবিলাক যুৱকৰ দৰে বিপথগামী মনোভাৱ বা কাৰোবাৰ প্ৰতি প্ৰতিশোধ ল'বৰ অভিপ্ৰায়েৰে সংগঠনত যোগদান কৰা নাই। সি নিজৰ ওচৰতে প্ৰতিশ্ৰুতিবদ্ধ হৈছে যে তাৰ দৰে দুৰ্ভগীয়া আৰ্ত বহুজনৰ সুখৰ বাবে নিজক বিলাই দিব। সি নিজে নোপোৱাবিলাকৰ পৰা যেন এক অনুপ্ৰেৰণাহে লাভ কৰিলে যি আজীৱন তাক আৰ্তজনৰ বাবে কিবা এটা কৰিবলৈ তাৰ মনত দৃঢ় সংকল্পবোধৰ জন্ম দিলে। তাৰ এই সংকল্পটোৱে বত্ৰিশবছৰে ভাৰাক্ৰান্ত কৰি ৰখা তাৰ মনৰ অৱসাদ বিলাক পলকতে ঢোৱাই নিলে।

■ ■ ■

# দূৰণিত অকলশৰে

✍ পলি গগৈ
স্নাতক ১ম বৰ্ষ

*আঙুলি পাবত গণিছো সময়*
*তুমি আহিবা বুলি।*
*কম্পিত হৃদয় মোৰ উৎসুক্য দুনয়ন।*
*হে-জীৱন, অপেক্ষা এয়াই নেকি?*



অপেক্ষাৰো এক সুকীয়া ষ্টাইল আছে, আছে এক নিজস্ব ভাষা। ঘণ্টা জুৰি প্লেটফৰ্মত পৰ দি থকা উপাসনাই অনুভৱ কৰিছে এই সত্যক। পাঞ্চালীৰ পৰা খবৰটো পোৱাৰ পাছৰে পৰা পাছবেলাৰ সময়খিনি কেনেকৈ পাৰ হ'ল উপাসনাই টলকিবই নোৱাৰিলে। এক শ্ৰুতিমধুৰ সুৰেৰে বাজি উঠা ম'বাইলটো কাণত লগাইছিল উপাসনাই। সিমুৰৰ পৰা ভাঁহি আহিছিল পাঞ্চালীৰ কণ্ঠস্বৰ।

ঃ এই, সাজু হৈ থাক, গৈ আছো।

ঃ স.......চাঁ.........। — কণ্ঠত আশ্চৰ্যৰ ভাব আছিল উপাসনাৰ।

ঃ ওঁ, সঁচা। — কৈছিল পাঞ্চালীয়ে।

ঃ কেতিয়া আহিবি?

ঃ আঠ ঘণ্টামানৰ পাচত পামগৈ। মই বৰ্তমান গুৱাহাটী অভিমুখী ট্ৰেইনত।

ঃ কি তই আহি আছঙ্গ আগতীয়াকৈ খবৰটো দিব নোৱাৰিলি নেকি?

ঃ বাদ দে সেইবোৰ। মুঠতে নিশা দহ বজাত ষ্টেচনত দেখিব লাগিব।

সেই তেতিয়াৰে পৰা উপাসনাই উশাহ লবলৈও যেন সময় নোহোৱা হ'ল। কলেজৰ পৰা ওলায়ে বৰ্ণিলক অফিচফৰা বাহিৰে বাহিৰে লগত লৈ বজাৰ সমাৰ আদি যাৱতীয় কামখিনি কৰি উঠি আহি দহ বজাৰ আগতেই আহি ষ্টেচনত ৰৈ আছেহি। ষ্টেচনত ইন্টাৰচিটি এক ঘণ্টা লেট হ'ব বুলি শুনিয়ে বৰ্ণিলে উপাসনাক ঘৰলৈ লগ ধৰিছিল, কিন্তু তাই যাবলৈ মান্তি নহ'ল। অন্য দিনত অলপ সময় বেছিকৈ ৰবলৈ পালেই খং উঠি অহা উপাসনাৰ সেই সময়ত কিয় জানো তেনেকৈ ৰৈ থাকিয়ে বহুত ভাল লাগিছিল। হয়তো পাঞ্চালীক লগ পাবৰ বাবে থকা হাবিয়াসৰ বাবে সেই সময়ত সকলো ভাৱনা কৰ্পূৰৰ দৰে উৰা মাৰিছিল। কিমান বছৰ হ'ল বাৰু তাইক দেখা? সেইযে সকলোৰে ওপৰত অভিমান কৰি আতৰি গৈছিল আজিৰ পৰা দহ বছৰমানৰ আগতে, তাৰ পিছৰ পৰাটো এদিনো দেখা নাই। কেৱল ফোনৰ জৰিয়তে বাৰ্তালাপ। এই দহ বছৰত বহুত পৰিবৰ্তন হৈ গ'ল। পাঞ্চালীৰ পৰিয়ালৰ মানুহে তাইৰ ওচৰত হাৰ মানিছিল, ইক'নমিক্সত ভাল মাৰ্কচ থকা উপাসনাই সৌভাগ্যক্ৰমে গুৱাহাটীৰে কলেজত চাকৰি পাইছল, বৰ্ণিল আৰু তাইৰ বিয়া হৈ গৈছিল, কিন্তু পাঞ্চালীৰ জীৱনত কোনো পৰিবৰ্তন নঘটিল। একেই থাকিল তাইৰ অভিমান, তাইৰ জেদ। মাত্ৰ অকণমান সাতুৰালৈ সৈতে পাঞ্চালীৰ জীৱনলৈ জুপি আহিল। সেইয়াও আছিল একপ্ৰকাৰৰ জেদ। আনৰ সহায় নোলোৱাকৈ এটি অনাথ শিশুক গঢ় দিবলৈ কৰা আপ্ৰাণ চেষ্টা জেদৰ বাহিৰে অন্য একো নাছিল। এই কাম যদি তাই জেদত কৰিছিল তথাপিও উপাসনাই ভালদৰে জানিছিল সেই জেদৰ পিছফালে লুকাই থকা আশা আৰু বিশ্বাসৰ কথা, যি আশা, যি বিশ্বাস জড়িত হৈ আছে প্ৰতীশ নামটোৰ মানুহ প্ৰতীশ আজি তাইৰ কাষত নাথাকিব পাৰে কিন্তু প্ৰতীশৰ সাৰ্থক তাইৰ কাষত আজি জুপি আছে, এমুঠি আশা, এমুঠি বিশ্বাস হৈ।

ঃ এই আহি গ'ল।

তেনেতে কাষতে বৰ্ণিলৰ চিঞৰ শুনি উপাসনা চক খাই উঠিল। কেৱ কিযে ভাবি আছিল তাই ইমান সময়ে। উপাসনাই আকৌ ঘড়ীটোলৈ চালে, এঘাৰ বাজি দহ মিনিট। লাহে লাহে দুইজন আহি যথাস্থানত ৰ'লহি। মূহুৰ্ত্ততে নিঃসাৰ হৈ থকা প্লেটফৰ্মত এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হৈ গ'ল। দৌৰা-দৌৰি, চিঞৰ বাখৰ তাৰ মাজেদিয়েই এটা এয়াৰ বেগৰ সৈতে পাঞ্চালী নামি আহিল। উপাসনা আগুৱাই গ'ল তাইৰ ওচৰলৈ।

ঃ অলপ আগতীয়াকৈ খবৰ দিব নোৱাৰিলি নেকি, এনেদৰে হঠাৎ আহিবলৈনো কিহে পালে? — কৃত্ৰিম খঙত উপা জকি উঠিল।

ঃ কিয়, আগৰটো ষ্টেচনৰ পৰা আনিবলৈ গলিহেতেন নেকি?

ঃ স্কুলিক নানিলি যে, তাই আঁহো বুলি নকলে নেকি?

ঃ আহিবলৈ মন গ'লেও জানো স্কুলৰ চাৰিসীমাৰ নিয়ম ভংগ কৰিব পাৰিম ন তাতে কেইদিনমানৰ পিছতে পৰীক্ষা কাৰণে হোষ্টেল টিচাৰ আৰু ষ্ট্ৰীক হৈ গৈছে। বাকী তহঁতৰ খবৰ ক'চোন। — একে উশাহতে কৈ গ'ল তাই কথাবোৰ।





ঃ পাঞ্চালী আঁহা, গোটেই নিশা তোমাক প্লেটফৰ্মত থিয় কৰাই কথাকে সুধি থাকিব এতিয়া। — দূৰৰ পৰা বৰ্ণিলে চিঞৰি ক'লে।

০০০০

*দূৰণিত এতিয়া অকলেই ৰচিছো*
*স্মৃতিৰ জয়গানবোৰ।*
*তুমি জানো শুনিছা কেতিয়াবা,*
*তোমাৰ অনুপস্থিতিত মোৰ উন্মনা মনে*
*বাউলি হৈ কন্দা সেই বিননি।*

মানুহক বুজি উঠিবলৈ এজন ব্যক্তিক কিমান সময়ৰ প্ৰয়োজন সেই কথা তাই নাজানে। কিন্তু পাঞ্চালীক তাই মাত্ৰ দুটা বছৰেই পাইছিল আৰু সেই দুটা বছৰেই দুয়োজনীৰ বাবে যথেষ্ট আছিল। দেউতাক চাকৰিসূত্ৰে শিৱসাগৰত থকাত হায়াৰ চেকেণ্ডাৰীৰ দুটা বছৰ তাই যোৰহাটত নপঢ়ি দেউতাকৰ কৰ্মস্থলীতে আহি পঢ়িছিল আৰু তেতিয়াই তাই লগ পাইছিল পাঞ্চালীক। তেতিয়াৰে পৰা তাহাঁতৰ সম্পৰ্কতো বৰ্তি আছে। পাঞ্চালীয়ে অতি সহজতে মানুহৰ হৃদয়খন চুই যাব পাৰিছিল, সেইবাবেই চাগে তাহাঁতৰ সম্পৰ্কতো নিৰ্ভেজাল হৈ ৰল। উপাসনা যোৰহাটলৈ আহি দিয়াৰ পিছতো তাহাঁতৰ সম্পৰ্কত কোনো ফাট নেমেলিল। হয়তো ইয়াকেই কয় চকুৰ আঁতৰ হ'লেও মনৰ কাষৰ হয় যদি সঁচা মৰম থাকে।

সদাহাস্য ফুৰ্তিবাজ ছোৱালীজনী কিন্তু এসময়ত খুওব গহীন হৈ গৈছিল। অদৃশ্য নিয়তিয়ে কাঢ়ি লৈ গ'ল তাইৰ হাঁহিবোৰ আৰু তাইৰ ঠাইত দি গ'ল এসোপা জেদ। প্ৰাণাধিক ভালপোৱা প্ৰতীশক যেতিয়াই পৰিয়ালৰ সুখৰ স্বাৰ্থত ত্যাগ কৰিবলগা হৈ পৰিছিল সেই তেতিয়াৰে পৰা তাই হৈ পৰিছিল জেদী। কোনোবা লৰাৰ লগত বেছিকৈ কথা পাতিলেই ঘৰৰ মানুহে তাইক সন্দেহ কৰিছিল যিটো তাই মুঠেও ভাল নাপাইছিল। প্ৰতীশক ভালপোৱাৰ বাবে দিয়া গালি-গালাজবোৰতো আছিলেই। সকলোৱে পুৰণি সম্বন্ধ এটাৰ দোহাই দি ভালপাব নাপাই বুলি কৈছিল। পাঞ্চালীয়ে কিন্তু আজিও নাজানিলে প্ৰতীশহঁতৰ ঘৰৰ লগত সিহঁতৰ ঘৰৰ কেনে সম্বন্ধ আছিল আৰু জানিবৰ ইচ্ছাও নকৰিলে। কেৱল তেওঁলোকৰ ইচ্ছাক সন্মান জনাই নিজৰ আশা-আকাংক্ষাবোৰক বুকুত সমাধি দিলে। পাঞ্চালী আহিছিল সেইদিনা মোৰ ওচৰলৈ। কৈ শেষ কৰিব নোৱাৰা কথাবোৰ ওৰেটো নিশা কৈ গৈছিল।

ঃ মোক কিয় ইমান সন্দেহ কৰে মই বুজি নাপাওঁ। মাহঁতৰ

মনত দুখ দিবলগীয়া একো কামেই কৰা নাই মই আজিলৈকে ............. তেনেস্থলত জানো ভয় কৰে তেওঁলোকে, মই নকৰিবলগীয়া কিবা কাম কৰো বুলি, কিন্তু .......... কেনেকৈ বুজাম তেওঁলোকক মই তেনে নহয়....... অন্ততঃ প্ৰেমৰ সীমাবদ্ধতাখিনি মই জানো..........সেইখিনি আত্মবিশ্বাস মোৰ আছে। মোক বিশ্বাস নকৰে নহয় তেওঁলোকে............ ঠিক............. দেখুৱাম মই তেওঁলোকক............ মানুহৰ মনত কেনেদৰে বিশ্বাস জন্মাব লাগে দেখুৱাম মই তেওঁলোকক।

ঃ তই এই সময়ত যি কৰিছ, সেয়া তই খঙত কৰিছ........... অভিমানত কৰিছ। কিন্তু যেতিয়াই তোৰ খং অভিমান আঁতৰিব সেই সময়ত তই বুজি পাবি............... তই যি কৰিলি সেয়া সম্পূৰ্ণ ভল আছিল, আৰু ......... তই জানো প্ৰতীশক পাহৰিব পাৰিবি........ মিছাতে কষ্ট পাবি আৰু তই ভাৱচোন সিওতো দুখ পাইছে........, তাতকৈ বাদ দে এইবোৰ জেদ। প্ৰতীশৰ কাষত থাক, সময়ত সকলো ঠিক হৈ যাব।

ঃ কেনেকৈ বাদ দিম ............. জানইচোন জেদী হৈ জন্ম ললো। জানো, প্ৰতীশে কান্দে, .......... তাৰ চকুযুৰি দেখিলেই গম পাওঁ, কিন্তু ............... কি কৰিম মই, ইয়াৰ বাহিৰে যে অন্য একো উপায়েই নাই। আজিকালি তাৰ চকুলৈ চাবলৈও মোক ভয় লাগে........... মই চাগে তাক কোনোদিনেই ভাল নাপাওঁ বুলি কব নোৱাৰিম......... মই তাক পাহৰি যাবলৈ কৈছিলো ......... এইয়া মোৰ বাবেই অসম্ভৱ............ কেতিয়াও পাহৰিব নোৱাৰিম তাক।

দুগালেদি বৈ যোৱা চকুপানীবোৰ মচিবৰ চেষ্টা কৰা নাছিল তাই। মাততো তাইৰ ভঙা ভঙা লাগিছিল, কথাবোৰো আনকি তাই স্পষ্টকৈ কব পৰা নাছিল।

পাঞ্চালীৰ হৃদয়ত উমি উমি জ্বলিথকা জুইকুৰা এদিন হঠাৎ দপদপাই জ্বলি উঠিছিল। 'হোটেল মেনেজমেণ্ট'ৰ প্ৰশিক্ষণ লোৱা পাঞ্চালী গুচি গৈছিল পুণেলৈ। ঘৰ, আত্মীয় স্বজন, প্ৰতীশ সকলোৰেপৰা আতৰি আহি পুণেৰ বাসিন্দা হৈ পৰিল। সেইবোৰ কথা আজি পাঞ্চালীৰ বাবে কেৱল স্মৃতি, যাক কেৱল ৰোমন্থনহে কৰিব পাৰে, আজুৰি আনিব নোৱাৰে।

০০০০

ঃ পাঞ্চালী প্ৰতীশৰ বিষয়ে জানিবলৈ মন নাযায়নে তোৰ?

— কলেজৰপৰা ঘূৰি আহোঁতে ৰাস্তাতে সুধিছিল উপাসনাই।

এক মুহূৰ্ত্তৰ বাবে দুচকুত উদাস চাৱনি এটা খেলা কৰি গৈছিল তাইৰ। দীঘলীয়া হুমুনিয়াহ এটি এ তাই কৈছিল —

ঃ কি কৰিম তাৰ বিষয়ে জানি, এনেয়ে বুকুত খুচা বিশ্ব কৰি থাকিব। দুচকুত শুকাই কৰ্কৰীয়া হোৱা চকুপানীবো আকৌ সেমেকি উঠিব, তাতকৈ নজনাকৈ থকাই ভাল

ঃ তথাপিও এবাৰ লগ পাবলৈ মন নাযায়নে তাক। তা উপৰিও তইঁতৰ ঘৰৰ মানুহে এতিয়া নিজৰ ভুলবোৰ বুজি পাইছে নহয়।

ঃ মন যায়, কিন্তু লগ পাব নিবিচাৰো। তাক দেখিলেই ম দুৰ্বল হৈ যাম যিটো মই একেবাৰেই নিবিচাৰো। ইমা বছৰৰ পাছত মই কেনেকুৱা সেই কথা তেওঁলোকে অনুভ কৰিছে তেনেক্ষেত্ৰত যদি আকৌ প্ৰতীশক গুৰুত্ব দি তেওঁলোকে কবলৈ বেছি সুবিধা পাব। এইবোৰ এতি মোৰ বাবে ঢুকি নোপোৱা কথা। মোৰ ওচৰত এইবো কথাৰ বাবে সময় একেবাৰে কম। — প্ৰতিটো কথা খুওব লাহে লাহে কৈ গৈছিল তাই।

ঃ কিয় তেনেকৈ কৈছ তই, আনৰ কথাত এনেদৰে ধ নিজকে কিয় শাস্তি দিছ?

ঃ মই মোৰ কথা ভাৱিবলৈ বাদ দিছো এতিয়া, মাত্ৰ জুপি লৈহে চিন্তা হয়। কিমানযে অকলশৰীয়া হৈ যাব তাই

ঃ কিয় তই থাকোতে তাই কিয় অকলশৰীয়া হব।

ঃ মই....... — বৰ কষ্টৰে হাঁহি এটা মাৰিলে।

ঃ কি হ'ল তোৰ, হাঁহিছ যে !

ঃ হ'বলৈতো একো বাকী নাই, কি হোৱা দেখিছিলিনে — তাইৰ কথাৰ ধৰণ দেখি আচৰিত হৈ গৈছিল উপাস আৰু সেয়ে সুধি পেলাইছিল তাই।

ঃ তই মোৰ পৰা কিয় লুকুৱাইছ?

ঃ নাইতো, কি লুকুৱাম তোৰপৰা।

০০০০

*বন্ধু, সময় হৈ আহিল, দিয়া বিদায়*
*জানো বিদায় বেলাতে দিবলৈ একোৱেই নাই*
*তথাপিও, আঁকি দিয়া কপালত*
*চকুপানীৰে এটি তিলক।*





এইমাত্ৰ গুচি গ'ল পাঞ্চালী, যাবৰ সময়ত দি গ'ল ভাৱিব নোৱাৰা ধৰণেৰে এসোপা বিষাদ। উপাসনাৰ দুগালেদি বাগৰি আহিল দুটুপাল চকুলো। প্ৰথমবাৰৰ বাবে উপাসনাৰ নেদেখাজনৰ গালত অভিমান হবলৈ ধৰিলে। ভগৱানো কিয় তাইৰ প্ৰতি ইমান নিষ্ঠুৰ হ'ল। উপাসনাই বৰ্ণিললৈ চালে, সন্মুখত দৃষ্টি ৰাখি একাগ্ৰমনে গাড়ী চলাই নিছে। উপাসনাই জানে, বৰ্ণিলৰ হৃদয়েদিও পাৰ হৈ গৈছে এই মুহূৰ্ত্তত এজাক ধুমুহা, যি জাক ধুমুহাই উপাসনাৰ হৃদয়ত থকা বৰগছজোপাকে উভালি থৈ গ'ল। কালি ৰাতি পাঞ্চালীয়ে কথাটো উলিয়াইছিল।

ঃ বৰ্ণিল তোমালোকৰ লগত মোৰ বৰ গুৰুত্বপূৰ্ণ কথা এটা পাতিব লগা আছে।

ঃ কি কথানো? — উপাসনা আৰু বৰ্ণিলে সুধিছিল।

ঃ মই জানো তোমালোকে মোক নিৰাশ নকৰা। সেইকাৰণে মই বৰ আশাৰে তোমালোকৰ ওচৰলৈ আহিছো।

ঃ অ'হ কথাটো কি সেইটো ক'চোন। — উপাসনাই তাইৰ কথাবোৰ বুজি নাপাই কৈছিল।

ঃ উপা, মই জুপিৰ বিষয়ে কিছু কথা পাতিবলৈ আহিছো। মই জুপিক তোৰ হাতত গতাই থৈ যাব বিচাৰো।

ঃ কিনো কথাবোৰ কৈছ, জুপিক মোৰ ওচৰত ৰাখি তইনো ক'লৈ যাব?

ঃ য'লৈ কোনো যাবলৈ ইচ্ছা নকৰে, কিন্তু যাব লগা হয় এদিন।

ঃ পাঞ্চালী কি কৈছা তুমি এইবোৰ? — বৰ্ণিলৰ মাততো কঁপি উঠিছিল।

পাঞ্চালী অলপ সময় মনে মনে আছিল তাৰ পাছত সেই জুপিকৰ শব্দবোৰ খুওব লাহে লাহে উচ্চাৰণ কৰিছিল।

ঃ পুণেৰ চিটি হ'স্পিতালত গম পালো .... মোৰ ব্ৰেইন টিউমাৰ ..... ডাক্তৰৰ মতে তেতিয়াই বহুত দেৰি হৈ গৈছিল। এতিয়ালৈকে দুটা অপাৰেছন হৈ গ'ল। ডাক্টৰে অন্তিম অপাৰেচনৰ সময় দিছে।.... অহা মাহত .... বাছি থকাৰ চান্স এক পাৰচেণ্টতকৈও কম ...... মই.....

পাঞ্চালীৰ কথা শেষ হবলৈ পোৱাই নাছিল উপাসনাই চিঞৰি দিছিল। উপাসনাৰ দুগালেদি বৈ আহিছিল চকুপানীৰ এটি সুঁতি।

ঃ এইৰোৰ তই কি কৈছ পাঞ্চালীঙ্গ পাগলামী নকৰিবি.... তোৰ একো হোৱা নাই....... একো হব নোৱাৰে তোৰ...... এইবোৰ সকলো মিছা কথা.... সকলো মিছা......

ঃ উপা প্লিজ, নিজক চম্ভাল..... এয়াই সত্য, সত্যক অস্বীকাৰ কৰিব নোৱাৰ। মোলৈ চা এবাৰ, মই জানো কান্দিছো... যি হবলগা আছে, হবই, তাক আমি বাধা দিব নোৱাৰো.... উপা তই যদি জুপিৰ দায়িত্ব লৈ মোক উদ্ধাৰ কৰ অন্ততঃ কোনো চিন্তা নোহোৱাকৈ মই যাব পাৰিম... বহুত সপোন দেখিছিলো জুপিক লৈ... ইমান সোনকালে শেষ হৈ যাব ভৱাই নাছিলো মই..... একোৱে কৰিব নোৱাৰিলো মই তাইৰ বাবে। উপা তাই ডাঙৰ হ'লে প্ৰতিটো কথা তাইক কৈ দিবি, বুজি পাব তাই.... অন্ততঃ মোৰ দৰে জেদী নহয় তাই।... উপা মই উকিলৰ সতে কথা পাতিছো...... জুপিক লৈ অনা আশ্ৰমৰ ফাদাৰকো কৈছো কথাবোৰ...... তেওঁলোকে মোৰ সিদ্ধান্তত সন্মতি দিছে.... মাত্ৰ ইয়াত তোৰ আৰু বৰ্ণিলৰ চহীৰ প্ৰয়োজন। — পাঞ্চালীয়ে আগবঢ়াই দিয়া কাগজখন হাতত লৈ উপাসনাই কান্দি দিছিল।

উপাসনাৰ চকুপানীবোৰ আহি কোলাত পৰিছিলহি। পাঞ্চালীয়ে হেৰুৱাবলৈ আৰু একোৱেই বাকী নাথাকিল, সকলো হেৰুৱালে। নেদেখাজনে প্ৰতীশকো লৈ গ'ল এই পৃথিৱীৰ পৰা। মৃত্যুৰ সতে যুঁজি থকা পাঞ্চালীক এই কথা নকলে উপাসনাই, তাই হয়তো সহ্য কৰিব নোৱাৰিলেহেঁতেন। সকলো হেৰুৱাই পেলোৱা পাঞ্চালীৰ বাবে উপাসনাই একোৱেই কৰিব নোৱাৰিলে? পাৰিব লাগিব অন্ততঃ উপাসনাই পাঞ্চালীৰ অনুৰোধ ৰাখিব পাৰিব লাগিব। দুচকু জপাই উপাসনাই নিজকে নিজে ক'লে 'মই তোৰ সপোনবোৰ জীয়াই ৰাখিম পাঞ্চালী'।।

# কবিতা

পল্লবী গগৈ
স্নাতক ১ম বৰ্ষ

হৃদয়ত বৰ্ণময় শব্দৰ
বৰণীয়া পোছাক
দুভৰিত নুপুৰৰ জুনজুননি
কবিতা তুমি
কণ্ঠত ছন্দৰ সুকোমল তান
স্পৰ্শ কৰি চাওঁ
অৱস্থিতিৰ এখিলা অনুভৱ
ভৰপুৰ শস্যৰ দৰে
দোঁ খাই পৰা ভৰা আবেগৰ
নিৰিবিলি ক্ষণত
তুমি ওলায় আহাঁ
মোৰ হৃদয়ৰ দলং বগাই
তোমাৰ অৱস্থিতি মধ্যবিত্তৰ আলসুৱা সপোনত
হালোৱাৰ সুকঠিন দুহাতত কিম্বা
ৰোৱনী-দাৱনীৰ বিৰিঙি উঠা কপালৰ ঘামত
তৃষ্ণাতুৰ মই
আলসুৱা তোমাক
মমতাৰ দুহাতেৰে
আঁকোৱালি ঠাই দিও
উকা কাগজত।







# মা

তুলিকা তাঁতী
স্নাতক ২ য় বৰ্ষ (কলা)



অতি কোমল হৃদয় সম্পন্ন
গভীৰ প্ৰেমৰ অনুৰক্তা শব্দ মা
হে মাতৃ তুমি চিৰ নমস্য
নমস্য তোমাৰ তেজস্বী জীৱন
জনম লভিলো গৰ্ভত তোমাৰ
পালো ইয়াতে সুখ সৰগৰ সমান
তোমাৰ বিশাল মনৰ তুলনা নাই
কষ্ট সহিষ্ণুতাৰ স্বৰূপ তুমি
জীৱনৰ আৰম্ভণী তোমাৰে কোলাত
তুমিয়েই মোৰ প্ৰকৃত পথ প্ৰদৰ্শক
আত্মপ্ৰকাশৰ প্ৰথম সূত্ৰধাৰ
হে মাতৃ তোমাক বাৰম্বাৰ প্ৰণাম
সকলো গুণৰ অধিকাৰিণী তুমি
অন্তৰ স্পৰ্শী তোমাৰ প্ৰেমময়ী ভাষা
স্নেহ পূৰ্ণ ভাৱেৰে অনুভৱ কৰালা
কঠিন নহয় এই জীৱনৰ যুদ্ধ
গ্ৰহণ কৰিলো তোমাৰ জ্ঞানৰ দীক্ষা
পালো সাৰ্থক জীৱনৰ সন্ভেদ
কলুষ মুক্ত জ্ঞানৰ বন্তি তুমি
পোহৰ বিলালা নিজকে বিসৰ্জন কৰি।

# শীতৰ কবিতা

চিৰঞ্জীৱ কটকী
স্নাতক ১ম বৰ্ষ (বিজ্ঞান শাখা)

কৰ নোৱাৰাকৈয়ে মোৰ খিৰিকিয়েদি
সোমাই আহে
এজাক শীতৰ কুঁৱলী
মোৰ পদুলিতো শীতৰ
বিশাল আয়োজন
জোনাকৰ সতে মিতিৰালি

দেখিছানে জোনৰ দলিচাত
নিয়ৰৰ বগা বগা ফুল
আৰু আঘোণৰ পথাৰত
সোণালী আবুৰতা
জোনাক বাগৰি যুৱা বগা পাহাৰ

এতিয়া নিশা নিশা শীতে আহি
আমনি কৰে
মোৰ বুকুত ৰুই দিয়ে
শীতক ভালপাব খোজা এটি কবিতা
এনেকৈয়ে

এবুকু বিষাদ স্মৃতিয়ে দহি নিয়ে
মোৰ সমগ্ৰ সত্তাক
সেয়ে শীত আহিলে
মোৰ বৰ আমনি
অজানিতে মোৰ ভগ্ন হৃদয়ত খিতাপি লয়হি
এখন শুকুলা আকাশে
গোপনে







# শৰৎ

উত্তম বড়া
স্নাতক ৩য় বৰ্ষ

এতিয়া অন্ত হয় ..................
ডাৱৰৰ অতিকায় গৰ্জ্জন, বৰষাৰ উদ্দাম চপলতা ;
শেষ হয় আকাশৰ শেষ বাৰিষাৰ গান ;
আৰম্ভ হয় নীলিমাৰ বুকুত
কপাহী মেঘৰ লৰা - ঢপৰা ,
[illegible] সেউজৰ বিস্তীৰ্ণ উপত্যকাইদি
অপৰূপ সাজেৰে সজ্জিতা হৈ আহে শাৰদী ৰাণী।
জোনাকী আৰু স্নিগ্ধতাৰ; নিয়ৰ আৰু শেৱালীৰ ;
[illegible] আৰু কালিমাহীৰ পূৰ্ণ অৰ্ঘ্য লৈ।
আকাশ নিৰ্মল চন্দ্ৰৰ কিৰণৰাশি
আৰু জোনাকেৰে প্লাৱিত শাৰদীয় নিশাৰ ৰূপ।
বাৰীয়ে-চুৰনিয়ে শেৱালি ফুলে ;
গুঞ্জৰিত শুনা যায় ভোমোৰাৰ গুণগুণনি ;
বতাহত বিয়পি থাকে পদুমৰ সৌৰভ।
নদ-নদী, সৰোবৰ, জান - জুৰিসমূহ
নানান পক্ষীৰ কলৰবে নিনাদিত।
শৰতৰ এই মনোমোহা ৰূপে
মোৰ দেহ মনত আনি দিয়ে অনাবিল আনন্দ ......।



# নিসংগতা

অজন্তা গগৈ
স্নাতক তৃতীয় বৰ্ষ

মোৰ কোনো দিনেই
ভাল লগা নাছিল নিসংগতা।
ভবাটো নাছিলো নিসংগতাবোৰকৈলে
জীয়াই থাকিব লাগিব।
নদীৰ কুলু - কুলু শব্দৰ গতিৰ দৰেই
ছন্দলীত হৈছিল জীৱনটো।
হঠাৎ, এটুকুৰা কলীয়া ডাৱৰে
আৱৰি ধৰাত,
নিসংগতা মোৰ বৰ প্ৰিয়
হ'ব ধৰিছে।।





# প্ৰতীক্ষা

পৰী গগৈ
স্নাতক ২য় বষ

তুমি আহিবা এদিন
যিদিনা শৰতৰ আগমন ঘটিব
চাৰিওফালে ফুলিব মাথো
শেৱালী আৰু শেৱালী —— ।

শেৱালীৰ সুবাসত
সৃষ্টিৰ আকুল সুৰ।
তুমি আহিবা
দুৱৰিৰ দলিচাত খোজ দি

মাদকতাভৰা কত কথা
আছে তোমাক ক'বলৈ
তাৰ আশাৰে, আছো যে ৰৈ
আহিবানে তুমি
মোৰ প্ৰতীক্ষাৰ অন্ত পেলাবলৈ?





# ৰোমন্থন

ৰুণুমা দুৱৰা
স্নাতক ৩য় বৰ্ষ (কলা)



হৃদয়ৰ তেজ ৰঙা বেলি
ধুলি হৈ মৰহে ৰাতি
সপোনো বিফল হয়
দিঠকত
হৃদয় কাক ঢালি দিওঁ
বিষাদৰ নৈয়ে
উটুৱাই নিয়ে ঢৌ..........
দিঠকত ডুব যায়
সপোন।
জৰাজীৰ্ণ হৃদয়ত
লাগি থাকে
এটি বিষ
ক'ত আছে সেই প্ৰেম
সঁচা হৃদয়
If God is within us,
Where is Humanism ?
Why is there corruption everywhere ?
If there is God,
Then, bestow thy Heavenly bliss
To Thy kingdom.

0-0-0-0-0

## GENERAL KNOWLEDGE

Collected by :
Sonny Bawri
H. S. 1st year

? : Which river is called the sacred river of Central India ?
Ans - Godavari.

? : The mean depth of which ocean is 14,040 feet ?
Ans - Pacific Ocean.

? : In which Olympics was the concept of Olympic village first introduced ?
Ans - 1932 Los Angeles Olympics.

? : Which country has the world's largest roman catholic population ?
Ans - Brazil

? : Who was the first cricketer from Bengal to captain India in test Cricket ?
Ans - Pankaj Roy.

## SOME DISCOVERIES

Collected by :
Ifjalur Rahman Borbhuyan
H. S. 1st Year (Sc.)

* **Why is the sky blue ?**

  The answer to this question is a little tricky. Sunlight is made up of all colours of the rainbow. But when it shines on the atmosphere (the blanket of air which surrounds the earth), gases in the air bounce mostly blue light towards our eyes.

* **Why the sky sometimes look red at night ?**

  Sometimes the sky looks red. This happens when the sun is low in the sky and it shines through thick air. All the other colours get soaked up except for red.

## COLOURFUL SKY FACTS

* In countries close to the North and South Poles, spectacular coloured lights can sometimes be seen in the sky.

* The air doesn't just stop where space begins. It slowly disappears the higher up you go, until there is no air left.





Teaching Staff of Sonari College



Non-Teaching Staff of Sonari College

# ফটো এলবাম



মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত ভাষণৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ।



মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ উদ্বোধনৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ।



ফটো এলবাম



কৰ্মৰত অৱস্থাত গ্ৰন্থাগাৰীকা মহোদয়া।




বিকাশ বৰা, মিষ্টাৰ সোনাৰি কলেজ।



মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ উদ্বোধন



মহাবিদ্যালয়ৰ ছাত্ৰাবাস

# সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ (২০০৬-০৭) বৰ্ষৰ বিষয়ববীয়া


গোপীনাথ ৰায়, উপসভাপতি।


কৌশল ৰাউত, সাঃ সম্পাদক।


হিৰেশ্বৰ দাস।
আলোচনী বিঃ সম্পাদক।


দিগন্ত গগৈ
সহঃ সাধাৰণ সম্পাদক


খুনুজু গগৈ
সমাজ সেৱা বিঃ সম্পাদক


সৌৰভ গগৈ।
গুৰু খেল বিঃ সম্পাদক।


প্ৰীতিৰেখা লাহন।
সাহিত্য বিভাগৰ সম্পাদিকা


সুনিত মহন
সাংস্কৃতিক বিঃ সম্পাদক



## ছাত্ৰ একতা সভাৰ (২০০৬-০৭) বৰ্ষৰ বিষয়ববীয়া


পল্লব হাজৰীকা
সংগীত বিঃ সম্পাদক।


অমল বাউৰী
তৰ্ক বিঃ সম্পাদক।


ৰূপম চেতিয়া
লঘু খেল বিঃ সম্পাদক।


শান্তি নেৱাৰ
ছাত্ৰ-জিৰণি চৰা বিঃ সঃ


কবিতা লাহন
ছাত্ৰী জিৰণি চ'ৰা বিঃ সঃ।

প্ৰণৱ গগৈ
শৰীৰ চৰ্চা বিঃ সম্পাদক।

# বিদায় প্ৰতি অনুভৱ

## বিদায়ী ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুভুত হোৱা বিদায় ক্ষণৰ স্নেপ্ শ্বট



কোৱা হয় মানুহৰ জীৱন তেনেই ক্ষন্তেকীয়া। গতিকে এই সময়ছোৱাতে মানুহে পাৰ্য্যমানে জ্ঞান আৰ্জন কৰিব লাগে কাৰণ বহুতৰে ধাৰণা যে জ্ঞানী লোক অহা জনমত অধিক সুখৰ অধিকাৰী হয়। অৱশ্যে এই কথাষাৰ কিমান সত্য নাজানো ; কিন্তু নিজৰ বৰ্তমান জীৱনটো সুচাৰু ৰূপে পৰিচালিত কৰিবলৈ তথা নিজকে সমাজত এজন আদৰ্শবান ব্যক্তি ৰূপে প্ৰতিস্থা কৰিবলৈ ২০০৪ চনতে এই সোণাৰি মহাবিদ্যালয়ত ভৰি দিছিলোহি। যিখন শিক্ষানুষ্ঠানত ১৯৭০ চনৰ পৰা হাজাৰ হাজাৰ ছাত্ৰ - ছাত্ৰীয়ে জ্ঞান আৰ্জন কৰি সমাজত একোজন আদৰ্শবান ব্যক্তিৰূপে নিজৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। সোণাৰি মহাবিদ্যালয়ত মোৰ এই তিনিটা বছৰ কেতিয়ানো পাৰ হ'ল মই গমেই নাপালো আৰু আজি এই বিদায়ৰ সন্ধিক্ষণত ৰলোহি। মই অতি দুঃখিত যিখন মহাবিদ্যালয়ক আজি তিনিবছৰে নিজৰ এখন ঘৰ ভাবি লগতে প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰীক নিজৰ অভিভাৱক মানি বন্ধুবৰ্গৰ সতে যি জ্ঞান অৰ্জন কৰিলো সেই সকলোবোৰ মোৰ বাবে এতিয়া একো একোটা অতীত মাত্ৰ। তথাপি মোৰ জীৱন পঞ্জীত সোণাৰি মহাবিদ্যালয়ত শিক্ষা লাভ কৰা তিনিটা বছৰেই চিৰস্মৰণীয় হৈ ৰ'ব। শেষত সোণাৰি মহাবিদ্যালয়ৰ ভৱিষ্যত আৰু অধিক উজ্বল হোৱাৰ কামনাৰে।

<u>বিৰাজ প্ৰতিম গগৈ।</u>
স্নাতক তৃতীয় বৰ্ষ



দিনৰ পিছত মাহ আৰু মাহৰ পিছত বছৰ আহে। এনেকৈয়ে পৰিবৰ্তনশীল সময়ৰ সতে আহে আৰু যায় জীৱনৰ কিছুমান বিদায় মুহূৰ্ত্ত। কাৰণ পাখি লগা সময়ৰ সতে আমি প্ৰত্যেকে উৰা মাৰিব লাগিব ভৱিষ্যতলৈ আৰু এৰি থৈ যাব লাগিব কিছুমান এৰি থৈ যাব নোৱাৰা অনুষ্ঠান-প্ৰতিষ্ঠান।

শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ সোণাৰি মহাবিদ্যালয়ত তিনিবছৰীয়া শিক্ষা জীৱনৰ অন্তত বিদায় বেলাত অনুভৱ হৈছে 'সোণাৰি মহাবিদ্যালয়লৈ আহিছিলোহে বিদায় লব হ'লৈই। সঁচায়ে সুমধুৰ তিনিবছৰীয়া কলেজীয়া জীৱন কোন তলকত হাতৰ আঙুলিৰ ফাঁকেৰে পাৰ হৈ গল গমকে নাপালো। মহাবিদ্যালয়ৰ অধ্যক্ষ ছাৰকে প্ৰমুখ্যে কৰি মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ যি শিক্ষাদান, মৰম উপদেশ আৰু তেওঁলোকৰ কষ্ট ত্যাগ সকলোবোৰ চিৰস্মৰণীয় হৈ ৰব। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মানুৱৰ্তিতা, মিলাপ্ৰীতি সচায়ে প্ৰশংসনীয়। ছাত্ৰ হিচাপে সোণাৰি মহাবিদ্যালয়ৰ প্ৰতি মোৰ যি শ্ৰদ্ধা আৰু আকুলতা তাক ভাষাৰে বুজাব নোৱাৰিম। মহাবিদ্যালয় চৌহদৰ প্ৰত্যেকটো বস্তুৱে মোৰ মন পৰশা।

শেষত মহাবিদ্যালয়ৰ ভিতৰত সোণাৰি মহাবিদ্যালয়খন হৈ উঠক অন্যতম গৌৰৱময় শিক্ষানুষ্ঠান। তাৰ শুভকামনাৰে।

<u>সুনিত মহন</u>
স্নাতক তৃতীয় বৰ্ষ





# বিদায় প্ৰতি অনুভৱ



সময় পাখি লগা কাঁড়ৰ দৰে। ই কাৰো বাবে বৈ নাথাকে। সোণাৰি নগৰৰ মাজ মজিয়াত অৱস্থিত এই মহাবিদ্যালয়খন প্ৰাণকেন্দ্ৰ স্বৰূপ। মহাবিদ্যালয়ত পাৰ কৰা সেই সময় কিমান যে আনন্দৰ আছিল আৰু সেই ক্ষণ কেনেকৈ চকুৰ টিপতে পাৰ হৈ গ'ল কবকে নোৱাৰিলো। বিদায়ৰ মুহূৰ্ত্ত চমু চাপি অহাৰ লগে লগে মনত কলেজৰ সেই পুৰণি স্মৃতিবোৰে বাৰে বাৰে ভুমুকিয়াই আছে। মহাবিদ্যালয়ৰ শিক্ষা গুৰুসকলৰ পৰা যি শিক্ষা আৰু মৰম পালো তাক ভাষাৰে বুজাব নোৱাৰো। আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত থকা বন্ধুত্ব সুলভ আচৰণ মোৰ জীৱনত স্মৰণীয় হৈ ৰ'ব। মহাবিদ্যালয়ৰ প্ৰাঙ্গণত থকা লাইব্ৰেৰী, কেণ্টিন লৰা আৰু ছোৱালী হোষ্টেল আদিয়ে পৰিবেশটো সজীৱ কৰি ৰাখে। সময়ৰ লগে লগে নতুন নতুন ছাত্ৰ-ছাত্ৰীৰে মহাবিদ্যালয়খন ভৰি পৰিছে। সেইসকল ছাত্ৰ-ছাত্ৰীলৈ এটাই অনুৰোধ যাতে তেওঁলোকে নিজৰ লগতে সোণাৰি মহাবিদ্যালয়ৰ নাম আকাশত জিলিকি থকা সূৰ্য্যৰ দৰে জিলিকাই ৰাখে......... তাৰে কামনা কৰিলো।

শেষত, সমূহ প্ৰৱক্তাসকললৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু মহাবিদ্যালয়ৰ সকলো বন্ধু-বান্ধবী আৰু অনুজ সকললৈ বিদায় বেলাত তেওঁলোকৰ জীৱন সুন্দৰ হোৱাৰ কামনাৰে মৰম ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

"জীৱনৰ বিয়লি বেলাত লেচেৰি বুটলোতে
বন্ধু পৰিবনে মনত এৰি অহা দিনৰ স্মৃতি"।।

<u>খঞ্জন বৰুৱা</u>
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ



শিৱসাগৰ জিলাৰ ভিতৰতে সোণাৰি মহাবিদ্যালয়খন এখন লেখত লবলগীয়া মহাবিদ্যালয়। এই মহাবদ্যিালয়খনত তিনিটা বছৰে শিক্ষা লাভ কৰি যথেষ্ট আপ্লুত হ'লো। মহাবিদ্যালয়ৰ চৌহদত থকা কেণ্টিন, কম্পিউটাৰ কক্ষ, ক্লাচ ৰূম, লাইব্ৰেৰী, হোষ্টেল, প্ৰেক্ষাগৃহ আৰু সন্মুখত থকা ফুলনিবাৰীখন সঁচাই বৰ মনোমোহা। ছাৰ, বাইদেউৰ পৰা পোৱা প্ৰেৰণা, মৰম, ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মানুৱৰ্তিতা, বন্ধু - বান্ধৱীৰ পৰা পোৱা উৎসাহ সদায় মোৰ জীৱনত জীপাল হৈ ৰ'ব। শেষত ভৱিষ্যত দিনবোৰত যাতে সোণাৰি মহাবিদ্যালয়খনে এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰে। তাৰে কামনা কৰিলো..............।

<u>ৰুবী গগৈ</u>
স্নাতক ৩য় বৰ্ষ

# বিদায় প্ৰতি অনুভৱ



মোৰ কলেজীয়া জীৱনৰ শিক্ষা গ্ৰহণ কৰিবলৈ শিৱসাগৰ জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান "সোণাৰি মহাবিদ্যালয়"ত উপস্থিত হৈছিলোহি। যোৱা তিনিটা বছৰে অধ্যয়নৰ খাতিৰত সোণাৰি মহাবিদ্যালয় নামৰ পৱিত্ৰ শিক্ষা মন্দিৰটোৰ লগত জড়িত আছিলো। মহাবিদ্যালয়খনৰ চৌহদৰ ছাত্ৰাবাসত থকাৰ বাবেই কিজানি আমাৰ লাইব্ৰেৰী, কেন্টিন, ফুলনি নাইবা ছাত্ৰীবাসৰ লগত ঘনিষ্ঠ সম্বন্ধ গঢ়ি উঠিছিল।

সময় ঘড়ীৰ নিষ্ঠুৰ টিক্ টিক্ শব্দত আমাৰ তিনিটা বছৰ কেতিয়ানো পাৰ হৈ গ'ল গমকে নাপালো। তথাপি ইয়াৰ প্ৰতিটো অনুষ্ঠান, সভা - সমিতি আদিত ভাগ লৈ এক বুজাব নোৱাৰা আনন্দ লাগে। সোণাৰি মহাবিদ্যালয়ৰ শিক্ষাদান প্ৰক্ৰিয়া যথেষ্ট উন্নতমানৰ। এই মহাবিদ্যালয়খনৰ শিক্ষক - কৰ্ম্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মৰম মোৰ বাবে স্মৰণীয় হৈ ৰ'ব। সদৌ শেষত মহাবিদ্যালয়খনৰ সৰ্ব্বাংগীন উন্নতিৰ কামনাৰে।

বিদ্যুত বৰুৱা
স্নাতক ৩য় বৰ্ষ



সময় গতিশীল। কালৈকো উভতি চাবৰ সময় নাই। নদী যি দৰে মহাসাগৰ উদ্দেশ্যি একে গতিৰে অনন্তকাল বৈ আছে সময়ৰ সোঁতো একে গতিৰে বৈ আছে। ঠিক তেনে দৰে বিদায়ো এনে এক অনুভৱ য'ত থুপ খাই আছে সুখ - দুখ, হৰ্ষ - বিষাদ, জীৱনৰ প্ৰতিশ্ৰুতি। ২০০৪ চনত স্নাতক ১ম বৰ্ষত কলেজীয়া জীৱনৰ প্ৰথম খোজ পেলাইছো শিৱসাগৰ জিলাৰ ভিতৰতে লেখত লবলগীয়া উচ্চ শিক্ষাৰ অনুষ্ঠান মোৰ অতিকৈ মৰমৰ এই মহাবিদ্যালয়খনত। তিনিটা বছৰে কটোৱা কলেজীয়া জীৱনৰ সুমধুৰ দিনবোৰ পলকতে আৰম্ভ হৈ কেতিয়া শেষ হৈ গ'ল গমকেই নাপালো। এই মহাবিদ্যালয়খনিৰ প্ৰতিটো বস্তুৱেই বিশেষকৈ শিক্ষক - শিক্ষয়িত্ৰী সকলৰ পৰা যি শিক্ষা আৰু শ্ৰদ্ধা পালো সেয়াই মোক চিৰদিন আপ্লুত কৰি ৰাখিব স্মৃতিৰ টোপোলা হৈ। এই মহাবিদ্যালয়ৰ সকলো বন্ধু-বান্ধৱী তথা মৰমৰ ভাইটী - ভণ্টি সকললৈ বিদায় বেলাত মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

শেষত মহাবিদ্যালয়খনিৰ সৰ্ব্বাংগীন উন্নতি দূৰ দিগন্তলৈ আগুৱাই যোৱাৰ কামনা কৰিলো।

প্ৰীতিৰেখা লাহন
স্নাতক ৩য় বৰ্ষ





# বিদায় প্ৰতি অনুভৱ

**স্মৃতিৰ পাতত এভুমুকি .....**



*'মই তেনেকুৱা কোনো ডাঙৰ কাম*
*কৰিব নোৱাৰিব পাৰো*
*যিটো কৰা উচিত আছিল*
*যাৰ দ্বাৰা পৃথিৱীখন চিৰ সুন্দৰ*
*আৰু আকাশখন*
*চিৰ নীলা কৰি ৰাখিব পাৰি*
*কিন্তু মই কিছুমান সৰু কাম কৰিব পাৰো*
*যাৰ দ্বাৰা শত ধুমুহা*
*বাধা বিঘিনিৰ মাজেৰেও*
*পৃথিৱীখন মিঠা কৰি ৰাখিব পাৰি'*

এবাৰ নন্দিনীৰ আলোচনীৰ পাতত অনুৰাধা শৰ্মা পুজাৰীৰ কবিতা এটাৰ বাক্য কেইশাৰী পঢ়িবলৈ পাইছিলো। এই বাক্য কেইশাৰীৰ প্ৰেৰণাতেই কিবা এটা লিখাৰ কথা ভাবিলো। লগৰবোৰে কবিতা লিখাৰ কথা কলে। মই কলো মোৰ নামটোহে কবিতা, কিন্তু মোৰ কবিতা লিখাৰ দুঃসাহস নাই। যিটোহে কবিতা লিখিম আনে নালাগে নিজেও বুজি নাপাব পাৰো। কাৰণ ভাষাৰ ওপৰত বেছি অধিকাৰ নাই।

অনুভৱ সকলোৰে হৃদয়ত থাকে। মাথো নাথাকে প্ৰকাশ কৰাৰ মাধ্যম। ভাষা আৰু শব্দৰ জ্ঞান নথকাৰ বাবেই আজিলৈকে কলম তুলি লব পৰা নাই। কিন্তু ক্লাচবোৰত লগৰবোৰে এটা কথা প্ৰায়ে কয় - আমি যে সোণাৰি কলেজ এৰি যামগৈ। - সেয়েহে এক আধাৰ লাগে আমাক নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে সোণালীৰ পাতত। যাতে আমি ভৱিষ্যতে কব পাৰো সোণালীয়ে আজিও সাৱটি ৰাখিছে আমাৰ স্মৃতি। সেয়েহে নিজৰ নামটো আলোচনী খনত দেখাৰ বাসনাৰে চেষ্টা কৰিছো মোৰ বিশৃংখল অনুভৱ আৰু স্মৃতিবোৰ আলোচনীৰ পাতত প্ৰকাশ কৰিবলৈ।

সোণাৰিৰ কলেজত তিনিটা বছৰে গোট খোৱা কিছুমান স্মৃতি কঢ়িয়াই লৈ ফুৰিম.......... কেনেকৈ পাহৰিম চাৰহঁতৰ সেই আন্তৰিকতা। আন্তৰিকতাৰে অনুভৱ কৰিম শিক্ষাগুৰু সকলৰ মৰম দাবী। "আমি তোমালোকৰ পৰা এটা ভাল Result আশা কৰো অথবা ভালদৰে পঢ়িবা আমাৰ শুভেচ্ছা সদায়ে আছে।" কোনসতে পাহৰিম ফুকন চাৰ, বৰুৱা চাৰ, খনিকৰ চাৰ আৰু পাতিৰি চাৰৰ ক্লাচত কোৱা কথাবোৰ, উদাহৰণ সমূহ, হাঁহি উঠা কথাবোৰ কোৱা। কিন্তু চকুৰ আগতে দেখা কৰুণ সমাপ্তিবোৰ বাৰে বাৰে সোঁৱৰাই আছিল। আমি কোনো কাৰো ভাল বন্ধু হব পৰা নাই, প্ৰত্যেকেই পিন্ধি লৈছো এখন মুখা। কোনে জানে মই নজনাকৈয়ে নুবুজাকৈয়ে কাৰ অন্তৰত জলাই থৈছো বিশ্বাসঘাটকতাৰ একুৰা জুই। তথাপি আমি একেলগে হাঁহো, একেলগে কান্দো, এক ছিগিব নোৱাৰা আন্তৰিকতাৰ ডোলেৰে বান্ধ খাই আছো আমি। পাহৰিব নোৱাৰা Field Study ৰ বাবে যোৱা কাজিৰঙা যাত্ৰা, পিকনিক, ক্লাচ অফ টাইমত গছৰ তলত আড্ডা মৰা, হাঁহি ধেমালিবোৰ কৰা সদায়ে চিৰ সজীৱ হৈ থাকিব। সদায়ে কৃতজ্ঞ মই সোণাৰি কলেজৰ ওচৰত, শিক্ষাগুৰু, কৰ্ম্মচাৰী তথা

# বিদায় প্ৰতি অনুভৱ

শিক্ষাৰ্থীৰ ওচৰত। সময় পালেই গুণগুণাম —

“হেৰুৱাও বুলিয়েইতো হেৰুৱাব নোৱাৰি
আমাৰ মৰমৰ হেপাহৰ নীলিময় আকাশ
মন গলেই বুৰ মাৰিব পৰাকৈ সহৃদয় প্ৰাচীনতা।”

জীৱনৰ বহুতো গুৰুত্বপূৰ্ণ অধ্যায় পাৰকৰিলো ইয়াত। হাতৰ মুঠিত ৰৈ গ’ল বহুতো তিতা, মিঠা স্মৃতি। আমি সকলোৱেতো জানো কিছু কথা পাহৰিব পাৰি, কিছু নোৱাৰি, পাহৰিব নোৱাৰি কিছু দুখ, কিছু স্মৃতি আৰু কিছু অনুভূতি।

শেষত শুভেচ্ছা জনাইছো সোণাৰি কলেজলৈ আৰু বিদায় লৈছো প্ৰগাঢ় আত্মীয়তাৰ এটা বন্ধনৰ পৰা।

কবিতা লাহন।
স্নাতক তৃতীয় বৰ্ষ



সময় গতিশীল। সময় পাখিলগা কাঁড়ৰ দৰে। সময় কাৰো বাবে ৰৈ নাথাকে। অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ মাজত আমাৰ সময়বোৰ অন্তনিৰ্হিত হৈ থাকে। নোপোৱাজনে আৰু নেদেখাজনে যেনেকৈ তেওঁৰ অভিলাষী বস্তুটো পাবৰ বাবে আগ্ৰহী হৈ পৰে, ঠিক তেনেদৰে ময়ো ২০০৪ বৰ্ষত এই মহাবিদ্যালয়ত নাম ভৰ্ত্তি তথা অধ্যয়ন প্ৰক্ৰিয়া আৰম্ভ কৰিছিলো। কিন্তু পৰিতাপৰ বিষয় যে নামভৰ্ত্তি কৰাৰ পৰা মাত্ৰ তিনিটা বছৰ মোৰ অজানিতে কেতিয়ানো অতিক্ৰম কৰি গ’ল ধৰিবই নোৱাৰিলো। আজি বিদায়ৰ এই সন্ধিক্ষণত মোৰ মন বিষাদেৰে পৰিপূৰ্ণ হৈ পৰিছে।

এনে এক পৰিস্থিতিত অতীতৰ কথা সোঁৱৰি কলেজৰ প্ৰতিটো অনুষ্ঠানে, প্ৰতিটো কাৰ্য্যসূচীয়ে মোৰ মনত প্ৰভাৱ আৰু ঠাঁচ বহুৱাই মোক আমনি কৰি থাকে। ১৯৭০ চনত স্থাপিত এই সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠান, মহাবিদ্যালয়ৰ সপ্তাহ, কলেজ বিল্ডিং, লাইব্ৰেৰী, কলেজ কেণ্টিন আদি মোৰ অতি হেঁপাহৰ আৰু আকৰ্ষণীয় আছিল। তদুপৰি মই এই কলেজত পদাৰ্পণ কৰাৰ পৰাই মোৰ অধ্যয়ন প্ৰক্ৰিয়া চলাই নিওতে কলেজ হোষ্টেল নামৰ আৱাসগৃহটোত আশ্ৰয় গ্ৰহণ কৰিছিলো। এই কলেজ হোষ্টেলত মই নিবিড়ভাৱে, ঘনিষ্ঠভাৱে জড়িত হৈ এখন ঘৰৰ দৰে বস-বাস কৰি ফুৰ্টি কৰা, আড্ডা মৰা আদি মুহূৰ্ত্তই আছিল অতি মনোৰম আৰু আড়ম্বৰপূৰ্ণ।

অৰূপ জ্যোতি গগৈ
স্নাতক তৃতীয় বৰ্ষ





# বিদায় প্ৰতি অনুভৱ



শিৱসাগৰ জিলাৰ ভিতৰত বিশেষ ঐতিহ্যৰে মহিমামণ্ডিত মহাবিদ্যালয় হ’ল সোণাৰি মহাবদ্যিালয়। মহাবিদ্যালয়খনত এটি সুন্দৰ শিক্ষাৰ পৰিবেশ আছে। মহাবিদ্যালয়খনৰ পুথিভঁৰাল, কেণ্টিন, হোষ্টেল, সুন্দৰ ফুলনিবাৰী সঁচাকৈয়ে আকৰ্ষণীয়। মহাবিদ্যালয়খনৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ পৰা যি অকৃত্ৰিম শিক্ষা, মৰম - চেনেহ পালো সেয়া সঁচাকৈ মোৰ জীৱনত স্মৰণীয় হৈ ৰব। সময় চিৰপ্ৰবাহমান। মোৰ কলেজীয়া জীৱনৰ তিনিটি বছৰ বন্ধু - বান্ধৱীসকলৰ লগত কেনেকৈ পাৰ হ’ল গমেই নাপালো। মহাবিদ্যালয়খনৰ পৰা বিদায়ৰ এই মুহূৰ্ত্তত মোৰ কেনে অনুভৱ হৈছে সেয়া মই ভাষাৰে বুজাব নোৱাৰিম। শেষত মহাবিদ্যালখনে শিক্ষা তথা সকলো ক্ষেত্ৰতে শীৰ্ষ স্থানত আৰোহণ কৰক তাৰে কামনাৰে ——।

শ্ৰীমতী দীপা গগৈ
স্নাতক তৃতীয় বৰ্ষ



I still remember the day when I first stepped my foot into this shrine temple of learning - the Sonari College, as a student of H.S. First Year. In H.S. level, I hardly came to this college because I felt shy and could not adjust myself with the new environment. Gradually this shyness disappeared as I reached the last year of my college life. In my long stay for four years in this college, I've come across a number of trustworthy friends. Of them the names of Niru, Sanji, Suhas, Swarna and Panging are worthmentioning. It touches me nearly how happy I am when I recollect the faint memories of the last Teacher's Day celebration in pomp and grandeur and also the symposium held at Sivasagar College.

At last I owe a debt of never ending gratitude to Dutta Sir, Deepanjali Ma'am and Anju Ma'am for their love and guidence in my carrier.

**Farhana Yesmin Hussain**
TDC 3rd year, Eng. (Magor)

# প্ৰতিবেদন

## উপসভাপতি



প্ৰতিবেদনৰ আৰম্ভণিৰ এই শুভক্ষণৰ পবিত্ৰ মুহূৰ্ত্তত যি সকল বীৰ- বীৰঙ্গনাই নিজৰ দেহকো তুচ্ছ ভাবি দেশৰ হকে প্ৰাণ আহুতি দিলে আৰু লগতে পূণ্য তীৰ্থ স্থাপন কৰোতা মনীষী সকলৰ ত্যাগ আৰু ঐকান্তিক প্ৰচেষ্টাক আৰম্ভণিতে শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে অশ্ৰুঞ্জলি যাচিছো।

সোণাৰি মহাবিদ্যালয় চৰাইদেউ মহকুমাৰ ভিতৰত বৌদ্ধিক চিন্তা-চৰ্চ্চা তথা উচ্চশিক্ষাৰ একমাত্ৰ কেন্দ্ৰস্থল বুলি কলেও বঢ়াই কোৱা নহয়। এই জ্ঞানৰ সাগৰত লুকাই আছে বহুজনৰ জীৱনৰ ইতিহাস আৰু ভৱিষ্যত জীৱন। সময়ৰ বেগী ঘোঁৰাক প্ৰত্যাহ্বান জনোৱাৰ সাহস কাৰো নাই। সেইবাবেই নিৰলস গতিযুক্ত সময়ৰ আহ্বানতেই বিবেকশীল মানবে আহ্বান উপেক্ষা নকৰি সময়ক স্বাগত জনাই সন্ধানত ভ্ৰমি ফুৰে, ফলত অভিজ্ঞতাৰ আধাৰত প্ৰকাশিত আৰু গৃহীত হয় জ্ঞান।

উচ্চ শিক্ষা আহৰণ কৰি জ্ঞানৰ সমল বৃদ্ধি কৰাৰ লক্ষ্য আগত ৰাখি ভৰি দিছিলো সোণাৰি মহাবিদ্যালয়ত। সন্মুখত বহুতো আশা, বহুতো সপোন বাস্তবায়িত কৰাৰ ৰঙীণ আভৰণৰ চিকমিকনি। সেই চিকমিকনিৰ মাজতে এবাৰ এবাৰকৈ তিনিবাৰ মহাবিদ্যালয়ৰ ক্ৰমে ২০০৪-০৫ বৰ্ষত শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদক, ২০০৫-০৬ বৰ্ষত গুৰু খেল বিভাগৰ সম্পাদক আৰু ২০০৬-০৭ বৰ্ষত উপ সভাপতি হিচাবে নিৰ্বাচিত হৈছিলো। সোণাৰি মহাবিদ্যালয়ত মোৰ শেষ পৰ্য্যায়ত ২০০৬-০৭ বৰ্ষত ছাত্ৰ সভাত উপ সভাপতি হিচাবে কাৰ্য্যনিৰ্বাহ কৰিবৰ বাবে মই বিনা প্ৰতিদন্দিতাৰে নিৰ্বাচিত হৈছিলো।

২০০৬-০৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাচত মই ছাত্ৰ একতা সভাৰ প্ৰতিটো কাৰ্যসূচীতে মোৰ পূৰ্ণ সহযোগিতা আগবঢ়াই মোৰ দায়িত্ব সুচাৰুৰূপে পৰিচালনা কৰিছিলো।

বৰ্তমান যুগ বিৰাট প্ৰতিযোগিতাময়। Information Technology য়ে মানব সভ্যতাৰ প্ৰতিদিনে নতুন দিগন্তৰ সন্ধান দিছে। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় তিনিওটা ব্যৱস্থাত শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন হৈছে। আধুনিক সমাজ ব্যৱস্থাত শিক্ষা ব্যৱস্থাত খাপ খাব পৰাকৈ পাঠ্যক্ৰম সলনি হৈছে। গতিকে এই প্ৰতিবেদনৰ দ্বাৰাই মহাবিদ্যালয় কৰ্ত্তৃপক্ষক অনুৰোধ কৰিছো যে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত জীৱনৰ উন্নতিৰ বাবে পুৰণি বিষয় সমূহৰ লগতে আমাৰ মহাবিদ্যালয়ত নথকা কিছুমান প্ৰয়োজনীয় নতুন পাঠ্যক্ৰম অন্তৰ্ভুক্তৰ ব্যৱস্থা কৰিবলৈ। যাতে ভৱিষ্যতৰ দিনত ছাত্ৰ-ছাত্ৰীসকলো আন ঠাইলৈ গৈ অন্য প্ৰতিষ্ঠানত শিক্ষা গ্ৰহণ কৰিব লগা নহয়।

শিক্ষা ব্যৱস্থাৰ ফালৰ পৰা আগৰ তুলনাত এতিয়া সোণাৰি মহাবিদ্যালয় যথেষ্ট উন্নত হৈছে। কিন্তু খেলৰ ফালৰ পৰা আমাৰ মহাবিদ্যালয়খন যথেষ্ট পিচপৰা। মই মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰাজেন তামুলি চাৰকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ সমূহ কৰ্তৃপক্ষক অনুৰোধ কৰিছো যে ছাত্ৰ-ছাত্ৰীসকল উপযুক্ত প্ৰশিক্ষণৰ দ্বাৰা পঢ়াৰ লগতে খেলতো সমানে আগুৱাই নিয়াৰ ব্যৱস্থা কৰিব বুলি মই আশা ৰাখিছো ; যাতে ভৱিষ্যতৰ দিনত মহাবিদ্যালয়ৰ খেলুৱৈসকলে আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাৰ পৰা আৰম্ভ কৰি সকলো প্ৰতিযোগিতাত উন্নত প্ৰদৰ্শন কৰি মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনিব পাৰিব।

আমাৰ কাৰ্যকালত প্ৰতিটো দিশতে প্ৰয়োজনীয় দিহা পৰামৰ্শৰে নিদ্ধাৰিত কাৰ্যসমূহ সফল ৰূপায়ণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ডঃ ৰাজেন তামুলি চাৰলৈ তথা মোৰ শিক্ষাগুৰুবৃন্দ ও কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধাসহ কৃতজ্ঞতা জ্ঞাপন কৰিলো।





# প্ৰতিবেদন

ছাত্ৰ একতা সভাৰ সকলো বিষয় ববীয়া তথা মোৰ সহপাঠী বন্ধু-বান্ধবী, ভাইটি-ভন্টীসকলকে প্ৰমূখ্য কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ নানা প্ৰকাৰে বিভিন্ন সময়ত সহায় আৰু প্ৰেৰণা দিয়াৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌশেষত আমাৰ কাৰ্যকালত অজানিতে যদি কিবা ভূল হৈছে তেন্তে মোৰ নিজৰ ফালৰ পৰা আপোনাসৱৰ পৰা ক্ষমা প্ৰাৰ্থনা বিচাৰিছো আৰু মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতি বেদনৰ সামৰণি মাৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"

**গোপীনাথ ৰায়।**
**সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা**
**২০০৬ - ০৭ বৰ্ষ**

## সাধাৰণ সম্পাদক



জয়জয়তে দেশমাতৃৰ সেৱাত জীৱন উৎসৰ্গা কৰা অমৰ শ্বহীদসকললৈ অশ্ৰুঞ্জলি অৰ্পণ কৰি সোণাৰি মহাবিদ্যালয় নামৰ জ্ঞান মন্দিৰটি গঢ় দিওঁতা বৰেণ্য মহানুভৱ ব্যক্তিসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আগবঢ়াইছো আৰু সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা বাইদেউকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ সশ্ৰদ্ধ প্ৰণাম জনাইছো। লগতে মোক ২০০৬ বৰ্ষত ছাত্ৰ একতা সভাত স্থান নিৰ্ধাৰণ কৰি দিয়া সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধবীক মোৰ হিয়াভৰা মৰম তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোক সাধাৰণ সম্পাদকৰ দৰে গুৰুদায়িত্ব দিয়াৰ সময়ত আপোনালোকে হয়তু মোৰ পৰা বহুতো কাৰ্যভাৰ অৰ্পণ কৰি সম্পাদনৰ আশা কৰিছিল। আপোনালোকৰ আশা কিমান পূৰণ কৰিব পাৰিলো সেয়া আপোনাসৱৰ বিচাৰ্য্য। মোৰ সীমিত অভিজ্ঞতা, শিক্ষাগুৰু সকলৰ পৰামৰ্শত যৎপৰোনাস্তি সমস্যা সমূহ সমাধান কৰিবলৈ প্ৰচেষ্টা চলাইছিলো। তথাপি মোৰ এই প্ৰচেষ্টাত বৈ যোৱা ত্ৰুটীসমূহ আপোনাসবে মাৰ্জনা কৰিব। প্ৰতিষ্ঠাৰ কালৰে পৰা সোণাৰি মহাবিদ্যালয়ৰ এটি সুনাম আছে। জ্ঞানৰজ্যোতি বিলোৱা শিক্ষাগুৰুসকলৰ একান্ত প্ৰচেষ্টাত বছৰি মানব সম্পদ গঢ় দি মহাবিদ্যালয়ৰ বৌদ্ধিক পৰম্পৰা বৰ্তী আছে। সেই পৰম্পৰাক সৰোগত কৰি মোৰ সীমিত জ্ঞানেৰে মহাবিদ্যালয়ৰ মৰ্যদা অক্ষুণ্ণ ৰখাত অহৰহ চেষ্টা চলাইছিলো। কৃতকাৰ্যতাৰ কাঠামো আপোনাসৱৰ হাতত।

মোৰ সাধাৰণ সম্পাদকৰ কাৰ্যকালত মহাবিদ্যালয়ৰ গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কেৱল মাত্ৰ পুথিগত বিকাশতে অহৰহ চেষ্টা চলোৱা দৃষ্টিগোচৰ হৈছিল, বৌদ্ধিক বিকাশত অৰিহণা যোগাব পৰা বিষয়সমূহৰ পৰা ছাত্ৰ-ছাত্ৰী আঁতৰি থকা যেন লক্ষ্য কৰিছিলো। মহাবিদ্যালয়ৰ সৰস্বতী পূজাৰ বাদে অন্য অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি একেবাৰে নগন্য থকাটো বিষয়সমূহ আয়ত্বৰ বাহৰিত বুলি ছাত্ৰ-ছাত্ৰীয়ে বিবেচনা কৰা বুলি সূচায়। বিভিন্ন প্ৰতিযোগিতাত আংশিক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰাটো অতি পৰিতাপৰ বিষয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পুথিগত বিদ্যাৰ লগতে বাৰ্যিক খেলধেমালি

# প্ৰতিবেদন

ও অন্যান্য অনুষ্ঠান তথা আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাসমূহত উপস্থিত থাকি বৌদ্ধিক বিকাশৰ চেষ্টা চলোৱাৰ লগতে শিক্ষাগুৰুসকলৰ নিৰ্দ্দেশিত সমূহ কাৰ্যসূচীসমূহৰ সফল ৰূপায়ণ কৰিবলৈ সকলো ছাত্ৰ-ছাত্ৰীকে আহ্বান জনালো।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে মোৰ বহু কৰণীয় আছিল। মোৰ সীমিত জ্ঞান, শিক্ষাগুৰু সকলৰ সুপৰামৰ্শ ও ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ সহযোগত নিম্নলিখিত কাৰ্যসমূহ সমাধা কৰা হ'ল।

**কাৰ্যসূচীসমূহ ঃ-**

(১) ২৯-০৭-২০০৬ তাৰিখে নৱাগত আদৰণি সভা।

(২) মহাবিদ্যালয়ৰ প্ৰাংগণত দুখনকৈ শোক সভা অনুষ্ঠিত কৰা হয়।

(৩) ৪ জানুৱাৰীৰ পৰা ৭ জানুৱাৰীলৈ মৰাণ মহাবিদ্যালয়ত অনুষ্ঠিত যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰি ভজন প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ লাভ কৰে।

(৪) ৫ চেপ্তেম্বৰত 'শিক্ষক দিৱস' উদ্‌যাপন কৰা হয়।

(৫) ০২-০২-০৬ তাৰিখে মহাবিদ্যালয়ৰ শিক্ষাগুৰু বিনন্দ মোহন চাৰৰ বিদায় সম্বৰ্দ্ধনা সভা।

(৬) ৫ জুনত বিশ্বপাৰিপাৰ্শিক দিৱস পালন কৰি সোণাৰি লায়ন্স ক্লাৱৰ সহযোগত বৃক্ষৰোপণ কৰা হয়।

(৭) মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ হৈ সোণাৰি এফ, আৰ, ইউৰ বাবে ৰক্তদান।

(৮) আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাত অংশগ্ৰহণ ও মাৰাথান দৌৰত তিনিটা পুৰস্কাৰ সংগ্ৰহ।

(৯) মহাবিদ্যালয় চাইকেল ষ্টেণ্ড সম্প্ৰসাৰণ ।

(১০) ছাত্ৰাবাসৰ সন্মুখত বেৰ দিয়াৰ ব্যৱস্থা কৰা হয়।

(১১) পানীযোগানৰ বাবে চাৰিটা টেপৰ ব্যৱস্থা।

(১২) স্নাতক তৃতীয় বৰ্ষৰ শ্ৰেণীকোঠাত ফেনৰ ব্যৱস্থা।

(১৩) ছাত্ৰীনিবাসৰ বেৰ পকীকৰণ।

(১৪) কেৰিয়াৰ তথ্যকেন্দ্ৰ স্থাপন।

(১৫) বিজ্ঞানৰ চেৰি কালচাৰ বিভাগ মুকলি।

(১৬) ছাত্ৰ আৰু ছাত্ৰী জিৰণী কোঠাত খেলৰ সামগ্ৰী ক্ৰয়।

(১৭) শৰীৰ চৰ্চাৰ বাবে ৪০ কেজি প্লেট ক্ৰয় কৰা।

(১৮) লাইব্ৰেৰীৰ বাবে আৱশ্যকীয় কিতাপ ক্ৰয় কৰা।

(১৯) সংগীত সাধনাৰ বাবে বাদ্যযন্ত্ৰৰ সম্প্ৰসাৰণ।

(২০) মহাবিদ্যালয়ৰ পথ উন্নয়ণৰ বাবে ছাত্ৰ একতা সভাৰ পুঁজিৰ পৰা ৪০ হেজাৰ টকা ৰাহি কৰি পথ উন্নয়ণৰ বাবে ব্যৱস্থা।





# প্ৰতিবেদন

মহাবিদ্যালয়ৰ আন বহুতো জলন্ত সমস্যা আছিল ও সমাধান কৰিব লাগিছিল যদিও সময়ৰ অভাৱ ও বিভিন্ন কাৰণত সমাধান কৰিব নোৱাৰিলো। সেই সমস্যাসমূহ অনাগত দিনত নতুন কাৰ্যকৰী সমিতি আৰু শিক্ষাগুৰুৰ সহযোগিতা আৰু পৰামৰ্শত সমাধা হ'ব বুলি সম্পাদকীয়ত উল্লেখ কৰিলো।

**সমস্যাসমূহঃ-**

(১) মহাবিদ্যালয়ত শৰীৰ চৰ্চাৰ বাবে অত্যাধুনিক আৰু বিজ্ঞানসন্মত জিম্ নথকাৰ বাবে শৰীৰ চৰ্চাৰ ছাত্ৰসকলে আশানুৰূপ ফল লাভ কৰিব পৰা নাই। নতুন সমিতিক মহাবিদ্যালয়ত বিজ্ঞানসন্মত মালটিজিমৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো।

(২) ধোদৰ আলিৰ পৰা মহাবিদ্যালয়লৈ অহা-যোৱা পথটি পকীকৰণে মহাবিদ্যালয়ৰ ভৌতিক পৰিবেশ নিয়ন্ত্ৰণকৰাৰ লগতে বাৰিষাকালত ছাত্ৰ-ছাত্ৰীৰ যাতায়াতৰ সুবিধা হ'ব আৰু ছাত্ৰ একতা সভাই তাৰবাবে মাত মাতি যাব বুলি আশা ৰাখিলো।

(৩) মহাবিদ্যালয়ৰ সুনাম বৃদ্ধি হোৱাৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বৃদ্ধি পাইছে। কিন্তু সেই অনুপাতে ছাত্ৰাবাসৰ কোঠা কম হোৱাত সীমিত ছাত্ৰইহে ছাত্ৰাবাসত থাকিব পাৰে। গতিকে ছাত্ৰাবাসৰ কোঠা বৃদ্ধি কৰি অধিক ছাত্ৰ, ছাত্ৰাবাসত থকাৰ ব্যৱস্থা কৰাৰ লগতে ছাত্ৰী নিবাসৰ দৰে ছাত্ৰাবাসৰ যাতায়াতৰ বাবে বেলেগ পথৰ ব্যৱস্থা কৰি অভিভাৱকৰ প্ৰবেশত সুবিধা প্ৰদান কৰিবলৈ অনুৰোধ জনালো।

(৪) মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণীচ'ৰা পাঠদান কক্ষৰ লগত থকাৰ বাবে মাজে-সময়ে পাঠদানত ব্যাঘাত জন্মোৱাৰ বাবে পৃথককৈ ছাত্ৰ জিৰণীচ'ৰা নিৰ্মাণ কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনালো।

(৫) সকলো বিভাগৰ মেজৰ লোৱা ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ সুবিধাৰ্থে পুথিভঁৰালত আৱশ্যকীয় পুথিসমূহৰ ব্যৱস্থা কৰি ছাত্ৰ-ছাত্ৰীক পৰীক্ষাত ভাল ফলাফল দৰ্শাবলৈ সুবিধা প্ৰদান কৰিবলৈ এই সম্পাদকীয় প্ৰতিবেদনৰ যোগেদি সকলোলৈ অনুৰোধ জনালো।

মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ হৈ আমাৰ কৰণীয় বহুত আছিল। কিন্তু মাত্ৰ এটা বছৰ কাৰ্য্যকালত সকলোবোৰ সমস্যা সমাধান কৰা সম্ভৱ হৈ নুঠিল। আমাৰ অপূৰ্ণ সমস্যাসমূহ নতুন ছাত্ৰ একতা সভাই পূৰ্ণ কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ সমস্যা সমূহ দূৰ কৰি মহাবিদ্যালয়ত পূৰ্ণ শৈক্ষিক পৰিবেশ গঢ়ি তুলিবৰ বাবে অনুৰোধ জনালো।

আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যকালত আমাৰ অগ্ৰজ, অনুজ আৰু সতীৰ্থক অকালতে হেৰুৱালো। অকাল বিয়োগ হোৱা ছাত্ৰ-ছাত্ৰীলৈ অশ্ৰুসিক্ত নয়নেৰে বিদেহী আত্মাই চিৰশান্তি লাভ কৰিবলৈ ভগবানৰ ওচৰত প্ৰাৰ্থনা জনালো।

আমাৰ কাৰ্য্যকালত বিভিন্ন দিশত গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়োৱা আমাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়া লগতে সমূহ শিক্ষাগুৰু আৰু সমূহ কৰ্ম্মচাৰীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। প্ৰতিটো কাৰ্য্যসূচী সফল কৰাত আমাক সহায় সহযোগ আগবঢ়োৱা- গোপী, জয়প্ৰকাশ, খঞ্জন, অপু, দেৱাশিস, নিতু, মাইনু, পম্পি, ৰিমা, অজন্তা, অমৰ, পাৰ্থ, ডেভিড, লালু, মাচুম, জয়শ্ৰী, বুলবুল আৰু সকলো ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত এই মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ এই সম্পাদকীয় প্ৰতিবেদন সামৰিলো।

জয়তো সোণাৰি মহাবিদ্যালয়

**কৌশল কুমাৰ ৰাউত,**
সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
২০০৬ - ০৭ বৰ্ষ

# প্ৰতিবেদন

## সহ সাঃ সম্পাদক



সৰ্বপ্ৰথমে সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে সন্মানীয় শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীৰ লগতে মোৰ মৰমৰ বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক অভিনন্দন আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলো।

২০০৬-০৭ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই সহকাৰী সাধাৰণ সম্পাদক হিচাবে নিৰ্বাচিত হওঁ। মোক এই পদত নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। ২০০৬-০৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সহকাৰী সাধাৰণ সম্পাদক হিচাবে নিৰ্বাচিত হৈ মই তেনে কোনো পাৰদৰ্শিতা দেখুৱাব নোৱাৰিলো যদিও অন্যান্য বিষয়ববীয়া সকলৰ প্ৰতিটো কাৰ্য্যতে সহায় সহযোগ আগবঢ়াইছিলো। মই এই মহাবিদ্যালয়ৰ হকে কিছুমান কাম কৰিম বুলি মনতে ভাৱিছিলো কিন্তু মোৰ এই সপোন বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিলো।

সদৌ শেষত মোৰ কাৰ্য্যকালত মোক বিভিন্ন ক্ষেত্ৰত সহায় সহযোগিতাৰ লগতে সু - দিহা পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ ডঃ ৰাজেন তালুমী চাৰ আৰু মোৰ মৰমৰ বন্ধু - বান্ধৱী পাৰ্থ, টিনা, মনোৰঞ্জন, দিজু আৰু সমূহ ছাত্ৰ-ছাত্ৰীক আন্তৰিক ধন্যবাদ জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়

দিগন্ত গগৈ ।
সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
২০০৬ - ০৭ বৰ্ষ





# প্ৰতিবেদন

## গুৰু খেল বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে তেজক পানী কৰি যি সকল ব্যক্তিয়ে জ্ঞানৰ মুকুতা বুটলি সোণাৰি মহাবিদ্যালয়খন আজিৰ এই অৱস্থাত উপনীত কৰালেহি তেওঁলোকক এই আপাহতে শ্ৰদ্ধাৰে সোঁৱৰিছোঁ আৰু সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা বাইদেউ, বিভাগীয় তত্বাৱধায়ক শ্ৰীযুত গিৰীণ গগৈ, জ্যোতিফুকন, দিব্যজ্যোতি কোঁৱৰ প্ৰমুখ্যে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষা গুৰুসকললৈ সশ্ৰদ্ধ প্ৰণাম জনাইছো। ২০০৫-০৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে মহাবিদ্যালয়ৰ কাম কাজত ভাগ লবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীসকললৈ ধন্যবাদ জনালো।

সোণাৰি মহাবদ্যিালয়ৰ গুৰু খেল বিভাগৰ সম্পাদকৰ দৰে পদত অধিষ্ঠিত হৈ মহাবিদ্যালয়ৰ খেল বিভাগত কি কি কৰিব পাৰিলো সেয়া আপোনাসবৰ বিচাৰ্য্য বিষয়। তথাপি মই মোৰ সাধ্য অনুসাৰে মোৰ কামত আত্মনিয়োগ কৰিছিলো। মোৰ কাৰ্য্যকালতেই ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় মাৰাথান প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে তৃতীয়, চতুৰ্থ আৰু সপ্তম স্থান দখল কৰিবলৈ সক্ষম হৈছিলো। আৰু ইয়াৰ লগে লগে পোন প্ৰথমবাৰ যোগদান কৰি আন্তঃ মহাবিদ্যালয়ৰ ক্ৰিকেট প্ৰতিযোগিতাত মাণ্ডলিক ফাইনেল পৰ্য্যায়লৈকে আগুৱাই গলো।

গুৰু খেল বিভাগৰ আটাইতকৈ উল্লেখযোগ্য মুহূৰ্ত্তটো হৈছে মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহ। সেয়েহে মোৰ কাৰ্য্য কালত মহাবিদ্যালয় সপ্তাহত নতুনকৈ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰি আৰু বাকী প্ৰায়বিলাক খেলেই অনুষ্ঠিত কৰিবলৈ চেষ্টা কৰিছিলো। তথাপি মহাবিদ্যালয়ৰ দুটামান খেলৰ সামগ্ৰীৰ অভাৱৰ বাবে অনুষ্ঠিত কৰিব পৰা নাছিলো। কিন্তু অতি পৰিতাপৰ কথা যে মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত ছাত্ৰ-ছাত্ৰী উপস্থিতি আৰু অংশ গ্ৰহণ কৰিছিল নিচেই নগণ্য। সেয়ে ছাত্ৰ-ছাত্ৰী সকললৈ এই প্ৰতিবেদনৰ দ্বাৰাই মোৰ অনুৰোধ যে অনাগত দিনবোৰত যেন তেওঁলোকে মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত উপস্থিত থাকি আৰু নিজে অংশ গ্ৰহণ কৰাৰ লগতে আনকো উৎসাহিত কৰে যেন।

মোৰ কাৰ্য্যকালত কাৰোবাৰ প্ৰতি অজানিতে আৰু সীমিত অভিজ্ঞতাৰ হেতু বৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত এই আপাহতে ক্ষমা বিচাৰিলো। মোৰ কাৰ্য্যকালত বিভিন্ন ধৰণে বিশেষ ভাৱে সহায় কৰাৰ বাবে — অমল, প্ৰণৱ, বিদ্যুৎ, অৰূপ, মণ্টু, ভৱ, ভাৰ্গৱ, শান্তনু, চোনিয়া, অমৰ পাপু, ঋতুৰাজ, শ্যামন্ত, সুনিত, হিৰেশ্বৰ, বিৰাজ, পাৰ্থ, প্ৰমোদ, সুৰজ, বসন্ত দাদা, অজন্তা, শিখা, গীতাশ্ৰী, কৰবী, টিনা, সুপৰ্ণা, দিব্য আদি সকলোলৈ ধন্যবাদ যাঁছিলো। শেষত অনাগত দিনত মহাবিদ্যালয়খন চিৰ সুন্দৰ হওঁক এই কামনাৰে

জয়তু সোণাৰি মহাবিদ্যালয়

সৌৰভ প্ৰতিম গগৈ
সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
২০০৬ - ০৭ বৰ্ষ

# প্ৰতিবেদন

## লঘু খেল বিভাগ



মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই সকল মহান ব্যক্তিক কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিছো যি সকল ব্যক্তিয়ে অশেষ শ্ৰম আৰু ত্যাগৰ বিনিময়ত সোণাৰি মহাবিদ্যালয়খন গঢ়ি আজিৰ অৱস্থাত উপনীত কৰালেহি। সেই সকল ব্যক্তিক মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। লগতে সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে শিক্ষাগুৰু সকল আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা সমূহ ছাত্ৰ-ছাত্ৰীকে আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিছো। ২০০৬-০৭ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক নিৰ্বাচনত মোক লঘু খেল বিভাগৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে ধন্যবাদ জ্ঞাপন কৰিলো।

মহাবিদ্যালয়ৰ লঘু খেল বিভাগৰ সম্পাদক ৰূপে অধিষ্ঠিত হৈ মই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত বিভিন্ন কাৰ্য্যসূচীত মই নিজকে আত্ম নিয়োগ কৰিছিলো। মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক লগতে আন বিষয়ববীয়াৰ কাৰ্য্যসূচীত মই সক্ৰিয় ভাৱে সহযোগিতা আগবঢ়াইছিলো। মোৰ কাৰ্য্যসূচী মই সূচাৰু ৰূপে পালন কৰিছিলো বুলি মই ভাবো। ইয়াত যদি কিবা দুখ ত্ৰুটি ৰৈ গৈছিল তাৰ বাবে সকলোৱে ক্ষমা কৰি দিয়ে যেন। মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত মই নিজৰ কৰ্তব্য সূচাৰু ৰূপে পালন কৰিছিলো। একতা সভাৰ উদ্যোগত আয়োজিত বিভিন্ন কাৰ্য্যসূচীত মই বিভাগীয় সম্পাদক সকলক প্ৰতিটো ক্ষেত্ৰতে যিমান পাৰো সিমান মোৰ ফালৰ পৰা সহায় সহযোগিতা তথা দিহা পৰামৰ্শ আগবঢ়াইছিলো। মোৰ বিভিন্ন কাৰ্য্যসূচীত বিভাগীয় সম্পাদক সকলৰ লগতে মোৰ মৰমৰ বন্ধু সঞ্জীৱ, তৰুণ, ধীৰাজ, ডম্বৰু, উত্তম, গৌৰৱ আৰু মৰমৰ বান্ধৱী পাপৰী, নয়নমণী, জুৰি, ঋংকিলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল আৰু লগতে মোৰ এই প্ৰতিবেদন সামৰণি মাৰিলো।

সোণাৰি মহাবদ্যিালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনাৰে।

জয়তু সোণাৰি মহাবিদ্যালয়

**ৰূপম চেতিয়া**
**সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা**
**২০০৬ - ০৭ বৰ্ষ**





# প্ৰতিবেদন

## সাংস্কৃতিক বিভাগ



প্ৰতিবেদনৰ প্ৰাক বুলনিতে সেই সকল মহান ব্যক্তিক মই এই আপাহতে শ্ৰদ্ধাৰে সোঁৱৰিছো, যি সকলে অশেষ শ্ৰম আৰু ত্যাগ কৰি সোণাৰি মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিছিল। দ্বিতীয়তে শ্ৰদ্ধাৰ সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ৰাজেন তামুলী ছাৰ, উপাধ্যক্ষা মহোদয়া আৰু মহাবদ্যিালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু বৃন্দলৈ মোৰ আন্তৰিক সশ্ৰদ্ধ প্ৰণাম জনাইছো। লগতে সোণাৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ - ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

২০০৬-০৭ বৰ্ষ মহাবিদ্যালয়ৰ 'সাংস্কৃতিক সম্পাদক' হিচাপে ছাত্ৰ-ছাত্ৰীসকলে নিৰ্বাচিত কৰি মহাবদ্যিালয়ৰ প্ৰতি যি সেৱা আগবঢ়াবলৈ সুবিধা দিলে তাৰ বাবে মই খুবেই আনন্দিত আৰু ছাত্ৰ-ছাত্ৰী সকল চিৰনমস্য। মহাবিদ্যালয়ৰ উন্নতিৰ হকে কি সেৱা আগবঢ়ালো সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। তথাপি মই প্ৰতিটো কামেই সূচাৰুৰূপে কৰিবলৈ চেষ্টা কৰিছিলো। ছাত্ৰ একতা সভাৰ প্ৰতিটো কামতে সহায়ৰ হাত আগবঢ়াইছিলো।

মোৰ কাৰ্য্যক'লাত পোনপ্ৰথমে মই মহাবিদ্যালয়ত শ্ৰীশ্ৰী সৰস্বতী পূজা, ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া, মোৰ বন্ধু-বান্ধৱী আৰু ভাইটী-ভন্টিৰ সকলোৰে সহযোগত সুকলমেৰে অনুষ্ঠিত কৰো, তাৰ পিছত শ্ৰীমন্ত শংকৰদেৱৰ তিথি আৰু তাৰ লগত সংগতি ৰাখি এখনি ৰচনা প্ৰতিযোগিতা আয়োজন কৰো তাৰ পিছত ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত শ্ৰীশ্ৰী বিশ্বকৰ্ম্মা পূজা উলহ মালহেৰে উদ্‌যাপন কৰো। কাৰ্য্যকালৰ শেষ সময়ত অনুষ্ঠিত হোৱা ছতম সোণাৰি মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত সাংস্কৃতিক বিভাগত থকা প্ৰতিযোগিতাসমূহ সকলোৰে সহযোগত সফলতাৰে অনুষ্ঠিত কৰিছিলো। আনহাতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয়ৰ মৰাণত অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানত আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে অংশগ্ৰহণ কৰি গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। মোৰ প্ৰতিটো অনুষ্ঠান আৰু কামতে সু-দিহা পৰামৰ্শ আগবঢ়োৱা সাংস্কৃতিক বিভাগৰ উপদেষ্টা পল্টু পাল ছাৰ, ৰাণু মহন বাইদেউ, ৰীতা বাইদেউ, প্ৰবীণ বৰা ছাৰ, জ্যোতি ফুকন ছাৰকে প্ৰমুখ্য কৰি সকলো ছাৰ - বাইদেউলৈ মোৰ আন্তৰিক দন্যবাদ জ্ঞাপন কৰিলো। আনহাতে মোৰ প্ৰতিটো কামতে ছাঁৰ দৰে লাগি থকা বিৰাজ প্ৰতীম গগৈ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, দাদা বসন্ত চাউলকৰা, ৰাজীৱ মহন্ত, সমূহ ছাত্ৰ আবাসী আৰু ছাত্ৰীনিবাসৰ সমূহ আবাসী আৰু লগতে দীৰ্ঘজ্যোতি দত্ত, নিতুল গগৈকে ধৰি মোৰ অসমীয়া বিভাগৰ সমূহ মেজৰমেটলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সৰ্বশেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল ত্ৰুটিবোৰৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদন সামৰণি মাৰিছো। সোণাৰি মহাবিদ্যালয় সদায় যেন এখন আদৰ্শ মহাবিদ্যালয় হিচাপে জিলিকি ৰয় তাৰ কামনাৰে —।

জয়তু সোণাৰি মহাবিদ্যালয়

**সুনিত মহন**
**সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা**
**২০০৬ - ০৭ বৰ্ষ**

# প্ৰতিবেদন

## সমাজসেৱা বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল মহান ব্যক্তিৰ অনেক ত্যাগ আৰু শ্ৰমৰ বিনিময়ত ঐতিহ্য মণ্ডিত আমাৰ মহাবিদ্যালয়খন গঢ় লৈ উঠিল সেই সকল মহান ব্যক্তিক মই শ্ৰদ্ধাৰে সোঁৱৰিছো। তাৰ পাছত শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়া, শিক্ষাগুৰু সকল আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী বৃন্দৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ শ্ৰদ্ধা, মৰম ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০০৬ - ০৭ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ "সমাজ সেৱা" বিভাগৰ সম্পাদক ৰূপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্ব্বাচিত হৈ মহাবিদ্যালয় খনৰ প্ৰতি সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে সমূহ ছাত্ৰ - ছাত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সমাজ সেৱা বিভাগৰ সম্পাদক ৰূপে মই কিমান দূৰ সফল হ'লো সেইয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। তথাপি মোৰ সাধ্যানুসৰি মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগবঢ়োৱাৰ চেষ্টা কৰা হৈছিল। সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে প্ৰথমে ৫ জুন তাৰিখে "বিশ্ব পৰিবেশ দিৱস"ৰ লগত সংগতি ৰাখি সমগ্ৰ বিশ্বৰ লগতে সোণাৰিৰ অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান 'লায়ন্স ক্লাব' সোণাৰিৰ সহযোগত মহাবিদ্যালয়ৰ চৌহদত বৃক্ষৰোপণ কৰা হয়। তাৰ পাছত ৫ আগষ্টত মহাবিদ্যালয়ৰ ৩৬ তম প্ৰতিষ্ঠা দিৱসত অধ্যাপক সকলৰ সহযোগত বিভিন্ন ধৰণৰ বৃক্ষ ৰোপণ কৰা হয়। তাৰোপৰি মহাবিদ্যালয়ৰ চৌহদ যিমান পাৰি পৰিষ্কাৰ - পৰিচ্ছন্ন কৰি ৰখাত গুৰুত্ব আৰোপ কৰা হৈছিল। তাৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰ - একতা সভাৰ প্ৰতিটো কাৰ্য্যসূচীতে সহায়ৰ হাত আগবঢ়োৱা হৈছিল।

মোৰ কাৰ্য্যকালত মোক বিভিন্ন ক্ষেত্ৰত বহুমূলীয়া সুস্থ - সৰল দিহা পৰামৰ্শৰে সহায়ৰ হাত আগবঢ়োৱাৰ বাবে শ্ৰদ্ধাৰ প্ৰবীণ বৰা ছাৰ, জ্যোতি প্ৰসাদ ফুকন ছাৰ, মুহিধৰ চেতিয়া ছাৰ আৰু ড° ৰাণা কোঁৱৰ ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে সমাজ কৰ্ম্মী শ্ৰদ্ধাৰ শ্ৰীযুত গোলাপ বুঢ়াগোঁহাই, শ্ৰীযুত স্বপন কৰ দেৱৰ লগতে লায়ন্স ক্লাবৰ সমূহ সদস্য বৃন্দৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰলো। আৰু মোক মোৰ প্ৰতিটো ক্ষেত্ৰতে বিশেষভাৱে সহায় সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু কৌশল, দিগন্ত, হিৰেশ্বৰ, সুনিত, অমল (চট্) কে ধৰি ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক আন্তৰিক ধন্যবাদ জনালো।

সদৌ শেষত মোৰ কাৰ্য্যকালৰ সময়ত অজানিতে ৰৈ যোৱা অনিচ্ছাকৃত ভুল ক্ৰুটিৰ মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

সোণাৰি মহাবিদ্যালয়ৰ সৰ্ব্বাংগীন উন্নতিৰ কামনাৰে —

"জয়তু সোণাৰি মহাবিদ্যালয়"

**চাও খুনজু গগৈ**
**সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা**
**২০০৬ - ০৭ বৰ্ষ**





# প্ৰতিবেদন

## সংগীত বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে এই সোণাৰি মহাবদ্যািলয়ৰ সন্মানীয় অধ্যক্ষ ড° ৰাজেন তামুলী দেৱ, মাননীয়া উপাধ্যক্ষা মহোদয়া শ্ৰীযুক্তা ৰতিপ্ৰভা গগৈ বাইদেউ, বিভাগীয় তত্বাৱধায়ক শ্ৰীযুক্তা ৰীতা দত্ত, শ্ৰীযুত সুচিত্ৰ ৰাজখোৱা চাৰলৈ তথা সমূহ শিক্ষশগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ এই সুযোগতে সশ্ৰদ্ধ প্ৰণাম জনাইছো।

২০০৬ - ০৭ বৰ্ষ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে কৰ্ম্ম কৰিবলৈ সুযোগ পোৱাৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সংগীত বিভাগৰ সম্পাদকৰূপে মোৰ কাৰ্য্যকালত কিমান কি কৰিব পাৰিলো সেয়া আপোনালোকৰ সকলোৰে বিচাৰ্য্য। তথাপিতো মহাবিদ্যালয়ৰ সংগীতৰ বাবে প্ৰয়োজনীয় সা-সৰঞ্জাম কেইটামান মোৰ কাৰ্য্যকালতেই আপোনালোকলৈ আগবঢ়াবলৈ পাই মই সুখী হ'লো। এযোৰ ত্ৰিপুল, এটা খোল, এটা ৰেকৰ্ডাৰ, এযোৰ খুটি তাল, তিনিটা বাঁহী — উক্ত সৰঞ্জাম কেইটা আপোনালোকলৈ যোগান ধৰাত বিভাগীয় তত্বাৱধায়ক শ্ৰীযুক্তা ৰীতা দত্ত বাইদেউৰ যি সহায় আৰু প্ৰেৰণা তাক প্ৰকাশ নকৰি নোৱাৰিলো। তাৰ বাবে বাইদেউক অশেষ ধন্যবাদ জনাইছো।

মোৰ কাৰ্য্যকালতে মৰাণ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত শ্ৰীদীৰ্ঘজ্যোতি দত্তই ভজন প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

মহাবিদ্যালয়ত অনুষ্ঠিত মহাবিদ্যালয়ৰ ক্ৰীড়া সমাৰোহত সকলো কাৰ্য্যসূচী চলাই নিবৰ বাবে তত্বাৱধায়ক শ্ৰীযুক্তা বাণী দেৱী বাইদেউ, শ্ৰীযুত প্ৰবীণ বৰা ছাৰ, শ্ৰীযুত ৰঞ্জীত বৰগোঁহাই ছাৰলৈ মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জনাইছো।

বিভিন্ন সময়ত সহায় - সহযোগ আগবঢ়োৱা 'ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু শিক্ষক শিক্ষয়িত্ৰী শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, বন্ধু - বান্ধৱ — বৰ্ণ্টু, বিৰাজ, নিতুল, হিৰেশ্বৰ, সুনিত, প্ৰীতি, তচলিমা, দীৰ্ঘজ্যোতি, ৰুবী, হবী, মামনী, মমী সকলোলৈকে হিয়াভৰা ধন্যবাদ জনাই মোৰ কাৰ্য্যকালত ৰৈ যোৱা ভুল - ক্ৰটীবোৰৰ ক্ষমা বিচাৰি আৰু উক্ত মহাবিদ্যালয়ৰ দীৰ্ঘায়ু তথা উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"

**পল্লৱ হাজৰিকা**
**সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা**
**২০০৬ - ০৭ বৰ্ষ**

# প্ৰতিবেদন

## শৰীৰ চৰ্চা বিভাগ

জয় জয়তে ইতিহাসে গৰকা, মোৰ অতি শ্ৰদ্ধাৰ জ্ঞান মন্দিৰ সোণাৰি মহাবিদালয়লৈ প্ৰণাম আৰু শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিলো। এই মধুৰ ক্ষণতে সেই সকল চিৰ নমস্য ব্যক্তিকো সোঁৱৰিছো, যি সকলে অশেষ ত্যাগ আৰু কষ্টেৰে এই পৱিত্ৰ জ্ঞান মন্দিৰটি স্থাপন কৰিলে।

প্ৰতিবেদনৰ আৰম্ভণিতেই সোণাৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ ড° ৰাজেন তামুলী ছাৰ, উপাধ্যক্ষা ৰতিপ্ৰভা গগৈ বাইদেউকে প্ৰমুখ্য কৰি অধ্যাপক - অধ্যাপিকা আৰু সমূহ ছাত্ৰ - ছাত্ৰী, দাদা - বাইদেউ, বন্ধু - বান্ধৱী তথা ভাইটি - ভন্তী সকললৈ আন্তৰিক শ্ৰদ্ধা আৰু মৰম যাচিলো। সোণাৰি মহাবিদ্যালয়ৰ দৰে এখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ দৰে এটি গধুৰ দায়িত্ব গ্ৰহণ কৰিবলৈ যি সুযোগ দিলে তাৰ বাবে মই আমাৰ মহাবিদ্যালয়ৰ সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলো। চাওঁতে চাওঁতে পাৰ হৈ গ'ল এবছৰীয়া কাৰ্য্যকাল। এবছৰীয়া কাৰ্য্যকালত মই মোৰ সীমিত সামৰ্থ্যৰে মহাবিদ্যালয়ৰ শৰীৰ চৰ্চা বিভাগৰ কোঠাত প্ৰয়োজনীয় কেইপদমান সামগ্ৰী আনিলো। সেইবোৰ হৈছে — ৰবাৰৰ প্লেট ৬০ কেজি, ওজনৰ মেচিন এটা, ককালৰ বেল্ট এডাল, বাৰ বেল ২ ডাল আদি আৰু যিমান উন্নতি কৰিম বুলি ভাৱিছিলো সিমানদূৰ আগবাঢ়িব নোৱাৰিলো, গতিকে মই আপোনালোকৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। আৰু কি কি কৰিব পাৰিলো তাৰ বিচাৰ আপোনালোকৰ হাতত। মোৰ কাৰ্য্যকালৰ বিষয়ে উল্লেখ কৰিবলৈ হ'লে অন্তিমত নাম লব লাগিব বাৰ্ষিক কলেজ সপ্তাহৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই কলেজ সপ্তাহ আনুষ্ঠিত হৈছিল। এই সপ্তাহৰ লগত সংগতি ৰাখি মোৰ বিভাগত থকা খেল বিলাক খেলাবলৈ আগবাঢ়ি গৈছিলো। মোৰ বিভাগত থকা খেলবিলাক হ'ল — দেহশ্ৰী প্ৰতিযোগিতা, শক্তি উত্তোলন, ভাৰ উত্তোলন, যোগাসন আৰু পাঞ্জা প্ৰতিযোগিতা। এই প্ৰতিযোগিতা সমূহ মই অতি সূচাৰু ৰূপে সম্পন্ন কৰাত মোক সহায় কৰা শিক্ষাগুৰু, বন্ধু-বান্ধৱ তথা মোৰ বিভাগীয় উপদেষ্টা শ্ৰীযুত চক্ৰপানী পাতিৰ ছাৰ আৰু শ্ৰীযুত মুহিধৰ চেতিয়া ছাৰৰ ওচৰত মই সদায় চিৰ কৃতজ্ঞ। তেখেতসকলৰ বহুমূলীয়া পৰামৰ্শ আৰু উপদেশৰ ফলত মোৰ এবছৰীয়া কাৰ্য্যকাল সূচাৰু ৰূপে সমাপ্ত হ'ল। অৱশ্যে মোৰ কাৰ্য্যকালত যিসকল দাদা - বাইদেউ, বন্ধু - বান্ধৱী, ভাইটি - ভন্টি আৰু ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া সকলে সহায়-সহযোগ অগবঢ়াইছিল তেওঁলোকৰ নাম উচ্চাৰণ নকৰিলে মোৰ প্ৰতিবেদন আধৰুৱা হব। প্ৰথমে মোক সহায় কৰা দাদা - বাইদেউ সকল হৈছে — সুৰেশদা, অমিত, নৱ, ভাৰ্গৱ, প্ৰণয়, বিজিত, বিশ্ব, দেভিদ, বিনয়, বিদ্যুৎ, অৰূপ, প্ৰমোদ, বিৰাজ, সুনিত, সৌৰভ অমল, হিৰেশ্বৰ, বিউটি, সবিতা, নেহা, মালা, জিন্তি, মনময়ুৰী, মুনমী, অজন্তা, দিব্য, অনামিকা, সুৰভি, টিনা, গীতাঞ্জলি, মৌচুমী, পূৰবী, জ্যোতিকা, কৰবী, কাকলি, শিখা, সু পৰ্ণা। বন্ধু-বান্ধৱী সকল — অমৰ, পাৰ্থ, বিকাশ, ৰিতুৰাজ, লাতুমণি, সন্তোষ, শ্যামন্ত, ভৱ, ফুল, মানস প্ৰতিম, বিতুপন, বিবেক, শান্তনু, সু নিল, জ্যোতিস্মিতা, ৰিংকী, স্মিতা, মুনমী, আৰু ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়াৰ ওচৰত মই চিৰ কৃতজ্ঞ।

শেষত সোণাৰি মহাবিদ্যালয়ৰ এই জ্ঞানৰ মন্দিৰটিৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কামনাৰে উজ্জ্বল ভৱিষ্যৎ কামনা কৰি অজানিতে হৈ যোৱা ক্ৰটিৰ বাবে সকলোৰে ওচৰত নতশিৰে ক্ষমা বিচাৰি মোৰ একতা সভাৰ সম্পাদকীয় ৰূপে প্ৰতিবেদন সামৰিছো।

"জয়তু সোণাৰি মহাবিদ্যালয়"

**প্ৰণৱ গগৈ।**
**সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ২০০৬ - ০৭ বৰ্ষ**





# প্ৰতিবেদন

## সাহিত্য বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া উপাধ্যক্ষা মহোদয়া প্ৰমুখ্যে সমূহ শিক্ষা গুৰুসকল, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী বৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া সকল তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ - ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

বিগত ২০০৫-০৬ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগ পোৱাত মই সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

সাহিত্য বিভাগৰ সম্পাদিকা হিচাপে মই বিগত বৰ্ষটিত কোনো বিশেষ অৰিহণা যোগাব নোৱাৰিলো। ১১/১২/০৬ তাৰিখে আৰম্ভ হোৱা এই ক্ৰীড়া সপ্তাহত মই সাহিত্য বিভাগৰ অন্তৰ্গত সমূহ প্ৰতিযোগিতাসমূহ নিয়াৰিকৈ পাতিবলৈ সক্ষম হৈছিলো।

শেষত মোৰ এবছৰীয়া কাৰ্য্যকালত মোৰ কাৰ্য্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাত মই প্ৰধানকৈ মোৰ বিভাগীয় উপদেষ্টা ৰাণু, ৰীণা বাইদেউ, শ্ৰীযুত ৰঘুনাথ কাগয়ুং ছাৰ তেখেতসকললৈ মোৰ সহস্ৰ আন্তৰিক কৃতজ্ঞতা যাঁছিলো। মোৰ দায়িত্বত থকা প্ৰতিটো কাম কাজতে সহায় আগবঢ়োৱা মৰমৰ বন্ধু হিৰেশ্বৰ, মামণি আৰু তহলিমা, আমাৰ বিভাগৰ সমূহ বন্ধু - বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সৰ্বশেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা মোৰ ভুলবোৰৰ বাবে আপোনালোক সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। আগন্তুক বৰ্ষ কেইটাত যাতে উক্ত বিভাগটি অধিক সাফল্যমণ্ডিত হৈ উঠে আৰু মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ এই প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"

**প্ৰীতিৰেখা লাহন**
**সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা**
**২০০৬ - ০৭ বৰ্ষ**

# প্ৰতিবেদন



## ছাত্ৰী জিৰণি চ'ৰা

প্ৰতিবেদনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় আৰু মোৰ চিৰপূজ্য শিক্ষাগুৰু সকলৰ লগতে মহাবিদ্যালয়ৰ কৰ্মচাৰী বৃন্দলৈ আন্তৰিক শ্ৰদ্ধা নিৱেদন কৰিলো।

২০০৬-০৭ চনৰ বাবে সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকাৰ বাবে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ পোৱাৰ বাবে মই সচাঁই আনন্দিত। মোৰ কাৰ্য্যকালত ছাত্ৰী জিৰণি কোঠাটো বিষেশ এটা উন্নতি ন'হলেও এখন ড্ৰেছিং আইনা লগোৱাৰ ব্যৱস্থা কৰো লগতে ক্লাছ অফ টাইম অতিবাহিত কৰিবলৈ এখন কেৰম আৰু দুখন লুডু দিয়াৰ ব্যৱস্থা কৰো। জিৰণি চ'ৰাৰ প্ৰসাৰগাৰ কেইটাও চাফ-চিকুণ কৰাৰ ব্যৱস্থা কৰা হয়। তদুপৰি ছাত্ৰ একতা সভাৰ অন্যান্য কাম কাজত পূৰ্ণ সহায় সহযোগিতা আগবঢ়াও।

শেষত মোৰ এ এবছৰীয়া কৰ্য্যকালত মোক বিভিন্ন দিশত সহায়-সহযোগিতা, দিহা-পৰামৰ্শ দি কৃতাৰ্থ কৰা একতা সভাৰ সাধাৰণ সম্পাদক তথা বিভিন্ন বিভাগৰ বিষয়ববীয়াসকল, ক্ষিাগুৰু সকলক পুনৰ কৃতজ্ঞতা জনালো আৰু মোৰ কাৰ্য্যকালত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ক্ৰটিবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু সোণাৰি মহাবিদ্যালয়"

**কবিতা লাহন**
**সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা**
**২০০৬ - ০৭ বৰ্ষ**










# SONARI COLLEGE

## 2006-07 year













1. Sonari College Auditorium 2. Information & Career Guidence Centre and College Library. 3. Students Learning in College Computer Coaching Centre. 4. Sonari College Flower Garden. 5. U.G.C. Sponsored Newly constructed Classrooms 6. U.G.C. Sponsored Newly constructed Girls Hostel. 7. Front View of Sonari College.